এন· এছ· খ্রুশ্চভ

ছোভিয়েত যুক্তৰাষ্ট্ৰৰ কমিউনিষ্ট পাৰ্টিৰ কাৰ্য্যসূচী সম্পৰ্কে

ছোভিয়েত যুক্তৰাষ্ট্ৰৰ কমিউনিষ্ট পাৰ্টিৰ
দ্বাবিংশ কংগ্ৰেছত দাঙি ধৰা প্ৰতিবেদন

১৮ অক্টোবৰ, ১৯৬১

ছোভিয়েত দেশ, ৪ৰ্থ সংখ্যাৰ ক্ৰোড়পত্ৰ
ডিচেম্বৰ, ১৯৬১

[illegible] ডিসেম্বর, ১৯৬১

সোভিয়েত নভস্তি প্রেস এজেন্সির অনূদিত পাঠের ভিত্তিতে এই প্রকাশনের বিষয়বস্তু প্রস্তুত হয়েছে।

GAUHATI MUNICIPALITY
4 JAN 1970

॥ সূচীপত্র ॥

॥ এক ॥ সমাজতন্ত্রৰ ঐতিহাসিক বিজয় ৩

১। লেনিনৰ কার্য্যসূচী কামত পৰিণত হৈছে ৩

২। বিশ্ব-বিকাশৰ মূল পৰিণতিসমূহ ১২

॥ দুই ॥ সাম্যবাদ—পার্টি আৰু ৰাইজৰ মহৎ লক্ষ্য ২৫

॥ তিনি ॥ সমাজতান্ত্রিক অর্থনীতিৰপৰা সাম্যবাদী অর্থনীতিলৈ ৩৬

১। সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তিৰ সৃষ্টি ৩৬

২। গাওঁ অঞ্চলত কৃষি আৰু সামাজিক সম্পর্কৰ উন্নয়ন ৫০

৩। জনগণৰ কল্যাণ বৃদ্ধি কৰা আৰু শ্রমজীৱী জনতাৰ জীৱন যাত্রাৰ উচ্চতম মান লাভ কৰা ৮০

৪। পৰিকল্পনা আৰু পৰিচালনাই সাম্যবাদ গঠনৰ চাহিদা পূৰণ কৰিবই লাগিব ৮৯

॥ চাৰি ॥ সাম্যবাদী সামাজিক সম্পর্কৰ উন্নতি সাধন আৰু নতুন মানুহ গঢ়া ৯৭

১। ছোভিয়েত ইউনিয়নত শ্রেণীহীন সমাজ গঠন ৯৭

২। শ্রমিক শ্রেণীৰ একনায়কত্বৰ ৰাষ্ট্রৰপৰা সমগ্র জনসাধাৰণৰ ৰাষ্ট্রলৈ ১০০

৩। জাতিবিলাকৰ মাজত চুবুৰীয়া সম্পর্কৰ উন্নতি আৰু জনসাধাৰণৰ মাজত বন্ধুত্বৰ ভাৱ দৃঢ়ীকৰণ ১১২

৪। সাম্যবাদী শিক্ষা আৰু ব্যক্তিৰ সর্ব্বাঙ্গীণ বিকাশ ১১৬

॥ পাঁচ ॥ সাম্যবাদ আৰু মানৱ জাতিৰ প্ৰগতি ১২৯

॥ ছয় ॥ খচৰা কাৰ্য্যসূচীৰ বিষয়ে আলোচনাৰ ফলাফল ১৪৯

১। পাৰ্টি আৰু জনসাধাৰণৰ দ্বাৰা এই খচৰা কাৰ্য্যসূচী সৰ্ব্বসম্মতিক্ৰমে সমৰ্থন। খচৰাৰ ওপৰত সংশোধনী আৰু পৰিশিষ্ট ১৪৯

২। খচৰা কাৰ্য্যসূচীৰ বিষয়ে আন্তৰ্জাতিক অভিমত ১৬১

॥ সাত ॥ পৰিপূৰ্ণ সাম্যবাদ গঠনৰ কালছোৱাত পাৰ্টিৰ ভূমিকা ১৭২

কমৰেডসকল, বিংশতিতম কংগ্রেছে ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ নতুন কাৰ্য্যসূচিৰ খচৰা এটা প্ৰস্তুত কৰিবলৈ কেন্দ্ৰীয় কমিটিক ভাৰ দিছিল। কেন্দ্ৰীয় কমিটিয়ে সেই নিৰ্দেশ অনুযায়ী এটা খচৰা প্ৰস্তুত কৰি পাৰ্টি আৰু জনসাধাৰণৰ মাজত তাৰ আলোচনা হোৱাৰ পিছত বিবেচনাৰ কাৰণে কংগ্রেছৰ আগত দাখিল কৰে।

সাম্যবাদ গঢ়োঁতাসকলৰ কংগ্রেছ হিচাপে, মানৱজাতিৰ ইতিহাসত প্ৰথম সাম্যবাদী সমাজ এখন গঢ়াৰ কাৰণে প্ৰস্তুত কৰা এই মহান কাৰ্য্যসূচীখন চালিজাৰি চাই গ্ৰহণ কৰা কংগ্রেছ হিচাপে আমাৰ এই কংগ্রেছ ইতিহাসৰ পাতত জিলিকি থাকিব।

আমাৰ কংগ্রেছৰ মঞ্চৰপৰা আমি মানৱসমাজৰ প্ৰতিভা, শ্ৰমিকশ্ৰেণীৰ মহান নেতা মাৰ্ক্স, এংগেলছ আৰু লেনিনৰ প্ৰতি আমাৰ প্ৰথম প্ৰীতি আৰু আনুগত্য জনাইছো। যি সমাজতন্ত্ৰক মাৰ্ক্স আৰু এংগেলছে অৱশ্যম্ভাৱী বুলি বৈজ্ঞানিক দৃষ্টিৰে ভবিষ্যদ্বাণী কৰিছিল, যি সমাজতন্ত্ৰক গঢ়ি তোলাৰ আঁচনি কৰিছিল লেনিনে—তাক আজি ছোভিয়েত ইউনিয়নত বাস্তৱত ৰূপায়িত কৰা হ'ল। আমাৰ দেশ এতিয়া আগ বাঢ়িছে এক নতুন গিৰিশৃঙ্গলৈ। সেই গিৰিশৃঙ্গ সাম্যবাদৰ গিৰিশৃঙ্গ।

শ্ৰমিকশ্ৰেণী আৰু কমিউনিষ্ট পাৰ্টি ইয়াৰ সংগ্ৰামত বিশ্ব গুৰুত্বপূৰ্ণ তিনিটা ঐতিহাসিক স্তৰৰ মাজেৰে আগবাঢ়ে। সেই স্তৰ কেইটা হৈছে —শোষণকাৰীক শাসনচ্যুত কৰি শ্ৰমিকশ্ৰেণীৰ একনায়কত্ব প্ৰতিষ্ঠা, সমাজতন্ত্ৰ গঠন, কমিউনিষ্ট সমাজ গঢ়ি তোলা।

আমাৰ পাৰ্টি আৰু জনসাধাৰণে প্ৰথম দুটা স্তৰ সম্পূৰ্ণ কৰিছে। পাৰ্টিয়ে এই স্তৰ দুটাত কৃতকাৰ্য্য হব পাৰিছে তাৰ কাৰণ হ'ল

॥ পাঁচ ॥ সাম্যবাদ আৰু মানৱ জাতিৰ প্ৰগতি ১২৯

॥ ছয় ॥ খচৰা কাৰ্য্যসূচীৰ বিষয়ে আলোচনাৰ ফলাফল ১৪৯

১। পাৰ্টি আৰু জনসাধাৰণৰ দ্বাৰা এই খচৰা কাৰ্য্যসূচী সৰ্ব্বসম্মতিক্ৰমে সমৰ্থন। খচৰাৰ ওপৰত সংশোধনী আৰু পৰিশিষ্ট ১৪৯

২। খচৰা কাৰ্য্যসূচীৰ বিষয়ে আন্তৰ্জাতিক অভিমত ১৬১

॥ সাত ॥ পৰিপূৰ্ণ সাম্যবাদ গঠনৰ কালছোৱাত পাৰ্টিৰ ভূমিকা ১৭২

কমৰেডসকল, বিংশতিতম কংগ্ৰেছে ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ নতুন কাৰ্য্যসূচীৰ খচৰা এটা প্ৰস্তুত কৰিবলৈ কেন্দ্ৰীয় কমিটিক ভাৰ দিছিল। কেন্দ্ৰীয় কমিটিয়ে সেই নিৰ্দেশ অনুযায়ী এটা খচৰা প্ৰস্তুত কৰি পাৰ্টি আৰু জনসাধাৰণৰ মাজত তাৰ আলোচনা হোৱাৰ পিছত বিবেচনাৰ কাৰণে কংগ্ৰেছৰ আগত দাখিল কৰে।

সাম্যবাদ গঢ়োঁতাসকলৰ কংগ্ৰেছ হিচাপে, মানৱজাতিৰ ইতিহাসত প্ৰথম সাম্যবাদী সমাজ এখন গঢ়াৰ কাৰণে প্ৰস্তুত কৰা এই মহান কাৰ্য্যসূচীখন চালিজাৰি চাই গ্ৰহণ কৰা কংগ্ৰেছ হিচাপে আমাৰ এই কংগ্ৰেছ ইতিহাসৰ পাতত জিলিকি থাকিব।

আমাৰ কংগ্ৰেছৰ মঞ্চৰপৰা আমি মানৱসমাজৰ প্ৰতিভা, শ্ৰমিকশ্ৰেণীৰ মহান নেতা মাৰ্ক্স, এংগেলছ আৰু লেনিনৰ প্ৰতি আমাৰ প্ৰথম প্ৰীতি আৰু আনুগত্য জনাইছোঁ। যি সমাজতন্ত্ৰক মাৰ্ক্স আৰু এংগেলছে অৱশ্যম্ভাৱী বুলি বৈজ্ঞানিক দৃষ্টিৰে ভৱিষ্যদ্বাণী কৰিছিল, যি সমাজতন্ত্ৰক গঢ়ি তোলাৰ আঁচনি কৰিছিল লেনিনে — তাক আজি ছোভিয়েত ইউনিয়নত বাস্তৱত ৰূপায়িত কৰা হ'ল। আমাৰ দেশ এতিয়া আগবাঢ়িছে এক নতুন গিৰিশৃঙ্গলৈ। সেই গিৰিশৃঙ্গ সাম্যবাদৰ গিৰিশৃঙ্গ।

শ্ৰমিকশ্ৰেণী আৰু কমিউনিষ্ট পাৰ্টি ইহঁতৰ সংগ্ৰামত বিশ্ব গুৰুত্বপূৰ্ণ তিনিটা ঐতিহাসিক স্তৰৰ মাজেৰে আগবাঢ়ে। সেই স্তৰ কেইটা হৈছে —শোষণকাৰীক শাসনচ্যুত কৰি শ্ৰমিকশ্ৰেণীৰ একনায়কত্ব প্ৰতিষ্ঠা, সমাজতন্ত্ৰ গঠন, কমিউনিষ্ট সমাজ গঢ়ি তোলা।

আমাৰ পাৰ্টি আৰু জনসাধাৰণে প্ৰথম দুটা স্তৰ সম্পূৰ্ণ কৰিছে। পাৰ্টিয়ে এই স্তৰ দুটাত কৃতকাৰ্য্য হব পাৰিছে তাৰ কাৰণ হ'ল

বহুলাংশে ইয়াৰ প্ৰকৃত পৰিপ্ৰেক্ষিত—মাৰ্ক্সবাদ-লেনিনবাদৰ দৃঢ়-ভিত্তিৰ ওপৰত প্ৰতিষ্ঠিত সংগ্ৰামী বৈপ্লৱিক পাৰ্টি কাৰ্য্যসূচী।

প্ৰথম দুটা কাৰ্য্যসূচীৰ কাম ভ্লাদিমিৰ ইলিচ লেনিনৰ প্ৰত্যক্ষ সহযোগিতা আৰু পৰিচালনাত সমাধা কৰা হৈছিল। তৃতীয় কাৰ্য্যসূচীৰ কাম সমাধা কৰিবৰ সময়তো আমি সদায়েই লেনিনৰ উপদেশ বিচাৰিছিলো, সমাজতন্ত্ৰ আৰু সাম্যবাদ গঢ়ি তোলা সম্পৰ্কে তেওঁৰ ভবিষ্যৎ-দৃষ্টি আৰু বিচক্ষণ ধাৰণা আমাৰ পথ-প্ৰদৰ্শক আছিল। ঠিক এই কাৰণেই এই কাৰ্য্যসূচীকো আমি লেনিনবাদী কাৰ্য্যসূচী বুলি কোৱাৰ যুক্তি আছে।

কুৰি শতিকাটো চমকপ্ৰদ সাম্যবাদী-জয়যাত্ৰাৰ শতিকা। এই শতিকাৰ প্ৰথমাৰ্দ্ধত আমাৰ পৃথিৱীত সমাজতন্ত্ৰবাদে ভালকৈ খোপনি পুতি ললে, আৰু শতিকাৰ শেষাৰ্দ্ধত সাম্যবাদেও তাকেই কৰিব। এই লক্ষ্যত উপনীত হোৱাৰ বাটটো নতুন পাৰ্টি কাৰ্য্যসূচীয়ে দেখুৱাই দিছে। এই কাৰ্য্যসূচীক সাম্প্ৰতিক-কালৰ সাম্যবাদী-ঘোষণা (কমিউনিষ্ট মেনিফেষ্টো) বুলি কোৱা কথাষাৰ একেবাৰে সঁচা।

খচৰা কাৰ্য্যসূচী পাৰ্টিৰ সামূহিক-চিন্তাৰ মূৰ্ত্ত-প্ৰতীক। সমগ্ৰ ছোভিয়েত জনসাধাৰণে কয়: এইখন আমাৰ কাৰ্য্যসূচী, ই আমাৰ আশা-আকাংক্ষা প্ৰকাশ কৰিছে।

কাৰ্য্যসূচীত থকা কথাবোৰে সমগ্ৰ মানৱজাতিৰ বুকুৰ আশা-আকাংক্ষা প্ৰকাশ কৰিছে। খচৰা কাৰ্য্যসূচীখন ভ্ৰাতৃপ্ৰতিম পাৰ্টিবোৰে হিয়া-উবুৰিয়াই অনুমোদন কৰিছে। সমগ্ৰ বিশ্বৰ শ্ৰমিকশ্ৰেণী আৰু শ্ৰমজীৱী জনসাধাৰণে পৰম উৎসাহেৰে গ্ৰহণ কৰিছে। ই সাম্যবাদৰ শক্তিৰ, মানৱজাতিৰ ভবিষ্যতৰ কাৰণে আমাৰ কাৰ্য্যসূচীৰ মহান তাৎপৰ্য্যৰ পৰিচায়ক।

॥ এক ॥

সমাজতন্ত্ৰৰ ঐতিহাসিক বিজয়

১। লেনিনৰ কাৰ্য্যসূচী কামত পৰিণত হৈছে

কমৰেডসকল, ১৯১৭ খ্ৰীষ্টাব্দৰ অক্টোবৰ মাহত পাৰ্টিয়ে সাম্যবাদৰ পথত ইয়াৰ প্ৰথম জয় লাভ কৰে। শোষণকাৰীৰ শাসন উচ্ছেদ কৰি শ্ৰমিকশ্ৰেণীৰ (সৰ্বহাৰাৰ) একনায়কত্ব প্ৰতিষ্ঠা কৰা হয়। দ্বিতীয় কংগ্ৰেছত গ্ৰহণ কৰা পাৰ্টি কাৰ্য্যসূচী পৰিপূৰণ কৰা হয়। আমাৰ দেশে আজিলৈকে কোনেও ভৰি নিদিয়া সমাজতান্ত্ৰিক ৰূপান্তৰৰ গৌৰৱোজ্জ্বল পথটোত প্ৰথম ভৰি দিয়ে।

এক নিৰ্ভীক কৰ্ণধাৰ, আমাৰ আপোনাতকৈও আপোন লেনিনে ছোভিয়েত ডিঙাখনৰ গুৰি ধৰিলে। তেওঁ সমাজতন্ত্ৰ গঠনৰ এক বিচক্ষণ পৰিকল্পনা ৰচনা কৰে। অষ্টম কংগ্ৰেছে গ্ৰহণ কৰা লেনিনৰ কাৰ্য্যসূচীখন এক সাহসভৰা বৈজ্ঞানিক ভৱিষ্যদ্বাণী, নতুন সমাজ গঢ়ি তোলাৰ কাৰণে এখন স্পষ্ট আঁচনি আৰু জনসাধাৰণৰ প্ৰতি আকুল বৈপ্লৱিক আহ্বান—এই তিনিওৰে সমন্বয়। সমাজতন্ত্ৰ গঢ়িবলৈ যিখিনি লাগে—সেই সকলো আমাৰ আছে—এই সত্যটোৱেই পাৰ্টিৰ উৎস। নতুন ব্যৱস্থাটোৰ বৈপ্লৱিক সম্ভাৱনা আৰু শ্ৰমজীৱী জনসাধাৰণৰ বীৰত্বৰ ওপৰত পাৰ্টিৰ অগাধ বিশ্বাস আছিল।

নতুন সমাজ ব্যৱস্থাটো গঢ়ি তোলাত বিপদৰো শেষ নাই। বিৰাট দেশখন জুৰি যুদ্ধই মূৰ দাঙি উঠিছিল। মানৱ জাতিয়ে সমাজতন্ত্ৰৰ বাটটোত প্ৰথম ভৰি দিওঁতেই বাটটো ভেটি পেলাবৰ কাৰণে ছোভিয়েত সাধাৰণতন্ত্ৰৰ

ওপৰত আন্তৰ্জাতিক প্রতিক্রিয়া আৰু দেশীয় প্রতি-বিপ্লৱ জপিয়াই পৰিছিল।

সাম্রাজ্যবাদী যুদ্ধ আৰু হস্তক্ষেপকাৰীবোৰৰ আক্রমণে ৰুছিয়াৰ জাতীয় অৰ্থনীতিত বিপৰ্য্যয়ৰ সৃষ্টি কৰিছিল। ৰাছিয়াৰ জাতীয় অৰ্থনীতি প্রধান পুঁজিবাদী দেশবোৰৰ অৰ্থনীতিতকৈ তেতিয়া ৫০ৰ পৰা ১০০ বছৰ পিছ পৰি আছিল। ১৯১৩ চনতকৈ ১৯১৯ চনত দেশত শিল্প-উৎপাদন ৫ গুণ কম হৈছিল। খেতিৰ অৱস্থাও পৰি গৈছিল।

এই অসুবিধাবোৰে আৰু বিৰাট আকাৰ ধাৰণ কৰিছিল। কাৰণ, সমাজতান্ত্রিক পথেৰে জীৱন সংগঠিত কৰাৰ অভিজ্ঞতা আমাৰ নাছিল, আৰু আমি ইতিহাসত নতুন বাট কাটি উলিয়াব লগা হৈছিলো। ছোভিয়েত জনসাধাৰণে বাহিৰৰপৰা কোনো ধৰণৰ বৈষয়িক বা কাৰিকৰী সহায় পোৱা নাছিল। দেশখনক চাৰিওফালে পুঁজিবাদী শত্ৰুবোৰে আগুৰি আছিল আৰু অৱৰুদ্ধ-অৱস্থাত আমি কাম কৰিব লগীয়া হৈছিলো।

সচাকৈ, এই অপৰিসীম বিপদবোৰ অতিক্রম কৰি এটা নতুন জীৱন গঢ়াৰ পথ সুগম কৰিবৰ কাৰণে পাৰ্টিয়ে বিৰাট প্রচেষ্টা চলাব লগীয়া হৈছিল।

আমি কমিউনিষ্টবোৰক শত্রুবোৰে কৈছিল—বোলে আমি কেৱল ভঙা হে পাৰোঁ—আমি একো গঢ়িব বা সৃষ্টি কৰিব নোৱাৰো। মিছা নহয়তো, মানুহৰ ঘৃণনীয় শোষণ-ব্যৱস্থাক আমি ভাঙি চুৰমাৰ কৰি দিলো। কিন্তু আমি যে সেয়া কৰিলো তাৰ উদ্দেশ্য আছিল সাম্যবাদ গঢ়া। সাম্যবাদ হ'ল পুঁজিবাদৰ দুৰ্গন্ধময় আবৰ্জনাবোৰ গুচাই মেলি পৰিষ্কাৰকৈ উলিওৱা মাটিত পতা এখন নতুন আৰু পৰম কল্যাণময় সমাজ-ব্যৱস্থা। সাম্যবাদী সকলে ইতিহাসত **ভৰি দিছে—মহত্তম সৃজনশীল শক্তি হিচাপে। এই শক্তি বিশ্বক পৰিবৰ্তন কৰি তাত নতুনকৈ গঢ় দিয়া শক্তি।**

ইতিহাসৰ ঘটনাবোৰে প্রতিপন্ন কৰিছে যে কমিউনিষ্টসকল আটাইতকৈ অধিক সুসমঞ্জস দেশপ্রেমিক, নিজৰ দেশৰ আটাইতকৈ নিভাজ সন্তান, দেশৰ

স্বাৰ্থৰক্ষাত আগ্ৰাইতকৈ সাহসী অগ্ৰগামী। দেশক জাতীয় বিপৰ্যয়ৰপৰা, বিদেশী সাম্ৰাজ্যবাদী দাসত্ব-শিকলিৰপৰা আমি বলশ্বেভিকসকলেইতো ৰক্ষা কৰিছিলো, আমিয়েইতো মানৱ সমাজৰ চকুত দেশক মহান কৰি তুলি ধৰিছিলো।

বুৰ্জোৱা পাৰ্টি, ৰাজনীতিবিদ আৰু ভাৱাদৰ্শ প্ৰচাৰকাৰীসকলে ৰুছিয়াত সমাজতন্ত্ৰ গঢ়ি তোলাৰ আঁচনিৰ প্ৰতি বৰ্বৰ হিংস্ৰতা আৰু ঘৃণাভৰা বিদ্ৰূপৰ মনোভাৱ লৈছিল। তেওঁলোকে সমস্বৰে গীত যুৰিছিল যে "বলশ্বেভিক পৰীক্ষা"ৰ পতন অৱশ্যম্ভাৱী। ৰুছিয়াৰ জীৱনৰ সকলোবোৰ ৰূপৰ সম্পূৰ্ণ পতন হ'ব আৰু সমাজবাদী আৰু সাম্যবাদী তত্ত্বসমূহ সম্পূৰ্ণৰূপে ব্যৰ্থ হব বুলি চাৰ্চিলে ভৱিষ্যদ্বাণী কৰিছিল। আজি আমি চাৰ্চিলক সুধিব পাৰোঁ নে—কোনখন দেশ ব্যৰ্থ হ'ল? অৰ্থনৈতিকভাৱে এদিন বিশ্বৰ প্ৰধান দেশবোৰৰ একেবাৰে পিছত পৰি থকা আমাৰ দেশখন আজি দ্বিতীয় শিল্পোন্নত শক্তি হৈ উঠিছে। ই আজি ঐতিহাসিক প্ৰগতিৰ একেবাৰে আগশাৰীত। ইতিমধ্যে এসময়ৰ বিশ্বৰ সৰ্বপ্ৰধান শক্তি গ্ৰেটব্ৰিটেনে আজি চিৰদিনৰ কাৰণে আগৰ নিজৰ ঠাই হেৰুৱালে। সমাজতান্ত্ৰিক আদৰ্শৰ বিপুল যুগান্তকাৰী শক্তি আৰু সাম্ৰাজ্যবাদী আদৰ্শৰ চৰম ব্যৰ্থতা আপুনি এয়া নিজ চকুৰেই দেখিছে।

দ্বিতীয় আন্তৰ্জাতিকৰ নেতাসকলেও প্ৰমাণ কৰিব খুজিছিল যে ৰুছিয়াত সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰাটো সম্ভৱ নহয়। "পুঁজিবাদক সমূলে নিৰ্মূল কৰাৰ প্ৰশ্ন উঠিবই নোৱাৰে। ই পুনৰ জাগি উঠিব, ইয়াৰ পুনৰ্জাগৰণ হবই লাগিব আৰু সম্ভৱ অচিৰেই হবও।" এয়া আমাৰ দেশৰ কাৰণে কাৰ্ল্ কাউট্‌স্কিৰ ভৱিষ্যদ্বাণী। তেওঁ অলপো লুক-ঢুক নকৰাকৈ কৈ দিছিল যে বলশ্বেভিক পাৰ্টিয়ে ইয়াৰ কাৰ্য্যসূচী কামত পৰিণত কৰাত সফল হব নোৱাৰিব। মেনশ্বেভিক আৰু সোঁপন্থী ছোছিয়েলিষ্ট-ৰিভলিউশ্যনাৰিবোৰেও তেওঁৰ সুৰতে সুৰ মিলালে। সোঁপন্থী

ছোছিয়েলিষ্ট ৰিভলিউশ্যনাৰি পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ দলিল এখনত কোৱা হৈছে যে "ধ্বংসপ্ৰাপ্ত শিল্প আৰু অসংগঠিত যানবাহন ব্যৱস্থা থকা অৰ্থনৈতিকভাৱে পশ্চাদপদ এখন দেশক সমাজতান্ত্ৰিক ভিত্তিলৈ ৰূপান্তৰিত কৰিবলৈ চেষ্টা কৰাৰ ফলত জাতীয় অৰ্থনীতি ধ্বংস আৰু দেশত বিশৃঙ্খলা আৰু অৰাজকতাৰ সৃষ্টি হোৱাৰ বাহিৰে আৰু একো নহব।"

বুৰ্জোৱা আৰু ছোছিয়েল-ডেমোক্ৰেটিক ভুৱা-ভবিষ্যদ্বক্তাসকল সত্যৰপৰা বহুদূৰ আঁতৰি গল। সাম্যবাদী ছোছিয়েলিষ্ট নেতাসকলৰ যদি অকণমানো সততা থাকিলহেঁতেন তেন্তে তেওঁলোকে স্বীকাৰ কৰিবলৈ বাধ্য হ'লহেঁতেন যে বলশ্বেভিক সকলেই ঠিক আছিল। জনসাধাৰণক ঠিক পথেৰে নেতৃত্ব দিয়াত কমিউনিষ্ট পাৰ্টিয়েই একমাত্ৰ পাৰ্টি বুলি প্ৰমাণিত হ'ল। ই বিৰাট বাধা-বিপত্তি অতিক্ৰম কৰি আৰু ট্ৰটস্কিপন্থী, সোঁপন্থী সুবিধাবাদী, জাতীয়তাবাদী পথচ্যুত আৰু অন্যান্য আত্মবিশ্বাসহীন লোকক একাষৰীয়া কৰি থৈ ইয়াৰ আঁচনি বাস্তৱ পৰিণত কৰি দেখুৱালে যে কমিউনিষ্ট পাৰ্টিৰ কথা আৰু কামৰ যি মিল সি অতুলনীয়।

পাৰ্টি আৰু জনসাধাৰণৰ কাৰ্য্যাৱলীৰ প্ৰধান ফল হল ছোভিয়েত যুক্তৰাষ্ট্ৰত সমাজতন্ত্ৰৰ সম্পূৰ্ণ আৰু চূড়ান্ত জয়লাভ। জগতজোৱা ঐতিহাসিক তাৎপৰ্য্যপূৰ্ণ মহৎ কাম এটা পূৰ্ণ কৰা হ'ল। সমাজতন্ত্ৰবাদৰ প্ৰতিষ্ঠা আৰু বিকাশ সাধন কৰি কাৰ্য্যক্ষেত্ৰত পৰীক্ষিত এক বিজ্ঞানেৰে মানৱজাতিক সুসজ্জিত কৰা হ'ল। এতিয়া অন্যান্য জাতিবোৰ সমাজতন্ত্ৰৰ পথেৰে আগ বঢ়াটো অধিক সহজ হৈ পৰিল।

এক নতুন ধৰণৰ ৰাষ্ট্ৰ সমাজতান্ত্ৰিক ৰাষ্ট্ৰখনৰ প্ৰতিষ্ঠা আৰু সংহতি আৰু নতুন গণতন্ত্ৰৰ শ্ৰেষ্ঠতম ধৰণ সমাজতান্ত্ৰিক গণতন্ত্ৰৰ প্ৰতিষ্ঠা আৰু সংহতি—**ৰাজনৈতিক ক্ষেত্ৰত** পাৰ্টি আৰু জনসাধাৰণৰ প্ৰধান কৃতকাৰ্য্যতা। ছোভিয়েত ইউনিয়ন এখন নিভাজ জনপ্ৰিয় শাসন, স্বাধীনতা আৰু সমতাৰ দেশ।

অৰ্থনৈতিক ক্ষেত্ৰত আমাৰ প্ৰধান ঐতিহাসিক সফলতাসমূহ হ'ল: শ্ৰেণী আৰু জাতিৰ মাজত তীব্ৰ সংঘৰ্ষৰ সৃষ্টিকাৰী উৎপাদনৰ উপকৰণত ব্যক্তিগত অধিকাৰৰ অৱসান ঘটাই সামাজিক অধিকাৰৰ প্ৰতিষ্ঠা কৰা। বুৰ্জোৱাশ্ৰেণীয়ে ঘোষণা কৰিছিল যে ব্যক্তিগত সম্পত্তি হেজাৰ হেজাৰ বছৰ ধৰি আছে আৰু ই যাউতিযুগলৈ থাকিব, ই পবিত্ৰ সম্পদ। আমি কমিউনিষ্টসকলে বুকুডাঠি এই নীতিক আক্ৰমণ কৰিলো। সমাজতন্ত্ৰবাদে সামাজিক অধিকাৰৰ যুগ এটা আদৰি আনিলে, আৰু উৎপাদনত অৰাজকতা, অৰ্থনৈতিক সংকট আৰু অন্যান্য সামাজিক বিপৰ্য্যয়ৰ ওৰ পেলালে।

আশ্চৰ্য্যজনকভাৱে কম সময়ৰ ভিতৰতে, এক শক্তিশালী শিল্প গঢ়ি তোলা হ'ল। ফলত সৃষ্টি হ'ল আমাৰ দেশৰ শক্তি আৰু সমৃদ্ধিৰ লাইখুটা সমাজতন্ত্ৰৰ বৈষয়িক ভিত্তি। লেনিনৰ সহযোগিতাৰ পৰিকল্পনাৰে সজ্জিত হৈ পাৰ্টিয়ে ৰাষ্ট্ৰক্ষমতা দখল কৰাৰ পিছতে এটা অত্যন্ত কঠিন সমস্যাৰ সমাধান কৰিলে; সি হ'ল সমাজতান্ত্ৰিক ভিত্তিত ভৰি দিবৰ কাৰণে কৃষকসকলক সহায় কৰা। কৃষক সম্প্ৰদায়ৰ স্বেচ্ছাকৃত সহযোগিতা মানৱজাতিৰ সামাজিক-অৰ্থনৈতিক ইতিহাসত এক অভূতপূৰ্ব ঘটনা।

আমাৰ দেশখন এবাৰ মনৰ চকুৰে চাওক, আৰু অতীতৰ লগত ইয়াৰ তুলনা কৰক। দেখিব কি চমকপ্ৰদভাৱে ইয়াৰ চেহেৰা সলনি হৈ গৈছে, এই বছৰবোৰ কি এক জাক-জমকীয়া বাটেৰে আমি আহিছো।

কৃষিপ্ৰধান কেৰা আৰু পাচি, কাঠৰ নাঙল আৰু যতৰৰ দেশ বুলি ধৰি লোৱা হৈছিল। আমেৰিকা যুক্তৰাজ্যত যিমান যন্ত্ৰপাতি আছিল ইয়াত তাৰ দহভাগৰ এভাগ আছিল, জাৰ্মানীৰ ১/২ ভাগ আছিল। আজি ছোভিয়েত ইউনিয়ন যন্ত্ৰপাতিত অগ্ৰসৰ দেশ; ইয়াত আজি আছে উচ্চ শক্তি-সম্পন্ন মেছিন-টুল, অতি-নিখুঁত যন্ত্ৰপাতি, স্বয়ংক্ৰিয় পথ, ইলেকট্ৰনিক কমপিউটাৰ আৰু মহাকাশবিমান। ১৯৬১ চনত আমাৰ যন্ত্ৰ-নিৰ্মাণ

আৰু ধাতৱ শিল্পৰ উৎপাদন ১৯১৩ চনতকৈ ৩৫০ গুণ বেছি, আৰু ১৯১৯ চনতকৈ প্ৰায় ১,০০০ গুণ বেছি।

ৰুছিয়াক কাঠ, খেৰ আৰু গছৰ বাকলিৰ আঁহৰ দেশ বুলি কোৱা হৈছিল। ধাতুৰ সচাঁকৈয়ে দাৰুণ অভাৱ আছিল। আজি ছোভিয়েত ইউনিয়ন তীখা আৰু এলুমিনিয়ম, বিলাতী মাটি আৰু প্লাস্টিকৰ দেশ। ব্ৰিটেন, পশ্চিম জাৰ্মানি আৰু ফ্ৰান্সৰ তীখা লগ লগালে যিমান হয়, আমাৰ দেশত প্ৰায় সিমান তীখা উৎপাদন হয়।

পেৰাফিন আৰু মমৰ চাকিৰ ৰাজত্ব আছিল ৰুছিয়াত। ছোভিয়েত সমূহৰপৰা অষ্টম কংগ্ৰেছত যোগ দিবলৈ অহা প্ৰতিনিধিসকলে যেতিয়া **গোৱেলৰো** (GOELRO) বিদ্যুতীকৰণ পৰিকল্পনাৰ বিষয়ে আলোচনা কৰিছিল তেতিয়া যিটো ঘৰত কংগ্ৰেছ বহিছিল তাক পোহৰাবলৈ আঁটাকৈ যিকণ বিজুলী শক্তি লাগিছিল মস্কোত সিও নাছিল। আজি ছোভিয়েত ইউনিয়নত পৃথিৱীৰ ভিতৰতে আটাইতকৈ শক্তিশালী বিদ্যুৎ-উৎপাদন কেন্দ্ৰ আছে।

আমি ৩০০,০০০ নিযুততকৈও অধিক কিলোৱাট ঘণ্টা বিদ্যুৎ উৎপাদন কৰো। ১৯৬১ চনত ১৯১৩ চনতকৈ ১৬০ গুণ আৰু ১৯১৯ চনতকৈ ৬৫০ গুণ অধিক বিদ্যুৎ উৎপাদিত হব।

দেশত সমাজতান্ত্ৰিক গঠন কাৰ্য্য আৰম্ভ হোৱাৰ সেই অতীত দিনত আমাৰ সমুখত দেখা দিয়া অপৰিসীম কৰ্তব্যৰ কথা কবলৈ গৈ লেনিনে নেক্ৰাছভৰ বিখ্যাত কবিতাৰ শাৰী কেইটামান উদ্ধৃত কৰিছিল। কবিতা কেইশাৰী তেওঁৰ দেশৰ প্ৰতি গভীৰ বেদনা আৰু দেশৰ শক্তিৰ প্ৰতি অমৰ আস্থাৰে ভৰা :

দাৰিদ্ৰ্যগ্ৰস্তা, ঐশ্বৰ্য্যশালিনী তুমি
অমিত-ফল-সম্ভৱা বন্ধ্যা তুমি
হে মোৰ ৰুছ, মোৰ মাতৃভূমি !

বলশ্বেভিকৰ অনমণীয় দৃঢ়তাৰে, লেনিনে ঘোষণা কৰিলে, "ৰুছিয়া যাতে দাৰিদ্ৰ্যগ্ৰস্তা আৰু বন্ধ্যা হৈ নাথাকে, যাতে আখৰে আখৰে অমিত ফল-সম্ভাৰ আৰু ঐশ্বৰ্য্যশালিনী হৈ উঠে—তাৰ কাৰণে সকলো শক্তি প্ৰয়োগ কৰিও লক্ষ্যত উপনীত হ'ব লাগিব। (ভি আই. লেনিন, কলেক্টেড্ ওৱাৰ্কছ, ৪ৰ্থ ৰুছ সংস্কৰণ, ২৭তম খণ্ড, পৃঃ ১৩৪) আমি আজি সেই লক্ষ্যত উপনীত হৈছো ॥

সামাজিক ক্ষেত্ৰত পাৰ্টিয়ে জনসাধাৰণৰ যুগ যোৰা আশা-আকাংক্ষাক বাস্তৱলৈ ৰূপান্তৰিত কৰিছে। মানুহৰ দ্বাৰা মানুহৰ শোষণৰ সকলো ৰূপকেই নিৰ্মূল কৰা হ'ল। শোষক শ্ৰেণীসমূহৰ অৱসান কৰা হ'ল। শ্ৰমিক শ্ৰেণী সমাজৰ পৰিচালিকা শক্তি হৈ উঠিল। কৃষকশ্ৰেণীয়ে সমাজতান্ত্ৰিক অৰ্থনীতিৰ মূলতত্ত্ব গ্ৰহণ কৰিলে। সমগ্ৰ ছোভিয়েত জনসাধাৰণৰ সামাজতাণ্ত্ৰিক একতা গঠিত হল। মহিলাক পুৰুষৰ সমান অধিকাৰ দিয়া হল, আৰু দিয়া হ'ল সমাজৰ কল্যাণৰ কাৰণে সৃজনশীল কাৰ্য্য অনুসৰণ কৰিবলৈ সম্পূৰ্ণ সুযোগ।

আদৰ্শৰ ক্ষেত্ৰত যি বিপ্লৱ হ'ল সি বিষয়বস্তুৰ ফালৰপৰা অত্যন্ত সুদূৰপ্ৰসাৰী আৰু, সামাজিক তাৎপৰ্য্য আৰু পৰিণতিৰ ফালৰপৰা মহান। কমিউনিষ্ট সকলে জ্ঞান আৰু বিজ্ঞানৰ দীপশিখা ওপৰলৈ তুলি ধৰিছে। সাংস্কৃতিক বিপ্লৱে আমাৰ নিৰক্ষৰতা দূৰ কৰিলে, আৰু কোটী কোটী জনতাই সংস্কৃতি আৰু বিজ্ঞানৰ ফল ভোগ কৰিবলৈ অধিকাৰ পালে। জনসাধাৰণৰ বুদ্ধিজীৱী শ্ৰেণী এটা গঢ় লৈ উঠিল। আমি ইঞ্জিনিয়াৰ-সকলক শিক্ষা দিয়াত বহুদিনৰপৰাই প্ৰথম স্থান অধিকাৰ কৰি আহিছো। ভৱিষ্যতৰ সাৰ্বজনীন সংস্কৃতিৰ প্ৰতীক সমাজতান্ত্ৰিক সংস্কৃতিৰ জন্ম হৈছে। মাৰ্ক্স-লেনিনবাদ ছোভিয়েত সমাজত ভাৱাদৰ্শ হৈ পৰিছে। ব্যক্তিগত মালিকানাই লালন-পালন কৰি তোলা বৰ-বিদ্বেষী ভাৱধাৰা অতীতৰ কথা হৈ পৰিছে। ছোভিয়েত জনসাধাৰণৰ জীৱন আৰু কৰ্মধাৰাত সমবায় নীতিৰ জয়লাভ হৈছে।

বিভিন্ন জাতিৰ মাজত সম্পৰ্কৰ অত্যন্ত জটিল সমস্যাটোৱে বহু শতিকা ব্যাপি মানৱজাতিক কষ্ট দি আহিছিল আৰু পুঁজিবাদী দেশত এই সমস্যা আজিও আছে। পাৰ্টিয়ে এই **বিভিন্ন জাতিৰ মাজৰ সম্পৰ্কৰ সমস্যাটো**-ৰ সমাধান কৰিছে। জাৰৰ ৰুছিয়া "জাতিৰ পোতাশাল" বুলি জনাজাত আছিল। ছোভিয়েত ইউনিয়ন আজি জনাজাত—জাতিৰ ভাই-ককাইৰ পৰিয়াল বুলি, ছোভিয়েত ইউনিয়ন এনে এখন দেশ য'ত জাতিসমূহে বন্ধুৰ দৰে বাস কৰি ডাঙৰ-দীঘল হয়। ছোভিয়েত সমাজব্যৱস্থাই নতুন জীৱন পালে আৰু পিতৃপ্ৰধান ফৈদৰপৰা পুঁজিবাদী স্তৰলৈকে ঐতিহাসিক বিকাশৰ বিভিন্ন স্তৰত বাস কৰা আগত নিপীড়িত আৰু অধিকাৰহীন জাতি-সমূহ সমৃদ্ধশালী হৈ উঠিল। অধিক উন্নত জাতিসমূহৰ, বিশেষকৈ বৃহৎ ৰুচীয় জনসাধাৰণৰ সহায় লৈ আগৰ পিছপৰা জাতিসমূহ পুঁজি-বাদৰ পথ ত্যাগ কৰি অগ্ৰসৰ জাতিৰ পৰ্য্যায়লৈ উন্নীত হ'ল, উমৈহতীয়া চৰিত্ৰ-বিশিষ্ট বিভিন্ন জাতিৰ জনসাধাৰণৰ এটা নতুন ঐতিহাসিক সম্প্ৰদায়—ছোভিয়েত জনসাধাৰণ ছোভিয়েত যুক্তৰাষ্ট্ৰত গঢ় লৈ উঠিছে। তেওঁলোকৰ এখন উমৈহতীয়া সমাজতান্ত্ৰিক মাতৃভূমি আছে: সংযুক্ত ছোভিয়েত সমাজতান্ত্ৰিক সাধাৰণতন্ত্ৰ; এটা উমৈহতীয়া অৰ্থনৈতিক ভিত্তি আছে: সমাজতান্ত্ৰিক অৰ্থনীতি; এটা উমৈহতীয়া সমাজতান্ত্ৰিক শ্ৰেণী-গঠন (structure), এটা উমৈহতীয়া ভাবাদৰ্শ: মাৰ্কস্‌বাদ-লেনিনবাদ; এটা উমৈহতীয়া লক্ষ্য: সাম্যবাদ গঢ়ি তোলাৰ লক্ষ্য আৰু তেওঁলোকৰ আত্মিক-গঠন আৰু মনস্তত্বৰ বহুতো উমৈহতীয়া চৰিত্ৰ।

এই বিৰাট ৰূপান্তৰৰ ফলস্বৰূপে **মানুহৰ জীৱনধাৰণৰ অৱস্থাৰ আমূল পৰিৱৰ্ত্তন সাধিত হৈছে**। জাৰৰ আমোলৰ ৰুছিয়াত শ্ৰমিক-সকলে কঠোৰ পৰিশ্ৰম কৰিব লগীয়া হৈছে আৰু কামৰ সময় প্ৰায়েই ১২।১৪ ঘণ্টা হৈছিল। তেওঁলোকে যি মজুৰী পায় তাৰে তাৰৰ মাজত জীৱনো লৈ থকাই দিন। অধিকসংখ্যক শ্ৰমিকেই নগৰৰ আৱৰ্জনাপূৰ্ণ ঠাইত বাস

কৰিছিল। কৃষকসকলৰ কাৰণে মাটি নাছিলেই। প্ৰত্যেক তিনিটাৰ ভিতৰত এটা পৰিয়ালৰ হাল বাবলৈ ঘোঁৰা নাছিল। খেতি যিখিনি হয় তাৰ সৰহভাগেই ৰাজকৰ আৰু অন্যান্য কৰ দিওঁতে গৈছিল। সৰহভাগ কৃষকেই লগাখিনি খাবলৈ নাপাইছিল। এৰ ডাঙৰ উৎসৱ আহিলেহে তেওঁলোকে মঙহৰ মুখ দেখিছিল, আৰু চেনি খোৱাটো এটা বিলাসিতা মাত্ৰ আছিল। প্ৰত্যেক বছৰেই হাজাৰ হাজাৰ কৃষক ধ্বংসৰ মুখত পৰিছিল, আৰু নগৰত নিবনুৱাৰ সংখ্যাও দিনে দিনে বিৰাট আকাৰ ধাৰণ কৰিছিল।

সমাজতন্ত্ৰই মানুহক এটা নতুন জীৱন দিলে। শ্ৰমজীৱী জনতাৰ সেই ভয়াবহ ব্যাধি নিবনুৱা সমস্যা বহু দিনৰ আগতেই অৱসান হৈছিল। নিবনুৱা সমস্যাৰ অৱসান হোৱা আৰু কাম কৰাৰ সময় কমাই দিয়াৰ কাৰণে শ্ৰমিকৰ প্ৰকৃত মজুৰী শতকৰা ৪৮০ গুণ বাঢ়ে আৰু কৃষকৰ প্ৰকৃত আয় শতকৰা ৫০০ গুণতকৈ অধিক হয়। শ্ৰমজীৱী জনসাধাৰণৰ ঘৰ [illegible], বিদ্যুৎ, টেলিভিছন, ৰেডিও, ৰেফ্ৰিজাৰেটৰ, কাপোৰ, নানাবিধ সামগ্ৰীৰে ভৰি পৰিল। আমাৰ দেশত ঘৰৰ ভাড়া পৃথিৱীৰ ভিতৰতে কম। কৰ-বাতিল কৰাৰ আইন এখন বলবৎ হোৱাৰ পথত। মানুহৰ জীৱনকাল গঢ়ে ৬৯ বছৰলৈ উঠিছে। আমাৰ জনস্বাস্থ্যৰ এয়া উন্নত পদ প্ৰমাণ। ইয়াৰ পৰা দেখা গ'ল সমাজতন্ত্ৰৰ যুগত জীৱনকাল দুগুণতকৈও অধিক হ'ল। সাম্যবাদৰ যুগত জীৱনকাল আৰু বাঢ়িব আৰু "আমাৰ জীৱন হব সুদীৰ্ঘ, বাৰ্দ্ধক্যৰ জড়তাই নোৱাৰিব স্পৰ্শ কৰিব।"– কবিৰ এই স্বপ্ন সঠিক হব।

সমাজতন্ত্ৰই ইতিহাসত এই প্ৰথমবাৰ মানুহক সকলো মৌলিক সামাজিক অধিকাৰ দান কৰিলে: কাম আৰু জিৰণিৰ অধিকাৰ, বাৰ্দ্ধক্য, ৰোগ আৰু কৰ্মক্ষমতাহীনতাৰ সময়ত বৈষয়িক নিৰাপত্তা, আৰু শিক্ষাৰ অধিকাৰ। সমাজতন্ত্ৰই ছোভিয়েত জনসাধাৰণক তেওঁলোকৰ নিজৰ আৰু সতি-সন্তানৰ ভৱিষ্যতৰ প্ৰতি বিপুল আস্থা, নিৰাপত্তা-বোধ দান কৰিলে, আৰু তেওঁলোকক এক ঐতিহাসিক আশাবাদৰ মনোবলেৰে গঢ় দিলে।

জাৰ্মান-ফেছিবাদী দস্যুবোৰক সকলোৱে অপৰাজেয় বুলি ভাবিছিল। সমাজতন্ত্ৰৰ বিপুল শক্তিয়ে মহান দেশপ্ৰেমিক যুদ্ধত ইহঁতক ধ্বংস কৰি আগৰণুৱা হৈ ওলাই আহে।

সমাজতন্ত্ৰৰ বিজয়ৰ ফলত সমাজ-বিকাশৰ চৰিত্ৰত সুদূৰপ্ৰসাৰী পৰিৱৰ্ত্তন সাধিত হৈছে। হাজাৰ হাজাৰ বছৰ ধৰি জনসাধাৰণ বহিৰ্জগতৰ সামাজিক নিয়মৰ স্বতঃস্ফূৰ্ত ক্ৰিয়াৰ বুলি হৈছিল। সমাজতন্ত্ৰৰ যুগত জনসাধাৰণে বহিৰ্জাগতিক নিয়মৰ বিষয়ে জ্ঞানতো লাভ কৰিলেই,' তদুপৰি তাক নিজৰ আয়ত্তাধীন কৰিও ললে। শোষণকাৰীবিলাকে শ্ৰমিক আৰু কৃষকসকলক নিৰ্বাক-জড় পদাৰ্থৰূপে ব্যৱহাৰ কৰিছিল। কিন্তু সমাজতান্ত্ৰিক পৰিবেশত এওঁলোকেই বিকাশৰ প্ৰকৃত অপৰিসীম সামৰ্থ্য, বীৰত্বৰ বিস্ময়, অতুলনীয় সাহস আৰু মহাপৰাক্ৰম প্ৰদৰ্শন কৰিলে। ছোভিয়েত ইউনিয়নৰ উদাহৰণে সকলো দেশৰ জনসাধাৰণকে নিজৰ শক্তিৰ ওপৰত আস্থা আনি দিছে।

আমাৰ দেশত সমাজতান্ত্ৰিক ব্যৱস্থাই যিবোৰ মূল সুবিধা দিছে—সিয়েই মানৱসমাজ কোন পথেৰে যোৱা উচিত—এই প্ৰশ্নৰ সম্পূৰ্ণ সঠিক উত্তৰ দিব। ঘটনাই দেখুৱাই দিছে যে বুৰ্জোৱা আৰু ছোছিয়েল ডেমোক্ৰেটিক পাৰ্টিবোৰৰ সকলো পৰিকল্পনা দেউলীয়া হৈ গৈছে; এই পাৰ্টিবোৰে তেওঁলোকৰ কথা ৰাখিব নোৱাৰিলে। তেওঁলোকে কোনো মূল সামাজিক সমস্যাকেই সমাধান কৰিব পৰা নাই আৰু কৰিব নোৱাৰেও। ইতিহাসে ঘটনাৰে প্ৰমাণ কৰিছে যে, কমিউনিষ্টসকলেহে এনে এক সামাজিক-ৰাজনৈতিক শক্তি যি মানৱসমাজক বিপন্ন কৰা সামাজিক সমস্যাবোৰৰ প্ৰকৃত সমাধান দিব পাৰে আৰু হাতত যি কাম লয় তাক শেষ কৰে।

২। বিশ্ব-বিকাশৰ মূল পৰিণতিসমূহ

কমৰেডসকল, অষ্টম কংগ্ৰেছত গ্ৰহণ কৰা পাৰ্টি কাৰ্য্যসূচীত দেখুৱাই দিয়া হৈছিল যে সাম্ৰাজ্যবাদ আৰু তাৰ অন্তৰ্দ্বন্দ্ববিলাকৰ বিকাশৰ

	১৯১৯				১৯৬১			
	এলাকা		জনসংখ্যা		এলাকা		জনসংখ্যা	
	নিযুত বর্গ কিলোমিটাৰ	% %	নিযুত	% %	নিযুত বর্গ কিলোমিটাৰ	% %	নিযুত	% %
ক. সমাজতান্ত্রিক আৰু অসমাজতান্ত্রিক পৃথিৱী	১৩৫ ৪	১০০	১,৭৭৭	১০০	১৩৫ ৪	১০০	৩,০১৭	১০০
(১) সমাজতান্ত্রিক পৃথিৱী	২১ ৭	১৬·০	১·৮ ০	৭ ৮	৩৫ ১	২৫ ৯	১,০৭২	৩৫·৫
(২) অ-সমাজতান্ত্রিক পৃথিৱী	১১৩ ৭	৮৪ ০	১.৬৩৯	৯২ ২	১০০ ৩	৭৪ ১	১.৯৪৫	৬৪ ৫
খ. বৃহৎ সাম্রাজ্যবাদী শক্তিবর্গ (আমেৰিকা যুক্তৰাজ্য, ব্রিটেন, জার্মানি, এফ আৰ জি. ফ্রান্স, জাপান. ইতালি আৰু তেওঁলোকৰ উপনিৱেশসমূহ)	৬০ ৩	৪৪ ৫	৮৫৫	৪৮ ১	১৮ ৬	১৩ ৭	৫৪১ ৫	১৭ ৯
গ. সকলো উপনিৱেশ, অৰ্দ্ধ-উপনিবেশ আৰু ডমিনিয়ন	১০৪ ৫	৭৭ ২	১ ২৩০	৬৯ ২	১৪ ২	১০ ৫	৮৫ ৪	২·৮
ঘ. আগৰ উপনিৱেশ—১৯১৯ চনৰ পিছত যিবোৰ অৰ্দ্ধ-উপনিৱেশে স্বাধীনতা লাভ কৰিছিল (সমাজতান্ত্রিক দেশবোৰ বাদ দি)					৭২ ২	৫৩ ৭	১,২২৮	৪০ ৭

ফলত "পুঁজিবাদৰ পতন আৰু সমাজতান্ত্ৰিক অৰ্থনীতিৰ উচ্চতম পৰ্য্যায়লৈ ৰূপান্তৰ অৱশ্যম্ভাৱী কৰি তুলিছে।" কাৰ্য্যসূচীত ঘোষণা কৰা হৈছিল যে বিশ্ব-জোৰা শ্ৰমিকশ্ৰেণীৰ সাম্যবাদী বিপ্লৱৰ যুগ আৰম্ভ হ'ল। ইয়াৰ পিছত যিবিলাক ঐতিহাসিক পৰিৱৰ্তন হৈছে সেই সকলোবোৰেই মাৰ্ক্সবাদী লেনিনবাদীসকলে আগতেই দেখা পাইছিল। এতিয়া ১৯১৯ চনৰ পৃথিৱীৰ ৰাজনৈতিক মানচিত্ৰখনৰ লগত আজিৰ পৃথিৱীৰ তুলনা কৰোঁ। (১৩ পৃষ্ঠাত চাওক)

এই তুলনাৰ পৰা কি ধৰা পৰে? আধুনিক কালৰ মহান বৈপ্লৱিক শক্তিসমূহে পৃথিৱীৰ চেহেৰাৰ নতুন ৰূপ দি দিলে। জাতিসমূহৰ ওপৰত সাম্ৰাজ্যবাদৰ যি প্ৰাদুৰ্ভাৱ আছিল সি চিৰদিনৰ কাৰণে লোপ পালে। মানৱজাতিৰ অগ্ৰগতিৰ ৰাজআলি সজা হ'ল। এয়ে সমাজতন্ত্ৰ।

আমাৰ যুগত সমাজৰ প্ৰগতিশীল বিকাশৰ মূল পৰিণতি হ'ল বিশ্ব-সমাজতান্ত্ৰিক ব্যৱস্থাৰ জন্ম। ১৯১৭ চনৰ অক্টোবৰ মাহৰ পিছত বিশ্ব-বুৰঞ্জীত চীন আৰু অন্যান্য এছীয় আৰু ইউৰোপীয় দেশত সমাজ-তান্ত্ৰিক বিপ্লৱৰ জয় এক সৰ্ববৃহৎ ঘটনা।

বিশ্ব সমাজতান্ত্ৰিক ব্যৱস্থা এতিয়াও তাৰ ফুৰলীয়া অৱস্থাত। কিন্তু মানৱসমাজৰ উত্তৰোত্তৰ বিকাশৰ ধাৰা নিৰ্ধাৰিত কৰিবৰ কাৰণে অত্যন্ত তাৎপৰ্য্যপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰিবলৈ ই ইতিমধ্যেই যথেষ্ট অভিজ্ঞতা সঞ্চয় কৰিছে।

সমাজবাদী ব্যৱস্থাই যে পুঁজিবাদী ব্যৱস্থাৰ ঠাই অনিবাৰ্য্যভাৱে গ্ৰহণ কৰিবই—তাৰ প্ৰমাণ কেৱল এখন দেশৰ অভিজ্ঞতাৰ পৰাই পোৱা নাই—ভালেকেইখন দেশৰ অভিজ্ঞতাযো সেই কথাটোকে সমৰ্থন কৰে। সমাজতন্ত্ৰত যে চূড়ান্ত সুযোগ-সুবিধা আছে সেইটো প্ৰমাণিত হৈছে। নতুন ব্যৱস্থাই উচ্চহাৰত উৎপাদিকা শক্তিৰ বিকাশ নিশ্চিত কৰিছে, ই শ্ৰমজীৱী জনসাধাৰণৰ জীৱনধাৰণৰ মানদণ্ড বঢ়াই নিছে,

মানুহক শোষণৰপৰা মুক্ত কৰিছে আৰু ব্যক্তিক সাধাৰণ সামাজিক আৰু ৰাজনৈতিক অধিকাৰৰ নিশ্চিতি দিছে।

সমাজতান্ত্ৰিক বিপ্লৱ আৰু সমাজতান্ত্ৰিক গঠনকাৰ্যৰ সমৃদ্ধীয়া অভিজ্ঞতাত ভ্ৰাতৃপ্ৰতিম দেশবোৰৰ গৌৰৱপূৰ্ণ মাৰ্ক্সবাদী-লেনিনবাদী পাৰ্টিবোৰে মৌলিক অৱদান দিছে। ছোভিয়েত ইউনিয়নৰ বিশাল অভিজ্ঞতাৰ উপৰিও, আন্তৰ্জাতিক শ্ৰমিক-আন্দোলন আজি সৰ্বহাৰাৰ একনায়কত্বৰ এক অভিনৱ ৰূপ জন-গণতন্ত্ৰৰ অভিজ্ঞতাৰে, বিপ্লৱৰ গণতান্ত্ৰিক স্তৰৰ পৰা সমাজতান্ত্ৰিক স্তৰলৈ শান্তিপূৰ্ণ ৰূপান্তৰৰ অভিজ্ঞতাৰে, সমাজতান্ত্ৰিক গঠনকাৰ্যৰ স্বাৰ্থত পাৰ্লামেণ্ট আৰু বহু পাৰ্টি ব্যৱস্থাক কামত খটুৱাৰ অভিজ্ঞতাৰে, শিল্পোন্নত দেশবোৰত সমাজতান্ত্ৰিক সমাজ গঢ়ি তোলাৰ অভিজ্ঞতাৰে, বিকাশৰ পুঁজিবাদী স্তৰটো বাদ দিয়েই অৰ্থনৈতিকভাৱে অনুন্নত দেশবোৰৰ সমাজতান্ত্ৰিক স্তৰলৈ ৰূপান্তৰিত হোৱাৰ অভিজ্ঞতাৰে আৰু গাওঁ অঞ্চলত মাটিত ব্যক্তিগত অধিকাৰৰ প্ৰতি থকা কৃষকৰ গভীৰ স্পৃহাৰ সুদীৰ্ঘ ঐতিহ্যৰ কথা বিবেচনা কৰি মাটি ৰাষ্ট্ৰীয়কৰণ নকৰাকৈয়ে সমাজতান্ত্ৰিক স্তৰলৈ উন্নীত হোৱাৰ অভিজ্ঞতাৰে সজ্জিত।

সমাজতন্ত্ৰত ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ মাজত এটা নতুন ধৰণৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক সম্বন্ধই গা কৰি উঠিছে। সমাজতান্ত্ৰিক আন্তৰ্জাতিকতা, সামগ্ৰিক বন্ধুত্বপূৰ্ণ সহযোগিতা আৰু ভ্ৰাতৃত্বমূলক পাৰস্পৰিক সাহায্য আৰু সকলো সাৰ্বভৌম ৰাষ্ট্ৰবোৰৰ সম্পূৰ্ণ সমতা—এইবোৰেই সমাজতান্ত্ৰিক পৰিয়ালটোত উদ্ভৱ হোৱা সম্বন্ধৰ মূল লক্ষণ। সমাজতান্ত্ৰিক পৰিয়ালটোত জাতিয়ে জাতিয়ে হোৱা প্ৰাচীন বিৰোধৰ অৱসান হৈছে আৰু তাৰ ঠাইত জাতিসমূহৰ মাজত ভ্ৰাতৃত্ব আৰু বন্ধুত্বৰ নীতিৰ প্ৰতিষ্ঠা হৈছে।

শান্তি আৰু সমাজৰ প্ৰগতিৰ স্বাৰ্থত বিশ্বৰ পৰিবৰ্তনৰ ওপৰত সমাজতান্ত্ৰিক ব্যৱস্থাৰ ক্ৰমবৰ্ধমান প্ৰভাৱ বাঢ়কৈয়ে পৰিছে। সমাজ-

তান্ত্ৰিক পৰিয়ালটোৰ উদাহৰণৰ শক্তিয়ে আন দেশৰ শ্রমিকশ্রেণী আৰু সমগ্র শ্রমজীৱী জনসাধাৰণক পুঁজিবাদী নিপীড়নৰ বিৰুদ্ধে, সামাজিক আৰু জাতীয় মুক্তি আৰু যাউতিযুগীয়া শান্তিৰ কাৰণে প্রচণ্ড শক্তিৰে সংগ্রাম চলাই যাবলৈ অনুপ্রেৰণা যোগাইছে। জীৱনৰ ঘটনাৱলী দেখি জনসাধাৰণে এষাৰ কথা হৃদয়ংগম কৰিছে যে সমাজতন্ত্র পৃথিৱীৰ প্রকৃত বসন্তকাল আৰু পুঁজিবাদ পৃথিৱীৰ অতীতকাল।

বিশ্ব বিকাশৰ পৰিণতিসমূহৰ ভিতৰত দ্বিতীয় ঐতিহাসিক তাৎপৰ্য্যপূৰ্ণ কথাটো হ'ল উপনিৱেশবাদী ব্যৱস্থাৰ পতন। সমাজতন্ত্রৰ জন্ম আৰু সংহতিয়ে নিপীড়িত জনসাধাৰণৰ কাৰণে এটা মুক্তিৰ যুগ আদৰি আনিলে। সমাজতন্ত্র এক ক্ষমতাশালী শক্তি হৈ হৈ উঠাৰ লগে লগেইহে উপনিৱেশবাদৰ দ্বাৰা নিপীড়িত ১৫০ কোটী মানুহৰ মুক্তিৰ দৰে এটা ঐতিহাসিক পৰিবৰ্তন সংগঠিত হব পাৰিলে। উপনিৱেশবাদৰ বেষ্টাইলত জাতীয় মুক্তি-বিপ্লবে এক প্রচণ্ড আঘাত হানিলে। উপনিৱেশবাদী সাম্রাজ্যৰ ভগ্নাৱশেষৰ ওপৰত ৪২খন সাৰ্বভৌম ৰাষ্ট্ৰৰ জন্ম হ'ল।

সাম্রাজ্যবাদে সমগ্র মহাদেশসমূহকে জনসাধাৰণৰ পোতাশাললৈ পৰিৱৰ্তন কৰিছিল। কোটী কোটী জনসাধাৰণক ই দাসত্বৰ শিকলি পিন্ধাই বহু শ বছৰ তেওঁলোকক সভ্যতাৰপৰা আঁতৰত ভেটা দি ৰাখি থৈছিল। ই এছিয়া, আফ্রিকা আৰু লেটিন এমেৰিকাৰ দেশবোৰৰ অৰ্থনীতিক কৃষি আৰু কেচা-মালৰ ওপৰত জোৰ দি, দীঘে দীঘে বান্ধিছিল, ফলত সি একলীয়া হৈ গৈছিল। কমৰেডসকল, আপোনাসকলেই বিচাৰ কৰি চাওক। পুঁজিবাদী অৰ্থনীতি অনুসৰিয়েই অ-সমাজতান্ত্ৰিক বিশ্বৰ জনসংখ্যাৰ তিনিভাগৰ দুভাগ-তকৈও অধিক লোক বাস কৰা দেশসমূহত শিল্প উৎপাদনৰ এক-দশমাংশ, যন্ত্রপাতি আৰু সাজ-সৰঞ্জামৰ শতকৰা প্রায় ৩ ভাগ আৰু ধাতুৰ শতকৰা প্রায় ৫ ভাগহে উৎপাদন হয়। এছিয়া আৰু এফ্রিকাৰ কম-উন্নত দেশবোৰত

জনসংখ্যাৰ গাইমুৰি বছৰেকীয়া আয় আমেৰিকা-যুক্তৰাজ্যতকৈ ২০বপৰা ২৫ ভাগ কম।

পুঁজিবাদী "সভ্যতা-দানকৰোঁতা"সকলে উপনিৱেশসমূহক বহুবছৰ "লালন-পালন" কৰাৰ পিছত, এছিয়া, এফ্ৰিকা আৰু লেটিন এমেৰিকাৰ লাখ লাখ জনসাধাৰণৰ অনাহাৰত মৃত্যু হৈছে। সেই অঞ্চলবোৰত মানুহ গড়ে জীয়াই থাকে তেওঁলোকৰ আগৰ মেট্ৰপলিটান দেশবোৰৰ জনসাধাৰণৰ গড়ে জীয়াই থকাৰ আধাসময়। এফ্ৰিকাত শিশুৰ মৃত্যুৰ হাৰ অত্যন্ত বেছি। এফ্ৰিকাৰ প্ৰাপ্তবয়স্ক লোকসকলৰ শতকৰা ৮০ জনে আৰু লেটিন এমেৰিকাৰ শতকৰা ৪০ জনে লিখিব পঢ়িব নাজানে। "স্বাধীন-বিশ্ব"ৰ তথাকথিত সভ্যতাৰ কাৰণে এই ভয়ঙ্কৰ মূল্য দিব লগীয়া হৈছে। উপনিৱেশবাদীবোৰে সৃষ্টি কৰা সম্বন্ধৰ ঘৃণনীয় ব্যৱস্থাক জনসাধাৰণে যে ভাঙি চুৰমাৰ কৰি পেলাইছে তাত অস্বাভাৱিক একো নাই।

বিশ্ব-বিকাশৰ তৃতীয় পৰিণতি হ'ল সকলোকালেদি পুঁজিবাদৰ তীব্ৰ বলহীনতা আৰু ইয়াৰ সাধাৰণ সংকটৰ নতুন তীব্ৰতা। আমাৰ পাৰ্টিৰ দ্বিতীয় কাৰ্যসূচীত লেনিনে পুঁজিবাদ আৰু তাৰ সৰ্বোচ্চ পৰ্যায় সাম্ৰাজ্যবাদৰ যি বিশ্লেষণ দিছিল কাৰ্যক্ষেত্ৰত সি আখৰে আখৰে ফলিয়াইছে। আমি সেয়েহে আমাৰ পাৰ্টিৰ নতুন কাৰ্যসূচীতো ঘটনাৰ এই মৌলিক বিশ্লেষণৰ (thesis) পুনৰুল্লেখ কৰাটো প্ৰয়োজনীয় বুলি ভাবিলো।

সমাজতান্ত্ৰিক আৰু জাতীয় মুক্তি বিপ্লৱসমূহ বিশ্ব সমাজতান্ত্ৰিক ব্যৱস্থাৰ অগ্ৰগতি, আৰু উপনিৱেশবাদী ব্যৱস্থাৰ ভাঙন—এইবোৰেই সাম্প্ৰতিককালত এটা নতুন, তৃতীয় স্তৰত ভৰি দিয়া সাধাৰণ সংকট গভীৰ কৰাত চূড়ান্ত ভূমিকা গ্ৰহণ কৰিছে। পুঁজিবাদৰ সংকট আৰু তীব্ৰ কৰাত এইবোৰেই একমাত্ৰ কাৰণ নহয়। পুঁজিবাদৰ সংকট এটা সুদূৰপ্ৰসাৰী, সৰ্বগ্ৰাসী প্ৰক্ৰিয়া। ইয়াৰ ভিতৰত অৰ্থনীতি, ৰাষ্ট্ৰীয় আৰু

পৰৰাষ্ট্ৰীয় নীতি আৰু ভাৱাদৰ্শগত ভেটিৰ ওপৰৰ সজা (super structure) -বুৰ্জোৱা সমাজৰ জীৱনৰ এই সকলো ফালেই পৰে।

প্ৰথমতে এযাৰ কথা লক্ষ্য কৰিব লাগিব যে **পুঁজিবাদৰ অৰ্থনৈতিক স্থিৰতাহীনতা দ্ৰুত গতিৰে বাঢ়ি গৈছে আৰু বিভিন্ন দেশৰ মাজত অসমান বিকাশ বেছিকৈ চকুতপৰা হৈছে।** পুঁজিবাদী ব্যৱস্থাৰ অৰ্থনৈতিক বিকাশৰ বেগ কমি গৈছে, আৰু কিছুমান দেশতচো জনসংখ্যাৰ বৃদ্ধিৰ হাৰতকৈ আগ বাঢ়িবই পৰা নাই। অৰ্থনৈতিক সংকট সঘনে হ'বলৈ ধৰিছে, বিশেষকৈ আমেৰিকাৰ যুক্তৰাজ্যত। যুদ্ধ-উৎপাদন অৰ্থনীতিৰ স্থায়ী উপাদান হৈ পৰিছে। সমৰবাদে বিৰাট আকাৰ ধাৰণ কৰিছে। জাতীয় আয়ৰ শতকৰা ১৫ৰপৰা ২০ ভাগ অস্ত্ৰ-সজ্জাত ব্যয় কৰা হৈছে। মানুহৰ শ্ৰমশক্তিৰ এটা মূল অংশই বৈষয়িক মূল্য উৎপাদনত ব্যয় হোৱা নাই। উৎপাদন যন্ত্ৰত উৎপাদন কৰিবলৈ সদায় কমকৈ বস্তু দিয়াটো দিনে দিনে বাঢ়িহে গৈছে। সংকটৰ সময়ত উৎপাদনৰ সামৰ্থ্যৰ এই কম-ব্যৱহাৰ কোনো কোনো শিল্পত শতকৰা ৫০ ভাগলৈকে হৈছে। কৃষক জন-সংখ্যাধিক্যৰ কথা বাদ দিলেও বহুতো দেশত বিৰাট আকাৰৰ নিবনুৱা সমস্যাই প্ৰকৃত জাতীয় বিপৰ্য্যয়ৰ আকাৰ ধাৰণ কৰিছে। চৰকাৰী পৰি-সংখ্যামতে, উত্তৰ আমেৰিকা আৰু পশ্চিম ইউৰোপৰ উন্নত পুঁজিবাদী দেশ, আৰু জাপান আৰু অষ্ট্ৰেলিয়াৰ ৮৫ নিযুত কাৰখানাৰ শ্ৰমিকৰ ভিতৰত ৮ৰপৰা ১০ নিযুতেই সম্পূৰ্ণ নিবনুৱা। ইয়াৰ অৰ্থ হ'ল ৯ জনৰ ভিতৰত গড়ে ১ জন নিবনুৱা।

বিশ্ব-পুঁজিবাদৰ ৰাজনৈতিক স্থিৰতাহীনতা বাঢ়ি গৈছে; এনে হোৱাৰ বিশেষ কাৰণ হ'ল ক্ৰমবৰ্ধমান শ্ৰেণী-বিৰোধ। আন কাৰণৰ লগতে এফালে এমুঠি একচেটিয়া ব্যৱসায়ী আৰু আনফালে জনসাধাৰণৰ আন সকলো অংশৰ মাজত হোৱা সংঘৰ্ষৰ গভীৰতা, শ্ৰমিকশ্ৰেণীৰ ব্যাপক সংগ্ৰাম, কৃষক-সম্প্ৰদায়ৰ ক্ৰমবৰ্ধমান সংগ্ৰাম, আৰু গণতন্ত্ৰৰ সমৰ্থনত আৰু ফেছিবাদ

আৰু স্বৈৰাচাৰী সামৰিক ৰাজত্বৰ বিৰুদ্ধে শ্ৰমজীৱী জনসাধাৰণৰ ব্যাপক আত্মপ্ৰকাশৰ ফলতো এই কথাৰ সত্যতা প্ৰতিপন্ন হৈছে। কমিউনিষ্ট পাৰ্টিসমূহৰ ভূমিকা আৰু প্ৰভাৱৰ ধীৰ অথচ নিশ্চিত অগ্ৰগতিৰ ফলতো এই কথাৰ চমকপ্ৰদ প্ৰমাণ পোৱা গৈছে।

এটা তীব্ৰ আৰু গভীৰ সংকটে সাম্ৰাজ্যবাদৰ সজাটোৰ উধৰপৰা মূধলৈকে আঘাত কৰিছে। অৱশ্যে ইয়াৰ অৰ্থ এই নহয় যে সাম্ৰাজ্যবাদৰ অৱস্থা সম্পূৰ্ণ অচল হৈ পৰিছে, আৰু ইয়াৰ উৎপাদিকা-শক্তি আগুৱাব নোৱাৰা হৈছে। দ্ৰুত-পৰিৱৰ্তনশীল ঘটনাৰ প্ৰভাৱত বিভিন্ন সময়ত বিভিন্ন পুঁজিবাদী দেশত পুঁজিবাদী অৰ্থনীতিৰ দ্ৰুততৰ বিকাশ দেখিবলৈ পোৱা যাব পাৰে। কিন্তু সামগ্ৰিকভাৱে কবলৈ গলে, উৎপাদনৰ পুঁজিবাদী সম্বন্ধসমূহে আধুনিক উৎপাদিকা শক্তিসমূহৰ বিকাশত ক্ৰমে বেছিকৈ বাধা দিবলৈ ধৰিছে। আমাৰ সময়ত সমাজতান্ত্ৰিক দেশবোৰত উৎপাদন বৃদ্ধিৰ হাৰেই সিবোৰৰ বিকাশৰ কাৰণ। যোৱা দশকত সমাজতান্ত্ৰিক অৰ্থনীতিৰ বৃদ্ধিৰ গড়ে বছৰেকীয়া হাৰ মুঠতে শতকৰা ৫ ভাগতকৈ বেছি বঢ়া নাছিল, অথচ সমাজতান্ত্ৰিক জগতত শতকৰা প্ৰায় ১৪ ভাগ বাঢ়িছিল।

সাম্ৰাজ্যবাদী ভাৱাদৰ্শ প্ৰচাৰক আৰু ৰাজনীতিবিদ সকলে মিছাকৈয়ে প্ৰমাণ কৰিবৰ চেষ্টা কৰে যে পুঁজিবাদৰ এতিয়াও বিৰাট সম্ভাৱনা আছে আৰু বিকাশৰ "সঞ্চিত শক্তি" আছে। সোঁ-পন্থী সমাজতন্ত্ৰী আৰু সাম্ৰাজ্য-বাদৰ অন্যান্য সমৰ্থকসকলে পুঁজিবাদী অৰ্থনীতিৰ নতুন ফালটোক মূলধন কৰি এই সিদ্ধান্ত কৰে যে পুঁজিবাদে তাৰ চৰিত্ৰ সলাইছে, আৰু সমাজতন্ত্ৰৰ ফালেহে সি বিৱৰ্ত্তিত হৈছে। সেইবোৰ অৱশ্যে চৰ বাজে কথা। কাৰ্য্যক্ষেত্ৰত, এই নতুন ফালটোৱে সাম্ৰাজ্যবাদ সম্বন্ধে লেনিনে দিয়া বিশ্লেষণকেইহে সমৰ্থন কৰে। ই দেখুৱাই দিয়ে যে পুঁজিবাদৰ "ৰূপান্তৰ" বুলি কোনো কথা নাই; ইয়াৰ ক্ৰমবৰ্ধমান দুৰ্বলতা, সংঘৰ্ষৰ তীব্ৰতা, বাঢ়ি যোৱা ক্ষয়িষ্ণুতা আৰু পৰাশ্ৰয়িতাহে পূৰ্ণোদ্যমে চলিছে।

সাম্রাজ্যবাদৰ সমর্থনকাৰীবোৱে মূলতঃ কিহৰ ওপৰত ভাৱনা কৰিছে? সকলোৱে উপৰি, ৰাষ্ট্ৰায়ত্ত একচেতিয়া পুঁজিবাদৰ ওপৰত। কিন্তু আমি জানো যে ৰাষ্ট্ৰায়ত্ত একচেতিয়া পুঁজিবাদ বেচ বহু দিন ধৰি তিষ্ঠি আছে। আৰু ঘটনাই কি দেখুৱায়? ই ইয়াকেই দেখুৱায় যে ৰাষ্ট্ৰায়ত্ত একচেতিয়া পুঁজিবাদে সাম্রাজ্যবাদতকৈ বেলেগ আন কোনো পুঁজিবাদী বিকাশৰ নতুন স্তৰৰ উদ্ভৱ হোৱাৰ কথা কেতিয়াও সূচায়। ই এইটোও সূচায় যে বুর্জোৱা ৰাষ্ট্ৰ এখনে বিকাশ লাভ কৰি নিৰপেক্ষ আপোচকাৰীৰ ভূমিকা লৈছে, ই এনে এটা শ্ৰেণী-অতীত শক্তি হৈ পৰিছে যি ব্যক্তিগত আৰু ৰাজহুৱা উভয় স্বার্থকে অর্থাৎ শ্ৰম আৰু পুঁজি (শ্ৰমিক আৰু মালিক) উভয় স্বাৰ্থকে সমানে ৰক্ষা কৰে।

ৰাষ্ট্ৰায়ত্ত একচেতিয়া পুঁজিয়ে একচেতিয়া শক্তিসমূহ আৰু ৰাষ্ট্ৰীয় শক্তি-সমূহৰ সমন্বয় সাধন কৰি এটা একক যন্ত্ৰৰ সৃষ্টি কৰে আৰু পুঁজিপতি শাসক-সকলৰ স্বাৰ্থৰ লগত জাতীয় জীৱনৰ সকলোবোৰ ফাল বান্ধি থয়। একচেতিয়া পুঁজিবাদেই অর্থনীতিৰ ভিত্তি হয় আৰু ই কোনো এখন সুকীয়া দেশৰ ভিতৰতেই নঘটে—গোটেই পুঁজিবাদী জগততেই এই ঘটনা ঘটে। এইটো কলেই যথেষ্ট হ'ব যে পৃথিৱীৰ পুঁজিবাদী উৎপাদনৰ এক-তৃতীয়াংশই ২০০টা প্ৰধান একচেতিয়া পুঁজিপতিৰ হাতত কেন্দ্ৰীভূত হৈ আছে। বিৰাট অক্টোপাচৰ দৰে, এওঁলোকে সমগ্ৰ দেশ আৰু মহাদেশৰ ডিঙি চেপি ধৰি মানুহৰ তেজ শুহি খাবলৈ ধৰিছে।

ৰাষ্ট্ৰীয় একচেতিয়া পুঁজিলৈ হোৱা ৰূপান্তৰ আৰু পুঁজিবাদী পুনৰুৎ-পাদনৰ প্ৰক্ৰিয়াত ৰাষ্ট্ৰৰ ক্ৰমবৰ্ধমান হস্তক্ষেপৰ ফলত উৎপাদিকা শক্তিৰ বিকাশৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰা আৰু পুঁজিবাদীবোৰৰ ক্ষুদ্ৰ পৰিয়ালৰ স্বাৰ্থত সম্পদৰাজি সমাবেশ কৰা যে সম্ভৱ হৈ উঠে সি সঁচা। একচেতিয়া পুঁজিবোৰৰ স্বাৰ্থত অর্থনৈতিক সম্বন্ধত ৰাষ্ট্ৰই কৰা হস্তক্ষেপৰ ফলত কিছুমান প্ৰতিক্ৰিয়াই দেখা দিয়ে। ই হ'ল উৎপাদন অলপ

বৃদ্ধি কৰাৰ লোভ আৰু যুদ্ধৰ পিছৰ কালছোৱাত মূল মূলধনৰ নতুন প্ৰয়োগ।

১৯২৯-১৯৩৩ চনত যি বিৰাট অৰ্থনৈতিক সংকটে দেখা দিছিল তেনেকুৱা অৰ্থনৈতিক সংকটে দেখা দি সুদূৰ প্ৰসাৰী সামাজিক পৰিণতিৰ সৃষ্টি কৰে বুলি ভয় খাই, একচেতিয়া বুৰ্জোৱাসকলে ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণৰ পদ্ধতি গ্ৰহণ কৰি পুঁজিবাদৰ অন্তৰ্নিহিত অৰ্থনৈতিক বিশৃঙ্খলাৰ ধ্বংসমূলক প্ৰতিক্ৰিয়া কম-তীব্ৰ কৰিবলৈ চেষ্টা কৰিছে। সি যি কি নহওক ৰাষ্ট্ৰীয় একচেতিয়া পুঁজিয়ে পুঁজিবাদৰ অৰ্থনৈতিক নিয়ম লঙ্ঘন নকৰে আৰু কৰিবও নোৱাৰে; ই উৎপাদনৰ ক্ষেত্ৰত স্বতঃস্ফূৰ্ত্ততা আৰু অৰাজকতা, অৰ্থনৈতিক সংকট আৰু পুজিবাদী ব্যৱস্থাৰ অন্যান্য কুফলবোৰ নিৰ্মূল নকৰে আৰু কৰিবও নোৱাৰে।

আমেৰিকাৰ যুক্তৰাজ্যত ৰাষ্ট্ৰীয় একচেতিয়া পুজিবাদ অত্যন্ত উন্নত। কিন্তু ই দেশৰ কি কল্যাণ সাধন কৰিছে? আমেৰিকাৰ যুক্তৰাজ্যতেই কাৰখানাত উৎপাদনৰ কাৰণে কম বস্তুৰ যোগান ধৰাতো অত্যন্ত তীব্ৰৰূপত দেখা দিছে। যেতিয়া পুজিবাদী জগতত বিৰাট জনসাধাৰণে অনাহাৰী, আমেৰিকা যুক্তৰাজ্যই তেতিয়া খেতিয়কৰ মাটিৰ পৰিমাণ আৰু কৃষি-উৎপাদন হ্ৰাস কৰিবলৈ চমন জাৰি কৰিছে। মুখত "পূৰ্ণ কৰ্মসংস্থান"ৰ বৰ কথা কলেও, আমেৰিকাৰ যুক্তৰাজ্যত কোটী কোটী লোক সম্পূৰ্ণ বা আংশিকভাৱে নিবনুৱা হৈ আছে।

ইয়াৰপৰা প্ৰমাণ হয় যে, সাম্ৰাজ্যবাদৰ বুৰিবলৈ ধৰা জাহাজখন ৰক্ষা কৰাৰ উপায় হিছাপে একচেতিয়া পুঁজিৰ ওপৰত ভাৰসা কৰাটো প্ৰকৃততে ভিত্তিহীন।

আমেৰিকাৰ সাম্ৰাজ্যবাদে বিশ্ব পুঁজিবাদৰ দুৰ্গ আৰু পক্ষ সমৰ্থক বীৰ যোদ্ধা হবলৈ আশা কৰে। আমেৰিকাৰ যুক্তৰাজ্য যে পুঁজিবাদী জগতৰ আটাইতকৈ ধনী আৰু আটাইতকৈ পৰাক্ৰমী শক্তি সেইটো অনস্বীকাৰ্য্য। কিন্তু ই ক্ৰমে বেছিকৈ পুঁজিবাদৰ অৰ্থনৈতিক বিপৰ্য্যয়ৰ কেন্দ্ৰ

হবলৈ ধৰিছে। ইয়াৰ উপৰিও এটা কথা লক্ষ্য কৰিব লাগিব যে—যোৱা গোটেই দশকটো জুৰি বিশ্ব পুঁজিতান্ত্রিক উৎপাদন আৰু বাণিজ্যত ইয়াৰ অংশ ধীৰে ধীৰে অথচ নিশ্চিতভাবে কমি যাবলৈ ধৰিছে। আমেৰিকাৰ পুঁজিবাদ তাৰ যৌৱনকাল পাৰ হ'ল, এতিয়া সি পৰি আহিছে।

আমেৰিকাৰ যুক্তৰাজ্যই সমগ্র পুঁজিবাদী জগতক নিজৰ নেতৃত্বত "ঐক্যবদ্ধ কৰিবলৈ" কৰা অভিসন্ধি যে বিফল হৈছে—তাৰ আৰু এটা কাৰণ আছে। ই হ'ল সাম্রাজ্যবাদী দেশবোৰৰ মাজত থকা গুচাব নোৱাৰা অর্থনৈতিক সংঘর্ষ। পুঁজিবাদী দেশবোৰক ঐক্যবদ্ধ কৰাৰ নামত, বজাৰৰ সমস্যা নিৰাকৰণ কৰাৰ নামত যুৰ দাঙি উঠা আন্তর্জাতিক ৰাষ্ট্রীয় একচেতিয়া পুঁজিবাদী সংগঠনসমূহ আচলতে হৈছে পুঁজিতান্ত্রিক বিশ্ব-বজাৰক পুনৰ ভগাই লোৱা কার্য্যৰ নতুন ধৰণ। ই তীব্র পীড়ন আৰু সংঘর্ষৰ উৎস হৈ পৰিছে। বস্তুগতভাৱে সাম্রাজ্যবাদী শিবিৰক দুটা ধাৰাই চলায় আৰু বান্ধি ৰাখে। এটা ধাৰাই সমাজতন্ত্রৰ বিৰুদ্ধে ইয়াৰ সকলো শক্তিক সংঘবদ্ধ কৰে আৰু আনটো ধাৰাই সাম্রাজ্যবাদী শক্তিসমূহৰ মাজত আৰু, সাম্রাজ্যবাদী শক্তি আৰু পুঁজিবাদী জগতৰ অন্যান্য শক্তিৰ ভিতৰত ক্রমবর্ধমান সংঘর্ষৰ সৃষ্টি কৰে। দ্বিতীয় ধাৰাটো অতিক্রম কৰাত আমেৰিকাৰ যুক্তৰাজ্য সফলকাম হোৱা নাই আৰু হব নোৱাৰেও। আমেৰিকাৰ মুষ্টিমেয় ধনপতি সকলে দাবী কৰে যে তেওঁলোকে পুঁজিবাদৰ ত্রাণকর্ত্তাৰ ভূমিকা গ্রহণৰ কাম কার্য্যত পৰিণত কৰিব। কিন্তু এই কাম কৰিবলৈ তেওঁলোকৰ শক্তিও নাই, উপায়ো নাই। আৰু পৃথিৱীৰ ওপৰত প্রাধান্য বিস্তাৰ কৰিবতো নোৱাৰেই।

কমৰেডসকল, পুঁজিবাদৰ শোষণকাৰী স্বৰূপটো যিমান তীব্রভাৱে ওলাই আহে, ইয়াৰ গণ-বিৰোধী আদর্শ আৰু নৈতিক অধঃপতন যিমানেই বেছি তীব্র হয়, সিমান জোৰেৰে বুর্জোৱা শ্রেণীৰ মুখপাত্রসকলে পুঁজিবাদৰ যশ-গুণ গাবলৈ চেষ্টা কৰে। কিন্তু পুঁজিবাদে মানুহক কি দিছে? ই

মানুহৰ সৃজনশীল প্ৰতিভাৰ কাৰ্য্যবোৰক বিকৃত কৰি মানুহৰ বিৰুদ্ধেই প্ৰয়োগ কৰে। ই আণৱিক শক্তি-সম্ভাৰক মানৱজাতিক ধ্বংস কৰিবলৈ প্ৰয়োগ কৰে। শিল্পৰ প্ৰত্যেকটি অগ্ৰগতিকে পুঁজিবাদে মানুহৰ বিৰুদ্ধে প্ৰয়োগ কৰে। অলপ কেইখনমান দেশৰ সম্পদ গঢ়ি উঠে আৰু বহুতো দেশৰ জনসাধাৰণৰ দাৰিদ্ৰ্যৰ ওপৰত। মাৰ্ক্সে কোৱাৰ দৰে, আৰু নালাগে বিজ্ঞানৰ পৱিত্ৰ-জ্যোতিয়েও পুঁজিবাদৰ আমোলত পোহৰ দিব নোৱাৰে— ই অজ্ঞতাৰ অন্ধকাৰ পটভূমিত লুকাই থাকে।

এমুঠি হতভগীয়া, কোটিপতিয়ে নিজৰ ইচ্ছামতে পুঁজিবাদী বিশ্বৰ সমগ্ৰ সম্পদ নিয়ন্ত্ৰণ কৰে। কেৱল এয়ে নহয়, ই সমগ্ৰ জাতিৰ ভাগ্যৰ লগত ধেমালি কৰে। এক পুৰুষৰ জীৱদশাতে সাম্ৰাজ্যবাদে দুখন বিশ্বযুদ্ধ লগালে। সাম্ৰাজ্যবাদৰ নীতিৰ ফলত মানৱ জাতিয়ে যি মূল্য দিছে সি হল ৩ কোটী মৃত্যু বা পঙ্গুতা। অগণন বৈষয়িক মূলৰ ধ্বংসৰ কথা বাদেই দিলো। জনদিয়েকে অনুসন্ধান কৰি পাইছে—কুৰি শতিকাৰ প্ৰথমাৰ্দ্ধত (১৯০০-১৯৫৩) যুদ্ধ আৰু যুদ্ধ প্ৰস্তুতিৰ কাৰণে হোৱা ব্যয় সঁচাকৈয়ে লেখিব নোৱাৰা অৰ্থাৎ ৪,০০০,০০০ নিযুত ডলাৰতকৈও বেছি।

এই খিনি টকাৰে মানুহৰ উপকাৰৰ কাৰণে কি কৰিব পৰা হ'লহেতেন চোৱা যাওক। আমাৰ পৃথিৱীৰ সমগ্ৰ জনসাধাৰণক অৰ্দ্ধ শতিকাৰ (৫০ বছৰ) কাৰণে ৰুটীৰ যোগান ধৰিব পৰা হ'লহেঁতেন। ৫০০ নিযুত মানুহৰ কাৰণে অৰ্থাৎ পৃথিৱীৰ জনসংখ্যাৰ ⅙ ভাগৰ কাৰণে আধুনিক সা-সুবিধা থকা বাসস্থান নিৰ্মাণ কৰিব পৰা গ'লহেঁতেন।

সম্প্ৰতি, সাম্ৰাজ্যবাদে যুদ্ধ সংক্ৰান্ত বিষয়ত বছৰতে ১০০,০০০ নিযুত ডলাৰ ভাঙিবলৈ মানুহক বাধ্য কৰিছে। যদি ২৫ বছৰলৈ সেই টকাৰ শতকৰা বছৰি ২০ ভাগ কম উন্নত দেশ বোৰৰ কাৰণে ব্যয় কৰিলোহেঁতেন তেনেহলে ২৩০ নিযুত কিলোৱাট সম্পন্ন বিদ্যুৎ কেন্দ্ৰ আৰু বছৰি ১৮৫ নিযুত টন উৎপাদনক্ষম তীখা-কাৰখানা নিৰ্মাণ কৰিব পৰা গলহেঁতেন, ১০০ নিযুত

হেষ্টৰ মাটিত পানীযোগানৰ ব্যৱস্থা কৰিব পৰা হ'লহেঁতেন আৰু জনসাধাৰণৰ জীৱনৰ উন্নয়নৰ কাৰণে বহুতো মহৎ কাম কৰিব পৰা গ'লহেঁতেন ইয়াৰ পৰাই দেখা যায় যে নিৰস্ত্রীকৰণৰ কাৰণে সংগ্রাম জনসাধাৰণৰ বাবে কিমান জৰুৰী বিষয়।

বিশ্ববিকাশৰ মূল পৰিণতি সম্বন্ধে চোৰতে আমি এই দৰে কব পাৰোঁ: মাৰ্ক্স আৰু লেনিনে দেখুওৱা বাটেৰেই বুৰঞ্জীয়ে বিকাশ লাভ কৰিছে। সমাজতন্ত্রৰ শক্তি, বিশ্ব-প্রগতিৰ সকলো শক্তি অগ্রগতিৰ পথত। জনসাধাৰণে ক্রমাম্বয়ে দৃঢ়তাৰে সৈতে পুঁজিবাদৰ লগত সম্বন্ধ ছিঙি আঁতৰি আহিবলৈ ধৰিছে। সমগ্র বিশ্ব জুৰি সাম্রাজ্যবাদৰ পতন আৰু সমাজতন্ত্রৰ জয়যাত্রা অৱশ্যম্ভাৱী।

॥ দুই ॥

সাম্যবাদ—পাৰ্টি আৰু ৰাইজৰ মহৎ লক্ষ্য

কমৰেডসকল, সামগ্ৰিকভাৱে ছোভিয়েত সমাজৰ আৰু পাৰ্টিৰ বুৰঞ্জীত নতুন কাৰ্যসূচী এক নতুন নিৰ্দেশ। আমাৰ প্ৰত্যেকখন কাৰ্য্যসূচীৰেই দেশৰ ক্ৰমবিকাশৰ এটা নিৰ্দিষ্ট ঐতিহাসিক স্তৰৰ লগত সম্পৰ্ক থাকে। তথাপিও আমাৰ আটাইবোৰ কাৰ্য্যসূচীয়েই অঙ্গাঙ্গীভাৱে জড়িত। এটা স্বয়ংসম্পূৰ্ণ বস্তুৰ অখণ্ড অংশ হিছাপে এই কাৰ্য্যসূচীবোৰে এক পৰিস্কাৰ আৰু সমাজতান্ত্ৰিক বিপ্লৱৰ সময়োত্তীৰ্ণ মাৰ্ক্স-লেনিন-পন্থী তত্ত্বৰ উপাদান যোগায় আৰু ইয়েই সমাজতন্ত্ৰ আৰু সাম্যবাদ গঠনত সাহায্য কৰে।

পাৰ্টিৰ কাৰ্য্যসূচীক এটা তিনি-অৱস্থাৰ ৰকেটৰ লগত বিজ্ঞাৰ পাৰি। প্ৰথম অৱস্থাত ই আমাৰ দেশক পুঁজিবাদী পৃথিৱীৰপৰা আজুঁৰি কাঢ়ি আনে, দ্বিতীয় অৱস্থাত সমাজতন্ত্ৰৰ পিনে গতি কৰাই দিয়ে আৰু তৃতীয় অৱস্থাত সাম্যবাদৰ কক্ষত স্থাপন কৰে। কমৰেডসকল, ই এটা আচৰিত ৰকেট। মহান লেনিন আৰু আমাৰ বিপ্লৱী তত্ত্বই চনদ পত্ৰৰ দ্বাৰা স্থাপিত কৰা কক্ষত ই ঘূৰিছে আৰু সাম্যবাদ গঢ়োঁতাসকলৰপৰা শক্তি আহৰণ কৰিছে। এই শক্তি আন সকলো শক্তিতকৈ মহৎ।

এই খচৰা কাৰ্য্যসূচীৰ মূল বিশেষত্ববোৰ কি?

মূল কথা হল যে ই বাস্তৱ আৰু সাম্যবাদ গঢ়াৰ উদ্দেশ্যে প্ৰস্তুত কৰা বিজ্ঞান-সম্মত কাৰ্য্যসূচী। খচৰাখনৰপৰাই এইটো জল্‌জল্‌ পটপটকৈ ওলাইছে যে কি ভাৱে সাম্যবাদৰ বিশাল উজ্জ্বল প্ৰাসাদ গঢ়ি তুলিব লাগিব।

আমি ধৰিব পাৰিছোঁ যে ইয়াক কেনেকৈ গঢ়িব লাগিব আৰু বাহিৰৰপৰা বা ভিতৰৰপৰা ই দেখিবলৈ কেনেকুৱা হব। কেনেকুৱা ধৰনৰ মানুহ ইয়াত বাস কৰিব আৰু ইয়াক অধিকতৰ আকৰ্ষণীয় আৰু আৰামদায়ক কৰিবলৈ তেওঁলোকে কি কৰিব। যি সকলে সাম্যবাদ কি জানিবলৈ বিচাৰে তেওঁলোকক আমি গৰ্ব্বেৰে কওঁ : "আমাৰ পাৰ্টিৰ কাৰ্য্যসূচী পঢ়ক।"

মাৰ্ক্স, এংগেলচ্ আৰু লেনিনৰ বৈপ্লৱিক তত্বৰ ক্ৰমবিকাশত এই খচৰা কাৰ্যসূচীয়ে এটা নতুন স্তৰৰ নিদৰ্শন দিছে। বৰ্তমানৰ পৃথিৱীৰ ক্ৰমবিকাশৰ মূলপ্ৰশ্নৰ আৰু সাম্যবাদৰ কাৰণে সংগ্ৰামৰ তত্ব আৰু ব্যৱহাৰৰ মূল প্ৰশ্নৰ সমাধান এই কাৰ্য্যসূচীযে দাঙি ধৰিছে। ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ বিংশ আৰু একবিংশতম কংগ্ৰেছত পাৰ্টি জীৱন আৰু ছোভিয়েত সমাজ জীৱনৰ মূল প্ৰশ্নৰ ক্ষেত্ৰত এক নতুন নীতিৰ অৱতাৰনা কৰা হৈছিল। পৃথিৱীৰ ক্ৰমবিকাশৰ প্ৰণালীৰ বিশ্লেষণৰ ক্ষেত্ৰতো এই নীতি খটুওৱা হৈছে। এই কাৰ্য্যসূচী প্ৰণয়ন কৰোঁতে এই দুই কংগ্ৰেছৰ অৱদান ঐতিহাসিক আৰু ই তাক বিৰাটভাবে সাহায্য কৰিছে। ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ বিংশ আৰু একবিংশতম কংগ্ৰেছ নোহোৱা হলে এনে এখন কাৰ্য্যসূচী গ্ৰহণ কৰা আমাৰ কাৰণে কঠিন হলহেঁতেন।

খচৰা কাৰ্য্যসূচীৰ প্ৰধান গুণ আৰু তাৰ বিষয়বস্তুযে **মাৰ্ক্স আৰু লেনিনৰ সাম্যবাদ গঠনৰ তত্ব আৰু তাৰ প্ৰয়োগৰ ঐক্য আৰু অবিভাজ্যতাকেই সামগ্ৰিকভাৱে প্ৰতিফলিত কৰিছে।** কাৰ্য্যসূচীয়ে উদ্যোগ, কৃষি, ৰাষ্ট্ৰৰ বিকাশ, বিজ্ঞান, কৃষ্টি আৰু সাম্যবাদ শিক্ষাৰ কাম নিৰ্দ্ধাৰিত কৰি দিছে। কমৰেডসকল, আপোনালোকে ভাবি চাওক, আমাৰ ছোভিয়েত ৰাইজে কি পৰিমাণে ওপৰলৈ উঠাইছে আৰু তেওঁলোকে দীঘলীয়া ঐতিহাসিক কালছোৱা ধৰি সমাজবিকাশৰ পৰিপ্ৰেক্ষিত দাঙি ধৰিব পাৰিছে।

পাৰ্টিৰ তৃতীয় কাৰ্য্যসূচীখন সমগ্ৰ ছোভিয়েত-ৰাইজৰে কাৰ্য্যসূচী। প্ৰথমতে যেতিয়া পাৰ্টিৰ কাৰ্য্যসূচী গ্ৰহণ কৰা হৈছিল তেতিয়া কেৱল এমুঠি ৰাজনৈতিক চেতনা-সম্পন্ন কৰ্মীয়েহে তাক অনুসৰণ কৰিছিল। দ্বিতীয় কাৰ্য্যসূচীখন শ্ৰমিক শ্ৰেণী আৰু কৃষি কৰ্মীসকলৰ এটা প্ৰধান অংশই অনুসৰণ কৰিছিল। আজি সমগ্ৰ ছোভিয়েত ৰাইজে তাক অনুসৰণ কৰিছে। আমাৰ ৰাইজে পাৰ্টিৰ কাৰ্য্যসূচী (তওঁলোকৰ জীৱনৰ মহৎ উদ্দেশ্য বুলি ধৰি লৈছে।

নতুন কাৰ্য্যসূচীয়ে পাৰ্টিৰ ধ্বনি "মানুহৰ কাৰণেই সকলো আৰু মানুহৰ মঙ্গলৰ কাৰণেই সকলো" ইয়াৰ সাৰ্থকতা পূৰ্ণভাৱে প্ৰতিপন্ন কৰিছে। ৰাইজৰ ঐহিক সুখ, সংস্কৃতিৰ উন্নতিৰ আৰু মানুহৰ সম্পূৰ্ণ বিকাশৰ কাৰণে কাৰ্য্যসূচীয়ে প্ৰাধান্য দিছে। আৰু সেইটোৱেই আজিৰ প্ৰয়োজন। বলছেভিকসকলে শ্ৰমিকশ্ৰেণীৰ জীৱন আনন্দময় আৰু সুখী কৰিবৰ কাৰণেই বিপ্লৱৰ পতাকা তুলি ধৰিছিল। তৃতীয় পাৰ্টি কংগ্ৰেছৰ সময়ত এনে এটা অৱস্থা হৈছিল যে'খা ছোভিয়েতৰ ৰাইজে তাৰ মহান উদ্দেশ্যৰ কাৰণে নানান দুখ কষ্ট বৰণ কৰিবলগীয়া হৈছিল। কিন্তু আজি সেই দুখকষ্টৰ এশগুণ পুৰস্কাৰ পাবৰ সময় হল।

খছৰা কাৰ্য্যসূচীখন বৰ্ত্তমান আন্তৰ্জাতিক অৱস্থাৰ পৰা আৰম্ভ হৈছে। **পুঁজিবাদৰ আৱেষ্টনীৰ মাজত সাম্যবাদ গঢ়ি উঠা নাই, গঢ়ি উঠিছে এক বিশ্ব-সমাজতান্ত্ৰিক ব্যৱস্থাৰ অস্তিত্ব, সাম্ৰাজ্যবাদী শক্তিৰ ওপৰত পুঁজিবাদী শক্তিৰ ক্ৰমবৰ্দ্ধমান প্ৰাধান্য আৰু যুদ্ধৰ শক্তিৰ ওপৰত শান্তিৰ শক্তিৰ প্ৰাধান্যৰ ফলত সৃষ্টি হোৱা অৱস্থাৰ মাজত।** স্বাভাৱিকভাৱেই সাম্ৰাজ্যবাদী দেশবোৰে ছোভিয়েত দেশৰ অৰ্থনৈতিক আৰু সামাজিক উন্নতিৰ পদে পদে হেঙাৰ দিব, ছোভিয়েতক দেশৰক্ষাৰ কাৰণে অধিক ব্যয় কৰিবলৈ বাধ্য কৰিব। সেইটো নহলে আমাৰ উন্নতি আৰু আগ বাঢ়িলহেঁতেন। তথাপিও দিমানেই সমাজতন্ত্ৰ-

বাদৰ শক্তি বাঢ়িব আৰু বিশ্ব সাম্রাজ্যবাদৰ শক্তি কমিব সিমানেই আমাৰ অর্থনৈতিক আৰু সাংস্কৃতিক বিকাশৰ সুযোগ ওলাব।

আমাৰ পার্টিৰ কার্য্যসূচী সমাজতান্ত্রিক আন্তর্জাতিকতাবাদৰ দ্বাৰা অনুপ্রাণিত। লেনিনৰ পার্টিয়ে সদায় বিদেশত থকা ভাইসকলৰ প্রতি কর্তব্য যথাযোগ্য সম্মানৰ সৈতে পালন কৰিছে। ই ১৯১৮ চনৰ অক্টোবৰ মাহত মুক্তিৰ প্রভাত পৃথিৱীৰ বুকুলৈ আহিছে। ই পৃথিৱীৰ সকলো মানুহে দেখাকৈ নতুন আলোকস্তম্ভ নির্মাণ কৰিছে। সেই আলোকস্তম্ভই নতুন সমাজ ব্যৱস্থালৈ যোৱাৰ পথ পোহৰাইছে। ভবিষ্যতেও লেনিনৰ পার্টিয়ে আন্তর্জাতিকতাবাদৰ পতাকা তুলি ধৰিব। বুৰঞ্জীৰ চমু কালছোৱাৰ ভিতৰতে সাম্যবাদ স্থাপন কৰাটো পার্টিয়ে বর্তমানে প্রধান কর্তব্য বুলি বিবেচনা কৰে।

খছৰা কার্য্যসূচীখন **প্রকৃত সাম্যবাদী মানৱতাৰ দলিল; ই বিভিন্ন জাতিৰ মাজত থকা শান্তি আৰু সম্প্রীতিৰ দ্বাৰা অনুপ্রাণিত।** অবিৰত সম্প্রসাৰিত আমাৰ দেশৰ শক্তি মানৱজাতিৰ শান্তি আৰু প্রগতিৰ সেৱাত নিয়োজিত হৈছে। এসময়ত ছোভিয়েত ইউনিয়ন পৃথিৱীৰ প্রথম উদ্যোগ-প্রধান দেশ হব, এসময়ত সমাজবাদী ৰাষ্ট্রব্যৱস্থা পৃথিৱীৰ অগ্রগতিৰ সর্ববাদী প্রতিনিধি হব আৰু এটা সময় আহিব যিদিনা শান্তিৰ শক্তি যুদ্ধৰ শক্তিতকৈ বহুগুণে বলী হব আৰু তর্জ্জুখন শান্তিৰ পিনে একেবাৰে দোঁ খাব আৰু আন্তর্জাতিক-বতৰৰ চাপমান যন্ত্রই দেখুৱাব, "আকাশ পৰিষ্কাৰ, পৃথিৱীৰ বুকুৰপৰা যুদ্ধৰ কলীয়া ডাৱৰ চিৰদিনৰ কাৰণে আঁতৰিছে।"

কমৰেডসকল, সাম্যবাদ মানৱ-জাতিৰ বহু যুগৰ সপোন। শ্রমজীৱী মানুহে বিশ্বাস কৰিছিল যে দাসত্ব, পৰ-নির্ভৰশীলতা, দাৰিদ্র্য, এজনৰ খোৱা মুঠিৰ কাৰণে সংগ্রাম আৰু জাতিয়ে জাতিয়ে যুদ্ধ এদিন নোহোৱা হৈ যাব আৰু তাৰ ঠাইত শান্তি, শ্রম, স্বাধীনতা, সাম্য আৰু সম্প্রীতি বিৰাজ কৰিব। জনসাধাৰণৰ স্বতঃস্ফূর্ত আন্দোলনে ভবিষ্যতৰ সোনালী যুগৰ কাল্পনিক চিত্র এখনৰ তক্ত দাঙি ধৰিছে।

কাল্পনিক সমাজতন্ত্রবাদৰ মুখপাত্রসকলে শোষণৰ চোকা সমালোচনা কৰিছিল। তেওঁলোকে ভবিষ্যতৰ সমাজৰ ছবি এখন তুলি ধৰিছিল। সমাজতন্ত্রবাদ প্রতিষ্ঠা কৰাৰ পথৰ আভাস দিয়াতকৈ সেই সমাজখনত কি নাথাকিব—সেই বিষয়ে তেওঁলোকে কোৱা কথাবোৰ সত্যৰ বেছি ওচৰ চাপিছিল। সেইবোৰৰ কাৰণেই আজিও আমি সেই কাল্পনিক ছবিবোৰৰ ভিতৰতো উজ্জ্বল আদৰ্শৰ বীজ দেখিবলৈ পাওঁ। আমি সেইসকল কাল্পনিক সমাজতন্ত্রবাদীসকলৰ নাম কৃতজ্ঞতাৰে সৈতে স্মৰণ কৰিছোঁ। তেওঁলোক আছিল সাধু চাইমন, ফুৰিয়াৰ, অৱেন, কাম্পেনেলা আৰু ম'ৰ। তেওঁলোকৰ লগতে আমাৰ ৰুছিয়াৰ বিপ্লৱী গণতান্ত্রিক চেৰনিছেভ্‌স্কি, হাৰ্জেন, বেলিন্‌স্কি, ডব্রলিউবভকো স্মৰণ কৰিছোঁ। এওঁলোক আনসকলতকৈ বৈজ্ঞানিক সমাজতন্ত্রবাদৰ বেছি ওচৰ চাপিছিল।

কিন্তু মাৰ্ক্স, এংগেলছ আৰু লেনিনেহে বিজ্ঞান সম্মত সাম্যবাদৰ তত্ত্ব বিকশিত কৰে আৰু নতুন সমাজ প্রতিষ্ঠা কৰিবৰ আৰু বিপ্লবী শক্তি গঢ়িবৰ কাৰণে উপায় আৰু পথ দেখুৱায়। এই বিপ্লৱী শক্তিয়ে পুৰণি পৃথিৱীৰ পুৰণি সমাজ ধ্বংস কৰি সাম্যবাদৰ নতুন পৃথিৱী গঢ়ি তুলিবই।

মাৰ্ক্স আৰু এংগেলচে সাম্যবাদৰ আটাইতকৈ বৈশিষ্ট্যপূৰ্ণ ব্যাখ্যা দিয়ে। আজি যেতিয়া আমি হাতেকামে সাম্যবাদ গঢ়িবলৈ ধৰিছোঁ তেতিয়া আমাৰ গুৰুসকলৰ দূৰদৃষ্টিৰ প্রশংসা নকৰি নোৱাৰোঁ। তেওঁলোকৰ দৃষ্টি প্রকৃততে এটা সমগ্র শতিকা জুৰি আছিল।

আমাৰ পাৰ্টিৰ মহান প্রতিষ্ঠাতা লেনিনে সাম্যবাদী-সমাজৰ মাৰ্ক্সীয় শিক্ষাৰ আৰু বিকাশৰ সাধন কৰিলে। তেওঁ সাম্যবাদৰ দুটা স্তৰৰ এটা নিৰ্দিষ্ট সংজ্ঞা দিলে, সমাজতন্ত্র গঢ়াৰ কাৰণে নিৰ্দিষ্ট আঁচনি দিলে আৰু সাম্যবাদী সমাজলৈ যাবৰ কাৰণে উদ্দেশ্যবোৰ নিৰ্দিষ্ট কৰি দিলে।

সাম্যবাদী কমিউনিষ্ট ব্যৱস্থাৰ আমাৰ ধাৰণাবোৰ সম্পূৰ্ণৰূপে মাৰ্ক্সবাদ-লেনিনবাদৰ প্রতিষ্ঠাতাসকলৰ বিজ্ঞানসম্মত সিদ্ধান্তৰ ওপৰত প্রতিষ্ঠিত।

তথাপিও এটা অতি আৱশ্যকীয় বিষয়ত আমি তেওঁলোকতকৈ বহুত বেছি সুবিধা পাইছোঁ। আমি কৃষি শতিকাৰ শেষাৰ্দ্ধৰ পিনে আছো আৰু সমাজতান্ত্ৰিক আৰু সাম্যবাদী সমাজ গঠনৰ অতি মূল্যবান আৰু বিশাল অভিজ্ঞতা পাইছো। আৰু সি টমাছ মুৰে চিত্ৰিত কৰা মহাসাগৰৰ মাজৰ এটা সৰু কাল্পনিক দ্বীপত নহয়। নাইবা টম্মাচো চম্পানেলাই চিত্ৰিত কৰা সূৰ্য্য-মহানগৰীতো নহয় নাইবা ৰবাৰ্ট অৱেনে আঁচনি কৰা সুদূৰ আমেৰিকাৰ এটুকুৰা ঠাইতো নহয়। এইবোৰ ক'তো নহয়। এই জীৱনৰ প্ৰতিষ্ঠা হৈছে—পৃথিৱীৰে এক বিৰাট ভূ-ভাগৰ ওপৰত।

আজি যে আমি সাম্যবাদী সমাজ এখনৰ ছবি অধিক-সূক্ষ্মভাৱে আঁকিব পাৰিছোঁ কেৱল সিয়েই নহয়—আমি তাতোকৈও এটা অতি গুৰুত্বপূৰ্ণ কাম কৰিব পাৰিছোঁ; সেইটো হৈছে সাম্যবাদী সমাজ এখন গঢ়ি তুলিবৰ কাৰণে প্ৰয়োজনীয় কাৰ্য্যকৰী পন্থাৰ সংজ্ঞা দিয়া আৰু বিজ্ঞান সম্মত সাম্যবাদৰ নীতিত বাস্তৱ সাৰবস্তুৰ অৱদান দিয়া। আমি আমাৰ অগ্ৰবৰ্তীসকলে সময়ে ঢাকি ৰখা কাৰণে ভালকৈ নেদেখা কথাবোৰ আমি আৰু পৰিষ্কাৰ আৰু স্পষ্টকৈ দেখিবলৈ পাইছোঁ। কাৰণ সাম্যবাদৰ বিজয়ৰ পথেৰে আগ বাঢ়ি যোৱা সমাজতান্ত্ৰিক সমাজৰ বিকাশৰ ধাৰা এতিয়া আৰু স্পষ্ট হৈ পৰিছে। আমি আমাৰ গুৰুসকলে দি যোৱা আহিৰ প্ৰতি নিষ্ঠাবান। গতিকে বিকাশ প্ৰাপ্ত সাম্যবাদী সমাজ এখনৰ সকলো বিষয়ৰ পুংখানুপুংখ সংজ্ঞা দিবলৈ চেষ্টা কৰাৰ যুক্তি আছে। খছৰা কাৰ্য্যসূচীয়ে সাম্যবাদৰ নিম্নোক্ত সংজ্ঞা দিছে: "**সাম্যবাদ এক শ্ৰেণীহীন সমাজ ব্যৱস্থা, ইয়াৰ উৎপাদনৰ সঁজুলিৰ ওপৰত ৰাজহুৱা কৰ্তৃত্ব থাকিব আৰু সমাজৰ প্ৰতিজন সভ্যৰে সামাজিক সমতা থাকিব; বাইজৰ সৰ্বাঙ্গীন উন্নতিৰ লগে লগে বৈজ্ঞানিক আৰু কাৰিকৰী বিদ্যাৰ অবিৰত উন্নতিৰ দ্বাৰা উৎপাদিকা শক্তি সমূহৰ বৃদ্ধি কৰা হব; ৰাজহুৱা সম্পদৰ সকলো উৎস প্ৰচণ্ড গতিত প্ৰবাহিত হব আৰু**

"সাধ্য অনুযায়ী কাম আৰু প্ৰয়োজন অনুযায়ী ভোগ" এই মহান নীতিক কাৰ্য্যত পৰিণত কৰা হব। সাম্যবাদ স্বাধীন সমাজ সচেতন শ্ৰমজীৱী মানুহৰ সুসংগঠিত সমাজ—য'ত গণ-স্ব-শাসন প্ৰতিষ্ঠিত হব। এই সমাজত সমাজৰ কল্যাণৰ কাৰণে কাম কৰাটো প্ৰত্যেকজন মানুহৰেই প্ৰধান আৰু প্ৰকৃষ্ট প্ৰয়োজন হব আৰু এই প্ৰয়োজন সকলোৱে স্বীকাৰ কৰি লব। প্ৰত্যেক ব্যক্তিৰ সামৰ্থ্যকেই বাইজৰ পৰম উপকাৰৰ বাবে নিয়োজিত কৰা হব।"

এতিয়া সাম্যবাদী সমাজৰ কেইটামান বিশেষ অৱস্থাৰ কথা আলোচনা কৰোঁ। সাম্যবাদ বুলিলে সামগ্ৰিকভাৱে সামাজিক ভিত্তিত কেন্দ্ৰীকৃত সুসংগঠিত উৎপাদন আৰু ব্যাপক গণতান্ত্ৰিক পদ্ধতিত তাৰ পৰিচালনাকে বুজায়। সাম্যবাদী সমাজ কিছুমান স্বয়ং-সম্পূৰ্ণ আত্ম-কেন্দ্ৰিক (autarchic) অৰ্থ নৈতিক সংস্থাৰ সমাৱেশ নহয়। সেইটো কোনো মতেই হব নোৱাৰে। আন যি কোনো সমাজ ব্যৱস্থাতকৈ সাম্যবাদী সমাজত ঐক্যবদ্ধ অৰ্থনৈতিক আঁচনি সংগঠিতভাৱে শ্ৰমৰ বিতৰণ আৰু কাম কৰা সময়ৰ নিয়ন্ত্ৰণৰ প্ৰয়োজন সৰ্বাধিক। উৎপাদিকা শক্তিবোৰৰ বিকাশৰ ফলত অৰ্থনীতিৰ বিভিন্ন শাখাৰ মাজৰ সুদূৰ প্ৰসাৰী পাৰস্পৰিক সম্বন্ধ, অবিৰত কাৰিকৰী উন্নতিৰ স্বাৰ্থ আৰু বিতৰণ আৰু ভোগৰ সাম্যবাদী নীতিৰপৰাই ইয়াৰ উদ্ভৱ হৈছে। যেতিয়ালৈকে সমগ্ৰ ৰাইজে উৎপাদনৰ পৰিচালনাত অতি সক্ৰিয়ভাৱে অংশ গ্ৰহণ নকৰে তেতিয়ালৈকে সাম্যবাদী অৰ্থনীতিৰ ক্ৰমবিকাশ অসম্ভৱ।

পোন প্ৰথমবাৰৰ কাৰণে খচৰা কাৰ্য্যসূচীত 'সাধ্য অনুযায়ী কাম আৰু প্ৰয়োজন অনুযায়ী ভোগ'ৰ মহান সাম্যবাদী নীতিক কাৰ্য্যত পৰিণত কৰাৰ কাৰণে বাস্তৱ উপায় আৰু পন্থা ব্যাখ্যা কৰা হৈছে। বৈষয়িক শ্ৰম-প্ৰেৰণা আৰু ৰাজহুৱা পুঁজিৰ যোগেদি ক্ৰমবৰ্দ্ধমান বিতৰণৰ প্ৰকৃত মিলনেইহে সাম্যবাদী সমতাৰ নীতি ফলৱতী কৰি তুলিব।

কিছুমান মানুহে সাম্যবাদী যুগত জীৱন ধাৰণৰ অৱস্থাৰ বিষয়ে এটা ভুল আৰু সংকীর্ণমনাৰ ছবি দাঙি ধৰে। তেওঁলোকে সূত্রৰ দ্বিতীয় ভাগৰ কথা “প্রয়োজন অনুসাৰে” সেই খিনিহে ভাবে আৰু ঠিক এইদৰে তাক প্রতিপন্ন কৰিব বিচাৰে—“সাম্যবাদ হলে তুমি ইচ্ছা হলে কাম কৰিবা নাইবা দূৰ প্রাচ্যৰ পৰা পাশ্চাত্যলৈ আৰু পাশ্চাত্য দেশসমূহৰপৰা কুমেৰুলৈ ইচ্ছামতে ভ্রমন কৰিবা আৰু তোমাৰ সকলো প্রয়োজন অনুসৰি তুমি পাবা।” এখন বিৰাট চামুচ হাতত লৈ তেওঁলোকে সাম্যবাদ অহালৈ খাপ পিটি আছে।

আমি তেওঁলোকক একেবাৰে আৰম্ভনিৰ পৰাই হতাশ কৰিব লাগিব। তেওঁলোকৰ ধাৰণা সাম্যবাদৰ লগত অকনো নিমিলে। সাম্যবাদী সমাজত এনে এক অতি আধুনিক আৰু প্রগতিশীল কাৰিকৰী ব্যবস্থা থাকিব যি ব্যৱস্থাই সুসংগঠিত উৎপাদন কৰিব আৰু যি অতি আধুনিক যন্ত্রপাতিৰ মালিক হব। কিন্তু বাইজেহে সেই যন্ত্রপাতিৰ পৰিচালনা কৰিব। যন্ত্র-পাতিবোৰ নির্জীব বস্তু, মানুহেহে তাক চলাব পাৰে। সম্পূর্ণতা, সুসংগঠন আৰু শৃঙ্খলাই হল সোনালী নিয়ম আৰু প্রত্যেকজন কর্মীয়ে নিশ্চয়েই সেইবোৰ গুণৰ অধিকাৰী হব লাগিব। তেওঁলোকে ভোকৰ তাড়নাত পৰি সেইবোৰ চলাব নালাগিব ; ই পুঁজিবাদৰ ক্ষেত্রত প্রযোজ্য। তেওঁলোকে সেইবোৰ সজ্ঞানে আৰু নিজৰ ইচ্ছামতে কৰিব লাগিব।

প্রত্যেকজন কর্মীয়েই বৈষয়িক আৰু আর্থিক উন্নতিৰ হকে তেওঁৰ জ্ঞান বিবেকেৰে নিজৰ কর্ত্তব্য পালন কৰিব। ছোভিয়েতৰ সকলো মানুহেই এনেদৰে কাম কৰিব লাগিব যে যেতিয়া সাম্যবাদৰ উজ্বল সৌধ গঢ়ি উঠিব তেতিয়া যেন তেওঁ কব পাৰে “মযো ইয়াৰ বাবে সাধ্য অনুসৰি কৰিছোঁ।”

মার্ক্সবাদী আৰু লেনিনবাদী সাহিত্যয়ো এই কথা জোৰ দি বুজাইছে যে সাম্যবাদ সমাজতন্ত্রবাদৰপৰা একাংশ বেৰ দি আগুৰি থোৱা বস্তু নহয় ;

সাম্যবাদ আৰু সমাজতন্ত্ৰবাদ একেটা সামাজিক—অৰ্থনৈতিক গঠনৰ দুটা স্তৰ বিশেষ। এটাক আনটোৰপৰা পৃথক কৰিব পাৰি কেৱল অৰ্থনৈতিক বিকাশ আৰু সামাজিক সম্পৰ্কৰ পৰিপক্কতাৰ স্তৰৰ দ্বাৰাহে।

সমাজতন্ত্ৰবাদ তাৰ নিজৰ ভিত্তিত বিকশিত হব নোৱাৰে। ইয়াৰ বিৰাট সাফল্যৰ বহুক্ষেত্ৰত অৰ্থনৈতিক আৰু নৈতিক সাফল্যৰ পৃথিবী জোৰা ঐতিহাসিক প্ৰভাৱ থাকিলেও—যি পুৰণি সমাজব্যৱস্থাৰ গৰ্ভৰপৰা ইয়াৰ জন্ম হৈছিল তাৰ চেকা এতিয়াও ইযাৰ গাৰপৰা যোৱা নাই।

সাম্যবাদ হল সামাজিক জীৱনৰ উচ্চতৰ আৰু পূৰ্ণতৰ স্তৰ আৰু সমাজতন্ত্ৰবাদ সুসংহত হলেহে ইযাৰ বিকাশ সাধন হব পাৰে। সাম্যবাদৰ যুগত পুঁজিবাদী ব্যৱস্থাৰ সকলো আবৰ্জ্জনা শেষ হৈ যাব।

সাম্যবাদৰ বিকাশ ইয়াৰ নিজৰ ভিত্তিতেই হয় এই ঘটনাই ইযাৰ গঠনৰ বিশিষ্ট লক্ষণসমূহ আগতেই নিৰ্দ্ধাৰিত কৰে। পুঁজিবাদৰপৰা সমাজতন্ত্ৰবাদলৈ ৰূপান্তৰ শ্ৰেণী সংগ্ৰামৰ জৰিযতেহে ঘটে। ই সামাজিক সম্বন্ধৰ সম্পূৰ্ণ ভাঙন আৰু এক প্ৰচণ্ড সমাজ বিপ্লৱ সংঘটন কৰি সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠা কৰে। আনহাতে সাম্যবাদৰ ৰূপান্তৰ হয়—কোনো শোষক-শ্ৰেণী নথকা অৱস্থাত; এই অৱস্থাত শ্ৰমিক, কৃষক, বুদ্ধিজীৱী আটাইৰে একেটা মাত্ৰ ন্যস্ত স্বাৰ্থ থাকে—কমিউনিজমৰ জয়লাভ। আৰু তেওঁলোকে তাক লাভ কৰিবলৈ সচেতনভাৱে কাম কৰি যায়।

সেই কাৰণে সাম্যবাদ গঠনৰ কাম সম্পূৰ্ণ গণতান্ত্ৰিক উপায়ে কৰাটো স্বাভাৱিক। সামাজিক সম্পৰ্ক বোৰ উন্নত কৰি আৰু পুৰণি পদ্ধতিৰপৰা প্ৰযোজনীযভাৱে আঁতৰি আহি আৰু নতুন ধৰণৰ জীৱন ধাৰণৰ পথ উলিয়াই এই কামত আগুৱা হয়। দেশৰ ভিতৰত শ্ৰেণী সংগ্ৰামৰ অসুবিধাবোৰ পাব লগীয়া নহয়। এই আটাইবোৰ

অৱস্থাই সাম্যবাদৰ ৰূপান্তৰৰ সময়ত সামাজিক ক্ৰমবিকাশৰ বেগ বৃদ্ধি কৰিব।

খছৰা কাৰ্যসূচীৰ সময়ৰ ঐতিহাসিক সীমা ২০ বছৰ। কিয় আমি এই সময় ধৰিছো? যেতিয়া খছৰা কাৰ্য্যসূচীৰ বিষয়ে আলোচনা কৰোঁ, বহু কমৰেডে আচৰিত হৈছিল যে সময় কিজানি বহুত বেছিকৈ ধৰা হৈছে। নহয়, কমৰেডসকল। সমাজক সাম্যবাদী তত্ত্বসমূহৰ কাৰণে প্ৰস্তুত কৰোঁতে আমি আমাৰ উৎপাদিকা শক্তি বহুত গুণে বঢ়াই বৈষয়িক আৰু আত্মিক মূল্যৰ প্ৰাচুৰ্য্যৰ সৃষ্টি কৰিব লাগিব। তাৰ কাৰণে অলপ সময় লাগিব। সাম্যবাদৰ পাত্ৰ হৈছে প্ৰচুৰতাৰ পাত্ৰ; ইযাক সকলো সময়তে পূৰ্ণ কৰি ৰাখিব লাগিব। প্ৰত্যেকে তাৰ কাৰণে নিজ শক্তি অনুসাৰে বৰঙণি যোগাব লাগিব আৰু তাৰপৰা গ্ৰহণ কৰিব লাগিব।

প্ৰয়োজনীয় অৱস্থাৰ পৰিপূৰ্ণ বিকাশ নহলে সাম্যবাদৰ সূচনা কৰাটো এটা মাৰাত্মক ভুল হব। যদি আমাৰ পাত্ৰ পূৰ্ণ হবলৈ বহু বাকী থাকোঁতেই আমি ঘোষণা কৰোঁ যে আমি সাম্যবাদ সূচনা কৰিলো, তেনেহলে আমি আমাৰ প্ৰয়োজন অনুসাৰে ইয়াৰপৰা গ্ৰহণ কৰিব নোৱাৰিম। সেই ক্ষেত্ৰত আমি সাম্যবাদৰ ভাবধাৰাক হেয় প্ৰতিপন্ন কৰা হব, শ্ৰমজীৱীসকলক তেওঁলোকৰ উৎসাহত ভেটা দিয়া হব আৰু সাম্যবাদৰ অগ্ৰগতিত বাধা দিয়া হব। আমি সঠিক বৈজ্ঞানিক মূল্যাঙ্কনৰ ওপৰত ভিত্তি কৰি দেখিছো যে কুৰি বছৰৰ ভিতৰত মুখ্যতঃ এখন সাম্যবাদী সমাজ আমি গঢ়িব পাৰিম।

মুখ্যতঃ সাম্যবাদ গঢ়াৰ অৰ্থ কি? তাৰ অৰ্থ হৈছে যে **অৰ্থ নৈতিক** ক্ষেত্ৰত সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তিৰ সৃষ্টি কৰা হব, অৰ্থ নৈতিক পৰ্য্যায়ত ছোভিয়েত ইউনিয়নে অতি উন্নত পুঁজিবাদী দেশবোৰ চেৰাই যাব আৰু জনমূৰি উৎপাদনত প্ৰথম স্থান অধিকাৰ কৰিবগৈ।

পৃথিৱীৰ ভিতৰত জীৱিকাৰ আটাইতকৈ উন্নত মান সকলোৰে কাৰণে নিশ্চিত হব আৰু বৈষয়িক আৰু সাংস্কৃতিক মূল্যৰ প্ৰাচুৰ্য্য সৃষ্টি কৰাৰ কাৰণে অৱস্থাৰ সৃষ্টি হব।

সামাজিক সম্পৰ্কৰ ক্ষেত্ৰত বিভিন্ন শ্ৰেণীৰ মাজত থকা বৈষম্য আঁতৰোৱা হব ; শ্ৰেণীসমূহ সাম্যবাদী শ্ৰমজীৱী জনসাধাৰণৰ শ্ৰেণীহীন সমাজৰ লগত সমন্বিত হৈ যাব। নগৰ আৰু গাঁৱৰ আৰু তাৰ পিছত কায়িক আৰু মানসিক শ্ৰমৰ মৌলিক পাৰ্থক্যবোৰ মূলতঃ নিৰ্ম্মূল কৰা হব। ভিন ভিন জাতিৰ মাজত অৰ্থ নৈতিক আৰু আদৰ্শমূলক সংহতি আৰু বাঢ়িব। আদৰ্শৰ সংহতি, ব্যাপক শিক্ষা, নৈতিক পাৱত্ৰতা আৰু দৈহিক পূৰ্ণতাৰ সামঞ্জস্যপূৰ্ণ সংযোগ-সাধনৰ যোগেদি সাম্যবাদী সমাজৰ মানুহৰ লক্ষণৰ বিকাশ হব।

ৰাজনৈতিক ক্ষেত্ৰত সকলো নাগৰিকেই ৰাষ্ট্ৰীয় কাৰ্য্য-পৰিচালনাত অংশ গ্ৰহণ কৰিব আৰু অত্যন্ত ব্যাপক সমাজতান্ত্ৰিক গণতন্ত্ৰৰ যোগেদি সাম্যবাদী গণ-স্ব-শাসনক সম্পূৰ্ণভাবে কাৰ্য্যকৰী কৰি তুলিবলৈ সমাজে নিজকে সাজু কৰিব।

॥ তিনি ॥

সমাজতান্ত্ৰিক অৰ্থনীতিৰপৰা সাম্যবাদী অৰ্থনীতিলৈ

১। *সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তিৰ সৃষ্টি*

কমৰেডসকল, খছৰা কাৰ্য্যসূচীয়ে আমাৰ দেশত অভূতপূৰ্ব শক্তিশালী উৎপাদিকা শক্তি সৃজনৰ মহৎ আশা দাঙি ধৰিছে সি হ'ল ছোভিয়েত ইউনিয়নক পৃথিৱীৰ ভিতৰত আটাইতকৈ অগ্ৰগামী শিল্প প্ৰধান দেশ হিচাপে পৰিগণিত কৰা। ভি আই লেনিনে কৈছিল, "অৰ্থনৈতিকভাৱে প্ৰমাণ দেখুৱাব পাৰিলেহে আমি সাম্যবাদক লেখত ধৰিম।" খছৰা কাৰ্য্যসূচীয়ে সেইটো প্ৰমাণ কৰিছে।

ছোভিয়েত ইউনিয়নত দুই দশকৰ ভিতৰত সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তি গঢ়ি উঠিব। এইটোৱেই প্ৰধান অৰ্থ-নৈতিক কাম—আমাৰ পাৰ্টিৰ সাধাৰণ কৰ্ম্মপন্থাৰ মূল খুটা।

সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তি স্থাপন অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক কৰ্ম্মধাৰাৰ এটা প্ৰধান যোগসূত্ৰ আৰু আমাৰ দেশৰ উন্নয়নৰ বাহ্যিক আৰু আভ্যন্তৰীণ অৱস্থাই ইয়াৰ নিৰ্ণয় কৰিব। নিম্নোক্ত কৰ্ত্তব্যবোৰ পালন কৰাত ই আমাক সামৰ্থ্য যোগাব

প্ৰথমতে, অভূতপূৰ্বভাৱে শক্তিশালী উৎপাদন-ক্ষমতা বঢ়াবলৈ আৰু জনসংখ্যাৰ প্ৰতিজনৰ কাৰণে উৎপাদন বঢ়াই পৃথিৱীৰ দেশবোৰৰ ভিতৰত প্ৰথম স্থান অধিকাৰ কৰা ;

দ্বিতীয়তে, পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছিকৈ শ্ৰমৰ উৎপাদন ক্ষমতা বঢ়োৱা। ই চূড়ান্ত বিশ্লেষণত আটাইতকৈ প্ৰয়োজনীয়। কাৰণ এটা নতুন সমাজ ব্যৱস্থাৰ জয়লাভৰ কাৰণে ই অপৰিহাৰ্য্য। তাৰ দ্বাৰা ই ছোভিয়েতৰ ৰাইজক অতি আধুনিক কাৰিকৰী নিপুনতা লাভ কৰাব আৰু ইয়াৰ ফলত শ্ৰমক আনন্দ, প্ৰেৰণা আৰু সৃজনশীল চেষ্টাৰ উৎসলৈ ৰূপান্তৰিত কৰা হব।

তৃতীয়তে, ছোভিয়েতৰ ৰাইজৰ প্ৰয়োজন পূৰণ কৰিবলৈ বস্তুৰ উৎপাদনৰ উন্নয়ন কৰা, সদৌ ৰাইজৰ কাৰণে জীৱনধাৰণৰ উন্নততম মান নিশ্চিত কৰা আৰু প্ৰয়োজন অনুসাৰে বিতৰণ কৰাৰ শেষ ধাপলৈ ৰূপান্তৰকৰণৰ প্ৰয়োজনীয় সকলো অৱস্থাৰ সৃষ্টি কৰা,

চতুৰ্থতে, উৎপাদনৰ সমাজবাদী-সম্বন্ধসমূহক ধীৰে ধীৰে সাম্যবাদী সম্বন্ধলৈ ৰূপান্তৰিত কৰা, এখন শ্ৰেণীহীন সমাজৰ সৃষ্টি কৰা, নগৰ আৰু গাৱঁৰ, আৰু তাৰ পিছত মানসিক আৰু কায়িক শ্ৰমৰ, মৌলিক ব্যৱধানসমূহ দূৰ কৰা।

সদৌ শেহত এটা প্ৰধান কথা হল যে, সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তি সুদৃঢ় হলেহে আমি পুঁজিবাদী দেশসমূহৰ লগত অৰ্থনৈতিক ক্ষেত্ৰত প্ৰতিযোগিতা কৰি জয়ী হব পাৰিম, তেতিয়াহে আমি দেশৰ প্ৰতিৰক্ষাৰ ব্যৱস্থা সদায়েই এনে এক স্তৰত ৰাখিব পাৰিম যি ছোভিয়েত ইউনিয়ন, আৰু সমগ্ৰ সমাজতান্ত্ৰিক জগতৰ বিৰুদ্ধে তৰোৱাল উদ্যত কৰিবলৈ সাহস কৰা আক্ৰমণকাৰীক মষিমূৰ কৰিব পাৰে।

দুই দশকৰ ভিতৰত সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তি গঠন কৰিবৰ কাৰণে লগা সকলোখিনি সমল আমাৰ আছে নে? আছে, কমৰেড-সকল, আছে। আমাৰ এক বিৰাট সৃজনী শক্তিসম্পন্ন সমাজ ব্যৱস্থা আছে, উৎপাদনৰ অসীম ক্ষমতা আছে আৰু আছে অফুৰন্ত প্ৰাকৃতিক সম্পদ। পৃথিবীৰ ভিতৰতেই শ্ৰেষ্ঠতম আৰু প্ৰথম শ্ৰেণীৰ বৈজ্ঞানিক আৰু কাৰিকৰী

সা-সঁজুলি আমাৰ আছে। ছোভিয়েত ইউনিয়নে বহুতো অসাধাৰণ গুণসম্পন্ন ব্যক্তিৰ সৃষ্টি কৰিছে। সমাজবাদী গঠনকার্য্য সুসম্পন্ন কৰিবলৈ ইসকলৰ ক্ষমতা আছে। ছোভিয়েত জনসাধাৰণক নেতৃত্ব দিছে এটা সংগ্ৰামৰ অগ্নিপৰীক্ষাত উত্তীর্ণ এটা জ্ঞানী পার্টিয়ে। সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তি স্থাপনৰ কাৰণে স্বভাৱতেই বিৰাট পুঁজিৰ প্ৰয়োজন হব। অহা কুৰি বছৰৰ কাৰণে ছোভিয়েত ইউনিয়নৰ জাতীয় অর্থনীতিৰ লগ্নীকৃত মুলধনৰ পৰিমাণ প্ৰায় কুৰি লক্ষ কোটী ৰুবল। কমৰেডসকল, সম্প্রতি আমাৰ জাতীয় মূলধনৰ পৰিমাণে কি আকাৰ ধাৰণ কৰিছে তাৰ কথা চিন্তা কৰক। কমৰেডসকল, আমি এতিয়া কোটীৰ কোটীগুণ ধৰি হিচাপ কৰিব লাগিব। শিল্প গঢ়ি তোলা কালছোৱাত কৰা আত্মত্যাগৰ দৰেই আজি এই বিৰাট সম্পদ সংগ্ৰহৰ সময়তো আমি আত্মত্যাগ কৰিব লাগিবনে? আমি ডাঠি কব পাৰো নালাগে। তাৰ প্ৰধান কাৰণ হৈছে যে এক বিৰাট শক্তিশালী শিল্প আমাৰ দেশত গঢ়ি উঠিছে।

ৰাইজৰ হিতার্থে গধুৰ শিল্পৰ উন্নয়ন আৰু সঞ্চয় সমস্যাৰ সমাধান এক নতুন ৰূপত দেখা দিছে। আমি জানো যে গধুৰ শিল্প বুলিলে দুই ধৰণৰ কাৰখানা বুজি। প্রথমবিধ হল উৎপাদনৰ উপকৰণ উৎপাদন কৰা শিল্পৰ কাৰণে উৎপাদনৰ উপকৰণ উৎপাদন কৰা শিল্প আৰু দ্বিতীয় বিধ হ'ল কৃষি, গৃহনির্মাণ, সাংস্কৃতিক আৰু ৰাজহুৱা সেৱা, খাদ্য, পোহৰ আদি শিল্পৰ উৎপাদনৰ উপকৰণ উৎপাদনৰ শিল্প। প্ৰথমে যেতিয়া আমাৰ গধুৰ শিল্প স্থাপন কৰা হৈছিল তেতিয়া প্ৰথমবিধৰ পিনেহে চকু দিবলগীয়া হৈছিল। দ্বিতীয়বিধত তেতিয়া সীমাবদ্ধ পৰিমাণৰহে পুঁজি খটুৱা হৈছিল। এতিয়া আমি দ্বিতীয় বিধতো যথেষ্ট পুঁজি খটুৱাব পাৰো। তাৰ ফলত ৰাইজৰ প্ৰয়োজনীয় দ্রব্যৰ প্রাচুর্য্য বাঢ়িব। ১৯৮০ চনত আমাৰ প্ৰথমবিধৰ উৎপাদন ১৯৬০ চনৰ ৬ গুণ বাঢ়িব আৰু দ্বিতীয় বিধৰ ১৩ গুণ বাঢ়িব। ইয়াৰ বাহিৰেও আমাৰ গধুৰ শিল্পই সাংস্কৃতিক আৰু গৃহস্থালিৰ দ্রব্য বহুত

পৰিমাণে উৎপাদন কৰিব ; ই দিনে দিনে বাঢ়ি অহা চাহিদা পূৰণ কৰিব পাৰিব। গধুৰ শিল্পৰ উন্নয়ন কৰাৰ সময়ত আমি লেনিনৰ তত্বৰ দ্বাৰা পৰিচালিত হওঁ। "উৎপাদনৰ উপকৰণবোৰ কেৱল তৈয়াৰ কৰাৰ উদ্দেশ্যেই তৈয়াৰ কৰা নহয়। সেইবোৰ তৈয়াৰ কৰা হয়—উৎপাদনৰ উপকৰণৰ কাৰণে ভোগ্যদ্ৰব্য উৎপাদন কৰা শিল্পসমূহৰ ক্ৰমবৰ্দ্ধমান চাহিদা পূৰণ কৰিবলৈহে।"

কৃষি বহৰীয়া জাতীয় অৰ্থনৈতিক উন্নয়নৰ আঁচনিত (সাধাৰণ লক্ষ্য) কোৱা হৈছে যে উৎপাদনৰ উপকৰণ উৎপাদন আৰু ভোগ্য দ্ৰব্যৰ উৎপাদনৰ হাৰৰ মাজত ব্যৱধান প্ৰচুৰ পৰিমাণে দূৰ হব। ১৯২৯-৪০ চনত শিল্পৰ ক্ষেত্ৰত উৎপাদনৰ উপকৰণৰ বছৰি গড়ে বৃদ্ধিৰ হাৰ ভোগ্য দ্ৰব্যৰ গড়ে বছৰি বৃদ্ধিৰ হাৰতকৈ শতকৰা ৭০ ভাগ বেছি আছিল কিন্তু ১৯৬১-৮০ চনত এই বৃদ্ধিৰ হাৰৰ ব্যৱধান শতকৰা ২০ ভাগ মানহে হব।

গধুৰ শিল্পই সদায়েই সম্প্ৰসাৰিত পুনৰুৎপাদনৰ ক্ষেত্ৰত আগ ভাগ লৈ আহিছে। ভবিষ্যতলৈও লৈয়েই থাকিব। পাৰ্টি ইয়াৰ বৃদ্ধিৰ কাৰণে সদায়ে তৎপৰ হব। কাৰণ পাৰ্টিয়ে ভাবে যে গধুৰ শিল্পই সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তি স্থাপন কৰিব পাৰিব আৰু সমাজতান্ত্ৰিক ৰাষ্ট্ৰক প্ৰতিৰক্ষাৰ কাৰণে সুসংহত কৰিব পাৰিব। লগে লগে পাৰ্টিয়ে ক্ৰমবৰ্দ্ধমান ভোগ্য দ্ৰব্যৰ উৎপাদনৰ কাৰণে গধুৰ শিল্প উন্নত কৰিবলৈ যথাসাধ্য চেষ্টা কৰিব।

আমি মূলধন লগ্নীকৰণৰ পৰিকল্পিত পৰিমাণতকৈ পিছ পৰি নাথাকোঁ, কাৰণ সমগ্ৰ সামাজিক উৎপাদন আৰু জাতীয় আয় প্ৰচুৰ পৰিমানে বাঢ়িব। আমি যিমান দূৰ আগুৱাই যাম সঞ্চয়ৰ কাৰণে আছুতীয়াকৈ ৰখা জাতীয় আয়ো প্ৰতি শতে বাঢ়ি যাব আৰু ফল স্বৰূপে মূলধন লগ্নীকৰণৰ কাৰণে থোৱা পুঁজিও ক্ৰমান্বয়ে বাঢ়ি যাব। আৰু এটা দৰকাৰী কথা। কাৰিকৰী বিস্তাৰ আৰু উন্নয়ন আৰু শ্ৰমৰ ক্ৰমবৰ্দ্ধমান উৎপাদনে প্ৰতিটো লগ্নীকৃত ৰূবলৰ উৎপাদন বঢ়াব।

আমাৰ অভিজ্ঞতা আৰু ভবিষ্যতৰ বাস্তৱবাদী মূল্যাঙ্কনৰ বলত আমি ভবিষ্যতৰ উৎপাদনৰ পৰিমাণৰ এটা আচনি কৰিব পাৰোঁ আৰু কেতিয়া সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তি গঠন কৰিব লাগিব তাকো প্ৰকৃত সংখ্যাৰে কব পাৰোঁ। ইয়াতে আমাৰ পৰিকল্পনা সংস্থাই দিয়া হিছাপ এটা দিয়া হল।

১৯৬০–৮০ চনত ছোভিয়েতৰ শিল্প বিকাশ

(১৯৫৫ চনৰ ১ জুলাইৰ মূল্য ধৰি)

	১৯৬০	১৯৭০	১৯৮০	কিমান গুণ ডাঙৰ
মুঠ শিল্প উৎপাদন কাৰখানাৰ পাইকাৰী দামত (000 নিযুত ৰুবল)	১৫৫	৪০৮	৯৭০–১০০০	৬·২—৬·৪
ইয়াৰ অন্তৰ্ভুক্ত হ'ল উৎপাদনৰ উপকৰণ উৎপাদন প্ৰথম বিধ (000 নিযুত ৰুবল)	১০৫	২৮৭	৭২০–৭৪০	৬·৮—৭·০
ভোগ্য দ্ৰব্যৰ উৎপাদন দ্বিতীয় বিধ (000 নিযুত ৰুবল)	৫০	১২১	২৫০–২৬০	৫—৫·২
বিদ্যুৎশক্তি (000 নিযুত কিলোৱাট)	২৯২·৩	৯০০–১০০০	২৭০০–৩০০০	৯·২—১০·৩
তীখা (000,000 টন)	৬৫	১৪৫	২৫০	৩·৮
তেল (000,000 টন)	১৪৮	৩৯০	৬৯০–৭১০	৪·৭—৪·৮
গেছ (000 নিযুত ঘন মিটাৰ)	৪৭	৩১০–৩২৫	৬৮০–৭২০	১৪·৪—১৫·২
কয়লা (000,000 টন)	৫১৩	৬৮৬–৭০০	১১৮০–১২০০	২·৩—২·৩৪
ইঞ্জিনিয়াৰিং আৰু ধাতু শিল্প (000 নিযুত ৰুবল)	৩৪	১১৫	৩৩৪–৩৭৫	৯·৮—১১
খনিজ সাৰ চলিত একক ধৰি (000,000 টন)	১৩·৯	৭৭	১২৫–১৩৫	৯—৯·৭
কৃত্ৰিম আলকাতৰা আৰু প্লাষ্টিক (000টন)	৩৩২	৫,৩০০	১৯০০০–২১০০০	৫৭—৬৩
কৃত্ৰিম বস্ত্ৰ (000 টন)	২১১	১,৩৫০	৩১০০–৩৩০০	১৪·৭—১৫·৬
বিলাতী মাটি (000,000 টন)	৪৫·৫	১২২	২৩৩–২৩৫	৫·১—৫·২
বস্ত্ৰ শিল্প (000 নিযুত বৰ্গ মিটাৰ	৬·৬	১৩·৬	২০–২২	৩—৩·৩
চামৰাৰ জোতা (000,000 যোৰ)	৪১৯	৮২৫	৯০০–১০০০	২·১–২·৪
ঘৰুৱা দ্ৰব্য (000 নিযুত ৰুবল)	৫·৯	১৮	৫৮–৬০	৯·৮—১০·১

মুঠ সামাজিক উৎপাদন সকলো শাখাৰ সামাজিক উৎপাদনৰ কাৰণে অত্যন্ত সাধাৰণ সূচক। অহা কুৰি বছৰৰ ভিতৰত ইয়াৰ ৫ গুণ উৎপাদন বৃদ্ধি কৰা হব বুলি আঁচনি কৰা হৈছে। ঔদ্যোগিক উৎপাদন অন্ততঃ ৬ গুনতকৈ বৃদ্ধি হব আৰু কৃষিৰ উৎপাদন প্ৰায ৩৫ গুণ বাঢ়িব। ইয়াকেই এইভাবে কব পাৰি যে আমাৰ প্ৰাচুৰ্য্যভৰা দেশৰ ভিতৰতেই ছোভিয়েত ইউনিয়নৰ নিচিনা আৰু ৫খন শিল্পপ্ৰধান আৰু দু'খন কৃষি প্ৰধান দেশৰ সৃষ্টি হব।

কুৰি বছৰৰ ভিতৰত ছোভিয়েত শিল্পৰ উৎপাদন বৰ্ত্তমানৰ পুঁজিবাদী দেশসমূহত হোৱা উৎপাদনৰ প্ৰায় দুগুণ হ'ব।

অহা কুৰি বছৰৰ ভিতৰত আমাৰ দেশত উৎপাদনৰ উপকৰণৰ উৎপাদন প্ৰায ৭ গুণ বাঢ়িব। আমাৰ দেশৰ মৌলিক উৎপাদন সম্পদ আজিতকৈ ৫ গুণ বাঢ়িব। ইয়াৰ অৰ্থ, কাৰ্য্যতঃ আমাৰ শিল্পবোৰ সৰ্বাধুনিক আহিলা-পাতিৰে পুনৰসজ্জিত হব। ছোভিয়েত ইউনিয়নৰ আহিলাপাতিবোৰ অত্যন্ত শক্তিশালী, আৰু অত্যন্ত নতুন, সৰ্বাধুনিক আৰু উন্নত হব। সেই কাৰণেই আমাৰ উৎপাদনৰ উপকৰণবোৰৰ পূৰ্ণ ব্যৱহাৰ হব লাগে আৰু তাৰ সম্পূৰ্ণ ক্ষমতা কামত লগাব লাগে।

ছোভিয়েতৰ অৰ্থনীতি ক্ষিপ্ৰতৰ গতিত আগ বাঢ়িয়েই থাকিব। অহা কুৰি বছৰৰ ভিতৰত শিল্প উৎপাদনৰ ক্ষেত্ৰত গড়ে বছৰি শতকৰা ৯-১০ ভাগ বাঢ়িব। অৰ্থাৎ আমাৰ অৰ্থ নৈতিক বৃদ্ধিৰ হাৰ পুঁজিবাদী দেশবোৰতকৈ বহুতো ওপৰত থাকিব।

ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ খচৰা কাৰ্য্যসূচীয়ে সাম্যবাদৰ **বৈষয়িক আৰু কাৰিকৰী ভিত্তি-স্থাপনৰ মূল ধাৰাসমূহ** নিৰ্ণয় কৰিছে।

সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তি স্থাপনে সূচায় কাৰিকৰী বিদ্যা, দক্ষতা আৰু উৎপাদনৰ সংগঠনৰ এটা নতুন পৰ্যায়লৈ অগ্ৰগতি, আৰু পুঞ্জীভৱন, বিশেষজ্ঞীকৰণ, সহযোগিতা আৰু সংযোগসাধন প্ৰক্ৰিয়াৰ ক্ৰমবৰ্ধমান

বিকাশ। বিজ্ঞান দিনে দিনে এক আশু উৎপাদিকা শক্তি হিছাপে দেখা দিছে, আৰু উৎপাদন হৈ পৰিছে আধুনিক বিজ্ঞানৰ কাৰিকৰী প্ৰয়োগ। লেনিনে দঢ়াই দঢ়াই কৈছিল যে নতুন নতুন বৈজ্ঞানিক আৱিষ্কাৰ আৰু নতুন নতুন কাৰিকৰী নিপুণতাৰ অবিহনে সাম্যবাদ প্ৰতিষ্ঠা কৰা সম্ভৱ নহয়।

মাৰ্ক্সৰ কথাৰে কবলৈ গলে শ্ৰমৰ কি নতুন সজুলিয়ে সাম্যবাদী উৎপাদনৰ হাড় আৰু স্নায়ু গঠন কৰে? সেইবোৰ হল ব্যাপক যন্ত্ৰীকৰণ আৰু স্বয়ংক্ৰিয় যন্ত্ৰপাতিৰ এক যন্ত্ৰব্যৱস্থা; সাম্যবাদ গঠনৰ অৱস্থাত স্বয়ংক্ৰিয় যন্ত্ৰপাতিয়ে কাৰিকৰী বিদ্যাৰ বিকাশত এক নতুন যুগৰ সূচনা কৰিছে। ৰাসায়নিক উৎপাদন, নতুন অত্যন্ত দক্ষ সামগ্ৰী, শ্ৰমৰ নতুন লক্ষ্যসমূহ আৰু ৰাসায়নিক পদ্ধতিৰ ব্যাপক ব্যৱহাৰৰ বিকাশ আৰু প্ৰয়োগে উৎপাদনৰ ক্ষেত্ৰত ক্ৰমবৰ্দ্ধমান ভূমিকা গ্ৰহণ কৰিব। ধাতু আৰু আন আন বস্তুবোৰ নিৰ্ভৰযোগ্য আৰু বেছি দিন ব্যৱহাৰ কৰিব-পৰা কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা বিশেষ প্ৰয়োজনীয় হৈছে; বিশেষকৈ যিবোৰ ধাতু অতি বেছি চাপ, তাপ আৰু গতিতো ঠিকে থাকিব পাৰে। বহু দিনৰ পিছত গৈ, ভূগৰ্ভৰ গভীৰ অন্তৰ্দেশলৈ প্ৰৱেশ কৰি কেচা মালৰ উৎসবোৰ প্ৰচুৰ পৰিমাণে বঢ়োৱা হব আৰু বিশ্ব-মহাসমুদ্ৰৰ বুকুত থকা খনিজ আৰু জৈৱিক সম্পদবোৰকো কামত খটুৱা হব।

খছৰা কাৰ্যসূচীয়ে **গোটেই দেশকেই বৈদ্যুতিকীকৰণ কৰাৰ** ওপৰত প্ৰধান জোৰ দিছে। লেনিনে কৈছিল যে "ছোভিয়েত ব্যৱস্থাৰ ভিত্তিত দেশৰ বৈদ্যুতিকীকৰণে সাম্যবাদ প্ৰতিষ্ঠাৰ চূড়ান্ত বিজয় আনি দিব।" সম্পূৰ্ণ বৈদ্যুতিকীকৰণ সম্বন্ধে লেনিনৰ ধাৰণা সমগ্ৰ সাম্যবাদী অৰ্থনীতিৰ গঠনৰ কাৰ্যসূচীৰ চাবিকাঠি।

দেশৰ অৰ্থনৈতিক উন্নয়নৰ কাৰণে লেনিনে প্ৰথমে 'গোৱেলৰো' আঁচনি দাঙি ধৰিছিল আৰু তাকেই পাৰ্টিৰ দ্বিতীয় কাৰ্যসূচী বুলি কৈছিল। বছৰি বিদ্যুৎশক্তিৰ উৎপাদন ৮৮০০ নিযুত কিলোৱাট ঘণ্টা বঢ়াব লাগে বুলি তাত ধৰা হৈছিল। নিৰ্ধাৰিত সময়ৰ আগেয়ে সেই আঁচনি কাৰ্যকৰী কৰা

হৈছিল। ১৯৪৭ চনতেই আমাৰ দেশে বিদ্যুৎ উৎপাদনত ইউৰোপত প্ৰথম আৰু পৃথিৱীত দ্বিতীয় স্থান লব পাৰিছিল।

১৯৬০ চনত আমাৰ বিদ্যুৎ সৰবৰাহ কেন্দ্ৰসমূহৰ ক্ষমতা ৬৬,৭০০,০০০ কিলোৱাট আছিল।

এতিয়া আমি এক নতুন শক্তিৰ উৎসৰ গৰাকী হব ধৰিছো আৰু নতুন উপায়ে বিদ্যুৎ যোগানৰ ব্যৱস্থা কৰিছো। বিদ্যুৎশক্তি উৎপাদনকাৰী শিল্পৰ দক্ষতা প্ৰচুৰ পৰিমাণে বৃদ্ধি কৰাৰ যোগেদি বিদ্যুৎশক্তিলৈ অন্যপ্ৰকাৰৰ শক্তিৰ পোনপটীয়া ৰূপান্তৰৰ সমস্যাটো সমাধান কৰা অত্যন্ত প্ৰয়োজনীয় কাম।

সাধাৰণ লক্ষ্যত, বিদ্যুৎ উৎপাদনক আগ ভাগ দিয়া হৈছে। বিদ্যুৎ উৎপাদন ১৯৮০ চনত ২,৭০০,০০০ নিযুত—৩,০০০,০০০ নিযুত কিলোৱাট ঘণ্টা কৰা হব বুলি ধৰা হৈছে, অৰ্থাৎ ১৯৬০ চনতকৈ ন-দহ গুণ বাঢ়িব।

১৯৮০ চনত, আজি পৃথিৱীৰ আটাইবোৰ দেশৰ বিদ্যুৎ উৎপাদন লগ লগালে যিমান হব, আমাৰ দেশত তাৰ শতকৰা ৫০ ভাগ বেছি উৎপাদন হব। ফল-স্বৰূপে শিল্প শ্ৰমৰ বিদ্যুৎশক্তি-সজ্জা ৮ বা ৯ গুণ বাঢ়িব।

সেই সময়লৈ ছোভিয়েত ইউনিয়নে কেৱল যে বিদ্যুৎ উৎপাদনতেই আমেৰিকাৰ যুক্তৰাষ্ট্ৰক চেৰ পেলাব এনে নহয়, জনসংখ্যাৰ জনমূৰি কিলোৱাট ঘণ্টাও বাঢ়িব।

এই বৃদ্ধিৰ ফলত, পৰিবহন, কৃষি, চহৰ আৰু গাওঁ অঞ্চলতো বিৰাট পৰিমাণে বৈদ্যুতিকীকৰণৰ সুবিধা হব।

এইদৰে সমগ্ৰ দেশৰ বৈদ্যুতিকীকৰণে জাতীয় অৰ্থনীতিৰ সকলো ক্ষেত্ৰতে উন্নতি সাধন কৰিব।

কি চমৎকাৰ, কি বিৰাট আঁচনি, কমৰেড সকল। বাস্তৱিকতে, আজি আমাৰ দেশত সাম্যবাদৰ সূৰ্যোদয়।

এই আঁচনিবোৰ ধীৰে অথচ নিশ্চিতভাৱে কাৰ্যকৰী কৰিবলৈ পাৰ্টি আৰু

জনসাধাৰণ আজি দৃঢ়প্ৰতিজ্ঞ। ইয়াৰ ফলত লেনিনৰ গোটেই দেশখন বৈদ্যুতিকীকৰণৰ কাৰ্যসূচীক কাৰ্যকৰী কৰাৰ চুক্তি পৰিপূৰণ কৰা হব।

আমাৰ পৰিকল্পনা সংস্থাই বৃহৎ তাপ বিদ্যুৎ আৰু জল বিদ্যুৎ কেন্দ্ৰ নিৰ্মানৰ পৰীক্ষামূলক আঁচনি দাঙি ধৰিছে। এই আঁচনিৰ প্ৰত্যেকটো কেন্দ্ৰৰ বিষয়ে ভালকৈ গমি পিতি চাব লাগিব। কাৰিকৰী বিদ্যাৰ প্ৰগতিৰ লগে লগে ইয়াৰ যথেষ্ট পৰিমানৰ সালসলনি কৰিব লাগিবও পাৰে।

অহা কুৰিবছৰৰ ভিতৰত আমি ১৮০ টা শক্তিশালী জলবিদ্যুৎ কেন্দ্ৰ নিৰ্মান কৰিব লাগিব, প্ৰত্যেকটোত ৩ নিযুত কিলোৱাটকৈ প্ৰায় ২০০টা জিলা বিদ্যুৎ-কেন্দ্ৰ আৰু ২৬০টা বৃহৎ তাপ-বিদ্যুৎ কেন্দ্ৰও নিৰ্মান কৰিব লাগিব।

পূব ছাইবেৰিয়াত ব্ৰাট্স্ক আৰু ক্ৰেস্নয়াৰ্স্ক জলবিদ্যুৎ কেন্দ্ৰৰ কাম পূৰ্ণ কৰিব লাগিব আৰু ১৯৮০ চনৰ ভিতৰত কেইটামান বৃহৎ কেন্দ্ৰ নিৰ্মান কৰিব লাগিব। ইয়াৰ ভিতৰত আঙ্গাৰাত আৰু নেনীচেইত ছায়ান, উষ্ট-ইলিম, বগুচেনী, য়েনীচেইস্ক আৰু নিম্ন টাঙ্গুস্কাত একোটাকৈ বিদ্যুৎ কেন্দ্ৰ থাকিব। এই বিলাকৰ প্ৰত্যেকটোৰ শক্তি ৪ নিযুত কিলোৱাট হব! এই বোৰৰ বাহিৰেও আমি অতি শক্তিশালী দুভাগ তাপ-বিদ্যুৎ কেন্দ্ৰ নিৰ্মাণ কৰিম। এইবোৰৰ এভাগ কান্স্ক-অচিন্স্ক অন্তৰ্বাহিকাৰ কয়লাৰ দ্বাৰা চালিত হব আৰু ঠাট্-বগটল ভাগ ক্ৰাস্নোয়াৰাস্কৰ ওচৰত আৰু ইৰ্ছা-বৰদিনো ভাগ (প্ৰত্যেকটো ৩ নিযুত কিলোৱাট বা তাৰ বেছি) কান্ছ্ক্-টেইছেতৰ ওচৰত হব।

মধ্য এচিয়াৰ অঞ্চলত বৃহৎ জল-বিদ্যুৎ কেন্দ্ৰ নিৰ্মাণৰ প্ৰয়োজনীয়তা বিদ্যুৎ আৰু জলসিঞ্চন দুয়ো ফালৰপৰাই গুৰুত্বপূৰ্ণ। এইবোৰৰ ভিতৰত ভাখ্য্ নদীৰ নিউৰেক্ আৰু ৰোগান কেন্দ্ৰ আৰু নাৰ্ইন নদীৰ টক্তোগুল আৰু টগাস্তোৰাচ কেন্দ্ৰই উল্লেখযোগ্য। কাজাখ্স্তানত প্ৰাটিচ্ বিদ্যুৎ কেন্দ্ৰকে লৈ কেবাটাও বিদ্যুৎ কেন্দ্ৰ নিৰ্মাণ কৰা হব।

চাৰাটভ, নিম্ন ভল্গা আৰু চেবকৃচেৰী জলবিদ্যুৎ কেন্দ্ৰ আৰু কামা নদীৰ দুটা কেন্দ্ৰ নিৰ্মাণে ভল্গা-কামা উপত্যকাৰ কেন্দ্ৰসমূহৰ কাম শেষ কৰিব। ৬ নিযুত কিলোৱাট সম্পন্ন ওবি নদীৰ জলবিদ্যুৎ কেন্দ্ৰই ইউৰোপীয় অঞ্চলত বিদ্যুতৰ যোগান ধৰিব। ইয়াৰ উপৰিও চাৰাটভ, ষ্টেলিনগ্ৰাড, গোৰ্কী আৰু কুইবাইচেভ-উফাওৰেনবাৰ্গ অঞ্চলত কেবাটাও শক্তিশালী তাপ বিদ্যুৎ-কেন্দ্ৰৰ আঁচনি লোৱা হৈছে।

ছোভিয়েত ইউনিয়নৰ ইউৰোপীয় অংশৰ কেন্দ্ৰীয় চাৰ্নোজিয়ম আৰু কেন্দ্ৰীয় অঞ্চলত শক্তিশালী তাপ বিদ্যুৎ-কেন্দ্ৰবোৰ গঢ়ি উঠিব। মস্কোৰ দক্ষিণ আৰু উত্তৰ-পূবত, কিয়েভৰ ওচৰত ইউক্ৰেণত, কিৰোভোগ্ৰেড আৰু নিকোলেয়েভ, লাটভিয়া আৰু বাইলোৰুছিয়াত ডোনেট অববাহিকাতো তাপ বিদ্যুত কেন্দ্ৰ নিৰ্মাণ কৰা হব। ককেচাচ অঞ্চলত জল বিদ্যুৎ আৰু অন্য শক্তি ব্যৱহাৰ কৰি নিৰ্মাণ কৰা বিদ্যুৎ কেন্দ্ৰবোৰ গঢ়ি উঠিব।

বৃহৎ ভল্গা আৰু বৃহৎ নীপাৰৰ প্ৰয়োজনীয় সমস্যাবোৰৰ সমাধান আঁচনিবোৰ পৰিপূৰ্ণতাৰ মাজেদি ওলাই পৰিব। এইবোৰত সেইকাৰণে ভালেখিনি পুঁজি লগ্না কৰিব লাগিব। কিন্তু সেইবোৰ তুলনামূলকভাৱে কম সময়ৰ ভিতৰতেই ঘূৰাই পোৱা যাব। হিছাপৰপৰা পোৱা গৈছে যে ভল্গা-কামা আৰু নীপাৰ জলবিদ্যুৎ-কেন্দ্ৰৰ উৎপাদন প্ৰায় দুগুন হব। ভল্গাৰ পূব আৰু দক্ষিণ পিনে থকা প্ৰায় ৫০ নিযুত একৰ খৰাং মাটি বতৰৰ দুৰ্যোগৰপৰা ৰক্ষা কৰিব পৰা হব আৰু পলিচিয়ে অঞ্চলত আৰু বাল্টিক ৰাষ্ট্ৰসমূহত থকা ১০ নিযুত একৰ দ মাটি খেতিৰ উপযোগী কৰিব পৰা হব। দেশৰ উত্তৰ পশ্চিম অঞ্চলৰ বহুতো মালবস্তু কৃষ্ণসাগৰৰ বন্দৰবোৰেদি ভূমধ্যসাগৰলৈ পঠিয়াব পৰা যাব। সেইবোৰ তেতিয়া আৰু জিব্ৰাল্টৰেদি ঘূৰাই নিব নালাগে। সেইবোৰ প্ৰিপেত আৰু নিমেনেদি নীপাৰেৰে বাল্টিক সাগৰলৈ পঠিয়াব পৰা যাব। ভূমধ্য সাগৰৰ পূব পিনলৈ তেতিয়া আমাৰ বাট প্ৰায় আধা চমু হব।

পাৰ্টিৰ কাৰ্যসূচীয়ে যন্ত্ৰপাতি নিৰ্মাণৰ উন্নয়নতো চকু দিছে। সেইটোৱেই আমাৰ সৰ্বাঙ্গীন যান্ত্ৰিকীকৰণ আৰু স্বয়ংক্ৰিয় যন্ত্ৰীকৰণ আঁচনিৰ সুফল দিব। আমি বহুত ৰকম উচ্চ-নিপুণতা-সম্পন্ন আৰু কম ব্যয়সাধ্য স্বয়ংক্ৰিয় আৰু ৰেডিও-ইলেকট্ৰনিক সা-সঁজুলিৰ উৎপাদন বঢ়াবই লাগিব। শিল্প, কৃষি আৰু গৃহ নিৰ্মাণৰ বাবে যন্ত্ৰপাতি নিৰ্মাণৰ সুনিপুণ ব্যৱস্থা কৰিবই লাগিব।

অহা ২০ বছৰৰ ভিতৰত আমি ২,৮০০ নতুন ইঞ্জিনিয়াৰিং আৰু ধাতুৰ কাৰখানা প্ৰধানতঃ দেশৰ পুব অঞ্চলত স্থাপন কৰিব লাগিব। আৰু ১৯০০ পুৰণি কাৰখানা পুনঃনিৰ্মাণ কৰিব লাগিব। ইয়াৰ দ্বাৰা আমি যন্ত্ৰনিৰ্মাণ আৰু ধাতু শিল্পত ১০-১১ গুণ সৰ্ব্বমুঠ উৎপাদন বাঢ়িব আৰু স্বয়ংক্ৰিয় আৰু অৰ্দ্ধ স্বয়ংক্ৰিয় যন্ত্ৰপাতিৰ উৎপাদন ৬০ গুণে বাঢ়িব।

ৰসায়ন শিল্পৰ গুৰুত্ব অসাধাৰণভাৱে বাঢ়িছে। এই ২০ বছৰত ইয়াৰ উৎপাদন ১৭ গুণ বাঢ়িব আৰু লগতে তাৰ উৎপাদনৰ প্ৰসাৰতাও বাঢ়িব। পলিমাৰ ৰসায়ন (ৰসায়ন শাস্ত্ৰৰ এটা বিশেষ ভাগ য'ত পদাৰ্থৰ পাৰমাণৱিক গুণৰ আলোচনা হয়) যথেষ্ট আগুৱাব লাগিব। কৃত্ৰিম আলকাত্ৰা আৰু প্লাষ্টিকৰ উৎপাদন ৬০ গুণ বাঢ়িব। ব্যৱহাৰ্য দ্ৰব্যৰ ভিতৰত কৃত্ৰিম আৰু ৰাসায়নিক সূতাৰ উৎপাদনে বিশেষ মনোযোগ আকৰ্ষণ কৰিছে আৰু তাৰ উৎপাদনো ১৫ গুণ বাঢ়িব। খনিজ সাৰৰ উৎপাদনো ৯ পৰা ১০ গুণলৈ বাঢ়িব।

ইন্ধন আৰু ধাতু শিল্পৰ দৰে গধুৰ শিল্পৰ গুৰুত্বপূৰ্ণ শাখাত বেছি ধ্যান দিয়া হৈছে। সকলো ধৰণৰ ইন্ধনৰ উৎপাদন প্ৰায় ৪ গুণ বাঢ়িব। অহা ২০ বছৰত গেচৰ উৎপাদন ১৪-১৫ গুণ বাঢ়িব আৰু ১৯৬০ চনত উৎপাদন হোৱা কয়লাৰ পৰিমাণ ৫১৩ নিযুত টনৰ পৰা ১৯৮০ চনত ১২০৭ নিযুত টন হব। ১৯৮০ চনত খাৰুৱা তেল ৬৯০-৭১০ নিযুত টন উলিওৱা হব। তুলনামূলকভাৱে কবলৈ গলে কব লাগিব যে ১৯৬০ চনত ছোভিয়েত

ইউনিয়নে ১৪৮ নিযুত টন উলিয়াইছে—যি ক্ষেত্রত যুক্তৰাষ্ট্ৰই উলিয়াইছে ৩৪৮ নিযুত টন।

লো আৰু তীখা শিল্পত বছৰি ২৫০ নিযুত টন তীখা উৎপাদন হব। ১৯৬০ চনত ছোভিয়েত ইউনিয়নে ৬৫ নিযুত টন তীখা উলিয়াইছে। প্রায় ৯ বছৰৰ ভিতৰতে ছোভিয়েতে তীখাৰ উৎপাদনত যুক্তৰাষ্ট্ৰতকৈ ৫৫ নিযুত টন বেছিকৈ উলিয়াব। অর্থনীতিবিদসকলে কৈছে যে তীখাৰ উৎপাদন তাতকৈ অলপ বেছিও হব পাৰে। কিন্তু সম্প্রতি আমি আমাৰ লক্ষ্য ২৫০ নিযুত টনহে ধৰিছো। লৌহ জাতীয় ধাতুৰ পৰিবর্তে আন ধাতুৰ ব্যৱহাৰৰ উন্নয়নে ধাতুৰ ভালেখিনি উন্নত কৰিছে আৰু সেই কাৰণে ধাতুৰ আয় বাঢ়িছে আৰু যন্ত্রপাতিৰ নতুন উন্নত চানেকীয়ে আমাৰ কম তীখাতে বেছি কাম দিব পৰা হৈছে। সেই ক্ষেত্রত ধাতু উদ্যোগৰ উন্নয়নৰ আঁচনিৰ কিছু সাল সলনি কৰিব লাগিব।

বিদ্যুৎ ইঞ্জিনিয়াৰিং, ৰসায়ন, ইলেকট্রনিক্‌চ, সঁজুলি-উৎপাদন, পাৰমাণৱিক আৰু মহাকাশ ইঞ্জিনিয়াৰিং উচ্চগতিসম্পন্ন পৰিবহন আদি বিভিন্ন শিল্পৰ দ্রুতবৰ্দ্ধমান দাবী পূৰণৰ কাৰণে লোৰ বাহিৰে আন ধাতুৰ ক্ষেত্রত অধিক উৎপাদনৰ প্ৰয়োজন বাঢ়িছে। লোৰ বাহিৰে আন মিশ্রিত ধাতু আপুৰুগীয়া ধাতু আৰু অৰ্দ্ধ পৰিবাহী ধাতুৰ উৎপাদনো বঢ়াব লাগিব। এলুমিনিয়ামৰ ব্যৱহাৰ বিশেষভাৱে বাঢ়িব।

গৃহনির্মাণ শিল্প জোৰেৰে বঢ়াব লাগিব। বিলাতী মাটিৰ উৎপাদন ১৯৮০ চনত ২৩৫ নিযুত টন হব আৰু ২০ বছৰত শতকৰা ৪০০ ভাগ বাঢ়িব।

অহা ২০ বছৰত ভোগ্য-দ্রব্যৰ উৎপাদন ৫ গুণ বাঢ়িব। উদাহৰণ-স্বৰূপে ১৯৮০ চনত বস্ত্র শিল্পৰ উৎপাদন ৩ গুণ বাঢ়িব আৰু ২০-২২ হাজাৰ নিযুত বর্গমিটাৰ বস্ত্র উৎপাদন হব। চামৰাৰ জোতাৰ উৎপাদনত বছৰি ১০০০ নিযুত যোৰ জোতা উলিওৱা হব। গৃহস্থালীৰ বস্তু আৰু সাংস্কৃতিক জীৱনৰ

বস্তুৰ উৎপাদন ১০ গুণ বাঢ়িব। এই বস্তুৰ কাৰণে দিনে দিনে দাবী বাঢি গৈছে।

ইয়াৰ বাবে লাগে খাদ্য আৰু লঘুশিল্পত নিয়োজিত মূলধনৰ সুনিপুন ব্যৱহাৰ। তাৰ বাবে শ শ কাৰখানা গঢ়ি তুলিব লাগিব। ধাতুশিল্প আদিৰ কাৰণে আমি যি পৰিমাণৰ উৎসাহ প্ৰদৰ্শন কৰিছো, ছোভিয়েতৰ ৰাইজৰ জীৱন সুখময় আৰু সহজ কৰিবলৈ ভোগ্য দ্ৰব্যৰ উৎপাদনৰ ক্ষেত্ৰতো আমি তাতকৈ কম উৎসাহ দেখুৱা নাই।

কমৰেডসকল, আমি এটা কথা লক্ষ্য কৰিব লাগিব যে এই উৎপাদনৰ সাম্যবাদী পৰ্য্যায় লাভ কৰিবৰ কাৰণে চুড়ান্ত কথা হ'ল—শ্ৰমৰ উৎপাদিকা শক্তি। সামাজিক শ্ৰমৰ উৎপাদিকা শক্তিয়েই আমাৰ জীৱিকাৰ মান উন্নয়ন কৰাৰ জোখকাঠি। ইয়াৰ বাহিৰে আন দৃষ্টি-ভঙ্গী বৃথা কল্পনাত পৰ্য্যবসিত হব।

আমি উৎপাদন বৃদ্ধি কৰি প্ৰাচুৰ্য্যৰ সৃষ্টি কৰাৰ বিৰাট কাৰ্য্যৰ সন্মুখীন হৈছো। আমাৰ শ্ৰমৰ উৎস যদি সীমাবদ্ধ হয় তেনেহলে এই কাম আমি কেনেকৈ সমাধা কৰিম? ২০ বছৰত ই শতকৰা প্ৰায় ৪০ ভাগ হব, তাৰে এটা বৃহৎ অনুৎপাদক অংশ মূলতঃ শিক্ষা আৰু জন-স্বাস্থ্য বিভাগলৈ যাব। তেনেহলে শ্ৰমৰ সময় কমোৱা কথা কেনেকৈ বিবেচনা কৰা যাব? এই প্ৰশ্নৰ এটা মাথোঁ উত্তৰ আছে। শ্ৰমৰ উৎপাদিকা শক্তি সেই পৰিমাণে বঢাব লাগিব। আমাৰ পৰিকল্পনা সংস্থাই হিছাপ দিছে যে ১৯৬১—৮০ চনত আমাৰ জাতীয় আয়ৰ ¾ অংশ শ্ৰমৰ উৎপাদিকা শক্তিৰপৰা আহৰণ কৰিব লাগিব। অহা দহ বছৰৰ ভিতৰত ছোভিয়েত উদ্যোগত শ্ৰমৰ উৎপাদিকা শক্তি দুগুণ বাঢিব আৰু ২০ বছৰত ৪ পৰা ৪২ গুণলৈ বাঢিব। শ্ৰমৰ দিন কমোৱাৰ ফলত প্ৰতি ঘণ্টা কামৰ সময়ৰ উৎপাদনৰ বৃদ্ধি আৰু বাঢিব।

অহা ২০ বছৰৰ ভিতৰত উৎপাদিকা-শক্তিৰ বিতৰণ আৰু উন্নত

কৰিব লাগিব। ই সামাজিক শ্ৰমক অতি ভালদৰে মিতব্যয় কৰাত আমাক সমৰ্থ কৰিব আৰু সমাজৰ সেৱাৰ কাৰণে বিৰাট প্ৰাকৃতিক সম্পদৰাজি প্ৰয়োগ কৰাত আৰু উৎপাদনৰ হাৰ বৃদ্ধি কৰাত সহায় কৰিব।

উৎপাদিকা শক্তিৰ বিতৰণৰ ক্ষেত্ৰত নিম্নোক্ত প্ৰস্তাৱ লোৱা হৈছে। ছাইবেৰিয়াত শক্তিশালী ইন্ধন আৰু শক্তি উৎপাদনৰ কেন্দ্ৰ নিৰ্ম্মাণ কৰা হব। সেইবোৰ ওপৰতে থকা খনিৰ সস্তীয়া কয়লাৰ দ্বাৰা চালিত হব আৰু আঙ্গাৰা আৰু ইয়েনিচেই নদীৰ জল-শক্তি ব্যৱহাৰ কৰা হব।

মধ্য এচিয়াৰ গেছ আৰু জলশক্তি ব্যৱহাৰ কৰি সেই অঞ্চলক শক্তি-উৎপাদক কেন্দ্ৰ হিছাপে নিৰ্ম্মাণ কৰা হব।

শক্তিশালী ধাতু-নিৰ্ম্মাণৰ কাৰখানাৰ কেন্দ্ৰ গঢ়ি তোলা হব যাতে ১৯৮০ চনত দেশে ইউৰাল, ইউক্ৰেইন, চাইবেৰিয়া অঞ্চলত, দূৰ প্ৰাচ্য কাজাখস্তান আৰু ইউৰোপীয় অঞ্চলৰ কেন্দ্ৰস্থলত পাঁচটা সৰ্ব্ব-কটীয় ধাতু-কাৰখানা নিৰ্ম্মাণ কৰা হয়।

যিবোৰ অঞ্চলত সস্তা প্ৰাকৃতিক আৰু পেট্ৰোলিয়াম গেচ পোৱা যায় আৰু বিশেষকৈ তেল শোধনাগাৰ কেন্দ্ৰত প্ৰধানতঃ ইউৰাল, ভল্গা অঞ্চল, ইউক্ৰেন, উত্তৰ ককেচাচ, চাইবেৰিয়া আৰু মধ্য এচিয়াত বিৰাট ৰসায়ন শিল্প গঢ়ি তুলিব লাগিব।

ইউৰালৰ পূব অংশত যিবোৰ অঞ্চলত যন্ত্ৰপাতিৰ প্ৰয়োজন বেছি তাত যন্ত্ৰ নিৰ্ম্মাণ শিল্প গঢ়িব লাগিব।

ছোভিয়েত ইউনিয়নৰ ইউৰোপীয় অংশৰ উত্তৰ অঞ্চলৰ বিৰাট জলভাগ ভল্গা অৱবাহিকালৈ অনাৰ বিৰাট কাৰ্য্য সম্পাদন কৰিব লাগিব। মধ্য কাজাখস্তান ৎছেলেনি অঞ্চল, ডনেট অৱবাহিকা আৰু ইউৰাল অঞ্চলত পানী সৰবৰাহ কৰিব লাগিব। মধ্য এচিয়া, ভল্গা, নিপাৰ, ৰাগ, নীষ্টাৰ নদীত পানী সঞ্চয় কৰি নদীবোৰৰ পানী সৰবৰাহ কৰিব লাগিব আৰু ব্যাপক পৰিমাণে জল-সিঞ্চন আৰু উন্নত কৃষিৰ সম্প্ৰসাৰণ কৰিব লাগিব।

আমাৰ উদ্যোগৰ উন্নয়নৰ এইবোৰেই হল সাধাৰণ সম্ভাৱনা। এইবোৰ সঁচাকৈয়ে চমৎকাৰ সম্ভাৱনা। কিন্তু আমি এই কথা ঠিৰাংকৈ জানো যে আজিৰ আঁচনি কালিলৈ কাৰ্য্যকৰী হব। আমাৰ পাৰ্টি আৰু বিৰাট শক্তি সম্পন্ন ৰাইজৰ সন্ধন্ন দৃঢ় আৰু আন্তৰিকতাপূৰ্ণ।

২। গাওঁ অঞ্চলত কৃষি আৰু সামাজিক সম্পৰ্কৰ উন্নয়ন।

কমৰেডসকল, আমাৰ পাৰ্টিৰ খছৰা কাৰ্যসূচীয়ে গাওঁ অঞ্চলৰ সমবায় কৃষিপামৰ দ্বাৰা কৰা কৃষিৰ ফলত উদ্ভৱ হোৱা আৰু সমাজতান্ত্ৰিক ধাৰাত কৰা কৃষিৰ বিজয়ত সংহত হোৱা সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক পৰিবৰ্তনবোৰৰ পূৰ্ণ বিশ্লেষণ দাঙি ধৰিছে। ছোভিয়েত ইউনিয়নত সমাজতান্ত্ৰিক পদ্ধতিৰ কৃষি আমাৰ পাৰ্টি আৰু ৰাইজৰ কাৰণে এক ঐতিহাসিক সাফল্য।

যেতিয়া শ্ৰমিকশ্ৰেণীয়ে লেনিনৰ পাৰ্টিৰ নেতৃত্বত আমাৰ বিপ্লৱ পূৰ্ণ কৰিছিল তেতিয়া শক্ৰবিলাকৰ একমাত্ৰ আশা আছিল যে বলশ্বেভিকসকলে কৃষি সমস্যা সমাধান কৰিব নোৱাৰিব। সিহঁতে আৰু ভাবিছিল যে কৃষকে মাটিৰ ওপৰত তেওঁলোকৰ অধিকাৰ এৰি নিদিব আৰু মাটিৰ গৰাকী কৃষকক সমবায় কৃষিপামৰ অংশীদাৰ কৰা অসম্ভৱ হব।

কিন্তু আমাৰ শক্ৰৰ আশাৰ সৌধ ভাগি পৰিল। লেনিনে তেওঁৰ সেই উজ্জ্বল সমবায় পদ্ধতিৰ আঁচনি কৰিলে। তাৰ দ্বাৰা চালিত হৈ পাৰ্টিয়ে লাখ লাখ কৃষকক সমবেত কৰি নতুন জীৱনত উদ্বুদ্ধ কৰিলে। দকৈ খানি যোৱা সমাজতান্ত্ৰিক সীৰলুৱে কেৱল মাটিৰ ওপৰত ব্যক্তিগত মালিকানাৰ সীমাকেই শেষ কৰি নেৰিলে, লগতে কৃষকৰ ব্যক্তিগত স্বত্বৰ মনবৃত্তিকো নতুনকৈ সজালে। আজি আমি দেখিছো লাখ লাখ কৃষকে কৃষিৰ পুনৰ্গঠনত লেনিনৰ ধাৰণাকেই বাস্তৱত ৰূপ দিছে আৰু লাখে লাখে তেওঁলোকে সাম্যবাদী গঠনকাৰ্যত যোগদান কৰিছে। আমাৰ পাৰ্টিয়ে সঁচাকৈয়ে

এইবুলি গৰ্ব্ববোধ কৰিব পাৰে যে তেওঁলোকে নতুন ধৰণৰ কৃষক-সমাজৰ জন্ম দিলে। সেই কৃষক-সমাজ বীৰ শ্ৰমিক-শ্ৰেণীৰ খোজত খোজ মিলাই আগ বাঢ়িছে আৰু ই হল নতুন জীৱনৰ সক্ৰিয় নিৰ্ম্মাণকাৰী।

ছোভিয়েত ইউনিয়নৰ শিল্প আৰু তাৰ চমকপ্ৰদ শক্তি গধুৰ শিল্পৰ লগে লগে ছোভিয়েত ইউনিয়নৰ কৃষিয়ে আজি এক শক্তিশালী অৰ্থনীতি গঢ়ি তুলিছে। সেই অৰ্থনীতিত কোনো সংকট বা বিভ্ৰাট নাই।

আমি লেনিনৰ সমবায় আঁচনিৰ প্ৰথম অংশৰ কাম পূৰ্ণ কৰিছো। তাৰ কাৰণে আমি কৃষকশ্ৰেণীক 'কোলখোজ'-পথেৰে পৰিচালিত কৰি গোটেই দেশতে ৰাষ্ট্ৰীয় কৃষিপাম প্ৰতিষ্ঠা কৰি সমবায় কৃষিপাম আৰু ৰাষ্ট্ৰীয় কৃষিপামবোৰক সুসংহত কৰিছো। এতিয়া আমি নতুন পদক্ষেপ দি সকলো ধৰণৰ সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপামবোৰক আৰু প্ৰগতিৰ পথত আগুৱাই নি সাম্যবাদৰ যোগ্য স্তৰ এটালৈ তাৰ উৎপাদন উন্নীত কৰিব লাগিব।

সাম্যবাদী গঠনকাৰ্য্যৰ বৰ্ত্তমান পৰ্য্যায়ত, ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিয়ে নিম্নোক্ত কাৰ্যসূচীক **কৃষিৰ ক্ষেত্ৰত মুখ্য কৰ্ত্তব্য** হিচাপে গণ্য কৰে :

—জনসাধাৰণৰ বাবে উচ্চ-শ্ৰেণীৰ উৎপন্ন দ্ৰব্য আৰু শিল্পৰ বাবে উন্নত কেঁচামালৰ প্ৰাচুৰ্য লাভ :

—ছোভিয়েত গ্ৰামাঞ্চলৰ সাম্যবাদী সমাজ সম্বন্ধ সম্পৰ্কলৈ ক্ৰমাৎ পৰিবৰ্ত্তন সুনিশ্চিত কৰা আৰু কৃষিব্যৱস্থাত উৎপাদনৰ শক্তিবোৰৰ বিৰাট সম্প্ৰসাৰণৰ ভিত্তিত, চহৰ আৰু গাঁৱৰ তাৰতম্য মূলতঃ দূৰ কৰা।

জীৱন আৰু সাম্যবাদী গঠনকাৰ্য্যই উত্থাপন কৰা আৰু, পাৰ্টিৰ নতুন কৰ্মসূচীত সৰাতোকৈ গুৰুত্বপূৰ্ণ স্থান পোৱা বিচাৰ্য্য বিষয় কৃষি উন্নয়নৰ মূল সমস্যাবিলাক আলোচনা কৰা হওক।

কমিউনিষ্ট পাৰ্টিয়ে এক চমৎকাৰ আৰু মহান লক্ষ্য ঘোষণা কৰিছে-যাৰ উদ্দেশ্য হ'ল মানুহৰ ক্ৰমবৰ্দ্ধমান বৈষয়িক আৰু সাংস্কৃতিক

প্ৰয়োজনসমূহ পূৰণ। এই লক্ষ্যত উপনীত হবলৈ প্ৰয়োজন অদ্বিতীয় স্তৰৰ বৈষয়িক উৎপাদন। সেই কাৰণেই পাৰ্টিৰ খচৰা কৰ্মসূচীয়ে জন-সাধাৰণৰ সমুখত কৃষি উন্নয়নৰ এক সুবিশাল চকুত-লগা পৰিকল্পনা দাঙি ধৰিছে। কৰ্মসূচী আলোচনা কৰোঁতে আমি সুনিৰ্দ্দিষ্ট ভাষাত বৰ্ত্তমানৰ উত্তেজনাপূৰ্ণ মুহূৰ্ত্তবিলাক আৰু সমাজতান্ত্ৰিক অৰ্থনীতিৰ ভৱিষ্যত সম্পৰ্কে কব লাগিব। সাম্যবাদী গঠনকাৰ্যৰ কৰ্ত্তব্য সমূহ এই ধাৰাত বিবেচনা কৰিবলৈকে লেনিনে আমাক শিক্ষা দিয়ে। ১৯২০ চনৰ বসন্ত কালতে, নৱম পাৰ্টি কংগ্ৰেছৰ প্ৰস্তুতিৰ সন্দৰ্ভত পাৰ্টি সংগঠন বিলাকলৈ লেনিনে এখন চিঠি লিখিছিল, "আমি আগবাঢ়ি যাব লাগিব, আমি সমুখলৈ দৃষ্টি দিব লাগিব, সমস্ত পাৰ্টি সভ্যৰে উমৈহতীয়া শ্ৰম, মিলিত প্ৰচেষ্টাৰ দ্বাৰা সুচিন্তিত আৰু পুঙ্খানুপুঙ্খৰূপে সংগৃহীত কাৰ্য্যক্ষেত্ৰত পৰীক্ষিত অভিজ্ঞতাবিলাক আমি কংগ্ৰেছলৈ আনিব লাগিব।"*।

অৰ্থনৈতিক উন্নয়নৰ এনে বাস্তৱ অভিজ্ঞতাক আমাৰ পৰিকল্পনা আৰু কৃষিৰ লক্ষ্যসমূহত স্থান দিয়া হৈছে। খচৰা কৰ্মসূচীৰ লক্ষ্য হৈছে যে কুৰি বছৰত কৃষিৰ উৎপাদন মুঠ প্ৰায় ৩৫ ভাগ বাঢ়িব, শস্যৰ উৎপাদন ২ গুণৰ অধিক, মাংস প্ৰায় ৪ গুণ আৰু গাখীৰ প্ৰায় ৩ গুণ।

ছোভিয়েতত সমাজৰ ভৱিষ্যত উন্নয়নৰ পৰিপ্ৰেক্ষিতত জনসাধাৰণৰ চাহিদা সম্পূৰ্ণৰূপে পূৰণৰ বাবে কোন বিলাক বস্তুৰ কিমান আমি উৎপাদন কৰিব লাগিব? পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ নিৰ্দ্দেশ অনুসৰি ৰাষ্ট্ৰীয় অৰ্থনৈতিক পৰিষদে অহা ২০ বছৰত আমাৰ দেশে প্ৰকৃত উৎপাদন কিমান কৰিব লাগিব তাৰ হিচাপ দিছে। এই হিচাপ বিলাক দাঙি ধৰা হওক।

* ভি, আই, লেনিন, সংগৃহীত গ্ৰন্থাৱলী (কলেক্টেড ওৱাৰ্কছ) ৪ৰ্থ সংস্কৰণ ৩০শ খণ্ড ৩৭২পৃষ্ঠা

১৯৬০–১৯৮০ চনত কৃষিজাত দ্রব্যৰ উৎপাদন

	১৯৬০	১৯৭০	১৯৮০
শস্য (নিযুত টন)	১৩৪	২৩০	২৯০—৩১০
মাংস (০০০,০০০ টন প্রস্তুত)	৮ ৭	২৫	৩০—৩২
গাখীৰ (০০০,০০০ টন)	৬১.৭	১৩৫	১৭০—১৮০
কণী (০০০ নিযুত)	২৭.৪	৬৮	১১০—১১৬
উনসূতা (০০০ টন)	৩৫৭	৮০০	১,০৪৫—১,১৫৫
কেঁচা তুলা (০০০,০০০ টন)	৪.৩	৮	১০—১১
চেনীৰ বীট (কাৰখানাত, ০০০,০০০ টন)	৫৭.৭	৮৬	৯৮—১০৮
তেলৰ গুটি (০০০,০০০ টন)	৪ ৩	৮	৯—১০
আলু (০০০,০০০ টন)	৮৪ ৪	১৪০	১৫৬
শাকপাচলি আৰু তৰমুজ (০০০,০০০ টন)	১৯.২	৪৭	৫৫
ফলমূল (০০০,০০০ টন)	৪.৯	২৮	৫১

আপোনালোকে নিশ্চয় লক্ষ্য কৰিব যে পার্টিয়ে বিৰাট পৰিকল্পনা কৰিছে। কোনো কোনো মানুহৰ বাবে এই সুবিশাল কৃষিজাত দ্রব্যৰ এই সুবিশাল উৎপাদন অবাস্তৱ বুলি ধাৰণা হব পাৰে। সংখ্যাবিলাকৰ কথা ভাবিলে আচলতে চকুত ধোঁৱা-কোঁৱা লাগি যায়। মনত ৰাখিব লাগিব যে, কেইবাটাও দশক জুৰি একেবাৰে ১৯৫৪ চনলৈকে, আমাৰ দেশৰ শস্যৰ গড় উৎপাদন ৮২ নিযুত টন নাছিল। কেৱল যোৱা কেইবছৰত অকর্ষিত ভূমি উন্নয়ন আৰু গোমধান খেতি প্রৱর্তন কৰি আমি ১৩০—১৩৮ নিযুত শস্য উৎপাদন কৰিবলৈ আৰম্ভ কৰিছোঁ। বহুকাল ধৰি ৰাষ্ট্রই প্রায় ৩৩ নিযুত টন শস্য সংগ্রহ কৰি আছিল আৰু কেৱল যোৱা বছৰচেৰেক ধৰি এই সংগ্রহ ৪৯.১—৫৭.৩ নিযুত টনলৈ বৃদ্ধি কৰা হৈছে। ১৯৮০ চনৰ ভিতৰত শস্যৰ

উৎপাদন ২৯০—৩১০ নিযুত টনলৈ বৃদ্ধি কৰা হব আৰু ৰাষ্ট্ৰৰ ক্রয় ১১৫ নিযুত টন পাবগৈ।

আমাৰ বিশাল পৰিকল্পনাবিলাক গ্রহণ কৰোঁতে আমি দৃঢ় বিশ্বাস কৰোঁ যে এইবিলাক সফলভাৱে পূৰণ হব। আমাৰ আস্থাৰ ভিত্তি হ'ল বাস্তৱসম্মত হিছাপ, সমাজতান্ত্রিক ব্যৱস্থাৰ অর্থনীতিৰ অফুৰন্ত সম্ভাৱনা-বিলাক আৰু ছোভিয়েত জনগণৰ আশাশুধীয়া শ্রম আৰু ভাল সংগঠন।

বৃহত্তৰ প্রজাতন্ত্রবিলাকত—ৰুছীয় ফেডাৰেছন, ইউক্রেনীয় আৰু কাজাখ প্রজাতন্ত্রত ভৱিষ্যত উৎপাদন বৃদ্ধি সম্পর্কে চোৱা যাওক।

বাযেলোৰুছীয় সকলৰ লগত আমি বাযেলোৰাছিয়াত কথা হয়, আমি কাণে কাণে কম, কাৰণ কাণে কাণে কবলগীয়া কথা আছে।

ৰুছীয় ফেডাৰেছনৰ শ্রমজীৱী জনসাধাৰণে পার্টিৰ খছৰা কর্মসূচীত দাঙি ধৰা কর্তব্যসমূহত কি বৰঙণি যোগান? ১৯৬০ চনত ৰুছীয় ফেডাৰেছনৰ সমবায় আৰু ৰাষ্ট্রীয় কৃষিপামবিলাকত ৭৮ নিযুত টন শস্য উৎপাদন হয় আৰু ৰাষ্ট্রক ২৯ ৫ নিযুত টন বেচা হয়। ১৯৮০ চনৰ ভিতৰত এইবিলাকে উৎপাদন ১৯৬ নিযুত টনলৈ আৰু ৰাষ্ট্রক বিক্রীত শস্য ৬৬-৮২ নিযুত টনলৈ বৃদ্ধি কৰিব লাগিব।

বুর্জোৱা সংবাদপত্রবিলাকে হয়তো এই সম্পর্কত লিখিব—দেখিছানে, ক্রুশ্চভে কৃষিজাত উৎপন্ন বৃদ্ধিৰ বাবে কি সপোন ৰচিছে? এই ভদ্রলোক-সকলক লিখিবলৈ দিয়ক; কিন্তু পাহৰিবলৈ নিদিব যে এই কথা পার্টি-কংগ্রেছত, কেন্দ্রীয় কমিটিৰ হৈ কোৱা হৈছে। কংগ্রেছে পার্টি আৰু জনগণক আহ্বান জনাব আৰু জনগণে দুর্ব্বাৰ পর্ব্বত ঠেলি আগুৱাই যাব। গতিকে দেখা যায় যে **ৰুছীয় ফেডাৰেছনে শস্য উৎপাদন আৰু সংগ্রহ শতকৰা ১৫০ ভাগ বৃদ্ধি কৰিব লাগিব।**

লাখ লাখ হেক্টৰ মাটিত হোৱা 'ওট' আৰু অন্যান্য কম-উৎপাদনক্ষম খেতিৰ আৰু তথাকথিত বাকৰি মাটি বুলি পেলাই থোৱা বিস্তীর্ণ আর্দ্র

অঞ্চলৰ সাম্প্ৰতিক খেতিৰ যি গঢ়, তাৰে চালে এই কাম অবাস্তৱ বুলি কোৱাটো যুক্তিসংগতই হ'ব।

মই ধেমালিতে কব খোজোঁ : যদি কোনো কৰ্মীয়ে মাটিত ওট খেতি কৰাতে আকোঁৰগোঁজালি মাৰি ধৰি থাকে তেনেহলে তেওঁলোকক আমি ওটৰ খাদ্য খাবলৈ দিম। কিন্তু শিশুক খাবলৈ দিয়া বিধৰ ওট নিদিওঁ, মোটা বিধৰহে দিম—যাৰ সম্পৰ্কে গৃহযুদ্ধৰ সময়ত লালফৌজৰ সৈনিকসকলে গালিপাৰি কৈছিল : তুমি কব নোৱাৰা বছৰৰ নামত মানুহৰ খানাই পালানে পশুৰ দানাই পালা। কিন্তু আমি যদি শ্ৰেষ্ঠ কৃষিক্ষেত্ৰ আৰু গৱেষণা প্ৰতিষ্ঠানবিলাকৰ অভিজ্ঞতাৰ দ্বাৰা চালিত হওঁ আৰু কৃষিৰ গঠন সলনি কৰোঁ, যদি আমি আৰু সাহসেৰে আৰু দৃঢ়তাৰে কম উৎপন্ন হোৱা শস্যবিলাক সলনি কৰোঁ, আৰু ফলনক্ষমতা বৃদ্ধিৰ বাবে প্ৰাপ্য সুযোগ-সমূহৰ সদ্ব্যৱহাৰ কৰোঁ তেনেহলে শস্য উৎপাদনৰ লক্ষ্য নিশ্চয় ১৯৮০ চনৰ আগতেই সফল হব।

কি কি সঞ্চয় ব্যৱস্থাৰ মাজেদি আমি লক্ষ্য সাধন আশা কৰিব পাৰোঁ? বৰ্তমানে এনেযে পৰি থকা মাটিত খেতি কৰি আমি এটা নিৰ্দিষ্ট পৰিমাণ শস্য আহৰণ কৰিব পাৰোঁ। কিন্তু কম উৎপাদনক্ষম শস্যবিলাকৰ ঠাইত অধিক উৎপাদনক্ষম শস্য খেতি কৰি আৰু সকলো শস্যৰে ফলন বৃদ্ধি কৰি আমি শস্যৰ উৎপাদনৰ লক্ষ্যৰ প্ৰায় সমস্তখিনি লাভ কৰিম।

পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ ৰাছিয়ান ফেডাৰেছনৰ দপ্তৰ আৰু ৰাছিয়ান ফেডাৰেছনৰ মন্ত্ৰীপৰিষদে বৈজ্ঞানিক আৰু বিশেষজ্ঞসকলৰ লগত যুটীয়াভাৱে শস্যৰ উৎপাদন বৃদ্ধিৰ বিৰাট সম্ভাবনাপূৰ্ণ নতুন এক কৃষিৰ গঠন-সম্পৰ্কিত আঁচনি প্ৰস্তুত কৰিছে। এই আঁচনিৰ নতুনত্ব কি? অলাভজনক আৰু উৎপাদন-অক্ষম শস্যক্ষেত্ৰৰ পৰিসৰ কঠোৰভাৱে হ্ৰাস, ওটৰ খেতি ৬,০০০,০০০ হেক্টাৰত আৰু পশুৰ খাদ্য ঘাঁহ ৯,০০০,০০০ হেক্টাৰ; আৰ্দ্ৰঅঞ্চলত নিকা পতিতভূমি ৯,০০০,০০০ হেক্টাৰত ৰহিত কৰা হব।

সৰ্ব্বমুঠ ২৪,০০০,০০০ হেক্টাৰ ভূমি অধিক মূল্যবান শস্যৰ বাবে মুকলি কৰা হব। এই ভূমিৰ দানত শস্য, মাকৈজোৱা, মটৰমাহ, পশুৰ খাদ্য মাহ-জাতীয় শস্য (beans) আৰু অন্যান্য মূল্যবান শস্যৰ বাবে মাটি বৃদ্ধি পাব।

যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিক্ষেত্ৰবিলাকে শুকান শস্যৰ সলনি **মাকৈজোৱা খেতিৰ বাবে মাটি** ২.৪ নিযুত পৰা ৭ নিযুত হেক্টাৰলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা লৈছে। প্ৰতি হেক্টাৰত ৪০ চেণ্টনাৰ মাকৈজোৱা ফলনৰ হিছাপত এই দৰে ২৮ নিযুত টন শস্য পোৱা যাব। মটৰমাহ আৰু পশুৰ খাদ্য উৰহীৰ বাবে ১৬.৫ নিযুত হেক্টাৰ ধৰি এই প্ৰজাতন্ত্ৰত **উৰহীজাতীয় শস্য** (leguminous crops)ৰ বাবে কৃষিপোযোগী ভূমি ২.৬ নিযুতৰ পৰা ১৯ নিযুত হেক্টাৰলৈ বৃদ্ধি পাব। প্ৰতি হেক্টাৰত ২০ চেণ্টনাৰ ফলনৰ হিছাপত ইয়াৰ পৰা ৩৮ নিযুত টন শস্য পোৱা যাব।

গম আৰু অন্যান্য খাদ্য-শস্যৰ বাবে খেতিৰ মাটি ৬৮ নিযুত হেক্টাৰ হবগৈ। প্ৰতি হেক্টাৰত ২০ চেণ্টনাৰ ফলনৰ হিছাপত এই শস্যবিলাকৰ মুঠ উৎপাদন ১৩০ নিযুত টনতকৈ অধিক হব।

শস্যৰ সলনি গোমধানৰ খেতি আৰু মটৰমাহ আৰু উৰহী খেতিৰ প্ৰৱৰ্ত্তন, আৰু সকলো শস্যৰে ফলন বৃদ্ধিৰ দ্বাৰা ৰুছীয় ফেডাৰেছনৰ সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপামবিলাকে বছৰি ১৯৬ নিযুত টনৰ অধিক শস্য উৎপাদন কৰিব পাৰিব আৰু ৰাষ্ট্ৰক ৬৬-৮২ নিযুত টন বেচিব পাৰিব। বিক্ৰয়যোগ্য ইমান শস্য উৎপাদন কৰা সম্ভাব্যতাক আৰু পৰিষ্কাৰভাৱে দেখুৱাবলৈ তলত দিয়া সংখ্যাবিলাকলৈ মই আপোনালোকৰ দৃষ্টি আকৰ্ষণ কৰিব খোজোঁ। ১৯৬১ চনত, পৰিকল্পনা অনুসৰি ৰুছীয় ফেডাৰেছনে ৰাষ্ট্ৰক ৩৪.৪-৩৬ নিযুত টন শস্য বেচাৰ কথা। যদি আমি ৯ নিযুত হেক্টাৰৰ কম উৎপাদনক্ষম পশুৰ ঘাঁহৰ ঠাইত আৰু উপৰোক্ত বাকৰি মাটিৰ ৯ নিযুত হেক্টাৰত উৰহীজাতীয় শস্যৰ খেতি কৰোঁ আৰু প্ৰতি হেক্টাৰত ২০ চেণ্টনাৰ ফলন কৰিব পাৰোঁ তেতিয়া কেৱল ইয়াৰেপৰা ৩৬ নিযুত টন অতিৰিক্ত শস্য উৎপাদন হব। বস্তুতঃ,

এই অতিৰিক্ত উৎপাদনৰ সকলোখিনিয়েই বিক্রয়যোগ্য শস্য হব, কাৰণ বৰ্ত্তমানে সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপামবিলাকে উপৰোক্ত অঞ্চলবিলাকৰপৰা প্রকৃততে একো নেপায়। গতিকে, বৰ্ত্তমানৰ পৰিকল্পিত শস্যবিক্রয়ত আৰু ৩৬ নিযুত টন যোগ দিব পাৰি আৰু ৰাষ্ট্ৰৰ ক্রয় মুঠ ৬৬ নিযুত টনকৈ অধিক হব। ইয়াৰেপৰা দেখা যায় যে ৰাষ্ট্ৰক ৬৬-৮২ নিযুত টন শস্য বিক্রয় কৰাটো আচলতে, ৰুছীয় ফেডাৰেছনৰ সমবায আৰু ৰাষ্ট্ৰীয় কৃষিপাম বিলাকৰ বাবে অলঙ্ঘনীয় বাধা নহয়।

কমৰেডসকল, আহক আমি সকলোৱে অভিনন্দন জনাওঁ।

আমাৰ বিশ্বাস আছে যে সিদ্ধান্ত যেতিয়া গৃহীত হব, ৰুছীয় ফেডাৰেছনৰ কৰ্ম্মীসকলে তেখতসকলৰ সকলো শক্তি সমবেত কৰিব আৰু কৰ্ত্তব্য সমাধা হব।

ৰুছীয় ফেডাৰেছনৰ বাবে গম আৰু অন্যান্য খাদ্যশস্য আৰু উৰহীজাতীয় শস্যৰ হেক্টাৰে প্রতি উৎপাদন ২০ চেণ্টনাৰ হিছাপ কৰা হৈছে।

কমৰেডসকল, হেক্টাৰে প্রতি ২০ চেণ্টনাৰ শস্য উৎপাদন যোৱা গোটেই ২০ বছৰ ধৰি হৈ আহিছে। আমাৰ ক্ষমতা ইয়াতেই সীমাবদ্ধ নে? এই ক্ষেত্রত সম্ভাৱনা ইমানেই নে? নহয়, বাস্তৱ ক্ষেত্ৰত আয়ত্ত কৰিব পৰা আমাৰ আৰু বৃহত্তৰ সম্ভাৱনা আছে।

অদূৰ ভৱিষ্যতত ছোভিয়েত ইউনিয়নে আন্তৰ্জাতিক শস্যৰ বজাৰত এনে এক স্থান গ্রহণ কৰিব যে সাম্রাজ্যবাদী ভদ্রলোকসকলে আমাৰ কৃষিব্যৱস্থা কিদৰে উন্নত হৈছে বুজিব পাৰিব!

২০ বছৰৰ বাবে এনে ধৰণৰ উৎপাদনক্ষমতাৰ হিছাপকো আনকি ভাল-বেয়া মাত্রত সীমাবদ্ধ বুলিব পাৰি। আমাৰ দেশত এতিয়াই বহুতো সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপামত গম আৰু অন্যান্য খাদ্যশস্য হেক্টাৰে প্রতি ২৫ৰ পৰা ৩০ আনকি ৪০ চেণ্টনাৰলৈকে উৎপাদন হয়। এওঁবিলাকে এই উৎপাদন বৰ্ত্তমান স্তৰৰ উৎপাদনৰ সাংগঠনিক অৱস্থা, কৃষিবিজ্ঞান আৰু

যন্ত্ৰবিদ্যাৰ আমোলতে পাইছে। কিন্তু বাস্তৱ ৰূপায়ণত বিৰাট নতুন সুযোগ সৃষ্টি কৰি বিজ্ঞান বছৰে বছৰে অগ্ৰসৰ হৈ যাব। আগতকৈ ভাল খাপৰ আৰু দুভেচীয়া কৃষিজাত উদ্ভিদৰ সৃষ্টি হব আৰু জৈৱিক আৰু ৰাসায়নিক সাৰ অলাগতিয়াল হাবি বন আদি বিনষ্টকাৰী আৰু অন্যান্য ৰাসায়নিক দ্ৰব্যৰ উৎপাদন তীব্ৰবেগত বাঢ়িব। সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপামবিলাকে উন্নততৰ কৃষি যন্ত্ৰপাতিৰ যোগান পাব। এই সকলোবিলাকৰ ফলত শস্য উৎপাদন আৰু ৰাষ্ট্ৰই ক্ৰয় কৰা পৰিমাণৰ নিৰ্দ্দিষ্ট লক্ষ্যত উপনীত হোৱাই নহয়—তাক অতিক্ৰম কৰাও সম্ভৱ হব।

ইউক্ৰেনীয় কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটি আৰু মন্ত্ৰী পৰিষদে দাখিল কৰা হিচাপ চোৱা যাওক। আপোনালোক সকলোৱে জানে যে গোমধান খেতিৰ বিস্তৃত প্ৰৱৰ্ত্তনৰ পূৰ্বে, ইউক্ৰেইনত শস্য উৎপাদনৰ ক্ষমতা আছিল ২১-২৫ নিযুত টনমান আৰু সংগ্ৰহৰ পৰিমান আছিল ৬·৬-৮·২ নিযুত টন।

আজি যেতিয়া গোমধান, মটৰমাহ আৰু পশুৰখাদ্য মাহ প্ৰভৃতি বেছি ফলদায়ক শস্যৰ বহলভাৱে খেতি কৰা হৈছে, **ইউক্ৰেনীয় শ্ৰমজীৱী জনসাধাৰণৰ দৃঢ় বিশ্বাস যে তেখেতসকলে শস্যৰ উৎপাদন ৬২ নিযুত টন আৰু সংগৃহীত ক্ৰয় ২০ নিযুত টনলৈ বৃদ্ধি কৰিব পাৰিব।**

ইউক্ৰেইনীয় সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপামবিলাকত শস্য খেতিৰ ব্যৱস্থা কিদৰে পৰিৱৰ্ত্তিত হব? ৬·৫ নিযুত হেক্টাৰ মাটিত শীতকালীন গম ৫ নিযুত হেক্টাৰৰ অধিক অৰ্থাৎ মুঠ খোৰতী-মাটিৰ শতকৰা ২৮ ভাগত গোমধান আৰু প্ৰায় ৪ নিযুত হেক্টাৰ বা মুঠ খোৰতী মাটিৰ শতকৰা ২১ ভাগত মাহজাতীয় শস্য খেতি কৰা হব। গোমধান আৰু মাহজাতীয় শস্যই যিহেতু আটাইতকৈ বেছি ফলপ্ৰসূ, এই দুয়োবিধৰ খেতিয়ে ইউক্ৰেইনৰ মুঠ খোৰতী মাটিৰ প্ৰায় আধা অঞ্চল জুৰিব আৰু মুঠ শস্য উৎপাদনৰ শতকৰা ৬০ ভাগ ইয়াৰপৰা পোৱা যাব।

তলত দিয়া মতে প্ৰাত হেক্টাৰত উৎপাদনৰ আঁচনি লোৱা হৈছে :

খাদ্যশস্য—	৩৫	চেণ্টনাৰ
যেনে :		
শীতকালীন গম—	৩০	চেণ্টনাৰ
গোমধান—	৫০	চেণ্টনাৰ
মটৰমাহ—	৩০	চেণ্টনাৰ
পশুৰখাদ্য মাহ আদি—	৩২	চেণ্টনাৰ

এই বছৰৰ বাস্তৱ অভিজ্ঞতাৰপৰা দেখা যায় যে এই সংখ্যাবিলাক আয়ত্তৰ ভিতৰত : কাৰণ বহুতো সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপামতেই ৭০ৰ পৰা ৮০ চেণ্টনাৰ গোমধান আৰু ৩০ৰ পৰা ৪০ চেণ্টনাৰলৈকে গম আৰু মটৰমাহ হেক্টাৰে প্ৰতি উৎপাদন হৈছে।

অধিক শস্য উৎপাদনৰ বাবে পাৰ্টিয়ে **কাজাখস্তানক** এটা বিৰাট ভূমিকা লবলৈ দিছে। এই প্ৰজাতন্ত্ৰৰ কিছুমান স্বকীয় বৈশিষ্ট্য আছে। ইয়াৰ দক্ষিণাঞ্চলৰ বাদে, সকলোতে গোমধানৰ খেতি প্ৰধানতঃ 'ছিলো' কৰি থোৱা পশুৰ খাদ্যৰ বাবে উৎপন্ন হয়। গতিকে শস্য-উৎপাদন অধিক ফলন, মাহজাতীয় শস্যৰ বিস্তৃত খেতি আৰু নতুন ভূমি উন্নয়নৰ মাজেদি কৰিব লাগিব। ভৱিষ্যতে বৈজ্ঞানিকসকলে কম সময়তে পৈণত হোৱা গোমধানৰ সঁচ আবিষ্কাৰ কৰিলে, সম্ভৱতঃ অকৰ্ষিত ভূমি উন্নয়নৰ অঞ্চলতো গমজাতীয় শস্যৰ সলনি গোমধানৰ খেতি কৰা হব।

মই এই কথা কোৱা উচিত হব যে এই প্ৰতিবেদনৰ বাবে প্ৰস্তুত হোৱাৰ সময়ত মই আজাৰবৈজানৰ এজন উদ্ভিদ-প্ৰজননকাৰীৰপৰা এখন চিঠি পাওঁ। তেখেতে লিখিছে যে কম বেচি ৬০ দিনতে পৈণত হোৱা এবিধ গোমধান সৃষ্টি কৰাত তেখেত সফলকাম হৈছে। যদি এই কথা সঁচা হয় তেনেহলে অলপ আয়াসতে বিৰাট সুযোগ দেখা দিব আৰু

উ[illegible]লৈ গম জাতীয় শস্যৰ ঠাইত গোমধানৰ খেতিৰ সম্প্ৰসাৰণ আৰু বিস্তৃত কৰিব পৰা যাব।

মোক ভিয়েনাত মিঃ ৰাস্কে কৈছিল যে আমেৰিকাতো হেনো তেওঁলোকৰ এনে এবিধ গোমধান আছে। সি যি কি নহওক, তেখেতৰ এই কথা সমৰ্থিত হোৱা নাই যদিও মিঃ ৰাস্কে প্ৰতিশ্ৰুতি দিছিল এই কথা সঁচা। মাকৈজোৱাৰ বিষয়ে জনা আমেৰিকাবাসীসকলে, উদাহৰণ স্বৰূপে মিঃ গাৰ্ষ্টে কয় যে আমেৰিকাত এনে কোনো গোমধান নাই। কিন্তু যদি আমেৰিকাত নাই তেনেহলে এই বিধৰ গোমধান ছোভিয়েত ইউনিয়নত প্ৰজনন কৰা উত্তম হব।

কিন্তু পৰিষ্কাৰভাৱে মনত ৰাখিব লাগিব যে এইটো এটা বৰ টান কাম হব। আৰু আমি কৃষি উন্নয়ন এই সমস্যাৰ মীমাংসাৰ ওপৰত নিৰ্ভৰ কৰি কৰা নাই। যদিও এনেবিধৰ গোমধানৰ বিকাশ ফলৱতী নহয়গৈ তথাপিও সম্প্ৰতি থকাবিলাককে লৈ আমি পৰিকল্পনাৰ লক্ষ্যতো উপনীত হমেই, তদুপৰি তাক অতিক্ৰমো কৰিম।

কাজাখস্তানৰ অকৰ্ষিত ভূমি উন্নয়ন অঞ্চলত কৃষিৰ গঠনে কি ৰূপ লৈছে? সৰ্বমুঠ, নতুনকৈ মুকলি কৰিব লগীয়া মাটিক ধৰি, এই প্ৰজাতন্ত্ৰত ৩২ নিযুত হেক্টাৰত গম আৰু অন্যান্য গমজাতীয় শস্য, মাহজাতীয় শস্য আৰু পশুৰ খাদ্যৰূপে গোমধানৰ খেতি কৰা হব। এই মুঠ মাটিৰ শতকৰা ৫০-৫৫ ভাগত গম আৰু গমজাতীয় অন্যান্য শস্য, শতকৰা ৩০-৩৫ ভাগত মটৰমাহ আৰু পশুৰ খাদ্য মাহজাতীয় শস্য আৰু শতকৰা ১০ ভাগত পশুৰ খাদ্য গোমধান আৰু চেনিৰ বাবে বীট খেতি কৰা হব। এইবিলাক কেৱল প্ৰধান প্ৰধান শস্যৰ বাবে সূত্ৰহতে কৰা হিছাপ। স্বাভাৱিকতে, অৰ্থনীতিৰ বাবে আৰু বাহুল্যভাৱে অন্যান্য খেতিৰ প্ৰয়োজন হব। আলু, শাকপাচলি আৰু তেলৰ-উদ্ভিদ-সমূহ আমাৰ প্ৰয়োজনত আছিব। কিন্তু সি যি কি নহওক, অকৰ্ষিত-ভূমি উন্নয়ন অঞ্চলত গম,

মটৰমাহ, পশুৰ খাদ্য মাহজাতীয় শস্য, শস্য আৰু পশুৰ খাদ্যৰ বাবে গোমধান আৰু পশুৰ খাদ্যৰূপে বীট খেতিৰ ওপৰত প্ৰধানতঃ জোৰ দিব লাগিব।

কৃষিৰ এয়ে গঠন হলে, শস্যৰ উৎপাদন নিম্নলিখিত ধৰণে হব :

১৭·৬ নিযুত হেক্টাৰ গম আৰু অন্যান্য গমজাতীয় শস্যৰ বাবে যাব। প্ৰতি হেক্টাৰত ২০ চেণ্টনাৰকৈ উৎপাদন ধৰিলে, মুঠতে ৩৫·২ নিযুত টন খাদ্যশস্য উৎপন্ন হব। ইয়াৰপৰা সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপামবিলাকে ৰাষ্ট্ৰক ২৪·৬ নিযুত টন যোগাব পাৰিব।

মটৰ আৰু পশুৰ খাদ্য মাহজাতীয় শস্যৰ বাবে ১১ নিযুত হেক্টাৰ লাগিব। প্ৰতি হেক্টাৰত ২০ চেণ্টনাৰকৈ উৎপন্ন হব বুলি আশা কৰিলে, মুঠ উৎপাদন **২২ নিযুত টন হব।** ইয়াৰপৰা প্ৰায় ১০ নিযুত টন ৰাষ্ট্ৰক বেচিব পাৰি।

গতিকে, এইটো সম্ভৱ যে কাজাখস্তানৰ মুঠ শস্য উৎপাদন ৫৭·৩ নিযুত টনলৈ বৃদ্ধি কৰিব পৰা যাব আৰু ৰাষ্ট্ৰক ৩৩ নিযুত টনৰ অধিক বিক্ৰী কৰিব পৰা হব।

অন্যান্য প্ৰজাতন্ত্ৰৰ দৰে কাজাখস্তানৰো হেক্টাৰ প্ৰতি উৎপাদন বৃদ্ধিৰ বিৰাট সম্ভাৱনা আছে। পাৰ্টিয়ে যি সময়ত সকৰ্ষিত-ভূমি উন্নয়নৰ কৰ্ত্তব্য নিৰ্দ্ধাৰণ কৰে তেতিয়া হেক্টাৰে প্ৰতি উৎপাদন ৮ চেণ্টনাৰ হব বুলি ধৰা হৈছিল। অভিজ্ঞতা বৃদ্ধি হ'লে আৰু খেতি কৰা পদ্ধতি উন্নত হলে, বহুতো কৃষিক্ষেত্ৰতে উৎপাদন যথেষ্ট পৰিমাণে বাঢ়ি যাব। বৰ্ত্তমানে, কিছুমান ৰাষ্ট্ৰীয় আৰু সমবায় কৃষিপামত নতুনকৈ উন্নয়ন কৰা অঞ্চলৰ বৃহৎ শস্যক্ষেত্ৰবিলাকত প্ৰতি হেক্টাৰত ২০ চেণ্টনাৰ বা ততোধিক শস্য—মুখ্যতঃ গম পোৱা যায়।

উত্তৰ-কাজাখস্তান অঞ্চলৰ মামলিউট্‌স্কি ৰাষ্ট্ৰীয় কৃষিক্ষেত্ৰই বছৰি প্ৰতি হেক্টাৰত ২০-২২ চেণ্টনাৰ গমজাতীয় খাদ্য উৎপাদন কৰে। কুস্তানাইস্কি,

পেট্রোপাভ্‌লোভ্‌স্কি, কিয়ালিনস্কি, চান্দাকৃস্কি আৰু অন্যান্য ৰাষ্ট্রীয় কৃষিক্ষেত্র-বিলাকে প্রভূত-পৰিমাণে উৎপাদন কৰে।

শাৰীপাতি খোৱা (row crops) আৰু মাহজাতীয় শস্য বহলভাৱে খেতি কৰা কৃষিপামবিলাকত বিশেষভাৱে ভাল ফলাফল পায়; কাৰণ এই দুইবিধ শস্যই বসন্তকালীন গমৰ পূৰ্ব্ববৰ্ত্তী খেতি হিছাপে উপকাৰী। কুস্তানাই অঞ্চলৰ ফায়ডোৰোভস্কি ৰাষ্ট্রীয় কৃষিক্ষেত্রত এই বছৰ গোমধানৰ পিছত খেতি কৰা বসন্তকালীন গম উৎপাদনৰ হিছাপ: তৃতীয় নম্বৰ পথাৰত হেক্টৰে প্রতি ২৬ চেণ্টনাৰ আৰু সপ্তম নম্বৰ পথাৰত হেক্টৰে প্রতি ২২ চেণ্টনাৰ।

এনে উদাহৰণ কেৱল কাজাখস্তানৰে নহয়। আপোনালোকৰ মাজৰ বহুতেই আল্‌তাই কৃষি গৱেষণা প্রতিষ্ঠানৰ বিষয়ে জানে। ইয়াত আজি কেইবা বছৰৰপৰা গোমধান, মাহজাতীয় আৰু শাৰীপাতি-খোৱা অন্যান্য শস্য বিস্তৃতভাৱে খেতি কৰি অতি উচ্চহাৰত আৰু স্থায়ীভাৱে গমজাতীয় শস্য উৎপাদন হৈ আছে। এই গৱেষণা প্রতিষ্ঠানে ১৯৬১ চনত, ৫১৪০ হেক্টাৰত প্রতিহেক্টাৰত ২০·৪ চেণ্টনাৰ হাৰত উৎপন্ন গমৰ সৈতে ৬৩৫৯ হেক্টাৰত প্রতিহেক্টাৰত ২০ চেণ্টনাৰ গমজাতীয় শস্য উৎপন্ন কৰিছে। আৰু নতুন বার্নাউল্‌কা—৩২ জাতীয় গম প্রতি হেক্টাৰত ৪৪ চেণ্টনাৰ হাৰত উৎপন্ন হয়। আল্‌তাই অঞ্চলৰ ছোভিয়েত দেশ সমবায় কৃষিপামত যোৱা পাঁচ বছৰ ধৰি গড়ে প্রতি হেক্টৰত ২০·৫ চেণ্টনাৰ হাৰে গমজাতীয় শস্য উৎপন্ন হৈ আছে। আমাৰ কংগ্রেছৰে এজন প্রতিনিধি, আলেক্‌জান্দাৰ বেকাৰৰ নেতৃত্বত থকা দলে প্রতি হেক্টাৰত গড়ে ২৩ চেণ্টনাৰ গমজাতীয় শস্য উৎপন্ন কৰিছে।

সমবায় আৰু ৰাষ্ট্রীয় কৃষিপামবিলাকে লাভ কৰা অভিজ্ঞতাই নতুন মাটিত কৃষি উন্নয়নৰ উপায় দেখুৱাইছে। আমি আৰু বসন্তকালীন গম খেতিতে শস্য উৎপাদন সীমাবদ্ধ কৰি ৰাখিব নোৱাৰোঁ। গমৰ লগতে আমি আৰু বিস্তৃতভাৱে গোমধান, মটৰমাহ, পশুৰ খাদ্য আৰু বীট খেতি

কৰিব লাগিব, কাৰণ এই খেতিবিলাক অধিক কাৰ্য্যকৰী কৃষিকাৰ্য্য আৰু শস্যলাভৰ বাবে, পশুপালনৰ দ্ৰুত অগ্ৰগতি আৰু নতুন অঞ্চলবিলাকত প্ৰতিষ্ঠিত ৰাষ্ট্ৰীয় কৃষিপামবিলাকক উচ্চহাৰৰ উৎপাদনশীল কৃষিক্ষেত্ৰৰূপে উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ।

শস্য আৰু পশুপালন সমস্যাৰ সমাধানৰ বাবে পাৰ্টিয়ে গোমধান আৰু মাহজাতীয় শস্যৰ কিয় ইমান গুৰুত্ব দিয়ে? বহু বছৰৰ অভিজ্ঞতাই দেখুৱায় যে উৎপাদনক্ষমতা আৰু অন্যান্য গুণত এই খেতিৰ সমতুল্য নাই। ইয়াৰ মধ্যে কেন্দ্ৰীয় কমিটিৰ প্ৰতিবেদনত গোমধানৰ খেতিয়ে ইউক্ৰেইন, ক্ৰাচ্‌নোদৰ আৰু অন্যান্য অঞ্চলত শস্য উৎপাদন বৃদ্ধি কিমান সহায় কৰিছে উল্লেখ কৰা হৈছে।

গুৰুত্বৰ ফালৰপৰা মাহজাতীয় শস্যক গোমধানৰ শাৰীত পেলোৱা সম্ভৱতঃ ঠিক হব। খেতিয়কসকলৰ লগত শ শ বছৰ ধৰি পৰিচয় থকা মটৰ আৰু মাহ পুৰণিদিনীয়া শস্য। ৰুছীয় ফেডাৰেচন, ইউক্ৰেইন, বায়েলোৰাছিয়া বা বাল্টিক সাধাৰণতন্ত্ৰবিলাকত এনে এজন খেতিয়ক পোৱা টান যিজনে ভাল মটৰমাহৰ খেতি নকৰে। দুৰ্ভাগ্যবশতঃ, যিসকল লোকে ছোভিয়েত ইউনিয়নৰ কৃষি-মন্ত্ৰালয়ত সুদীৰ্ঘকাল কৰ্তৃত্ব কৰিছিল, তেখেতসকলে মাহজাতীয় শস্যক দুৰ্নামত পেলায়।

কিন্তু এনে উৎসাহী লোকো আছিল যি সন্মেহ যত্নেৰে মাহজাতীয় শস্যৰ খেতি কৰিছিল আৰু সকলোবিলাক সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপামকে উচ্চতৰ শস্য উৎপাদনৰ পথ দেখুৱাইছিল।

ষ্টেলিন সমবায় কৃষিপামৰ চেয়াৰমেন, ভাচিলি মিখাইলোভিচ কেভুন দ্বাবিংশতিতম পাৰ্টি-কংগ্ৰেছৰ এজন প্ৰতিনিধি। বহুতো মানুহক মাহজাতীয় শস্য সম্পৰ্কে তেখেতে জ্ঞান দিছে। তেখেতৰ সমবায় কৃষিপামত বহুৰৰ পিছত বছৰ ধৰি মটৰ-মাহৰ ভাল খেতি হৈ আহিছে। ১৯৬০ চনত তেখেতে ৫২০ হেক্টৰৰ এটা খণ্ডত হেক্টৰে প্ৰতি ২৭ চেন্টনাৰ পায় আৰু

১৯৬১ চনত ৭০৮ হেক্টাৰৰ এটা খণ্ডত হেক্টাৰপ্ৰতি ৩১ চেণ্টনাৰ পায়। এই সমবায় কৃষিপামখনে গোমধান খেতিৰ ওপৰত বিশেষ গুৰুত্ব দিয়ে। ইয়াৰ গোমধানৰ উৎপাদন ৯০০ হেক্টাৰৰ এটা খণ্ডত প্ৰতি হেক্টাৰত ৬০ চেণ্টনাৰ। মটৰমাহ শতকৰা ২১ ভাগ আৰু গোমধান শতকৰা ৩০ ভাগ মুঠতে সমস্ত শস্যক্ষেত্ৰৰ আধাতকৈ বেছি ভাগতে এই দুই শস্য খেতি হয়।

শলাগিব লগীয়া যে এই সমবায় কৃষিপামৰ প্ৰতি হেক্টাৰত শস্য উৎপাদন ৩৮ চেণ্টনাৰ।

মুঠ কথা হ'ল, এই বছৰ ভিন্নিট্‌চা অঞ্চলত ১৮০,০০০ হেক্টাৰৰ প্ৰতি হেক্টাৰত ২০'৭ চেণ্টনাৰ আৰু চেৰকাছি অঞ্চলত ৮৯,০০০ হেক্টাৰৰ প্ৰতি হেক্টাৰত ২১'৫ চেণ্টনাৰ মটৰমাহ উৎপাদন হয়।

ভাল মটৰমাহৰ খেতি কেৱল ইউক্ৰেইনতে সীমাবদ্ধ নহয়। দ্বাবিংশতিতম পাৰ্টি কংগ্ৰেছৰ এজন প্ৰতিনিধি কমৰেড ভলভ্‌চেন্‌কোৰ নেতৃত্বত লিপেট্‌স্ক অঞ্চলৰ পেট্ৰভ্‌স্কি ৰাষ্ট্ৰীয় কৃষিক্ষেত্ৰই ১১০ হেক্টাৰৰ এটা খণ্ডত হেক্টাৰ প্ৰতি ৩৬ চেণ্টনাৰ মটৰমাহ উৎপন্ন কৰিছে। কঠিয়া সিঁচাৰ প্ৰণালী আৰু পৰিমাণ অনুযায়ী উৎপন্নৰ হাৰ :

একোটা বহল শাৰীৰ প্ৰতি শাৰীত ৪৫ চেণ্টিমিটাৰ অন্তৰে অন্তৰে আৰু হেক্টাৰৰ প্ৰতি ১১০ কিলোগ্ৰাম কঠিয়া	—	প্ৰতি হেক্টাৰত ২২ চেণ্টনাৰ
সাধাৰণ শাৰী এটাৰ ১৫ চেণ্টিমিটাৰ অন্তৰে অন্তৰে আৰু হেক্টাৰ প্ৰতি ২৭০ কিলোগ্ৰাম কঠিয়া	—	প্ৰতি হেক্টাৰত ৩৩ চেণ্টনাৰ
ঠেক শাৰী এটাৰ ৭'৫ চেণ্টিমিটাৰ অন্তৰে অন্তৰে আৰু হেক্টাৰ প্ৰতি ২৭০ কিলোগ্ৰাম কঠিয়া	—	প্ৰতি হেক্টাৰত ৪২'২ চেণ্টনাৰ

এই বিষয়টো বিশেষ অনুধাৱনযোগ্য। যুদ্ধৰ আগতে, একাদেমিচিয়ান

পি, আই, লিচিট্‌চিনে যোক কৈছিল যে তেখেতে কাম কৰা ছাটিজভ কেন্দ্ৰই ঠেক শাৰীত কঠিয়া সিঁচাৰ প্ৰণালী ব্যৱহাৰৰ দ্বাৰা উচ্চহাৰত শস্য উৎপন্ন কৰিছিল। আমাক লাগে যে শ্ৰেষ্ঠ প্ৰণালীবিলাকক বিতং-ভাৱে পৰীক্ষা কৰি সেইবিলাকৰ গুণাগুণ বিচাৰ কৰা হওক যাতে উৎপাদনৰ ক্ষেত্ৰত সেইবিলাকৰ বাবে দুৱাৰ মুকলি কৰি দিব পাৰি।

ৰুছীয় ফেডাৰেছনৰ মধ্যাঞ্চল, বায়েলোৰাছিয়া, লাট্‌ভিয়া, লিথুৱানিয়া, এষ্টোনিয়া, ছাইবেৰিয়া আৰু কাজাখস্তানৰ অঞ্চলবিশেষত এনে বহুতো সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপাম আছে যিবিলাকে বিৰাট অঞ্চলত উচ্চহাৰত উৎপন্ন হোৱা মটৰমাহ খেতি কৰে।

সম্ভৱত অহা দুই এবছৰ আমাৰ প্ৰয়োজনীয় মাহজাতীয় শস্যৰ কঠিয়া নহবগৈ কিন্তু আমি অপৰ্য্যাপ্ত মটৰমাহ পাম। পশুৰ খাদ্য মাহজাতীয় শস্যৰ সলনি মটৰমাহ খেতি কৰিব পাৰি; কিয়নো মটৰ মাহো অতি মূল্যৱান শস্য।

মাহজাতীয় শস্য খেতিৰ সম্প্ৰসাৰণ কৃষিকাৰ্য্যৰ বাবে বিৰাট সম্ভাৱনা-পূৰ্ণ। মাহজাতীয় শস্য খেতিৰ দ্বাৰা একেলগে তিনিটা কাম হয়:

প্ৰথমতঃ, ইয়াৰ ভাল উৎপন্ন হয় আৰু ই অধিক শস্য উৎপাদনৰ বাবে এটা গুৰুত্বপূৰ্ণ উৎস হিছাপে খাদ্য আৰু পশু পালন দুয়োটাৰে প্ৰয়োজন পূৰণ কৰিব পাৰে। তুলনামূলকভাৱে কম সময়তে ই গজে আৰু ছাইবেৰিয়া আৰু কাজাখস্তানৰ বাবে অতিশয় মূল্যৱান গুণ হিছাপে ইয়াৰ বসন্তৰ হিমবাহ প্ৰতিৰোধ কৰিব পৰা ক্ষমতা আছে। মাহজাতীয় শস্য সোনকালে পকে বুলি খেতি চপোৱাৰ হেঁচা কমি যায় আৰু পথাৰবিলাক অধিক ক্ষিপ্ৰতাৰে মুকলি কৰি পিছৰ খেতিৰ বাবে প্ৰস্তুত কৰিব পাৰি।

মটৰ মাহ আগতীয়াকৈ সিঁচিব পাৰি। দক্ষিণ ইউক্ৰেইন, ভল্‌গা অঞ্চল আৰু অন্যান্য তপ্ত বায়ু প্ৰভাৱিত অঞ্চলৰ বাবে ই অতি গুৰুত্বপূৰ্ণ। সেইবিলাক অঞ্চলত মটৰ মাহ সোণকালে পৈণত হয় আৰু তপ্তবায়ুৰ হাত

সাঙ্গি পাৰে। যিহেতু মটৰমাহ আগতীয়াকৈ সিঁচিব পাৰি আৰু সোণকালে গজে, সেই কাৰণে বছৰে দুটা খেতিৰ বাবে প্ৰথম খেতি হিচাপে ক্ৰাচনোদৰ, ট্ৰান্সবোগল অঞ্চল, কাবার্ডিনো-বাল্‌কাৰিয়ান, উত্তৰ-ওচেতীয়া আৰু চেচেন-ইনগাছ প্ৰজাতন্ত্ৰত মটৰ মাহৰ খেতি হয়।

এইটো মন কৰিব লগীয়া যে গোমধান মাটিত ১০-১২ ডিগ্রী তাপমাত্রা থাকোঁতে সিঁচিব লাগে। মটৰ মাহ যথেষ্ট আগতেই সিঁচিব পাৰি—কম-বেছি দুই বা তিনি সপ্তাহ আগতে। ইয়াৰ পৈণত হবলৈ ৭০ৰ পৰা ৮০ দিন লাগে। যদি পলমকৈ মার্চ্চ বা এপ্রিলৰ আগভাগত সিঁচা হয় তেনেহলে ই জুনৰ মাজভাগৰ ভিতৰত পকিব। আগৰ খেতি হিচাপে [redacted] মটৰ মাহ চপোৱাৰ পিছত, একে মাটিতে জুনৰ শেষ দহদিনত গোমধান সিঁচিব পাৰি। পিছৰ বিধ শস্যৰ বাবে চাৰিমাহ সময় থাকিব। গোমধান শস্য পকিবলৈ এয়ে যথেষ্ট সময়। এইদৰেই, দেশৰ দক্ষিণাঞ্চলত মটৰমাহে এবছৰত দুটা খেতি কৰিবলৈ সুন্দৰ সুযোগ দিয়ে;

দ্বিতীয়তঃ, মাহজাতীয় শস্যত প্ৰচুৰ পৰিমাণে প্ৰোটিন থাকে আৰু পশুপালন কাৰ্য্যক প্ৰোটিন জাতীয় খাদ্য সৰবৰাহ কৰা সমস্যাক আমূল সমাধান কৰাত ই সহায় কৰিব;

তৃতীয়তঃ, মাহজাতীয় শস্যই ভূমিৰ উৰ্ব্বৰতা বৃদ্ধি কৰে। ই যেন বায়ুমণ্ডলৰপৰা নাইট্ৰোজেন আহৰণ কৰা কাৰখানা বিশেষহে। অন্যান্য খেতিৰ শস্যই বতাহৰপৰা নাইট্ৰোজেন নলয় আৰু বাঢ়িবৰ কাৰণে সিহঁতক মাটিৰ নাইট্ৰোজেন লগাত—নাইট্ৰোজেন শেষ হৈ যায়। বিশেষজ্ঞসকলৰপৰা পোৱা কেইটিমান তথ্য মই উদ্ধৃকিয়াব খোজোঁ।

প্ৰতি হেক্টাৰত ২০ চেণ্টনাৰ উৎপাদন হ'লে, মটৰমাহে বায়ুমণ্ডলৰ-পৰা ১০৫ কিলোগ্ৰাম নাইট্ৰোজেন আহৰণ কৰে আৰু খেতি উঠাৰ পিছত মাটিত ৪৭ কিলোগ্ৰাম নাইট্ৰোজেন থাকি যায়। ৩০ চেণ্টনাৰ

হাৰে উৎপাদনৰ ক্ষেত্ৰত বায়ুমণ্ডলৰপৰা ১৬০ কিলোগ্ৰাম নাইট্ৰোজেন আহৰণ কৰি মাটিত ৭০ কিলোগ্ৰাম এৰি যাব।

২০ চেণ্টনাৰ হাৰে উৎপাদন হ'লে, পশুৰ খাদ্য মাহজাতীয় শস্যই বায়ুমণ্ডলৰপৰা ১৪২· কিলোগ্ৰাম নাইট্ৰোজেন আহৰণ কৰিব আৰু প্ৰতি হেক্টাৰ মাটিত ৬৩ কিলোগ্ৰাম এৰি যাব। ৩০ চেণ্টনাৰ উৎপাদনৰ হাৰত বায়ুমণ্ডলৰপৰা ২১৩ কিলোগ্ৰাম আহৰণ কৰিব আৰু মাটিত ৯৫ কিলোগ্ৰাম এৰি যাব।

ভৱিষ্যতে, আমাৰ দেশৰ কমবেছি ৩০ নিযুত হেক্টাৰত সম্ভৱতঃ ততোধিক মাটিত মাহজাতীয় শস্য খেতি কৰা হব। ইয়াৰ ফলত, অতি মূল্যবান আৰু দৰাচলতে বিনা খৰচে পোৱা সাৰ হিছাপে সুবিশাল পৰিমাণৰ নাইট্ৰোজেন মাটিত জমা হব। এইখিনি সাৰ উৎপাদন কৰিবলৈকে ৰাসায়নিক শিল্পৰ বাবে বহুতো বৃহৎ কাৰখানা আৰু কোটী কোটী ৰুবল মূলধন নিয়োগ কৰিব লাগিব।

কোনো কোনো পৰিকল্পনাকাৰী কৰ্ম্মচাৰীয়ে বোধ কৰোঁ ভাবিব; "কি বঢ়িয়া। শস্যবিলাকে নিজেই নিজৰ প্ৰয়োজনীয় সাৰ বায়ুমণ্ডলৰপৰা সংগ্ৰহ কৰিব আৰু সেইকাৰণে আমি কম সংখ্যক ৰাসায়নিক কাৰখানা নিৰ্ম্মাণ কৰিলেই হব।"

নহয়, কমৰেডসকল, আজিৰ অতিশয় জৰুৰী কৰ্ত্তব্য হৈছে ৰাসায়নিক উদ্যোগৰ উন্নয়ন; নাইট্ৰোজেন সাৰক ধৰি খনিজ সাৰৰ উৎপাদন বৃদ্ধি আৰু অলাগতিয়াল হাবিবন মৰা আৰু পোক-পৰুৱা নিয়ন্ত্ৰণ কৰা বিভিন্ন ৰাসায়নিক দ্ৰব্য। এই কথা কলে অত্যুক্তি নহব যে সাৰ উৎপাদনকো কৃষিকাৰ্য্যৰ যন্ত্ৰীকৰণৰ লগত একে সমান স্থান দিব লাগিব, কিয়নো দুয়োটাই কৃষিৰ উৎপন্ন বৃদ্ধিৰ বাবে বিশেষ গুৰুত্বপূৰ্ণ।

যোৱা বছৰৰ ১৪ নিযুত টনৰ ঠাইত পাৰ্টিয়ে খনিজ সাৰৰ উৎপাদন ১২৫—১৩৫ নিযুত টনলৈ বৃদ্ধি কৰাৰ পৰিকল্পনা কৰিছে। চলিত ৭

বৃদ্ধৰ কালছোৱাতে কৃষিকাৰ্য্যৰ বাবে সৰ্ব্বোচ্চ পৰিমাণ সাৰ যুৰবৰাহ যাতে হয় তাকে আমি লক্ষ্য ৰাখিব লাগিব।

খনিজ সাৰ উৎপাদন মাহজাতীয় শস্য খেতিৰ উৰ্দ্ধগতি, গৰু-ছাগলী প্ৰভৃতি পশুৰ সংখ্যাবৃদ্ধি আৰু জৈৱিক সাৰ সঞ্চয় ইত্যাদিৰ এখন সুবিস্তৃত কাৰ্য্যসূচীয়ে উৎপাদন ক্ষমতা বৃদ্ধিত প্ৰভূত সুবিধা দিব।

দেশৰ প্ৰতি খণ্ডতে এনে সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপাম আছে—যিবিলাকে দ্ৰুত উৎপাদন বৃদ্ধিৰ বাবে নিৰ্দ্দিষ্ট প্ৰত্যেক ক্ষেত্ৰত কি পদ্ধতি গ্ৰহণ কৰিব লাগিব তাক দেখুৱাইছে। প্ৰতি খণ্ডৰে এইবিলাক কৃষিপামৰ নাম মই কব নোৱাৰো ; গতিকে মই মাত্ৰ এটা উদাহৰণ দাঙি ধৰিব খুজিছো।

আপোনালোকৰ বহুতেই কুস্ক্ অঞ্চলৰ কালিনোভ্কা গাঁৱৰ সমবায় কৃষিপামৰ বিষয়ে জানে। ইয়াৰ চেয়াৰমেন ভি, ভি, গ্ৰাচভ, দ্বাবিংশতিতম কংগ্ৰেছৰ এজন প্ৰতিনিধি। এই সমবায় কৃষি-পামৰ ৬০০০ হেক্টাৰ খেতিৰ মাটি আছে। ১৯৬১ চনত ইয়াত এইবিলাক খেতি হয় :

শীতকালীন গম	...	৩২ ৬	চেণ্টনাৰ প্ৰতি হেক্টাৰত
ৰাই	...	২৪.৩	„ „ „
বাৰ্লি	...	২১ ৬	„ „ „
জোৱাৰ	...	২০	„ „ „
মটৰমাহ, প্ৰতি হেক্টাৰত ৩২০ কিলোগ্ৰাম কঠিয়া	...	২৮	„ „ „
পশুৰ খাদ্য মাহজাতীয় শস্য (বহল বহল শাৰীত)	...	২৫	„ „ „
বীট (চেনিৰ)	...	৩৫০	„ „ „
ডিলৰ সৈতে গোমধান (চাইলোৰ বাবে)		৭০০	„ „ „
মটৰজাতীয় শস্য (Clover, এবাৰ খেৰ সৰোৱা)	...	৩৯	„ „

গধুৰ বালিঅঁহীয়া মাটিত কিদৰে ইমান উৎপাদন সম্ভৱ হ'ল? কাৰণ তাত বিৰাট সংখ্যক গৰু আছে আৰু সেয়ে প্ৰচুৰ সাৰ পোৱা যায়। মাত্ৰ কেইবছৰমান আগলৈকে কালিনোভ্কা (আৰু ইয়াৰ লগত লগকৰা অন্যান্য সমবায় কৃষিপামবিলাক) ত ৯১টা গৰু আছিল। এতিয়া ইয়াৰ সংখ্যা হ'ল ১,০৫০। সেই সময়ত শস্যৰ উৎপাদন আছিল প্ৰতি হেক্টাৰত ৮-১০ চেণ্টনাৰ আৰু আজি হৈছে ২৫-৩০ চেণ্টনাৰ।

যিহেতু ইয়াৰ খেতিয়কসকলে গোমধান খেতি আৰম্ভ কৰে, তথাকথিত বাকৰি মাটিত হাল বাই মূল্যৱান শস্য খেতি কৰিবলৈ ধৰে সেয়ে ইয়াৰ গৰুৰ সংখ্যা বাঢ়ি যায়। এই বিলাক কামৰ পৰিণতি হিচাপে তাত বেচিকৈ পশুৰ খাদ্য, গৰু, সাৰ আৰু ভাল খেতি হৈছে।

এনে কৃষিক্ষেত্ৰ দেশৰ অন্যান্য অংশতো আছে। তেওঁলোকে ভাল খেতিৰ পথ দেখুৱাইছে আৰু এতিয়া সকলোবোৰ সমবায় আৰু ৰাষ্ট্ৰীয় কৃষি পামকে তেওঁলোকৰ সমপৰ্য্যায়লৈ নিয়াটো আমাৰ ওপৰতে পৰিছে।

কিন্তু, এই কৃষিসমবায়বোৰক উন্নীত কৰাৰ কথাৰ অৰ্থ কেৱল কথাতেই শেষ নহয়। যিবোৰ কৃষিপাম আচলতেই পিছ পৰি আছে, আমি সেইবোৰক অগ্ৰসৰ কৃষিপামৰ পৰ্য্যায়লৈ উন্নীত কৰিব লাগিব আৰু ৰাষ্ট্ৰীয় আৰু কৃষিপামৰ যিসকল নেতাই একো কথা বুজি নাপায় আৰু তেওঁলোকৰ উৎপাদন ক্ষমতা দুৰ্ব্বল কৰি পেলাইছে—তেওঁলোকক নেতৃত্বৰপৰা "অপসাৰিত" কৰিব লাগিব।

শস্য উৎপাদন বৃদ্ধিয়ে পশুপালনৰো উন্নয়নত উদগনি দিব। শস্য, চাইলেজ (Silage) আৰু অন্যান্য খাদ্যৰ প্ৰচুৰ সৰবৰাহ থাকিলে আমি দ্ৰুতবেগে গৰু মহৰ সংখ্যা বঢ়াব পাৰোঁ আৰু জনসাধাৰণৰ চাহিদা পূৰণৰ বাবে মাংস, গাখীৰ আৰু অন্যান্য খাদ্যদ্ৰব্যৰ উৎপাদন সুনিশ্চিত কৰিব পাৰোঁ।

কৃষি উন্নয়নৰ পৰিকল্পনা কাৰ্য্যকৰী কৰোঁতে আমাৰ পাৰ্টিয়ে জলসিঞ্চন ব্যৱস্থাৰ প্ৰতিও বিশেষ দৃষ্টি দিছে। জলসিঞ্চন লেনিনৰ বৈদ্যুতিক-কৰণ

পৰিকল্পনাৰ অন্যতম অংগ। লেনিনে বিদ্যুৎকেন্দ্র নির্মাণ জলসিঞ্চন ব্যৱস্থাৰ উন্নয়নৰ লগত ওতঃপ্রোতভাৱে জড়িত কাম বুলি ধৰিছিল। ছোভিয়েত শাসন ব্যৱস্থাৰ প্রথম কেইবছৰতে লেনিনে ট্রান্সককেচিয়া আৰু মধ্য এচিয়াৰ খেতি-পথাৰবিলাকত জলসিঞ্চন ব্যৱস্থাৰ জৰিয়তে পানী যোগানৰ আৰু ভল্‌গাৰ মৰুময় প্রান্তৰভূমি অঞ্চললৈ পানী অনাৰ স্বপ্ন দেখিছিল।

যিহেতু বর্ত্তমান আমাৰ শক্তিশালী শিল্পব্যৱস্থা আছে, সেয়ে সুবিস্তৃত জলসিঞ্চন ব্যৱস্থা এখনৰ পৰিকল্পনা প্রস্তুত কৰি কার্য্যক্ষেত্রত সফল কৰাৰ সময় উপস্থিত হৈছে যাতে যিকোনো পৰিস্থিতিতে কৃষিৰ উৎপাদন সুনিশ্চিত কৰাৰ স্থায়ী ভিত্তি এটা সৃষ্টি কৰিব পাৰি।

পার্টিৰ কেন্দ্রীয় কমিটিৰ নির্দেশমতে ৰাষ্ট্রীয় পৰিকল্পনা পৰিষদে জলসিঞ্চন ব্যৱস্থা উন্নয়নৰ এখন দীঘলীয়া পৰিকল্পনা প্রস্তুত কৰিব লাগিছে। দেশত বর্ত্তমান ৯ নিযুত হেক্টাৰ জলসিঞ্চন ব্যৱস্থা থকা মাটি আছে। আমাৰ লক্ষ্য হ'ল এই সংখ্যাক ২৮ নিযুত হেক্টাৰলৈ বৃদ্ধি কৰা।

প্রস্তাব কৰা হৈছেঃ—চিৰদৰিয়া নদী অৱবাহিকাত এটা নতুন কপাহ-খেতিৰ অঞ্চল গঢ়ি তোলা হওক। ইয়াত প্রাথমিক হিছাপত উজবেকিস্তান, কাজাখস্তান আৰু তাজিক সাধাৰণতন্ত্রৰ বুভুক্ষিত প্রান্তৰৰ ৮০০—৮৫০ হাজাৰ হেক্টাৰ মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰি;

—সুৰেক নদীৰ ওপৰত এটা জল-বিদ্যুৎ কেন্দ্র নির্ম্মাণ কৰি কপাহ, ধান আৰু অন্যান্য খেতিৰ বাবে উজবেক আৰু তাজিক সাধাৰণতন্ত্রত ১,২০০,০০০ হেক্টাৰলৈকে মাটিত জলসিঞ্চন ব্যৱস্থা কৰা হওক।

—কপাহ খেতিৰ বাবে কাৰা-কুম খালৰ জৰিয়তে তুর্কমেনিয়াৰ ৬০০ হাজাৰ হেক্টাৰ মাটিত জলসিঞ্চন কৰি উন্নয়ন কৰা হওক।

—৯০০ হাজাৰ হেক্টাৰ জলসিঞ্চন ব্যৱস্থা থকা মাটিৰে ধান খেতিৰ বাবে আমুদৰিয়া আৰু চিৰদৰিয়া নদীৰ নিম্নভাগত নতুন অঞ্চল উন্নয়ন কৰা হওক;

—জলসিঞ্চন ব্যৱস্থাৰ খেতিবাতিৰ উন্নয়ন, শাকপাচলি, ধান আৰু গোম-

ধান উৎপাদন আৰু মাছ আৰু চৰাই পোহাৰ বাবে ভলগা-আখ্‌টুবা বন্যাগ্ৰস্ত সমভূমি আৰু ভলগা-বদীপৰ ভূমি আৰু জলসম্পদৰ ব্যাপক ব্যৱহাৰ কৰা হওক ;

—লেনিন জল-বিদ্যুতকেন্দ্ৰ আৰু ২২তম পাৰ্টি কংগ্ৰেছ জলবিদ্যুতকেন্দ্ৰৰ শক্তি ব্যৱহাৰ কৰি ভলগা অঞ্চলৰ মাটিত জলসিঞ্চন কৰা হওক ;

—ৰুছীয় ফেডাৰেছনৰ ইউৰোপীয় অংশ দক্ষিণাঞ্চলৰ ডন, কুবান আৰু অন্যান্য নদীবিলাকৰ জলসম্পদ খটুৱাই ধান, আঙুৰ, শাকপাচলি আৰু শিল্পৰ প্ৰয়োজনীয় অন্যান্য খেতি সম্প্ৰসাৰণৰ বাবে এক নিযুতাধিক হেক্টাৰ মাটিত জলসিঞ্চন কৰা হওক ;

—ক্ৰিমিয়া আৰু ইউক্ৰেইনীয় সাধাৰণতন্ত্ৰৰ দক্ষিণাংশ আৰু মলদাভিয়াত নীপাৰ, বাগ, নীষ্টাৰ আৰু ডানিয়ুবৰ জলসম্পদৰ সহায়ত ধান, মাকৈজোৱা, বীট, আঙুৰ, ফলমূল, শাকপাচলিৰ উৎপাদন প্ৰসাৰিত কৰিবৰ আৰু পশু-পালনৰ উন্নয়নৰ বাবে ৪·৫ নিযুত হেক্টাৰৰ এটা অঞ্চল জলসিঞ্চিত কৰা হওক ;

—ট্ৰান্স-ককেচিয়াত প্ৰধান প্ৰধান জলসিঞ্চনৰ আঁচনিবিলাক কাৰ্য্যকৰী কৰা হওক।

জলসিঞ্চন উন্নয়নৰ কাৰ্য্যসূচী সম্পূৰ্ণ হলে আমাৰ দেশত কোটী কোটী টন অতিৰিক্ত কপাহ, মাকৈজোৱা, ধান আৰু বীট (চেনিৰ) আৰু বেচিকৈ প্ৰাণীজ-দ্ৰব্য উৎপাদন কৰিব পৰা হব। প্ৰকৃতিৰ খামখিয়ালিৰপৰা আমাৰ পাৰ্টিয়ে মানুহক মুক্তি দিব আৰু প্ৰকৃতিৰ ওপৰত মানুহৰ কৰ্ত্তৃত্ব প্ৰতিষ্ঠা কৰিব।

কমৰেডসকল, মই আমাৰ শিল্পব্যৱস্থা বিকাশৰ ধাৰাবিলাক ব্যাখ্যা কৰোঁতে সাম্যবাদীসমাজ গঠনত শ্ৰমৰ উৎপাদিকা শক্তি বৃদ্ধিয়েই সবাতোকৈ গুৰুত্বপূৰ্ণ সমস্যা বুলি কৈছিলো। এই কথা কৃষিৰ ক্ষেত্ৰতো সমানেই প্ৰযোজ্য।

কমিউনিষ্ট পার্টিয়ে খছৰা কর্মসূচীত প্ৰথম দহবছৰৰ ভিতৰত কৃষি ব্যৱস্থাত শ্ৰমৰ উৎপাদিকা শক্তি অন্যূন শতকৰা ১৫০ ভাগ বৃদ্ধিৰ প্ৰস্তাৱ কৰিছে আৰু ইয়াক কুৰি বছৰৰ ভিতৰত পাঁচৰ-পৰা ছয় গুণলৈ উন্নীত কৰাৰ লক্ষ্য দাঙি ধৰিছে। ই এটা কঠিন লক্ষ্য। কিন্তু ইয়াৰ সমাধানৰ পথ উন্মুক্ত হৈছে। সাম্যবাদী সমাজৰ যোগ্য শ্ৰমৰ উৎপাদিকা শক্তিৰ আদর্শ আমাৰ কৃষি-ব্যৱস্থাৰ সকলো শাখাতে আছে।

সমবায় কৃষিপামৰ শ্ৰেষ্ঠ খেতিয়কসকলে কৃষিব্যৱস্থাৰ প্ৰধান প্ৰধান শাখাবিলাকত অর্জ্জন কৰা শ্ৰমৰ উৎপাদিকা শক্তিলৈ মন কৰক।

শস্য উৎপাদন ঃ—দেশৰ ৰাষ্ট্ৰীয় কৃষিপাম বিলাকত ২.১ ঘণ্টা সময়ত প্ৰতি চেণ্টনাৰ শস্যৰ বাবে গড়ে ৪ ৰুবল ১০ কোপেক খৰচ হয়।

ৰোষ্টভ অঞ্চলৰ জাইগাণ্ট ৰাষ্ট্ৰীয় কৃষিপামত ইতিমধ্যেই ১ চেণ্টনাৰ শস্য উৎপাদন কৰিবলৈ ৩৮ মিনিট বা ঐক তৃতীয়াংশ সময় আৰু এক ৰুবল তিনি কোপেক খৰচ লাগে।

চেনিৰ বীট উৎপাদন ঃ ৰাষ্ট্ৰীয় কৃষিপামত ১ চেণ্টনাৰ চেনিৰ বীট উৎপাদন কৰিবলৈ আমাৰ দেশত গড়ে ৩.২ ঘণ্টা সময় আৰু ১ ৰুবল ৮০ কোপেক খৰচ পৰে। কিন্তু ১ চেণ্টনাৰ উৎপাদন কৰোঁতে দেশৰ আন ঠাইৰ তুলনাত, ক্ৰাসনেদো অঞ্চলৰ ভি. এ. ভেটলিচনিয়ে যন্ত্ৰৰ সহায়ত চেনিবীটৰ খেতি কৰোঁতে ১৭ মিনিট অৰ্থাৎ আনত লগা সময়ৰ এঘাৰ ভাগৰ এভাগ সময় আৰু ৩০ কোপেক অৰ্থাৎ আনত লগা খৰচৰ ছয় ভাগৰ এভাগ খৰছহেঁ পৰিছে।

'**কপাহ উৎপাদন ঃ** উজবেকিস্তানৰ ৰাষ্ট্ৰীয় কৃষিপামবোৰত এক চেণ্টনাৰ কপাহ উৎপাদন কৰোঁতে গড়ে ৫২ ঘণ্টা সময় আৰু ২৫ ৰুবল ৩০ কোপেক ধন খৰছ পৰে। ইতিমধ্যে তাস্কেন্ত অঞ্চলৰ মালেক ৰাষ্ট্ৰীয় কৃষিপামত কমৰেড কুম্ভিৰ উন্নত যান্ত্ৰিক পদ্ধতিৰে কামকৰা দলটোৰ মাত্ৰ দহ ঘণ্টা সময় আৰু ৭ ৰুবল ৩০ কোপেকহে খৰছ পৰিছে।

পশুৰ কাৰণে উৎপাদন: ১০।১২ জনী গৰু-বৰ্ষীয়া গোৱালনী এজনীয়ে দৈহিক শ্ৰমেৰে বছৰেকত ৩০।৪০ টন গাখীৰ ৰাষ্ট্ৰীয় কৃষিপামবোৰত উৎপাদন কৰে। ইভানস্কো অঞ্চলৰ ছুইস্কি ৰাষ্ট্ৰীয় কৃষিপামৰ জিনাইদা জীবেত্তিনা নামৰ গোৱালনীজনীয়ে আন সুফল পাইছে। তেওঁ হেৰিংবোন-টাইপ যন্ত্ৰপাতিৰে সুসজ্জিত, যন্ত্ৰৰ সহায়ত কাম কৰা পামত কাম কৰে। ১৯৬০ চনত কমৰেড জেবোটিনাই ১৫০ জনী গাই পুহি ৩০৭ টন গাখীৰ পাইছিল। ১৯৬১ চনত তেওঁ তেওঁৰ যন্ত্ৰবিদ্ গিৰীয়েক দিমিত্ৰি জেবোত্তিনৰ লগত কাম কৰিছিল। এওঁলোক দুজনে ৩০০ জনী গাই পালি ৬৫০ টন গাখীৰ উৎপাদন কৰোঁ বুলি লৈ এতিয়াই ৫১০ টন গাখীৰ উৎপাদন কৰিছেই। দেশৰ আন আন ৰাষ্ট্ৰীয় কৃষি-পামত এক চেন্টনাৰ গাখীৰ উৎপাদন কৰোঁতে গড়ে ১৪ ঘণ্টা সময় লাগে, এনে স্থলত এওঁলোকৰ মাত্ৰ ৪ ৮ ঘণ্টাহে লাগে।

এইবোৰ উদাহৰণৰপৰা কি সিদ্ধান্তত উপনীত হব পাৰি?

আজিলৈকে বৰ্ত্তমানে প্ৰখ্যাত ৰাষ্ট্ৰীয় কৃষিপাম আৰু সমবায় কৃষিপাম-বোৰে শ্ৰমৰ অনুপাতে উৎপাদন শক্তি আগতকৈ ৫।৬ গুণে বঢ়াইছে। শ্ৰমৰ উৎপাদিকা শক্তিৰ এনেধৰনৰ বৃদ্ধিত কুৰিয়ে কুৰিয়ে বছৰ লগা নাই। মাত্ৰ কেইবছৰমানহে লাগিছে। ৰাষ্ট্ৰীয় আৰু সমবায় কৃষিপামৰ সমগ্ৰ জনগণৰ শ্ৰমৰ উৎপাদিকা শক্তিৰ হাৰ এনেদৰে অদূৰ ভবিষ্যতে বঢ়াবলৈ আমাৰ কাম হব উৎপাদন সংগঠিত কৰাটোহে।

ই এটা বৰ কঠিন কাম। ইয়াকে কৰিব লাগিলে পাৰ্টি আৰু জনগণৰ বিস্তৰ প্ৰচেষ্টা আৰু ৰাষ্ট্ৰৰপৰা পৰ্য্যাপ্ত পৰিমাণে সমল আদিও খটুৱাব লাগিব। ইয়েই অকল নহয় কিন্তু। আমি যি হবলগীয়া আছে, হবই বুলি কথাবোৰ এৰি দিয়াটো বন্ধ কৰিব লাগিব। কাৰণ এনেধৰণৰ কথাৰ বাবেই, কৃষিক্ষেত্ৰৰ উন্নতি বহুবিষয়ত হোৱা নাই। কেতবোৰ পাৰ্টি-সংগঠনে কৰ্ম্মশীলতাৰে কৃষি উৎপাদনৰ কাম হাতত লোৱা নাই আৰু প্ৰভাৱক বিস্তাৰ কৰিব পৰা নাই। এই ক্ষেত্ৰত খেতিৰ কামত লাগি থকা

জনশক্তিৰ (man power) পৰিমাণ প্রয়োজনতকৈ কম হোৱা আৰু এই হাতত থকা জনশক্তিৰেই কাম চলাব লগা হোৱা অতীতৰ অৱস্থাই এতিয়াও অনুভৱ কৰা যায়।

এতিয়াৰ পৰিস্থিতি আন ধৰণৰ। এতিয়াৰ খেতিৰ কাম আগতকৈ আৰু বেছি যন্ত্ৰৰ সহায়ত হয়। খেতিৰপৰা আমি বেচি উৎপাদন বিচাৰিছো। কৃষি-সম্পর্কে পুৰণি ধাৰণা আৰু আওপুৰণি অচল দৃষ্টিভঙ্গী আঁতৰাব লাগিব। মুখ্য কথা হ'ল কম শ্রম নিয়োগ কৰি আমি অধিকতৰ উৎপাদন পোৱাটোক সুনিশ্চিত কৰিব লাগিব।

কাজেকাজেই, অতি আৱশ্যকীয় কামবোৰৰ ভিতৰত এটা হ'ল খেতিৰ কামৰ প্ৰতিটি অংশতে বেছি যান্ত্রিক পদ্ধতি প্রয়োগ আৰু বৈদ্যুতিকীকৰণৰ কাম কৰা, যাতে ভালদৰে যন্ত্ৰপাতিবোৰ ব্যৱহৃত হব পাৰে। যন্ত্ৰপাতিবোৰৰ ব্যৱহাৰ আৰু তত্বাবধানৰ দায়িত্ব যিসকল লোকৰ ওপৰত থাকে তেওঁ-লোকৰ ওপৰত আৰু আমাৰ কর্মীসকলৰ সংগঠন শক্তি আৰু অভিজ্ঞতাৰ ওপৰতহে ই নির্ভৰ কৰে। সমবায় আৰু ৰাষ্ট্রীয় কৃষিপামবোৰত শ্ৰমৰ উৎপাদিকা শক্তি বঢ়াব লাগিলে, বাহুবল প্রয়োগ কৰিলে নহব—এই ক্ষেত্রত যি কৰিব লাগিব সি হ'ল কৃষিপামবোৰত যন্ত্ৰপাতিৰ অধিক প্রয়োগ।

কৃষি-উৎপাদনৰ উন্নত কাৰিকৰীবিদ্যাৰ পৰিপ্রেক্ষিতত যিমান কম সময়ৰ ভিতৰতে পৰা যায় সিমান কম সময়তেই, সকলো ৰাষ্ট্রীয় আৰু সমবায় কৃষি পামবোৰত যন্ত্ৰপাতি দিব লাগিব। শস্য চপোৱাৰ উন্নত পদ্ধতিৰ বাবে, আলু, কপাহ, চেনিৰ বীট আৰু গোমধান খেতি সম্পূর্ণৰূপে যন্ত্রেৰে কৰিব পৰাকৈ আৰু পশুপালনৰ কামবোৰ যন্ত্ৰৰ সহায়েৰে কৰিব পৰাকৈ উন্নততৰ যন্ত্ৰপাতি তৈয়াৰ কৰাত বিশেষ জোৰ দিব লাগিব।

আমি বিশেষকৈ ট্রেকৃটৰ, কম্বাইন আৰু যানবাহনৰ ক্ষেত্রত পাৰদর্শী যন্ত্ৰপাতি ব্যৱহাৰ কৰিব লাগিব। উদাহৰণ স্বৰূপে আমি নতুন শক্তিশালী

উচ্চগতি-সম্পন্ন ২০০-২২০ অশ্বশক্তিৰ ট্ৰেক্টৰ আৰু দেশৰ বিস্তীৰ্ণ তৃণাঞ্চলতে (ষ্টেপ) কাম কৰাৰ বাবে সঁজুলি আদিৰ উৎপাদনৰ কাম সংগঠিত কৰিব পাৰিম আৰু পাৰিব লাগিবও।

এই প্ৰশ্নটোৰ ওপৰত সিদ্ধান্ত ছোভিয়েত ৰুছিয়াৰ কমিউনিষ্ট পাৰ্টি আৰু মন্ত্ৰীসভাই লৈছে। এই ট্ৰেক্টৰবোৰ বৰ্ত্তমানে ব্যৱহৃত ডি টি ৫৪ ট্ৰেক্টৰবোৰতকৈ ৩।৪ গুণ অধিক উৎপাদনক্ষম, আৰু ই বিপুল আৰ্থিক সুবিধা দিব পাৰিব। শক্তিশালী ট্ৰেক্টৰবোৰেদি ১ নিযুত হেক্টাৰ খেতিৰ মাটিত কেনে ধৰণৰ সুবিধা দিব পাৰে সেই সম্পৰ্কে বিশেষজ্ঞসকলৰ আঁচনি এখন দেখুওৱা হ'ল।

	ডি টি ট্ৰেক্টৰ	২০০-২২০ অশ্বশক্তিৰ টেক্টৰ
গড়ে দৈনিক কাম	৭ ৬ হেক্টাৰ	২১ ২ হেক্টাৰ
শৰৎ কালত হালবোৱাৰ বাবে ট্ৰেক্টৰৰ সংখ্যা (২০ দিন—দিনে দুই বাৰকৈ)	৬৬০০	২৪০০
ট্ৰেক্টৰ অপাৰেটৰৰ সংখ্যা	১৩,২০০	৪৮০০

এই হিছাপ হ'ল ১ নিযুত হেক্টাৰৰ বাবে। আমাৰ দেশত প্ৰায় ৮০ নিযুত হেক্টাৰ খেতিৰ মাটি আছে আৰু তাত আমি শক্তিশালী ট্ৰেক্টৰ ব্যৱহাৰ কৰিব পাৰোঁ। তাকে কৰিলে ট্ৰেক্টাৰৰপৰা পোৱা আৰ্থিক সুবিধা বহুগুণে বাঢ়িব।

আমি কৃষিপামৰ যন্ত্ৰপাতি আৰু ট্ৰেক্টৰ উৎপাদন বঢ়োৱাত সৰ্বাধিক ব্যৱস্থা লব লাগিব, যাতে সফলতাৰে সৈতে নতুন কাৰিকৰী উৎকৰ্ষতাৰে কাম কৰিব পাৰোঁ।

কমৰেডসকল, গ্ৰামাঞ্চলৰ উৎপাদিকা শক্তিবোৰৰ উৎকৰ্ষ সাধন আৰু সাম্যবাদী সামাজিক সম্বন্ধ,—এই দুযোটাৰে মাজত অভিন্ন সম্বন্ধ থকা বুলি পাৰ্টিৰ খছৰা কৰ্ম্মসূচীত ধৰা হৈছে। ই স্বাভাৱিক, কাৰণ শ্ৰম-প্ৰক্ৰিয়া,

বৃদ্ধিৰ প্ৰক্ৰিয়া আৰু দেশজুৰি সাম্যবাদ গঠনৰ বাবে কৰা সংগ্ৰামৰ পৰাই সাম্যবাদী সামাজিক সম্বন্ধৰ সৃষ্টি হয়।

সাম্যবাদলৈ আগ বাঢ়োতে আমাৰ গ্ৰামাঞ্চলবোৰৰ চেহেৰা কেনে হব? উৎপাদনৰ সংগঠন আৰু কাৰিকৰী আহিলাপাতিৰ ক্ষেত্ৰত কৃষিয়ে শিল্পৰ সমপৰ্য্যায় পাঁব। ইয়াৰ মানে হ'ল, শ্ৰমৰ পদ্ধতিৰ গুণগত পৰিবৰ্ত্তন হব। আধুনিক যন্ত্ৰপাতিৰে সৈতে কৃষিৰ সকলো শাখাৰ আহিলাপাতিৰ আৰু সমবায় কৃষিপাম আৰু ৰাষ্ট্ৰীয় পামৰ কৰ্মী সকলৰ স্তৰ উন্নত হোৱাৰ লগতে কৃষিপামৰ কৃষি-শ্ৰম আন শিল্প-শ্ৰমৰ দৰে বহুমুখী হব লাগিব।

গ্ৰামাঞ্চলত সাম্যবাদ গঠনৰ কাম কৰোঁতে সমাজবাদী কৃষি উন্নয়নৰ কামত আমাৰ দেশত যি অভিজ্ঞতা লাভ হৈছে তাৰপৰা আমি শিক্ষা লব লাগিব। এই অভিজ্ঞতাবোৰে কি দেখুৱায়? ছোভিয়েতৰ দুই ধৰণৰ সমাজবাদী উদ্যোগ মূৰ দাঙি উঠিছে—ৰাষ্ট্ৰীয় কৃষি-পাম আৰু সমবায় কৃষিপাম।

ৰাষ্ট্ৰীয় কৃষিপামবোৰ ৰাষ্ট্ৰ-পৰিচালিত সমাজতান্ত্ৰিক কৃষি শিল্প ৰূপে লেনিনৰ উদ্যোগতে স্থাপিত হৈছিল। সৰু আকাৰৰ ব্যক্তিগত খেতিয়কৰ কৃষিপামতকৈ যে বৃহৎ আকাৰৰ সমাজবাদী কৃষিপামৰ সা সুবিধা বেছি তাক দেখুওৱাবলৈকে আৰু ওচৰপাজৰৰ খেতিয়কসকলৰ বাবে আৰ্হিৰ দৰে দেখুৱাবলৈ এইবোৰ স্থাপিত হৈছিল।

আমাৰ পাৰ্টিয়ে কৃতকাৰ্য্যতাৰে লেনিনৰ ৰাষ্ট্ৰীয় কৃষিপামবোৰৰ উন্নয়নৰ কাম কৰিছে, এই ৰাষ্ট্ৰীয় কৃষিপামবোৰ বিৰাট শক্তিৰূপে গঢ় লৈছে। বিজ্ঞানৰ শেহতীয়া কৃতকাৰ্য্যতাবোৰ আৰু আধুনিক যন্ত্ৰপাতিবোৰ ব্যৱহাৰ কৰি এই কৃষিপামবোৰ অতি উচ্চ উৎপাদনক্ষম শিল্প হিচাপে আগ বাঢ়িছে। এই কৃষি-পামবোৰত শ্ৰমৰ উৎপাদনক্ষমতা উচ্চতম হাৰে বাঢ়িছে আৰু লগে লগে সস্তাদামত কৃষিজাত দ্ৰব্য উৎপাদন কৰিছে। ১৯৬০ চনত গোমধানৰ বাহিৰে আন সকলো শস্যৰে প্ৰতি চেণ্টনাৰত ৰাষ্ট্ৰীয়

কৃষিপামত ২.১ ঘণ্টা আৰু সমবায় কৃষিপামত ৭.২ ঘণ্টাৰ শ্ৰম নিয়োগ কৰা হৈছিল। সেই অনুসাৰে প্ৰতি চেণ্টনাৰ গাখীৰত ক্ৰমে ১৪.২ আৰু ২০.৮ ঘণ্টা লাগিছিল। গৰুৰ এক চেণ্টনাৰ ওজন বঢ়াবলৈ ৰাষ্ট্ৰীয় কৃষিপামবোৰে ৬৬ ঘণ্টা আৰু সমবায় কৃষিপামবোৰে ১১৮ ঘণ্টা নিয়োজিত কৰে আৰু গাহৰিৰ প্ৰত্যেক চেণ্টনাৰ ওজন বঢ়াওঁতে ক্ৰমে ৫৭ ঘণ্টা আৰু ১৩৩ ঘণ্টা নিয়োজিত কৰে।

কেন্দ্ৰীয় কমিটিৰ প্ৰতিবেদনত আগতেই উল্লেখ কৰা হৈছে যে, কৃষি উৎপাদন বঢ়োৱাত ৰাষ্ট্ৰীয় কৃষিপামবোৰৰ ভূমিকা যোৱা কেইবছৰত বিপুলভাৱে বাঢ়িছে। ৰাষ্ট্ৰীয় কৃষিপামৰ সুযোগবোৰ ন-মাটিত লোৱা যোজনাবোৰ আৰু বৃহৎ মহানগৰী আৰু উদ্যোগ কেন্দ্ৰবোৰত গাখীৰ, আলু আৰু তৰকাৰী আদি যোগানৰ ক্ষেত্ৰত আগশাৰীৰ নতুন শক্তিৰূপে ওলাই আহিছে।

ৰাষ্ট্ৰীয় কৃষিপাম মাত্ৰেই ভাল কৃষিসংগঠনৰ আৰ্হি নহৰও পাৰে। ৰাষ্ট্ৰীয় কৃষিপামবোৰে সংৰক্ষিত মাটি ব্যৱহাৰ কৰা আৰু যন্ত্ৰৰ সহায়ত খেতি কৰা বৃহৎ আকাৰৰ কৃষিপামবোৰ ভাল আৰু সম্পূৰ্ণাঙ্গ কৰাৰ ক্ষেত্ৰত এতিয়াও আৰু বহু কৰিব লগীয়া আছে।

আন এবিধ বৃহৎ আকাৰৰ সমাজবাদী কৃষিৰ ৰূপ হল কোলখোজবোৰ। নিযুতে নিযুতে সৰু সৰু ব্যক্তিগত খেতিয়কৰ কৃষিপামবোৰক সমাজবাদী ৰূপান্তৰ কৰাৰ বাবে লেনিনে কোলখোজবোৰৰ আঁচনি কৰিছিল। এই কোলখোজবোৰ হ'ল ছোভিয়েত খেতিয়কৰ সাম্যবাদৰ শিক্ষালয়। শতাব্দীজোৰা পুৰণি ব্যক্তিগত মালিকানাৰ স্বভাৱ গুচাই খেতিয়কৰ সামূহিক ভাৱে কাম কৰাৰ অভ্যাস কৰোৱা আৰু বৃহৎ আকাৰৰ সমবায় কৃষিপামলৈ ৰূপান্তৰ কৰাওঁতে এই কোলখোজবোৰে বহুতো কষ্ট স্বীকাৰ কৰিব লগা হৈছিল। সমবায় কৃষিপামবোৰ উন্নতিৰ পথত বহুদূৰ আগবাঢ়িছে। সাম্প্ৰতিককালৰ সমবায় কৃষিপামবোৰে, পুৰণি আহিলাপাতিৰ নিয়ন্ত্ৰণৰ শ্ৰম-সংগঠনৰ আগৰ কৃষি সংগঠনবোৰৰপৰা বহুতো আঁতৰি আহিছে। আৰু

খাওঁতা অনুপাতে বিতৰণৰ নীতিও চলিছে। আজিৰ সমবায় কৃষিপামবোৰ বৃহৎ যান্ত্ৰিকীকৃত কৃষিপাম। পাৰ্টিয়ে লোৱা ব্যৱস্থাবোৰৰ ফলস্বৰূপে আজি কেইবছৰমানৰ ভিতৰতেই সমবায় কৃষিপামবোৰে বিপুল অগ্ৰগতি লাভ কৰিছে। এই পামবোৰৰ সামূহিক সম্পদ বাঢ়িছে, খেতিৰ উৎপাদনৰ পৰিমাণ বৃদ্ধি পাইছে আৰু সমবায় কৃষিপামৰ খেতিয়ক সকলৰ জীৱনধাৰণৰ মানৰ উন্নতি হৈছে।

কোনো কোনো কমৰেডে সোধে সমবায় কৃষিপাম বা ৰাষ্ট্ৰীয় কৃষিপাম-বোৰে ভৱিষ্যত উন্নতিৰ কি পথ লব? পাৰ্টিয়ে ভাবে যে গ্ৰামাঞ্চলৰ সাম্য-বাদ গঠনৰ কাম দুয়োবিধ সমাজবাদী উৎপাদনৰ উন্নতি আৰু অগ্ৰগতিৰ মাজেদিয়েই আগ বাঢ়িব। সমাজবাদী কৃষিৰ এটা ব্যৱস্থা আনটোৰ বিৰোধী নহয়।

সমবায় আৰু ৰাষ্ট্ৰীয় কৃষিপামবোৰৰ দুয়োটায়েই বিজ্ঞান আৰু কাৰিকৰী ক্ষেত্ৰৰ সফলতাবোৰৰ ব্যৱহাৰ কাৰ্য্যকৰী কৰে আৰু সমাজবাদী উৎপাদন তীব্ৰগতিত ব্যাপক কৰে। সমপৰিমাণে বস্তুনিষ্ঠ সমল আৰু উৎপাদনৰ সুসংগঠন হ'লে আৰু পাৰদৰ্শিতাৰে পৰিচালনা কৰিব পাৰিলে দুয়োবিধ পামেই ভাল ফল দিব পাৰে।

এতিয়া যদিও বহুতো সমবায় কৃষিপামত ৰাষ্ট্ৰীয় কৃষিপামতকৈ শ্ৰমৰ উৎপাদনক্ষমতা কম আৰু উৎপাদন-ব্যয় বেছি, বৰ্ত্তমানৰ বৰ্দ্ধমান উৎপাদনৰ গতিৰ লগত সমানে চলিব নোৱাৰাটো আৰু আগৰ দৰে কোলখোজবোৰ ভাগৰি পৰাটোৱেই তাৰ কাৰণ নহয়। ইয়াৰ কাৰণ আছে—উৎপাদনৰ সংগঠন, পৰিচালনা আৰু বৰ্ত্তমানৰ কাৰিকৰী স্তৰতহে।

যি ঠাইত অভিজ্ঞতা-সম্পন্ন বিষয়া, ভাল সংগঠন আৰু বিশেষজ্ঞ পোৱা হৈছে, যত উৎপাদনৰ ক্ষেত্ৰত যন্ত্ৰৰ ব্যৱহাৰত যথাযথ জোৰ দিয়া হৈছে আৰু বস্তুনিষ্ঠ উদ্যমৰ নীতিক যথাযোগ্যভাৱে প্ৰয়োগ কৰা হৈছে তাতেই ৰাষ্ট্ৰীয় কৃষিপাম আৰু সমবায় কৃষিপামবোৰে সমানভাৱে বিকশিত হৈছে।

কোলখোজবোৰৰ আৰ্থিক অৱস্থা তীব্রগতিত উন্নত কৰাৰ বাস্তৱ পৰিস্থিতি যাতে কাৰ্য্যত সকলো ঠাইতেই থাকে তাৰ ওপৰত গুৰুত্ব দিয়া অতি আৱশ্যক।

উৎপাদনৰ সংগঠন উন্নত কৰা, অতি আধুনিক যন্ত্ৰপাতি আৰু বৈজ্ঞানিক উন্নতি কৰাত সমবায়-কৃষিপামবোৰক সহায় কৰাটোৱেই মুখ্য কথা—যাতে তাৰপৰা শ্রমৰ উৎপাদন ক্ষমতা আৰু উচ্চতৰ হয়। ভাল বিষয়া, সমবায় কৃষিপামৰ সভাপতি, কৰ্মীদলৰ নেতা আৰু কৃষিপাম বিশেষজ্ঞ আদি দি দুৰ্ব্বল সমবায় কৃষিপামবোৰ সবল কৰাটো আৱশ্যক। সকলো কৃষিপামকেই আগশাৰীৰ ৰাষ্ট্ৰীয় কৃষিপামবোৰৰ সমপৰ্যায়লৈ অনাটো কৰণীয় কাম।

ৰাষ্ট্ৰই সমবায় কৃষিপামবোৰ উন্নত কৰা আৰু শক্তিশালী কৰাত অতি-বেছি মনোযোগ দিছে। তাৰে সলনি সমবায় কৃষিপামবোৰে ৰাষ্ট্ৰৰ আঁচনি-সমূহ পৰিপূৰণ, সামূহিক সম্পদ বৃদ্ধি আৰু উৎপাদন বৃদ্ধি কৰাটোকেই পবিত্র কৰ্ত্তব্য বুলি লব লাগিব। সমবায় কৃষিপামৰ খেতিয়কসকলৰ আয়, তেওঁলোকৰ ক্রমবৰ্দ্ধমান শ্রমউৎপাদন ক্ষমতা লগে লগে যাতে বাঢ়ে—সেইটো স্থিৰ নিশ্চিত কৰিব লাগিব।

কৃষিৰ ক্রমোন্নতি আৰু পৰ্য্যাপ্ত পৰিমাণে কৃষি উৎপাদন বঢ়োৱাত এই অগ্রণী সমাজতান্ত্রিক কৃষি উদ্যোগ ৰাষ্ট্ৰীয় কৃষিপামবোৰৰ ভূমিকা বাঢ়িয়েই থাকিব। আমি ৰাষ্ট্ৰীয় কৃষিপামবোৰক খাদ্যশস্য, কপাহ, মাংস, গাখীৰ, উনসূতা, তৰকাৰী, ফলমূল আৰু চাহ তৈয়াৰী প্রথম শ্রেণীৰ কাৰখানালৈ ৰূপায়িত কৰিব লাগিব। ৰাষ্ট্ৰীয় কৃষিপামবোৰ অকল উৎপাদনৰ সংগঠন হলেই নহ'ব। ই জীৱনযাত্রাৰ মান, কৃষ্টি আৰু সাম্যবাদী শিক্ষাৰো আৰ্হি হব লাগিব। ই অতি প্রয়োজনীয় কথা।

সমবায় কৃষিপাম আৰু ৰাষ্ট্ৰীয় কৃষিপামবোৰৰ উৎপাদন বঢা আৰু তাৰ সামাজিক সম্বন্ধ আগ বঢাৰ লগে লগে কৃষিৰ কামেও উচ্চস্তৰলৈ আৰোহণ কৰিব আৰু তেতিয়াহে উৎপাদন আৰু বিতৰণৰ সাম্যবাদী ৰূপলৈ যাব পাৰিব। বস্তুনিষ্ঠ উদ্যমৰ নীতিয়েই এই লক্ষ্য পোৱাত অতি প্রয়োজনীয়

ভূমিকা গ্রহণ কৰিব। সমাজৰ বাবে অধিক উৎপাদন কৰোঁতাসকলক উৎসাহিত কৰিবলৈ, শৃংখলাবোধ আৰু সাম্যবাদী সচেতনতা বঢ়াবলৈ আমাৰ ভাল আহিলাৰে প্রচাৰ কৰিব লাগিব।

কমৰেডসকল, আমাৰ পাৰ্টিয়ে কৃষি উন্নয়নৰ বিৰাট আঁচনি এখনৰ খচৰা প্ৰস্তুত কৰিছে। কেনে কষ্টকৰ পৰিস্থিতিৰ মাজত সমাজবাদী কৃষি গঠন আমি কৰিছো সেইটো সকলোৰে মনত আছে। লেনিনৰ উপদেশবোৰকে পথ-প্ৰদৰ্শকৰূপে লৈ কমিউনিষ্ট পাৰ্টিয়ে কৌশলেৰে অসুবিধাবোৰ তল পেলাই কৃষকসকলক সমাজবাদৰ পথেৰে আগ বঢ়াই নিছিল। আমি এতিয়া সাম্য-বাদ গঠনৰ আহলবহল ৰাজপথ পাইছো। চমকপ্রদ সম্ভাৱনা আমাৰ সন্মুখত স্পষ্ট হৈ আছে। অৱশ্যে তাৰ মানে এই নহয় যে আমাৰ অগ্ৰগতি কোনো চেষ্টা, বাধাবিঘিনি নোহোৱাকৈ সলসলীয়া বাটেৰে আগ বাঢ়িব।

কৃষি উৎপাদনৰ ক্ষেত্ৰত প্ৰচুৰ যোগান ব্যৱস্থা গঢ়ি তুলিবলৈ আমি আৰু কেইটামান খিয় গডাত উঠিব লাগিব আৰু বহুতো জটিল সমস্যাৰ সন্মুখীন লাগিব। মহান ঐতিহাসিক অভিজ্ঞতাবোৰেৰে আমাৰ পাৰ্টিয়ে সমৃদ্ধিশালী হৈ, কৃষক সকলক সাম্যবাদলৈ সাহসেৰে আগবঢ়াই নিব পাৰিব।

৩। জনগণৰ কল্যাণ বৃদ্ধি কৰা আৰু শ্ৰমজীৱী জনতাৰ জীৱনযাত্ৰাৰ উচ্চতম মান লাভ কৰা

কমৰেডসকল, ছোভিয়েত ৰুছিয়াৰ কমিউনিষ্ট পাৰ্টিয়ে অহা কুৰি বছৰৰ ভিতৰত জীৱনধাৰণৰ মান ধনতান্ত্রিক দেশবোৰতকৈ উচ্চতৰ কৰা আৰু পৰ্য্যাপ্ত বস্তুনিষ্ঠ আৰু সাংস্কৃতিক মূল্য লাভ কৰাৰ বাবে যাৱতীয় পৰিস্থিতি সৃষ্টি কৰাৰ মহান কামত আগ বাঢ়িছে।

প্ৰথম দহ বছৰৰ ভিতৰত ছোভিয়েত জনসাধাৰণৰ সকলো অংশই, পৰ্য্যাপ্ত পৰিমাণে উপভোগ কৰিব আৰু তেওঁলোকৰ জীৱনৰ উন্নত মানদণ্ডৰ কাৰণে লগা সকলো ভোগ্য-দ্ৰব্য পাব।

সকলোৰে মগত প্রত্যক্ষ সম্বন্ধ থকা বিষয়বোৰত সাম্যবাদৰ যে পুঁজিবাদতকৈ সুবিধা অধিক ইয়াৰ দ্বাৰা এই কথা প্রমাণিত হয়।

বুৰজীত এই প্রথম বাৰৰ কাৰণে অপ্রাচুৰ্য্য একেবাৰে আৰু চিৰদিনৰ কাৰণে নির্মূল হব। নতুন সমাজৰ ই হব এক মহান কৃতকাৰ্য্যতা। কোনো পুঁজিবাদী দেশে এই কাম কৰিব নোৱাৰে।

ছোভিয়েত জনসাধাৰণে উচ্চতৰ জীবনযাত্রাৰ মান লাভ কৰিব লাগিলে দুটা ঘাই সৰ্ত্ত আছে। প্রথমতে—শ্রমৰ উৎপাদনক্ষমতা বঢ়োৱা, সকলো সামাজিক উৎপাদন আৰু জাতীয় আয় বঢ়োৱা। ধনতন্ত্রত ইয়াৰ সম্ভাবনা নাই। দ্বিতীয়তে, সমগ্র জনসাধাৰণৰে স্বাৰ্থৰ হকে উৎপাদিকা শক্তি আৰু ৰাজহুৱা সম্পদবোৰ নিয়োজিত কৰা। কমিউনিষ্ট পার্টিৰ কাৰ্য্যসূচীৰ লক্ষ্য হল প্রাচুৰ্য্য; সেই কাৰনেই ই দৃঢ় ভিত্তিত থিয় দি আছে। আনহাতে জন-কল্যাণৰ কাৰণে অগণন পুঁজিবাদী প্রচাৰ পৰিকল্পনাবোৰ জনগণক প্রতাৰণা কৰাৰ নতুন পদ্ধতিৰ মাথোন।

পার্টিয়ে ভাবে যে গধুৰ শিল্প আৰু জাতীয় অৰ্থনীতিৰ আন আন শাখাবোৰ উন্নত কৰাৰ লগে লগে আমি অদূৰ ভবিষ্যতে, জীৱনধাৰণৰ মান তীব্রগতিত আগ বঢ়াই নিয় আৰু নিবই লাগিব। জনসংখ্যাৰ জনমূৰি প্রকৃত আয় অহা দহ বছৰত দুগুণ হব আৰু অহা কুৰি বছৰত শতকৰা ২৫০ ভাগৰো বেছি বাঢ়িব, ছোভিয়েত ৰুছিয়াৰ জাতীয় আয় বৃদ্ধিৰপৰাই জনসাধাৰণৰো প্রকৃত আয় বৃদ্ধি হব। ১৯৮০ চনত ছোভিয়েত ৰুছিয়াৰ জাতীয় আয় ৭২০—৭৫০ হেজাৰ নিযুত ৰুবল অর্থাৎ ১৯৬০ চনতকৈ প্রায় পাঁচগুণ বেছি হব।

জনগণৰ জীৱনধাৰণৰ মান উন্নত কৰাত আমি কি কি মৌলিক ধাৰা অনুসৰণ কৰিব লাগিব ?

অহা বছৰদিয়েকৰ ভিতৰতেই জনসাধাৰণৰ সকলো অংশই ভাল আৰু উচ্চ ধৰণৰ খাদ্য পাব। অহা দহবছৰত প্রতিজনৰ কোনে ধৰণৰ খাদ্য

বাঢ়িব তাক তলৰ তথ্যৰপৰাই অনুমান কৰিব পাৰি। মঙহ আৰু মাংসজাত বস্তু—২'৫ গুণ, গাখীৰ আৰু গাখীৰৰপৰা হোৱা বস্তু—২ গুণ, মাখন ১ ৫ গুণ, ভেষজ তেল ২ গুণ, কণী ২ ২ গুণ, মাছ আৰু মৎস্যজাত দ্ৰব্য ১'৫ গুণ, চেনি ১'৫ গুণ, শাকপাচলি আৰু তৰমুজ ২ ৩ গুণ, ফলমূল জামু আদি ৫ গুণ। আনহাতে কটী আৰু আলুৰ ব্যৱহাৰ কিছু পৰিমাণে কমিব। ইয়াৰ অৰ্থ হ'ল এয়ে যে অতি মূল্যবান উচ্চ মানৰ খাদ্যদ্ৰব্য আৰু বেছিকৈ পোৱা যাব। ৰাজহুৱা ৰন্ধনশালা যথাসম্ভব উন্নত কৰা হব। পিছৰ দহবছৰত বস্তুবোৰ ৩ গুণে বৃদ্ধি পাব আৰু কুৰি বছৰত এই বৃদ্ধি ১৩ গুণ পাবগৈ। ঘৰত ৰন্ধাতকৈ ইয়াৰ ৰন্ধন প্ৰণালী উন্নত হব আৰু হোটেল আদিত খোৱা বস্তুৰ দাম কমাই অনা হব।

অহা দহবছৰত ছোভিয়েত জনসাধাৰণৰ সকলোৱেই পৰ্য্যাপ্ত পৰিমাণে ভোগ্য-পণ্য পাবলৈ সমৰ্থ হব। আৰু তাৰ পিছৰ দহবছৰত চাহিদা সম্পূৰ্ণকৈ পৰিপূৰণ হব। আঁচনি কৰা হৈছে যে কুৰি বছৰত জনগণে এতিয়াতকৈ প্ৰায় ৩ ৫ গুণ বেচি কাপোৰ আৰু জোতা, ৫ ৫ গুণ ঘৰুৱা আৰু অন্যান্য ভোগ্য-পণ্য পাব। চকি-মেজ পালং আলমাৰি আদি সা-সৰঞ্জামৰ উৎপাদন ছয়ৰপৰা আঠ গুণকৈ বাঢ়িব। আধুনিক ঘৰত ব্যৱহাৰ কৰা বৈদ্যুতিক যন্ত্ৰ আৰু সামগ্ৰীৰ দ্বাৰা ঘৰ বৈদ্যুতিকীকৰণ কৰা হব।

চহৰ আৰু গ্ৰামাঞ্চলত ৰাষ্ট্ৰই পৰিচালনা কৰা আৰু সমবায়ে পৰিচালনা কৰা খুচুৰা বেহাবেপাৰ দহ বছৰত ২'৫ গুণ আৰু কুৰি বছৰত ৫ গুণ বাঢ়িব। জনগণৰ ৰাজহুৱা ধোৱাঘৰ, কাপোৰ, জোতা আৰু গৃহ সামগ্ৰীৰ মেৰামতি-দোকানৰ চাহিদা পৰিপূৰণ কৰা হব। আমি সকলো প্ৰকাৰ ৰাজহুৱা সেৱাৰ উন্নতি কৰিব লাগিব—যাতে যি ইচ্ছা কৰে ঘৰত কৰা কামবোৰ ইয়াতে কৰিব পাৰে।

কমিউনিষ্ট পাৰ্টিয়ে আৰু ছোভিয়েত ৰাষ্ট্ৰই বাসগৃহ সমস্যাৰ চূড়ান্ত

সমাধানৰ বাবে বিশেষ প্ৰয়োজনীয়তা অনুভৱ কৰিছে। কোনো সমাজ ব্যৱস্থাতেই এই সমস্যাৰ সমাধান হোৱা নাই। আজি আমাৰ দেশত গৃহ নিৰ্মাণৰ কাম অভাবনীয় আকাৰত আৰম্ভ হৈছে। যোৱা পাঁচ বছৰতেই প্ৰায় ৫০ নিযুত মানুহক নতুন বাসগৃহৰ সংস্থান দিয়া হৈছে। **অহা দহ বছৰত আমি বাসগৃহৰ নাটনি দূৰ কৰিব লাগিব। দ্বিতীয় দহ বছৰত প্ৰত্যেক পৰিয়ালে বেলেগে থকাৰ বাবে আৰামপ্ৰদ বাসগৃহ পাব।** কুৰি বছৰত, এনেকৈ, দেশৰ বাসগৃহৰ সুবিধা প্ৰায় শতকৰা ২০০ ভাগ বৃদ্ধি পাব। বছৰি গড়ে গৃহ নিৰ্মাণ প্ৰায় ১৩৫ নিযুত বৰ্গমিটাৰ (১৯৬১-১৯৬৫ চন) বপৰা ১৯৭৬-৮০ চনত ৪০০ নিযুত বৰ্গমিটাৰ পাবগৈ। ই নিশ্চয় কল্পনাতীত কাৰ্য্যসূচী। ডাঙৰ ডাঙৰ মহানগৰীবোৰক শিল্প আৰু সাংস্কৃতিক কেন্দ্ৰ হিছাপে ৰাখি আৰু লগে লগে সেইবোৰৰ অতি স্ফীতি ৰোধ কৰি আমি সৰু আৰু মজলীয়া চহৰবোৰ ভালদৰে গঢ়ি উন্নত কৰিব লাগিব। "সেউজী নগৰী" বা "উদ্যান নগৰী" কাক বোলে তাক আমাৰ জা'তয়ে বেছিকৈ উপলব্ধি কৰিব লাগিব। আধুনিক মহানগৰীৰ আৰামপ্ৰদ বাসস্থান, আলিবাট, ৰাজহুৱা সেৱা-সদন, লৰাছোৱালীৰ সাংস্কৃতিক আৰু খেলধেমালিৰ অনুষ্ঠানৰ লগ'ত গাৱঁলীয়া সমাজৰ প্ৰচুৰ সেউজীয়া ঘাঁহনি, পুখুৰী আৰু স্বাস্থ্যপ্ৰদ বা ব'তাহ যোগ হব।

থছৰা কৰ্মসূচীত **শ্ৰম-দিৱসৰ সংখ্যা কমোৱাৰ** কথা আছে। সেয়েই জনগণৰ সাংস্কৃতিক আৰু কাৰিকৰী জ্ঞানৰ স্তৰ তীব্ৰগতিত উন্নত কৰিব লাগিব, আৰু যথেষ্ট জিৰণি দিব। আমি ইতিমধ্যে কামৰ সময় ৭ ঘণ্টালৈ আৰু কোনো কোনো বিভাগত ছয় ঘণ্টালৈ কমাইছো। প্ৰথম দহ বছৰত এদিনত ছয় ঘণ্টা বা সপ্তাহত ৩৫ ঘণ্টা কামৰ সময় বেছি ভাগ বনুৱা জনগণৰ বাবে স্থিৰ কৰা হব। আৰু বাকীবোৰৰ বাবে তাতোকৈ কম শ্ৰমৰ সময় (সপ্তাহত ৩০ ঘণ্টা) ধৰা হব। **সাম্যবাদ-গঢ়া-দেশখনত**

পৃথিৱীত সকলোতকৈ দৈনিক কামৰ সময় কম হব। শ্রমৰ উৎপাদিকা শক্তি বঢ়াৰ লগে লগে শ্রমদিবস আৰু কমাব পৰা যাব।

লগে লগে দৰমহা সহ ছুটী বঢ়োৱা হব, কাৰখানা আৰু অফিছত কাম কৰাসকললৈ তিনিসপ্তাহ পিছত এমাহ কৰা হব। লাহে লাহে দৰমহা-সহ ছুটীৰ ব্যৱস্থা সমবায় কৃষিপামৰ কৰ্মীৰ বাবেও লোৱা হব।

কমৰেডসকল, আমি শ্রম অনুসাৰে বিতৰণৰ সমাজবাদী নীতিৰপৰা প্রয়োজন অনুসাৰে বিতৰণৰ সাম্যবাদী নীতিলৈ আগবাঢ়িম। সাংস্কৃতিক আৰু বস্তুনিষ্ঠ সম্পদৰ প্রাচুর্য্যৰ উপৰিও প্রত্যেকজনৰ বাবে জীৱনৰ মুখ্য প্রয়োজনীয়তালৈ শ্রমৰ বিবৰ্ত্তনৰ অতি আৱশ্যকীয় স্থান ইয়াৰ দ্বাৰা নিচেই কম দিয়া নহব। এতিয়ালৈকে এই অৱস্থা পোৱা নহয়, কোনে কিমান শ্রমদান কৰিছে তালৈ নোচোৱাকৈ বিতৰণৰ সাম্যবাদী নীতিত প্রবৰ্ত্তন কৰিবলৈ গলে সি জধেমধে সমান কৰাহে হব আৰু উৎপাদনক বিপৰ্য্যস্ত কৰা হব। পাৰ্টিয়ে এনে পন্থাৰ দৃঢ়ভাবে বিৰোধিতা কৰে।

অহা কুৰি বছৰত বস্তুনিষ্ঠ আৰু সাংস্কৃতিক প্রয়োজন পৰিপূৰণৰ বাবে মজুৰীয়েই মুখ্য উৎস বুলি পাৰ্টিয়ে বিবেচনা কৰে। শ্রমৰ অনুপাতে মজুৰীৰ নীতিয়ে আৰু অধিক উৎপাদনৰ বাবে উৎসাহ দিয়ে। শ্রমিক জনসাধাৰণৰ সাংস্কৃতিক আৰু কাৰিকৰী স্তৰ উন্নত কোৱাত ইয়েই অনুপ্রেৰণা যোগায় আৰু তাৰ দ্বাৰা ক্রমে ক্রমে মানসিক আৰু কায়িক শ্রমৰ মাজত থকা মূল পাৰ্থক্যখিনি নোহোৱা কৰাত সহায় কৰে। জনসাধাৰণৰ প্রকৃত আয় বৃদ্ধিৰ ই এটা অতি আৱশ্যকীয় উপায় আৰু সমাজৰ সম্পদ বঢ়াৰ লগে লগে উচ্চ আৰু নিম্ন হাৰৰ মজুৰীৰ অসমতা ক্রমে ক্রমে হ্রাস কৰে। শ্রমৰ উদ্যমৰ নৈতিকতা সকলোপিনে উন্নততৰ আৰু দৃঢ় কৰাৰ লগে লগে আমি শ্রম অনুপাতে বিতৰণৰ নীতি পূৰাপূৰিকৈ আৰু আশাশুধীয়াভাৱে অনুসৰণ কৰিবই লাগিব। সাম্যবাদী সমাজ গঠনৰ ই অতি প্রয়োজনীয় অঙ্গ।

অহা দহ বছৰত, ছোভিয়েত ৰুছিয়াত এটা ঐতিহাসিক তাৎপৰ্য্যপূৰ্ণ

কাম কৰা হব। **কাৰখানা আৰু অফিছ আদিত কাম কৰা শ্ৰমিক-সকলৰ নিম্নতম মজুৰীৰ সীমা উঠাই দিয়া হব।** মজুৰীৰ মানৰ গড় উলিওৱাৰ পদ্ধতি আৰু সকলোৰে সমান দৰমহা কৰাটো একেটা কথা নহয়। কাৰণ অপাৰদৰ্শী বস্তুৰা এজনৰ ঠাইত পাৰদৰ্শী বস্তুৰা এজনক স্থান দিয়াৰ লগত ই ওতঃপ্ৰোতভাৱে জড়িত। পাৰদৰ্শী বস্তুৰাৰ মজুৰী বৰ্দ্ধমান শ্ৰম উৎপাদনশীলতাৰ লগত খোজ মিলাই চলিব লাগিব। যি সময়ায় কৃষি-বোৰত শ্ৰমৰ উৎপাদনশীলতা দ্ৰুতগতিত বৃদ্ধি পাব, কুৰি বছৰত গড়ে আয় শিল্প বস্তুৰাতকৈ বেছি হাৰে বাঢ়িব। ছোভিয়েত বুদ্ধিজীবী যথা, ইঞ্জিনীয়াৰ, কাৰিকৰ, কৃষি অৰ্থনীতিবিদ, চিকিৎসক, শিক্ষক আৰু সাংস্কৃতিক কৰ্মীসকলৰ মজুৰী বৃদ্ধিৰ কথাকে কোৱা হৈছে।

জীৱনধাৰণৰ মান বৃদ্ধিৰ আন এটা পথ **ৰাজহুৱা ভোগ্য পুঁজিৰ সম্প্ৰসাৰণ—**। ইয়াৰো আবশ্যকতা ক্ৰমে বাঢ়িছে। এই পুঁজিৰ সা-সুবিধা—সঙ্ঘৰ সদস্যসকলৰ মাজত কোনে কি, কেনে আৰু কিমান কাম কৰিছে তাৰ হিচাপ নকৰাকৈয়ে অৰ্থাৎ বিনামূল্যে দান কৰা হয়। খচৰা কাৰ্য্যসূচীত ধৰা হৈছে যে মজুৰীতকৈ অধিক দ্ৰুত গতিত এই পুঁজিবোৰ বাঢ়ি যাব ; কাৰণ ইয়াৰ ফলত সাম্যবাদী বিতৰণ পোনে পোনে হব। ১৯৬০ চনৰ ২৪৫০০ নিযুত ৰুবলৰপৰা ১৯৮০ চনত ২২৫-২৬৫ হেজাৰ নিযুতলৈ ৰাজহুৱা ভোগ্য পুঁজি শতকৰা ৯০০ ভাগতকৈও বেছি বৃদ্ধিৰ আঁচনি কৰা হৈছে। কুৰি বছৰৰ শেষত, এই পুঁজিবোৰৰ পৰিমাণ জনসংখ্যাৰ সমগ্ৰ আয়ৰ প্ৰায় আধা হব।

বৈষয়িক উদ্যম আৰু শ্ৰম অনুপাতে বিতৰণৰ নীতিৰ লগত ভালদৰে সঙ্গতি ৰাখি ৰাজহুৱা পুঁজিবোৰৰ উৎকৰ্ষতা সাধন কৰিব লাগে। অহা কুৰি বছৰত কেনে ধৰনে ৰাজহুৱা পুঁজিবোৰৰ উন্নতি সাধন কৰা হব তাৰ ব্যৱস্থা খচৰা কৰ্মসূচীত আছে ; যথা লৰাছোৱালী আৰু পঙ্গুসকলৰ ভৰণপোষণৰ বাবে, জনসংখ্যাক বিনামূল্যে শিক্ষাদান আৰু

চিকিৎসা, ভাড়াহীন বাসগৃহ, বিনাখৰচে সামাজিক সুবিধা আৰু যাতায়তৰ সুবিধাদান আদি ক্ৰমে ক্ৰমে প্ৰবৰ্ত্তন কৰা হ'ব। ৰাজহুৱা খৰচত পঙ্গু আৰু লৰাছোৱালী বিলাকৰ বিনামূল্যে ভৰণ-পোষণ কৰাটো হ'ল অতি উচ্চ মানবীয় কাম, নতুন ব্যৱস্থাৰ উচ্চ আদৰ্শমূলক কাম। কমৰেড-সকল, আমি এই কাম অচিৰে কৰিব পাৰিম বুলি গৌৰৱ বোধ কৰিছো।

আমি বিনামূল্যে সকলো স্কুলতে গৰম আহাৰ দিয়া আৰু স্কুলীয়া লৰা ছোৱালীক বিনাখৰচত পাঠ্যপুথি আৰু ইউনিফৰ্ম দিব পৰাৰ দিনটোলৈ আৰু পলম নাই। ইয়াৰ পিছতে নাৰ্ছাৰীবোৰৰ, কিন্দাৰগাৰ্টেন আৰু দিনত-যত্নলোৱা স্কুলৰ বাবে লগা ৰক্ষণাবেক্ষনৰ খৰচ উঠাই দিব পাৰিম। এতিয়াৰ এই খৰছৰ বেছিভাগেই শ্ৰমিক জনগণে দিয়ে; কিন্তু অহা কুৰি বছৰৰ পিছত লৰাছোৱালী ৰখা আৰু শিক্ষাৰ খৰচৰ শতকৰা ৭৫ ভাগৰপৰা ৮০ ভাগ, ৰাজহুৱা পুঁজিৰপৰা বহন কৰা হ'ব। ১৯৬১-১৯৮০ চনৰ সময় ছোৱাত লৰাছোৱালী আৰু কিশোৰসকলৰ ৰক্ষণাবেক্ষনৰ বাবে হোৱা [illegible] ৰাষ্ট্ৰই এতিয়াতকৈ আৰু দহগুণ বেছি বহন কৰিব।

সমাজে লৰাছোৱালীৰ ভৰণ-পোষণ আৰু শিক্ষাৰ বেয়িকৈ দায়িত্ব লোৱা আৰু ৰাজহুৱা সেৱাৰ ৰক্ষণত গভীৰ সামাজিক তাৎপৰ্য্য নিহিত আছে। কাৰণ ইয়েই নাৰীৰ দৈনন্দিন জীৱনৰ অসমতাৰ হেতুবোৰ নোহোৱা কৰিব। এই ব্যৱস্থাবোৰে ডাঙৰ পৰিয়ালৰ বহুতো অসমতা গুচাব পাৰিব।

লগে লগে কামৰ অনুপযুক্ত লোকসকলক ৰাজহুৱা খৰচত সম্পূৰ্ণ ভৰনপোষণ দিয়া হ'ব। পেঞ্চনৰ হাৰ বাঢ়িব। বৃদ্ধ আৰু পঙ্গুসকলৰ থকাৰ বাবে যিমান প্ৰয়োজন তিমানলৈ বোৰ্ডিংঘৰ নিৰ্মাণ কৰা হ'ব। পিছৰ দহ বছৰত আমি ক্ৰমশঃ সকলো কৰ্ম-সামৰ্থ্যহীন লোকৰ বাবেই পেঞ্চন দিয়াৰ এটা সাধাৰণ প্ৰথা প্ৰচলন কৰিব পাৰিম।

এনে ব্যৱস্থাবোৰৰ ফলত ছোভিয়েত জনসাধাৰণৰ আয়ুস বৃদ্ধি আৰু স্বাস্থ্যৰ আৰু উন্নতি সাধন কৰাৰ অৱস্থাৰ সৃষ্টি হব। চাৰিওপিনে সিঁচৰতি হৈ থকা জনস্বাস্থ্যৰ অনুষ্ঠানবোৰে ইয়াত বিৰাট অংশ গ্ৰহণ কৰিব। নগৰীয়া আৰু গাৱলীয়া জনগণৰ সকলো ধৰনে লগা উপযুক্ত চিকিৎসাৰ ব্যৱস্থা সম্পূৰ্ণকৈ কৰা হব। হাস্পাতাল, স্বাস্থ্যনিবাস অৱসৰ নিবাস আৰু বোৰ্ডিংঘৰৰ সংখ্যা যথেষ্ট পৰিমানে বঢ়োৱাৰ দিহা কৰ্মসূচীত লোৱা হৈছে। বহুদিনৰ আগৰপৰাই আমাৰ দেশত প্ৰচলিত বিনাখৰচে চিকিৎসাৰ উপৰিও, বিনাখৰচে স্বাস্থ্যনিবাসত থকা আৰু বিনামূল্যে ঔষধৰ ব্যৱস্থা কৰা হব।

প্ৰত্যেক পৰিয়ালৰ বাবে বিনাভাড়াৰ আধুনিক থকাঘৰ আৰু মৌলিক সমাজ-সেৱাৰ ব্যবস্থা, সাম্যবাদ-গঠনৰ বিস্ময়কৰ কৃতকাৰ্য্যতা। কাৰখানা, অফিচ আৰু সমবায় কৃষি কৰ্মী সকলৰ বিনা-খৰচে ৰাজহুৱা ভোজনালয়ৰ খাদ্য দিয়াৰ বাবে প্ৰধান সামাজিক উন্নয়নৰ কামো অমি পিছৰ দশকত আৰম্ভ কৰিম।

ধনতান্ত্ৰিক দেশবোৰত শ্ৰমজীৱী জনসাধাৰণে চুকি নোপোৱা বহুতো সা-সুবিধা ছোভিয়েত দেশৰ জনগণে ইতিমধ্যেই পাই আছে। শোষণ, নিবনুৱা সমস্যা, দুৰ্দ্দশা, জাতিগত বা আন দৰমহাৰ বৈষম্য কাকবোলে তাক তেওঁলোকে নাজানেই। নিজৰ ভবিষ্যৎ-সম্পৰ্কে তেওঁলোক স্থিৰ নিশ্চিত।

যিয়েই নহওক, বৰ্ত্তমানৰ ছোভিয়েত ইউনিয়নে এতিয়াও গড়ে জনমূৰি ভোগ আৰু গড়ে জনমূৰি প্ৰকৃত আয়ৰ ক্ষেত্ৰত আমেৰিকাৰ যুক্তৰাষ্ট্ৰতকৈ পিছ পৰি আছে। আমি যি শুৰৰপৰা আৰম্ভ কৰিছো আৰু যুদ্ধৰ যি ক্ষতি তেওঁলোকৰ হোৱা নাছিল আৰু আমাৰ যি বিৰাট পৰিমাণৰ ক্ষতি হৈছিল সেই কথা দুটা এই সম্পৰ্কত আমি মনত ৰাখিব লাগিব। ১৯৮০ চনত আমাৰ দেশৰ প্ৰকৃত জনমূৰি আয় আমেৰিকা যুক্তৰাষ্ট্ৰৰ শ্ৰমজীৱী জনগণৰ বৰ্ত্তমানৰ আয়তকৈ প্ৰায় শতকৰা ৭৫ ভাগ বৃদ্ধি পাব।

কিন্তু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ক্ষেত্ৰত গড়ে জনমুৰি যি আয় হয় তাৰ আঁৰত লুকাই থকা কেবা নিযুতো সম্পূৰ্ণ বা আংশিকভাৱে নিবনুৱা হৈ থকা লোক, অপাৰদৰ্শী আৰু আধা পাৰদৰ্শী কম মজুৰীৰ বনুৱা, বস্তিত বাস কৰা আৰু স্থূল প্ৰয়োজনৰ বস্তুখিনিকো নোপোৱা সকলৰ কথাকো মনত পেলাব লাগিব। আমাৰ দেশত প্ৰতি পৰিয়ালৰে ভালভাৱে সংস্থান হব আৰু অৱশেহত বৈষয়িক আৰু সাংস্কৃতিক সুবিধাবোৰ প্ৰচুৰ ভোগ কৰিব পাৰিব।

খছৰা কৰ্ম্মসূচীয়ে দেখুৱাই দিছে যে জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰাৰ কাম শান্তিপূৰ্ণ পৰিৱেশতহে পূৰ্ণ সফলতাৰে কৰিব পাৰি। ইয়াৰ উপৰিও, আন্তৰ্জাতিক উত্তেজনা প্ৰশমন আৰু তাৰ লগৰীয়া সামৰিক ব্যয় হ্ৰাস কৰিব পাৰিলে আমাৰ জনসাধাৰণৰ জীৱনৰ মান আৰু উচ্চতৰ হব। সাম্যবাদৰ কাৰণে, ছোভিয়েত দেশ আৰু জনসাধাৰণৰ কল্যাণৰ কাৰণে কৰা সংগ্ৰামৰ অবিচ্ছেদ্য অংগই হল শান্তিৰ কাৰণে কৰা আমাৰ সংগ্ৰাম।

কমৰেডসকল, ছোভিয়েত জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰাৰ কাৰণে লোৱা এই চিত্তাকৰ্ষক কাৰ্য্যসূচীত গভীৰ সামাজিক সত্তা নিহিত আছে। ইয়াত আমাৰ জনগণৰ সমাজব্যৱস্থাৰ মহৎ গুণবোৰ প্ৰকাশ পাইছে। সমগ্ৰ বিশ্বৰ জনসাধাৰণৰ বিশাল অংশই তাক প্ৰশংসা কৰিছে। পছিমীয়া পুঁজিবাদী প্ৰচাৰত এই কথা স্বীকাৰ কৰা হৈছে যে কৰ্ম্মসূচীৰ নিৰ্দ্দিষ্ট লক্ষ্যবোৰ সম্ভৱপৰ আৰু পছিমীয়া শক্তিৰ প্ৰতি ই এটা "বিৰাট প্ৰত্যাহ্বান।"

ঠিকেই, আমি ভাবোঁ যে জনগণৰ উন্নত জীৱনধাৰণৰ মান সৃষ্টি কৰাৰ কাৰণে প্ৰত্যাহ্বান জনোৱাটো উচ্চমনৰে পৰিচায়ক। যিসকলে জনগণৰ পৰা শোষণ কৰি লৈ বিপুল মূলধন গোটাইছে সেই পুঁজিবাদীসকলে এনে এটা প্ৰত্যাহ্বান গ্ৰহণ নকৰে কিয়? তেওঁলোকে ৰণৰ বাবে ব্যৱহাৰ কৰা কাৰখানাবোৰ জনসাধাৰণৰ লাগতিয়াল সামগ্ৰী উৎপাদনৰ কামত নলগায় কিয়? মজুৰৰ মজুৰী নবঢ়ায় কিয়? আমি ভাবোঁ যে ধনতন্ত্ৰবাদী দেশসমূহৰ শ্ৰমজীৱীসকলৰ আয়ৰ তিনিভাগৰ এভাগ ঘৰৰ ভাড়াতেই খৰছ হয়।

সেই ঘৰৰ ভাড়া নোহোৱা-কৰা বিষয়টোৰ প্ৰতি তেওঁলোকে স্বাগত জনাব। চিকিৎসাৰ বাবেই অকল ২০,০০০ নিযুত ডলাৰ খৰচ কৰা আমেৰিকাৰ জনগণে জানো বিনামূল্যে চিকিৎসাৰ ব্যৱস্থাক সাদৰ আহ্বান নজনাব ?

শ্ৰমজীৱীসকলৰ কোনো দৃঢ় সংগ্ৰাম নোহোৱাকৈয়ে পুঁজিবাদীসকলে এনে কাম কৰিব বুলি ভবাটোৰ কোনো মানে নাই। আমি জনাত পুঁজিবাদীসকলৰ নীতি হ'ল—মানুহক শুহি শুহি শুকান জেওৰাডালৰ দৰে কৰি পেলোৱা। যেতিয়া মানুহ এজনে পুঁজিবাদীসকলৰ বাবে কাম কৰিব নোৱাৰা হৈ যায়—তেতিয়া নিজভাগ্যৰ ওপৰত তেওঁক এৰি দিয়া হয়। যদি আপোনাৰ ধন নাই—অনাহাৰে থাকক, যদি থকা ঘৰ নাই, দলঙৰ তলত শোৱক। এয়ে হ'ল "স্বাধীন বিশ্ব"-এয়েই হ'ল পুঁজিবাদী "স্বাধীনতা"। মানুহক ঘৃণা কৰা এই প্ৰথাবোৰ সমাজবাদে নিৰ্মূল কৰিছে। সাম্যবাদৰ মত হ'ল—"মানুহৰ উপকাৰৰ উদ্দেশ্যেই সকলো, মানুহৰ উদ্দেশ্যেই সকলো"। জনসাধাৰণে নিৰ্মাণ কৰিব ধৰা, মানুহৰ সুখৰ কাৰণেই কৰা সাম্যবাদৰ যুগত মানুহ শব্দটো আগতকৈ অধিক গৰ্ব্বেৰে উচ্চাৰিত হব।

৪। পৰিকল্পনা আৰু পৰিচালনাই সাম্যবাদ গঠনৰ চাহিদা পূৰণ কৰিবই লাগিব

কমৰেডসকল, খছৰা কাৰ্য্যসূচীৰ বিস্ময়োদ্দীপক কামবোৰ সফলতাৰে সমাধা কৰিবলৈ যাওঁতে আমি চাব লাগিব যাতে পৰিকল্পনা আৰু পৰিচালনাই সম্পূৰ্ণাঙ্গ সাম্যবাদ গঠনৰ চাহিদা পূৰণ কৰিব পাৰে। প্ৰথমে উৎপাদন আৰু নিৰ্মাণৰ বৰ্দ্ধিত-হাৰৰ বিপুলতা, অৰ্থনৈতিক অন্তৰ্সংযোগবোৰৰ উন্নয়ন আৰু সম্প্ৰসাৰণ, দ্বিতীয়তে তড়িৎগতিত বৈজ্ঞানিক আৰু কাৰিকৰী উৎকৰ্ষতা, তৃতীয়তে, শ্ৰমৰ ক্ষেত্ৰত গভীৰ সামাজিক, সাংস্কৃতিক আৰু কাৰিকৰী অগ্ৰগতি আৰু চতুৰ্থতে, অৰ্থনৈতিক পৰিচালনাৰ গণতান্ত্ৰিক বুনিয়াদ আৰু জনসাধাৰণৰ কৰ্ম্মৰ বিপুলতাৰপৰাই নিৰূপিত হৈছে।

সাম্যবাদ গঠনৰ কাৰণে প্ৰয়োজন উৎপাদনৰ উৎসসমূহ আৰু শ্ৰমৰ যুক্তি-সংগত মিতাচাৰ। "সমাজবাদ মানে হিছাপপত্ৰ" লেনিনৰ এই জ্ঞানগৰ্ভ কথাষাৰে সাম্যবাদ গঠনৰ সময়ত আৰু বেছি তাৎপৰ্য্য লাভ কৰিছে।

এয়া, সংখ্যাতত্ত্বই আমাক কি কয় চাওক, সাধাৰণ অৱস্থাৰ ভিতৰতেই কাৰখানাৰ উৎপাদন-ব্যয় হ্ৰাস কৰি ১৪০০-১৫০০ হেজাৰ ৰুবল বা জাতীয় অৰ্থনীতিত গড়ে নিয়োজিত হোৱা মূলধনৰ চাৰিভাগৰ তিনিভাগ ৰাহি হব। সম্প্ৰতি নিৰ্ম্মাণ আৰু উৎপাদন ৰাহি হোৱা শতকৰা প্ৰতিটো ভাগেই জীৱনৰ মান উন্নত কৰা আৰু ওপৰঞ্চি উৎপন্ন কৰাৰ অফুৰন্ত উৎস হৈ পৰিছে। তথাপি আঁচনি কৰোঁতে যদি নগণ্যতম ভুলো হয় বা কোনো ঘটনাক্ৰমে পুঁজিৰ যদি অপব্যৱহাৰ হয় তেন্তে তাৰপৰা ও অনেক নিযুত ধন ক্ষতি হব।

ইমান বছৰে ছোভিয়েত ৰাষ্ট্ৰই যিমান মূলধন নিয়োগ কৰিলে তাৰ ছয় গুণ হ'ব কুৰি বছৰত নিযোগ কৰা দুই নিযুত নিযুত ৰুবল মূলধন। এনে এটা বিপুলাকাৰ কাম কৰোঁতে আমি "কাপোৰ জুখিবা তিনিবাৰ—কাটিবা এবাৰ" এই সৰ্ব্বৰাষী অনুশাসনটো আখৰে আখৰে পালন কৰিছে খোজ দিব লাগিব।

ইয়াকে কৰোঁতে আমি, কম খৰচ কৰি অধিক সুবিধা পাবলৈ, কি, কেনেকৈ আৰু ক'ত গঠনকাৰ্য্য কৰিম তাক অতি নিৰ্ভুলভাবে হিছাপ নকৰি নোৱাৰোঁ। ইমান বিপুল সংখ্যক যোজনাবোৰৰ কাম আৰম্ভ কৰোঁতে এখুদমান সোপা-ঢিলা কৰিলেই ইমান ধন, ইমান কষ্ট, অথলে যাব। আন হাতে আমি খৰচ কমাব পাৰিলেই প্ৰচুৰ সম্পদ পাব ভাঙি ববলৈ ধৰিব আৰু এই সম্পদৰপৰাই অনেক বাসগৃহ, লৰাছোৱালীৰ অনুষ্ঠান, পঢ়াশালি, হাস্পাতাল, অৱসৰ নিবাস গঢ়ি তুলিব পাৰিম। এই নিৰ্ম্মাণকাৰ্য আঁচনিত ধৰা কামৰ সীমা চেৰাই যাব।

আঁচনি প্ৰস্তুত আৰু পৰিচালনা কৰোঁতে জীৱনত নতুন সুউচ্চ বৈজ্ঞানিক পটভূমি আৰু অৰ্থ নৈতিক দূৰদৰ্শিতাৰ প্ৰয়োজন। আঁচনিৰ খচৰা প্ৰস্তুত কৰা

আৰু অর্থনৈতিক ব্যৱস্থাবোৰ সন্নিবিষ্ট কৰাৰ আগতেই অর্থনৈতিক আৰু কাৰিকৰী উন্নয়নৰ সমস্যাবোৰৰ বৈজ্ঞানিক বিশ্লেষণ কৰা উচিত; অর্থ-নৈতিক আৰু কাৰিকৰী গৱেষণাই অর্থনৈতিক সমস্যাবোৰৰ সঠিক সিদ্ধান্ত-বোৰ আগ বঢ়াব লাগে। জাতীয় অর্থনীতিৰ সুবিধাজনক অংশবোৰ বাহিৰ কৰি উলিওৱা কথা, প্রাকৃতিক সম্পদ, উৎপাদনৰ ক্ষমতা আৰু নতুন যন্ত্র-পাতিৰ অতি কামত লগা ধৰণে ব্যৱহাৰ কৰাৰ কথা, জাতীয় আয়ৰ সুবিতৰণৰ আৰু মূলধন নিয়োগৰ কথা, অর্থনৈতিক উন্নতিৰ হাৰ বৃদ্ধি কৰাৰ বাবে ওপৰঞ্চি উপায় উলিওৱা আদিয়েই হল এই কাম। আমি বাস কৰা কালছোৱাত আঁচনি কৰিবলৈ কি কি লাগিব ?

প্রথমৰ সকলো আহিলাপাতিৰ, কেঁচা আৰু আন মাল, কাৰিকৰী পদ্ধতি আৰু ভিন ভিন কামৰ নির্মাণৰ তালিকা কামত পৰিণত কৰিবলৈ আমাৰ প্রগতিশীল আঁচনি থাকিব লাগিব। পোনতে তেনে ধৰণে মান প্রবর্ত্তন কৰিবলৈ এই বোৰকেই প্রত্যেক পৰিচালকে নিয়মানুবর্ত্তী হৈ মানি চলিব লাগিব। দ্বিতীয়তে প্রত্যেক আঁচনিতে তাৰ প্রত্যেক কথা সম্বন্ধে সঠিকভাবে ভাৰসাম্য থাকিব লাগিব; আৰু প্রয়োজনীয় সমল আছুতীয়াকৈ ৰাখিব লাগিব।

অর্থনৈতিক সংগঠন আৰু যোজনাত আৰু দৃঢ়ভাবে কাৰিকৰী পাৰ-দর্শিতাত জোৰ দিব লাগে। আমি "বাটৰ অধিকাৰ" দিব লাগিব! যিয়েই নহওক, সাম্যবাদৰ বৈষয়িক আৰু কাৰিকৰী বুনিয়াদ কাৰিকৰী যোজনাবোৰত নির্ম্মাণ কৰা হৈছে। যিবোৰ কলকাৰখানা আজি কামত লগোৱা হৈছে সেইবোৰেই আৰু ১০।২০ বছৰ কাম কৰি থাকিব।

যি সকলে চানেকী প্রস্তুত কৰে তেওঁলোকেই শেহতীয়া বৈজ্ঞানিক আৰু কাৰিকৰী আৱিষ্কাৰৰ উন্নতিবোৰ যথাসময়ত নতুন যোজনাবোৰত পুৰাপুৰিকৈ সন্নিবিষ্ট কৰিব লাগিব। ওপৰৰপৰা কেন্দ্রীয়ভাৱে নতুন কাৰিকৰী পদ্ধতি প্রচলনৰ দিহা কৰাটোৰ আৰু তলৰ ফালৰপৰা দেশজুৰি

কাৰিকৰী উন্নতিৰ বাবে বিৰাট গণআন্দোলন সৃষ্টি কৰাটো অপৰিহাৰ্য্য কাম।

যিবোৰ শিল্পত নতুন কাৰিকৰী বিদ্যা আৰু নতুন ধৰণৰ উৎপাদনৰ সু-সমন্বয় হৈছে তেনেবোৰ শিল্পত বৈষয়িক আৰু নৈতিকভাৱে উৎসাহ দান কৰিব লাগে, আৰু পুৰণিক খামোছ মাৰি সংৰক্ষণশীল ধাৰণাত চলি থকা-বোৰতকৈ ইবোৰক আগশাৰীত ঠাই দিব লাগে। নতুন যন্ত্ৰপাতিৰ বিভিন্ন ধৰণৰ বস্তু তৈয়াৰ কৰা বিশেষ শিল্পবোৰৰপৰা সময়ৰ লগত মিলা, ঠিকমতে খাপখোৱা সহযোগিতা পাব লাগিব।

বৈজ্ঞানিক, চানেকী কৰোঁতা, কাৰিকৰ আৰু শ্ৰমিকসকলৰ চানেকী প্ৰস্তুত কৰা আৰু জৰীপ কৰা, পৰীক্ষাৰ বাবে নমুনা তৈয়াৰ কৰাৰপৰা, বিপুল উৎপাদনলৈকে সকলো ক্ষেত্ৰতে ওচৰ আৰু কাৰ্য্যকৰী সমন্বয় স্থাপন কৰাটোৰ বিশেষ আৱশ্যক আছে। শেহত, কাৰিকৰী যোজনাবোৰ, তাৰ অৰ্থনৈতিক পাৰদৰ্শিতাবোৰ—একেবাৰে নিৰ্ভুল প্ৰমাণিত হোৱাৰ পিছতহে ভাবি চিন্তি চাই তাক মঞ্জুৰ কৰা প্ৰয়োজন।

আমি বাহুল্য হোৱাৰ ভয় নাৰাখিও কব পাৰো, যে সাম্যবাদৰ লক্ষ্যত আমাৰ সমগ্ৰ আন্দোলন আৰু ছোভিয়েত জনগণৰ জীৱনৰ মান উন্নত কৰাৰ কৃতকাৰ্য্যতা—আমি কেনেকৈ নিৰ্মাণৰ কাম আগ বঢাওঁ, খৰচ কমাওঁ, তাৰ গুণগত উৎকৰ্ষতা সাধন কৰোঁ, মূলধন নিয়োগ আৰু উৎপাদনৰ সম্পদ কাৰ্য্যকৰী আৰু পাৰদৰ্শিতাৰে কৰোঁ আৰু যথাসম্ভৱ কিমান কম খৰচত যথাসম্ভৱ কিমান অধিক উৎপাদন কৰোঁ, তাৰ ওপৰতে অধিক নিৰ্ভৰ কৰে।

ইয়াৰ বাবে আঁচনি আৰু গণনকাৰ্য্য, ৰাজহুৱা নিয়ন্ত্ৰণ, সমাজবাদী অগ্ৰগতি আৰু সকলো উপায়ে প্ৰত্যেক কৰ্মীৰে, দলৰে, কাৰখানা আৰু ৱৰ্কছপৰে, শিল্প আৰু অৰ্থনৈতিক প্ৰশাসনীয় পৰিষদৰে কামত উৎসাহ দান আৰু নৱৰূপ দিবলৈ—আমি পুনৰগঠন কৰিব লাগিব—যাতে প্ৰত্যেক যন্ত্ৰ, আহিলাপাতি, আৰু সা-সঁজুলিৰপৰা সৰ্ব্বোচ্চ উৎপাদনৰ কাম আৰু যিমান

সম্ভৱ শীঘ্ৰে নিয়োজিত মূলধনৰ ফল পাব লাগিব। অসংখ্য যোজনাৰ মাজত, ইপিনে সিপিনে সিচঁৰতিকৈ আৰু "মেলাহিকৈ" আমাৰ সমলবোৰ পেলাই ৰখা ভুল-অভ্যাসটো নিৰ্ম্মূল কৰিব লাগিব। এই কথা মই কেন্দ্ৰীয় কমিটিৰ ৰিপৰ্টত কৈছোঁৱেই।

কেনেকৈ নিৰ্ম্মাণৰ কাম খৰতকীয়া কৰা যায়, নতুন শিল্প আৰম্ভ কৰা আৰু চলোৱা যায় সেই কথাৰ অলপো যদি অগ্ৰণী-ধনতান্ত্ৰিক নমুনাৰপৰা শিকোঁ, তাৰ পৰা আমাৰ একো অপকাৰ নহয়। লেনিনৰ দিনত লেনিনে কৈছিল যে আমি কেনেকৈ ব্যৱসায় কৰিব লাগিব তাকো শিকিব লাগিব। তাৰ পিছতো অনেক সলনি হৈ গ'ল। আমি গঠনকাৰ্য্যত আৰু পৰি-চালনাত বিস্তৰ অভিজ্ঞতা সঞ্চয় কৰিলো আৰু পুঁজিবাদতকৈ অতুলনীয় সুযোগৰ অধিকাৰী হলোঁইক।

আমি তথাপিও আমাৰ উপকাৰত অহা বিদেশৰ অভিজ্ঞতাক উপলুঙা কৰিব নালাগে আৰু পশ্চিমত পুঁজিৰপৰা ক্ৰমাগত আয় লাভ কৰা আৰু নিয়োজিত মূলধনৰপৰা বেছি কাম আদায় কৰাকে ধৰি, কাৰিকৰী আৰু সাংগঠনিক মূল্যবান কথাবোৰ সঠিকভাৱে গ্ৰহণ কৰিব লাগে।

সাম্যবাদ গঠনৰ কামত **উৎপাদনৰ গুণগত ক্ৰমোন্নতি** কৰাটো হল এটা প্ৰধান অৰ্থনৈতিক আৰু ৰাজনৈতিক কাম। "ছোভিয়েত মানেই সৰ্ব্বশ্ৰেষ্ঠ" বুলি প্ৰাক্ কংগ্ৰেছ কালত শ্লোগান আগবঢ়োৱা হৈছিল। সিয়েই আমাৰ প্ৰত্যেক শিল্প অনুষ্ঠানৰে পথনিৰ্দ্দেশক নীতি হব লাগে।

খছৰা কাৰ্য্যসূচীত এই ভাৱাদৰ্শ নিহিত আছে যে সুক্ষ্মাতিসূক্ষ্ম যন্ত্ৰপাতিৰে সুসজ্জিত উচ্চ উৎপাদনক্ষম আৰু বৈজ্ঞানিক পদ্ধতিৰে সংগঠিত শ্ৰমেই হল সাম্যবাদৰ লাই খুটা। সেই কাৰণেই **মানৱশক্তিৰ সংগত প্ৰয়োগ** হল আঁচনি আৰু পৰিচালনাৰ অত্যন্ত গুৰুত্বপূৰ্ণ কথা।

নতুন কাৰিকৰী বিদ্যাৰ ফলত সহায়ক আৰু পৰোক্ষ কামবোৰত নিয়োজিত লোকসকলকে ধৰি কেৱা নিযুতো মানুহে সকাহ পাব।

কৃষিতো বহুলোকে সকাহ পাব। পৰিচালনা, প্ৰশাসন আৰু অফিচ বন্ত্ৰও বহু পৰিমাণে সঙ্কুচিত হব। কেবা নিযুতো মাইকী মানুহে ঘৰৰ কামবপৰা ৰেহাই পাব। তেওঁলোকে জাতীয় অৰ্থনীতিত নিয়োজিত শ্ৰমজাৰী জনগণৰ দল সবল আৰু ডাঙৰ কৰিব। জনস্বাস্থ্য, শিক্ষা আৰু সংস্কৃতিৰ বিশাল উন্নতিৰ ফালৰপৰা চালে, এইবোৰত আৰু আন আন ফালে নিয়োজিত লোক-সংখ্যা কুৰি বছৰত প্ৰায় তিনিগুণ বাঢ়িব।

নিজ পছন্দ আৰু বৈষয়িক উদ্যমৰ নীতিত মানৱশক্তিৰ পৰিকল্পনা-প্ৰসূত পুনৰবণ্টন আৰু জনগণৰ প্ৰশিক্ষন আৰু পৰিবৰ্দ্ধিত পাঠ্যক্ৰম সমগ্ৰ দেশজুৰি প্ৰচলন কৰিব লাগিব। নতুন অঞ্চলবোৰতো কৰ্ম-উদ্দীপনা সৃষ্টি কৰিবৰ কাৰণে জীৱন ধাৰণৰ আৰু সাংস্কৃতিক উপযুক্ত পৰিৱেশৰ সৃষ্টি কৰিব লাগিব।

আঁচনি চলাই ৰখাৰ বাবে ক্ৰমবৰ্দ্ধমান হাৰত গঠনৰ কাম আৰু বিপুল হাৰত কাৰিকৰী ক্ষেত্ৰ উন্নত কৰি ৰখাৰ প্ৰয়োজন। সুদূৰপ্ৰসাৰী উন্নয়নৰ কথা পুঙ্খানুপুঙ্খৰূপে বিবেচনা নকৰাকৈ বছৰেকৰ বাবে উৎপাদন, যন্ত্ৰপাতি, মূলধন বা শ্ৰমনিয়োগৰ আঁচনি কৰাটো আজিৰ যুগত একেবাৰেই সম্ভৱ নহয়।

বছৰেকীয়া প্ৰত্যেকখন আঁচনি—কেবাবছৰীয়া দীঘলীয়া আঁচনিৰ অঙ্গ-বিশেষ। একে সময়তেই, কৰলৈ গলে "মাটিৰ লগত মিলাই" বছৰেকীয়া আঁচনিবোৰৰ দ্বাৰা প্ৰকৃত কৃতকাৰ্য্যতাৰ হিছাপ লৈ দীঘলীয়া আঁচনিৰ ত্ৰুটি সংশোধন কৰা আৱশ্যক।

সাম্যবাদ গঠনৰ সময়ত, কেন্দ্ৰীয় আঁচনিৰ সকলো দিশৰে আৰু আমাৰ অৰ্থনীতিৰ সকলো শাখাৰে সমন্বয়ৰ ভূমিকা বাঢ়িছে। ৰাষ্ট্ৰৰ প্ৰয়োজনৰ বাবে আগ ঠাই দিয়া, কোনো বাদ নপৰাকৈ সকলো ঠাইতে অৰ্থনীতিৰ ক্ৰিয়াকলাপত ৰাষ্ট্ৰীয় শৃঙ্খলা ৰক্ষা, স্থানীয় সঙ্কীৰ্ণ স্বাৰ্থান্ধতা আৰু সংকীৰ্ণ বিভাগীয় ধাৰণাক দৃঢ়ভাৱে নিৰ্ম্মূল কৰাটো সাম্যবাদৰ অগ্ৰগতিৰ অতি দৰকাৰী ব্যৱস্থা।

ৰাষ্ট্ৰৰ কেন্দ্ৰীকৃত পৰিচালনাৰ লগত লগ লাগি সকলো-ফালৰপৰা অৰ্থনৈতিক পৰিচালনাৰ গণতান্ত্ৰিক ভিত্তি উন্নত কৰাৰ যে লেনিনীয় পন্থা তাক খছৰা কাৰ্য্যসূচীত পৰিষ্কাৰভাৱে দিয়া আছে। ৰাষ্ট্ৰৰ কেন্দ্ৰীকৃত প্ৰশাসনে জনগণৰ সৃজনশীল উদ্যমৰপৰা শিক্ষা গ্ৰহণ কৰিব লাগিব আৰু তাক আগতকৈও বেছি সুযোগ দিব লাগিব। ইয়াকে কৰিব লাগিলে স্থানীয় নিকায় আৰু উদ্যোগবোৰৰ দায়িত্ব আৰু পৰিচালনাৰ দায়িত্ব ক্ৰমশঃ বেছি ব্যাপক কৰিব লাগিব।

বিশেষকৈ, প্ৰাথমিক স্তৰত থকা ট্ৰেড ইউনিয়ন আৰু আন আন সামাজিক সংগঠনবোৰৰ ভূমিকা আৰু অধিকাৰ অতি বেছিকৈ বঢ়াব লাগিব। বিষয়াসকলে আৰু ব্যাপকভাৱে সক্ৰিয় হৈ শিল্পোদ্যোগ পৰিচালনাত কাম কৰিব লাগিব।

সাম্যবাদ গঠনৰ গোটেই কালছোৱাতেই আমাৰ নীতি আৰু পথ হব বৈষয়িক আৰু নৈতিক মনোবলৰ উপযুক্ত সমন্বয় সাধন কৰা।

যেতিয়ালৈ আমাৰ সমাজ সমাজবাদী অৱস্থাত আছে, তেতিয়ালৈকে আমি শ্ৰম অনুপাতে বিতৰণ, পণ্য-মুদ্ৰা দাম, লাভ বা ঋণ আদিৰ সংজ্ঞা এৰি দিব নোৱাৰোঁ। আমাৰ দেশত এই অৰ্থনৈতিক আহিলাবোৰত সমাজবাদী সত্ত্বা আছে আৰু ইবোৰে সাম্যবাদ গঠনৰ কাম কৰিছে। যেতিয়া সাম্যবাদ প্ৰতিষ্ঠা হব, এইবোৰ পুৰণিকলীয়া হৈ পৰিব আৰু পোনপটীয়া মূল্যাঙ্কন আৰু সামাজিক শ্ৰমৰ বিতৰণৰ উচ্চতৰ অৰ্থনৈতিক সংজ্ঞাই সেইবোৰৰ ঠাই লব।

সাম্যবাদ গঠন কৰাৰ কালছোৱাত সকলো আৰ্থিক আৰু ঋণ আদিৰ মূল কথাবোৰ, আৰ্থিক-নিয়ন্ত্ৰণ, দাম আৰু লাভ এইসকলোবোৰ উন্নত কৰিব লাগিব আৰু বহুলভাৱে ব্যৱহাৰত লগাব লাগিব। আমি লাভ আৰু লাভজনক কামৰ আৱশ্যকতা বঢ়াব লাগিব। যাতে শিল্প অনুষ্ঠান-বোৰে সিবিলাকৰ যোজনা পৰিপূৰণ কৰিব পাৰে, তাৰ বাবে লাভৰ

ব্যৱহাৰ কৰাৰ সুযোগ দি তাৰ যোগেদি কৰ্মীবোৰক ভাল কাম কৰিবলৈ আৰু উৎপাদন বৃদ্ধি কৰিবলৈ উৎসাহ দিব লাগিব।

অকল নিজৰ ব্যক্তিগত শ্ৰমৰ প্ৰতিয়েই নহয় সামূহিক শ্ৰমৰ প্ৰতিও প্ৰত্যেক কৰ্মীকে বাস্তৱভাবে অনুপ্ৰাণিত কৰিবলৈকে আমি সমূহীয়া উদ্যম পদ্ধতি বাহিৰ কৰি তাৰ প্ৰচলন কৰাটো অতিশয় আৱশ্যক।

কমৰেডসকল, অহা কুৰি বছৰৰ কাৰণে দেশৰ উৎপাদিকা শক্তিবোৰৰ উৎকৰ্ষ সাধনৰ আঁচনি সঁচাকৈয়ে চিত্তাকৰ্ষক। ই কেৱল কয়লা, তীখা তেল, খাদ্যশস্য মঙহ আৰু গাখীৰৰ বৰ্দ্ধিত বিৰাট উৎপাদনৰ পৰিসংখ্যাকে নদৰ্শায়। এই বিশাল পৰিকল্পনাই এনে এখন সমাজ সৃষ্টি কৰাৰ কথা সূচায়—যি সমাজত সমগ্ৰ জনগণৰ বাবে জীৱনধাৰণৰ উন্নত মান থাকিব।

এনে এটা চিত্তাকৰ্ষক লক্ষ্যত উপনীত হবৰ কাৰণে জীয়াই থাকিবলৈ, কাম কৰিবলৈ আৰু সংগ্ৰাম কৰিবলৈ পোৱাটো সঁচাকৈয়ে গৌৰৱৰ কথা। সাম্যবাদ গঢ়ি তোলাৰ সাধাৰণ লক্ষ্যত উপনীত হবৰ কাৰণে সংগ্ৰাম সংগঠিত কৰাতকৈ আমাৰ পাৰ্টি, ট্ৰেড ইউনিয়ন আৰু সাম্যবাদী যুৱসংঘ (কমছোমল)ৰ কাৰণে অধিক উদ্দেশ্যমূলক, অধিক আকৰ্ষণীয় আৰু অধিক মহান কাম একোৱেই নাই।

॥ চাৰি ॥

সাম্যবাদী সামাজিক সম্পৰ্কৰ উন্নতি সাধন আৰু নতুন মানুহ গঢ়া

কমৰেডসকল : সাম্যবাদলৈ ৰূপান্তৰ হওঁতে উৎপাদিকা শক্তিসমূহৰ সৰ্বাঙ্গীন বিকাশৰ লগে লগে ধীৰে ধীৰে সমাজবাদী সামাজিক সম্পৰ্ক সাম্যবাদী সামাজিক সম্পৰ্কলৈ পৰিণত হব। সাম্যবাদী অৰ্থনীতিৰ প্ৰতিষ্ঠা, সামাজিক সম্পৰ্কৰ বিকাশ সাধন আৰু নতুন মানুহ গঢ় দিয়া এই আটাইবোৰ প্ৰক্ৰিয়াই ওতঃপ্ৰোতভাৱে জড়িত। সামাজিক সম্পৰ্ক আৰু মানুহৰ চেতনাৰ পৰিবৰ্তন সাধনৰ মূল ভিত্তি হল অৰ্থনীতি ; আনহাতেদি সামাজিক সম্পৰ্কৰ অগ্ৰগতি, সাম্যবাদী আদৰ্শৰ প্ৰতি দৃঢ় বিশ্বাস, সংস্কৃতি আৰু জনসাধাৰণৰ সক্ৰিয়তা বৃদ্ধিয়েই হৈছে অৰ্থনৈতিক উন্নতিৰ অতি প্ৰয়োজনীয় কথা।

১। ছোভিয়েত ইউনিয়নত শ্ৰেণীহীন সমাজ গঠন।

ছোভিয়েত ইউনিয়নৰ উন্নতিয়ে এতিয়া এটা ঐতিহাসিক যুগত ভৰি দিলেহি ; স্বাধীন আৰু ৰাজনৈতিক চেতনাসম্পন্ন শ্ৰমজীৱী মানুহৰ এখন শ্ৰেণীবিহীন সমাজ নিৰ্মাণ কৰাৰ কথা এতিয়া পোনপটীয়াকৈ আহিছে।

ছোভিয়েত সমাজে অভিজ্ঞতাৰ অমূল্য সম্পদ আহৰণ কৰিছে : এই অভিজ্ঞতাই মাৰ্কস্‌বাদী লেনিনবাদী সিদ্ধান্তসমূহৰ সত্যতা নিৰূপণ কৰি সঁকিয়াই দিছে যে বিভিন্ন শ্ৰেণী সমূহ আৰু শ্ৰেণীবিভেদ বিলোপ কৰা এতিয়া প্ৰয়োজন।

প্ৰথমতে, **মানুহে মানুহৰ ওপৰত কৰা আৰ্থিক শোষণৰ ভেটি হ'ল শোষক শ্ৰেণীৰ, জমিদাৰ আৰু পুঁজিপতিৰ শাসন; আমাৰ দেশেত অক্টোবৰ বিপ্লৱৰ ফলত এই শাসন উচ্ছেদ হ'ল; উৎপাদন উপকৰণৰ ওপৰত ব্যক্তিগত অধিকাৰ লোপ পালে।** মাটি আৰু পুঁজিবাদী সম্পত্তিবোৰ জাতীয়কৰণ কৰা হ'ল; পুঁজিবাদীসকলৰ ওপৰত বাধা আৰোপ কৰা হ'ল আৰু তেওঁলোকক উচ্ছেদ কৰা হ'ল।

দ্বিতীয়তে, **ক্ষুদ্ৰাকাৰ ব্যক্তিগত পণ্য উৎপাদনক বিৰাট আকাৰৰ সমবায় কৃষি অৰ্থনীতিলৈ পৰিবৰ্তন কৰা হ'ল; দেশত একমাত্ৰ সমাজতান্ত্ৰিক অৰ্থনীতি গঢ়ি তোলা হ'ল। শোষক শ্ৰেণীৰ অৱশিষ্ট কুলাক শ্ৰেণীকো উচ্ছেদ কৰা হ'ল।** গাঁও অঞ্চলত সমবায় কৃষি পাম খুলি এই কাম সমাধা কৰা হ'ল। ক্ষুদ্ৰ উদ্যোগ-বোৰ সমবায়ৰ জৰিয়তে একেলগ কৰা হ'ল আৰু শ্ৰেণী হিচাপে কুলাক শ্ৰেণীক বিলোপ কৰা হ'ল।

তৃতীয়তে, শ্ৰমিক আৰু কৃষকৰ মাজত থকা শ্ৰেণীগত পাৰ্থক্যবোৰ নাইকিয়া কৰা হ'ল। নগৰ আৰু গাঁৱৰ মাজত থকা পাৰ্থক্যখিনি নাইকিয়া কৰা হ'ল আৰু শাৰীৰিক আৰু মানসিক শ্ৰমক সমমৰ্য্যাদা দিবৰ বাবে আৱশ্যকীয় অৱস্থাৰ সৃষ্টি কৰা হ'ল। এই তৃতীয় কামটো কেনেকৈ সমাধা কৰা হ'ল? উৎপাদিকা শক্তিৰ দ্ৰুত বিকাশৰ ওপৰতেই আমাৰ অগ্ৰগতিৰ অৰ্থাৎ শ্ৰেণীহীন সমাজ প্ৰতিষ্ঠাৰ কথাটো জড়িত আছে—এই কথাটো আমি সকলোৱেই বুজিছো। এইটো নিশ্চিত যে উচ্চ-স্তৰৰ উৎপাদিকা শক্তি, উৎপাদনৰ সমাজবাদী সম্পৰ্কই শ্ৰমজীৱী মানুহৰ মাজত থকা প্ৰভেদবোৰ লাহে লাহে মুচি পেলাইছে।

কমৰেডসকল, এই কথাটো আমি অকল তত্বৰপৰাই শিকা নাই; বাস্তৱ অভিজ্ঞতাৰপৰাও শিকিছো। যন্ত্ৰপাতিৰ ব্যাপক প্ৰয়োগ আৰু বৈদ্যুতিক শক্তি ব্যৱহাৰ কৰাৰ ফলত আমাৰ খেতিয়কসকলৰ শ্ৰমৰ লাঘৱ

হৈছে ; আৰু তেওঁলোকৰ সাধাৰণ কামকাজৰো পৰিবৰ্ত্তন হৈছে। ধীৰে ধীৰে তেওঁলোকে শিল্পৰ শ্ৰমিকসকলৰ দৰেই কাৰিকৰী জ্ঞান লাভ কৰিছে।

সমগ্ৰ জনসাধাৰণৰ সম্পত্তি অৰ্থাৎ জাতীয় সম্পত্তিয়েই হৈছে আমাৰ দেশৰ সমগ্ৰ জনসাধাৰণৰ জীৱন নিৰ্ব্বাহৰ ভিত্তি। ইয়াৰ ভিতৰত সমবায় কৃষি পামৰ খেতিয়কসকলো অন্তৰ্ভুক্ত। ঠিক একেলগে আন জাতীয় সম্পত্তিৰ বিশিষ্ট লক্ষণবিলাক সমবায়ৰ মাজতো শিপাই পৰিছে। জীৱনেই জাতীয় সম্পত্তি আৰু সমবায় সম্পত্তিবিলাকক ওচৰ চপাই আনিছে। ইয়েই অৱশেষত এটা মাত্ৰ সাম্যবাদী সম্পত্তি আৰু এটা মাত্ৰ সাম্যবাদী বিতৰণ নীতিৰ ফালে পৰিচালিত কৰি লৈ যাব।

সাম্যবাদী নিৰ্মাণ প্ৰক্ৰিয়া আৰু উৎপাদন কৌশলৰ ব্যাপক পৰিবৰ্তনৰ ফলত আৰু পৰিশ্ৰমৰ ৰূপ সলনি হোৱাৰ বাবে এটা অতি গুৰুত্বপূৰ্ণ সামাজিক সমস্যা সমাধানৰ উপায় উদ্ভৱ হৈছে, সেইটো হৈছে শাৰীৰিক আৰু মানসিক শ্ৰমৰ অন্তৰ্নিহিত প্ৰভেদবোৰ বিলোপ কৰা। আমাৰ দৈনন্দিন জীৱনত এই প্ৰক্ৰিয়াবোৰ আমি দেখিয়েই আছো। মাধ্যমিক শিক্ষা শেষ কৰা লাখ লাখ মানুহে আমাৰ শিল্প প্ৰতিষ্ঠান, সমবায় আৰু ৰাষ্ট্ৰীয় কৃষি-পামবিলাকত কাম কৰিব লাগিছে। আজিৰ সময়ত হেজাৰ হেজাৰ শ্ৰমিক আৰু সমবায় কৃষি-পামৰ খেতিয়কসকলে উচ্চ শিক্ষা লবই লাগিছে।

শ্ৰমিকৰ পৰিশ্ৰম ক্ৰমে ইঞ্জিনিয়াৰৰ কামৰ নিচিনা হ'বলৈ ধৰিছে। উদাহৰণস্বৰূপে ফ'ৰমেনৰ কথাই ধৰক। নিঃসন্দেহে তেওঁক ইঞ্জিনিয়াৰ অৰ্থাৎ বুদ্ধিজীৱীৰ শাৰীত ধৰিব পাৰি। তথাপিও তেওঁ এজন শ্ৰমিক ; বা উৎপাদন বৃদ্ধি কৰিবলৈ নতুন কৌশল উদ্ভাৱন কৰা শ্ৰমজীৱীসকললৈ মন কৰক। কাৰিকৰী উন্নতিৰ বাবে তেওঁলোকে যিখিনি সৃষ্টিমূলক বৰঙণি যোগাইছে সেয়া বিশেজ্ঞৰ কামৰহে সমকক্ষ। সমবায় কৃষি, আগৰণুৱা কৰ্মীসকলৰ ক্ষেত্ৰটো সেই একে কথাই খাটে। এই কৰ্মীসকল কৃষিৰ ক্ষেত্ৰৰ যেনিবা একো একোজন স্বনামধন্য অধ্যাপকহে।

সম্প্ৰতি শ্ৰেণীৰ প্ৰভেদ লোপ কৰিবলৈ হাতত লোৱা কাৰ্য্যই চিৰদিনৰ কাৰণে সমাজৰ অধিক এককতা (homogeneity) আনিব। এইটো সচা কথা—এই প্ৰচেষ্টা বৰ মহৰ গতিৰ আৰু ই দীঘলীয়া প্ৰচেষ্টা। আমি সকলোৱেই এই কথাৰ গম ধৰিব পাৰোঁ। পূৰ্ণ সাম্যবাদী সমাজ এখন প্ৰতিষ্ঠা নোহোৱালৈকে শ্ৰেণী বিভেদ সম্পূৰ্ণ বিলোপ কৰিব কেতিয়াও নোৱাৰি।

এই প্ৰচেষ্টাৰ লগে লগে ইয়াৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ থকা কথাবোৰ হল—সাম্যবাদী সমতাৰ উত্তৰ, উৎপাদনৰ সকলো আহিলাৰ বাবে সমাজৰ সকলো মানুহলৈকে সমানে হোৱা মুক্তপথ ; বিতৰণত সম্পূৰ্ণ সমতা ব্যক্তি আৰু সমাজক এক কৰি ব্যক্তিগত আৰু সামাজিক স্বাৰ্থৰ এক জীৱন্ত সূত্ৰত গাঁথি পেলোৱা। এইদৰেই শ্ৰেণীবিহীন সাম্যবাদী সমাজ মানৱজাতিৰ সৰ্ব্বশ্ৰেষ্ঠ সংগঠনত পৰিনত হ'ব।

২। শ্ৰমিক শ্ৰেণীৰ একনায়কত্বৰ ৰাষ্ট্ৰৰপৰা সমগ্ৰ জনসাধাৰণৰ ৰাষ্ট্ৰলৈ

পাৰ্টিয়ে খচৰা কৰ্মসূচীত সাম্যবাদী তত্ত্ব আৰু কাৰ্য্যৰ এটি অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন আৰু তাৰ সমাধান দাঙি ধৰিছে ; সেযা হৈছে শ্ৰমিক-শ্ৰেণীৰ একনায়কত্বক সমগ্ৰ জনসাধাৰণৰ ৰাষ্ট্ৰলৈ উন্নয়ন ; আৰু সাম্যবাদৰ অধীনত এই ৰাষ্ট্ৰৰ উদ্দেশ্য, ভৱিষ্যত ইত্যাদি। **সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ বিকাশৰ ক্ষেত্ৰত সমগ্ৰ জনসাধাৰণৰ ৰাষ্ট্ৰ এটি নতুন স্তৰ ; সমাজবাদী ৰাষ্ট্ৰৰপৰা সাম্যবাদী গণ স্ব-শাসনলৈ ৰূপান্তৰ হোৱাৰ পথত ই এক অত্যন্ত গুৰুত্বপূৰ্ণ পৰ্য্যায়।**

প্ৰায় অৰ্দ্ধ শতিকাৰ আগেয়ে আমাৰ কৰ্মসূচীত মাৰ্ক্সবাদ-লেনিনবাদৰ নিৰ্দ্দেশিত "শ্ৰমিক শ্ৰেণীৰ একনায়কত্বক" আমাৰ পাৰ্টিয়ে স্থান দিয়ে। সেই সময়ত অকল আমাৰ পাৰ্টিৰ কৰ্মসূচীতহে শ্ৰমিক শ্ৰেণীৰ একনায়কত্বৰ কথা দেখিবলৈ পোৱা গৈছিল। এই শ্ৰমিক শ্ৰেণীৰ একনায়কত্বৰ বলতেই

আমি দেশী-বিদেশী সকলোবিলাক প্রতিক্রিয়াশীল আক্রমণকাৰীৰ তয়াময়া আক্রমণত টিকি থাকিব পাৰিলো, যুগ যুগ ধৰি মানুহে যি সমাজতন্ত্ৰৰ বাবে হেপাহ কৰি আছিছিল সেই সমাজতন্ত্রক বাস্তৱত পৰিণত কৰিব পাৰিছিলো। সেইবাবেই আমি "শ্রমিক শ্রেণীৰ একনায়কত্ব"ৰ সূত্ৰৰ ওচৰত নতি স্বীকাৰ কৰিছো, কিয়নো এই শ্রমিক শ্রেণীৰ একনায়কত্বৰ বলতেই আমাৰ সমাজৰ পৰিবৰ্তন হ'ল, শ্রমিক শ্রেণীৰ একনায়কত্বৰ ৰাষ্ট্র এখনৰ প্রতিষ্ঠা হ'ল।

ছোভিয়েত ইউনিয়ন আৰু জনগণতান্ত্রিক দেশবোৰৰ অভিজ্ঞতাই মার্ক্স-বাদী লেনিনবাদী তত্ত্বৰ সত্যতা প্রমাণ কৰিছে। সেই সত্যতা হ'ল এই যে একমাত্র শ্রমিক শ্রেণীৰ একনায়কত্বৰ বলতহে সমাজতন্ত্ৰৰ বিজয় সম্ভৱপৰ হয়।

পুঁজিবাদী আৰু শ্রমিকৰ মাজত হোৱা শ্রেণী সংগ্ৰামৰ ফলত উদ্ভৱ হোৱা কাৰণবিলাকৰপৰাই "শ্রমিক শ্রেণীৰ একনায়কত্ব"ই জন্ম লাভ কৰিছে। ইয়াৰ প্রতিষ্ঠাৰ কালছোৱাত সমাজতন্ত্ৰই অতি কঠোৰ আৰু তিক্ত প্রতিৰোধ অতিক্রম কৰিব লগা হৈছিল, গোটেই বিশ্বৰ প্রতিক্রিয়াশীল পুঁজিবাদী-বিলাকে এই প্রতিৰোধৰ গুৰি ধৰিছিল। কমৰেডসকল। এবাৰ মনত পেলাওক—কেনেকৈ গোটেই বিশ্বৰ প্রতিক্রিয়াশীলবিলাকৰ সমর্থন পাই আমাৰ দেশৰ পুঁজিবাদী আৰু জমিদাৰবিলাকে আমাৰ বিৰুদ্ধে যুঁজিছিল—সেই কথা। মাত্র কেইবছৰমানৰ আগতে ঘটা এটা ঘটনালৈ আঙুলিয়াই দেখুৱাব পাৰি। সেয়া ১৯৫৬ চনৰ হাঙ্গেৰিৰ প্রতিবিপ্লৱী বিদ্রোহ। ইয়াৰপৰাই যথেষ্ট প্রমাণ পাব পাৰি যে সমাজতন্ত্রলৈ ৰূপান্তৰ হোৱা কাল-ছোৱাত শোষক শ্রেণীৰ প্রতিৰোধ ওফোৰাই দিবলৈ শ্রমিক শ্রেণীৰ হাতত যথেষ্ট কর্তৃত্ব থাকিব লাগিব। বিপ্লৱৰ বিজয় সুদৃঢ় কৰিব পাৰিব লাগিব। পুঁজিবাদী শাসন ব্যৱস্থা পুনৰ প্রতিষ্ঠা কৰিবলৈ কৰা সকলো অপচেষ্টা ঠিক সময়ত নির্মূল কৰি দিব পাৰিব লাগিব। বিশ্বৰ প্রতিক্রিয়াশীলবিলাকে

কৰা নিষ্ঠুৰ আক্ৰমণৰ বিৰুদ্ধে আত্মৰক্ষাৰ শক্তিশালী ব্যৱস্থা কৰিব লাগিব।

এই কথাটো জোৰ দিয়েই ক'ব লাগিব যে শ্ৰমিক-শ্ৰেণীয়ে একমাত্ৰ পুঁজিবাদী, জমিদাৰ আৰু সিহঁতৰ ৰক্ষকসকলৰ বাহিৰে আন কাৰো ওপৰত কেতিয়াও দমন নীতি প্ৰয়োগ নকৰে। এই দমননীতি শ্ৰমজীৱী শ্ৰেণীৰ ওপৰত কোনো কালে প্ৰয়োগ কৰা নহয়। একমাত্ৰ এই কথাটোৱেই শ্ৰমিক শ্ৰেণীৰ নিজা গণতান্ত্ৰিক বৈশিষ্ট্য নিৰ্দ্ধাৰণ কৰে। পুঁজিবাদী ৰাষ্ট্ৰত ব্যাপক-সংখ্যক জনসাধাৰণৰ ওপৰত মুষ্টিমেয় পুঁজিপতিৰ একনায়কত্ব চলে, কিন্তু শ্ৰমিক শ্ৰেণীৰ পৰিচালিত ৰাষ্ট্ৰত সমাজৰ বিৰাট সংখ্যক জনসাধাৰণৰ স্বাৰ্থ পূৰণ হয়। শ্ৰমিক শ্ৰেণীয়ে কৃষক শ্ৰেণীকে আদি কৰি সমাজৰ সকলো শ্ৰমজীৱী অংশকে নেতৃত্ব কৰে, শ্ৰমিক শ্ৰেণীৰ বন্ধু সকলোৱেই এক পথৰ পথিক। শ্ৰমিক শ্ৰেণীয়ে এইদৰে সকলো শ্ৰমজীৱী শ্ৰেণীকে নিজ অভিৰুচি অনুসৰি সমাজতন্ত্ৰৰ পথত আগ বঢ়াই লৈ যায়। এই কৰ্তৃত্ব শ্ৰমিক শ্ৰেণীৰ ক্ষমতাৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য, এই শ্ৰমিক শ্ৰেণীৰ নেতৃত্ব পুঁজিবাদী নেতৃত্বৰপৰা সম্পূৰ্ণ বেলেগ, কিয়নো পুঁজিবাদী ৰাষ্ট্ৰই শোষণ আৰু শাসনৰ বাহিৰে আন একো চিনি নেপায়।

লেনিনে আমাক শিকাইছে যে সমাজতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ আৰু মানুহে মানুহৰ ওপৰত কৰা শোষণৰ অন্ত পেলাবলৈ হ'লে শ্ৰমিক শ্ৰেণীৰ একনায়কত্বৰ প্ৰয়োজন হ'ব। লেনিনে কৈছিল—"এই লক্ষ্যত একে-দিনাই উপনীত হ'ব নোৱাৰি। পুঁজিবাদৰপৰা সমাজতন্ত্ৰলৈ ৰূপান্তৰ হ'বলৈ যথেষ্ট দিন লাগিব, কিয়নো উৎপাদন-পদ্ধতিৰ পুনৰ্গঠন কৰা এটা কষ্টকৰ কাম। আৰু জীৱনৰ সকলো পৰ্য্যায়তে বৈপ্লৱিক ৰূপান্তৰ আনিবলৈ যথেষ্ট সময়ো লাগিব। মধ্যবিত্ত-সুলভ স্বভাৱ আৰু ধাৰণাই মানুহৰ মনত দকৈ খোপনি পুতি আছে; আৰু পুঁজিবাদী অৰ্থনীতিয়েও কেয়োপিনে সমাজক ছাটি আছে। এইবোৰ ধ্বংস কৰিবলৈ আপোচহীন অবিৰাম

সংগ্ৰামৰ প্ৰয়োজন। এই কাৰণেই মাৰ্ক্সে কৈছিল যে ধনতন্ত্ৰৰপৰা সমাজতন্ত্ৰলৈ ৰূপান্তৰ হোৱা গোটেই কালছোৱাৰ বাবেই শ্ৰমিক-শ্ৰেণীৰ একনায়কত্ব প্ৰয়োজন।"*

মাৰ্ক্‌স্ আৰু লেনিনৰ সিদ্ধান্ত অনুসৰি পুঁজিবাদৰপৰা সমাজতন্ত্ৰলৈ ৰূপান্তৰৰ কালছোৱাত শ্ৰমিকশ্ৰেণীৰ একনায়কত্বৰ ৰাষ্ট্ৰ প্ৰতিষ্ঠা হ'ল।

এটা কথা সঁচা হৈছে। আমাৰ দেশৰ সমাজতন্ত্ৰৰ বিজয় শেষবাৰৰ কাৰণে সম্পূৰ্ণ হৈছে। এতিয়া আমি পূৰ্ণ-পয়োভৰে সাম্যবাদৰ নিৰ্ম্মাণৰ কালত ভৰি দিলোঁহি। যিবিলাক কাৰণৰ নিমিত্তে শ্ৰমিক-শ্ৰেণীৰ একনায়কত্বৰ প্ৰয়োজন হৈছিল সেই কাৰণবোৰ এতিয়া লোপ পাইছে। ইয়াৰ দেশীয় প্ৰয়োজন পৰিপূৰ্ণ হ'ল।

মানৱ জাতিৰ বুৰঞ্জীত শ্ৰমিক শ্ৰেণীয়েই একমাত্ৰ শ্ৰেণী যি চিৰদিনলৈ ৰাজদণ্ড হাতত লৈ থাকিবলৈ নিবিচাৰে। যেতিয়াই শ্ৰমিকশ্ৰেণীৰ একনায়কত্বৰ সংস্থাবোৰ নাইকিয়া হৈ যায়, যেতিয়াই শ্ৰমিকশ্ৰেণীৰ সহায়ত কৰিবলগা কামবোৰ নিষ্পত্তি হৈ যায়, তেতিয়াই ৰাষ্ট্ৰই ক্ৰমে শ্ৰমিকশ্ৰেণীৰ নেতৃত্বত চূড়ান্ত উন্নতিৰ শিখৰলৈ উঠি গোটেই সমাজতন্ত্ৰবাদী সমাজৰ শ্ৰমজীৱী মানুহৰ সৰ্বাত্মক সংগঠনত পৰিণত হয়।

এতিয়া সমাজতন্ত্ৰৰ বিজয় সম্পূৰ্ণ হ'ল। আমাৰ দেশে এতিয়া সাম্যবাদী নিৰ্ম্মাণৰ যুগত ভৰি দিলেহি। আমাৰ দেশৰ শ্ৰমিক শ্ৰেণীয়ে এতিয়া নিজৰ উদ্যোগতেই সাম্যবাদী নিৰ্ম্মাণ-কাৰ্য্যৰ লগত সঙ্গতি ৰাখি শ্ৰমিক শ্ৰেণীৰ একনায়কত্বক সমগ্ৰ জনসাধাৰণৰ ৰাষ্ট্ৰলৈ পৰিবৰ্ত্তন কৰিব খুজিছে। কমৰেড-সকল। এই কাম পৃথিৱীৰ ইতিহাসত অভূতপৰ্ব্ব। এতিয়ালৈকে সকলোবিলাক ৰাষ্ট্ৰই যেই কোনো এটা শ্ৰেণীৰ দ্বাৰাহে একনায়কত্বৰ ক্ৰীড়নকৰূপে পৰিচালিত হৈছিল। ইতিহাসত এই পোণ প্ৰথমবাৰ আমাৰ দেশত এনে এখন

* লেনিনৰ গ্ৰন্থাৱলী, ৪ৰ্থ ৰুছ-সংস্কৰণ, ২৯ খণ্ড, পৃষ্ঠা ৩০৮।

ৰাষ্ট্ৰই গঢ় লবলৈ ধৰিছে যিখন ৰাষ্ট্ৰ কোনো এক শ্রেণীৰ দ্বাৰা অকলে পৰিচালিত নহয়। এই ৰাষ্ট্ৰ সমগ্র সমাজৰ ৰাষ্ট্ৰযন্ত্র আৰু সমগ্র জনসাধাৰণৰ ৰাষ্ট্ৰ।

সাম্যবাদী নিৰ্ম্মাণ-কাৰ্য্যৰ বাবে আৰু শ্রমিক-শ্রেণীৰ একনায়কত্বৰ প্রয়োজন নাই। আমাৰ দেশৰ সকলো শ্রমজীৱী জনসাধাৰণেৰই সমান অধিকাৰ আছে। নিশ্চয়কৈ ক'বলৈ গ'লে এতিয়াও শ্রমিক শ্রেণীয়েই সমাজত আগৰণুৱা হৈ থাকিব। সাম্যবাদী নিৰ্ম্মাণ-কাৰ্যতো শ্রমিক শ্রেণীয়েই আগভাগ লব। শ্রমিকশ্রেণীৰ এই ভূমিকা চলিয়েই থাকিব; কিয়নো শ্রমিক শ্রেণীয়েই হৈছে সমাজত আটাইতকৈ আগবঢ়া শ্রেণী, ই সুসংগঠিত আৰু কল-কাৰখানা শিল্প আদিত জড়িত থকাৰ বাবে সাম্যবাদী আদৰ্শৰ শ্রমিক শ্রেণীয়েই হৈছে সৰ্ব্বশ্রেষ্ঠ বাহক।

শ্রমিক শ্রেণীৰ একনায়কত্বই সমাজৰ বিৰাট সংখ্যক জনসাধাৰণৰ স্বাৰ্থ পূৰণ কৰে। এই শ্রমিক শ্রেণীৰ একনায়কত্বৰ পৰা সমগ্র জনসাধাৰণৰ ৰাষ্ট্ৰক পৃথক কৰিব খুজিলে ভুল কৰা হ'ব। শ্রমিক শ্রেণীৰ একনায়কত্বত জন্মৰ দিন ধৰি আজিলৈকে সাৰ্ব্বজনীন সমাজতন্ত্রবাদী গণতন্ত্রৰ সকলোবোৰ উজ্জ্বল দিশ নিহিত আছে। সমাজতন্ত্রৰ অগ্রগতিৰ লগে লগে এই উজ্জ্বল দিশবোৰ জিলিকি পৰিছে; আৰু সমাজতন্ত্রৰ সম্পূৰ্ণ বিজয়ৰ পিছত ই সম্পূৰ্ণ নিৰ্দ্ধাৰিত হৈছে।

ৰাষ্ট্ৰই শ্রেণী-শোষণৰপৰা ক্রমোন্নতি কৰি এতিয়া সমগ্র জনসাধাৰণৰ ইচ্ছা আকাঙ্ক্ষাক ৰূপ দিয়া সংগঠনত পৰিণত হৈছে।

শ্রমিক শ্রেণীৰ একনায়কত্বৰপৰা সমগ্র জনসাধাৰণৰ ৰাষ্ট্ৰলৈ বিৱৰ্ত্তিত হওঁতে আমাৰ সমাজ আৰু ৰাষ্ট্ৰৰ বলশক্তি কেতিয়াও নকমে বৰঞ্চ ক্রমে বৃদ্ধিহে হৈ যায়; কিয়নো পূৰণিৰ লগতে আজিৰ নতুন উৎসও আবিৰ্ভাব হয়। বিপুল অৰ্থনৈতিক সম্ভাৱনাৰ লগতে আমাৰ ৰাষ্ট্ৰৰ সামাজিক ভিত্তি বেছি শক্তিশালী হৈছে, আৰু আগতকৈয়ো ইয়াৰ পৰিসৰ বাঢ়িছে; আগেয়ে কোনোকালে নোহোৱা আমাৰ সমাজখন আৰু বেছি একতাবদ্ধ আৰু

একে ধাতুৰ হৈছে। ইয়াতেই আমাৰ ৰাষ্ট্ৰৰ প্ৰধান শক্তিৰ উৎস নিহিত আছে। প্ৰতিজন শ্ৰমিক. প্ৰতিজন কৃষক আৰু প্ৰতিজন বুদ্ধিজীৱীয়েই ক'ব— "আমিয়েই ৰাষ্ট্ৰ। ইয়াৰ নীতিয়েই আমাৰ নীতি। এই ৰাষ্ট্ৰক উন্নত কৰা, ইয়াক সুদৃঢ় কৰা আৰু সকলোবিলাক সংকটৰপৰা এই ৰাষ্ট্ৰক নিৰাপদে ৰখাটো আমাৰ সকলোৰে উমৈহতীয়া কাম।"

কিন্তু যি ৰাষ্ট্ৰ শ্ৰেণী বিৰোধৰ ফলত আবিৰ্ভাৱ হৈছিল, সেই ৰাষ্ট্ৰক কিয় এনেদৰে বচাই ৰাখিব লগা হ'ল? এই ৰাষ্ট্ৰ এতিয়াও বচাই ৰাখিবৰ প্ৰয়োজন আছে; কিয়নো ৰাষ্ট্ৰৰ সহায় নোলোৱাকৈ কৰিব নোৱাৰা কাম এতিয়াও বহুতো বাকী আছে। এই উদ্দেশ্যবিলাক আৰু সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ কাৰ্যাৱলীৰ সম্পৰ্কে আমাৰ পাৰ্টিৰ খচৰা কৰ্মসূচীত বিশদ ব্যাখ্যা দিয়া হৈছে।

সাম্যবাদৰ প্ৰথম স্তৰ সফল হোৱাৰ বহুত দিনৰ পিছলৈকো ৰাষ্ট্ৰ বাচি থাকিব। ৰাষ্ট্ৰ লোপ পোৱাৰ প্ৰক্ৰিয়াটো যথেষ্ট দীঘলীয়া হ'ব। এটা দীঘলীয়া ঐতিহাসিক যুগ ধৰি ৰাষ্ট্ৰ ব্যৱস্থা অটুত থাকিব। যেতিয়া সমাজ সম্পূৰ্ণ স্ব-শাসনৰ উপযুক্ত হ'ব তেতিয়াহে ৰাষ্ট্ৰ নাইকিয়া হ'ব। বহুত দিনলৈকে ৰাষ্ট্ৰৰ শাসন আৰু গণ স্ব-শাসন দুয়োটাই সমিল-মিলেৰে চলি থাকিব। এই প্ৰক্ৰিয়াত ৰাষ্ট্ৰৰ ঘৰুৱা কাৰ্য্যাবলীয়েও উন্নতি কৰিব আৰু তাৰ পৰিবৰ্ত্তনো হ'ব। আৰু লাহে লাহে ৰাষ্ট্ৰৰ কাৰ্য্যকলাপে ৰাজনৈতিক বৈশিষ্ট্য হেৰুৱাই পেলাব। ছোভিয়েত সমাজতান্ত্ৰিক যুক্তৰাষ্ট্ৰত উন্নত সাম্যবাদী সমাজ নিৰ্ম্মাণ হোৱাৰ পিছত আৰু পৃথিৱীৰ ৰঙ্গমঞ্চত সমাজতন্ত্ৰই সম্পূৰ্ণ জয় লাভ কৰি সুসংহত হোৱাৰ পিছত ৰাষ্ট্ৰ বিলোপ হ'ব। কিয়নো তেতিয়া ৰাষ্ট্ৰৰ প্ৰয়োজনেই নোহোৱা হব।

শ্ৰমিক শ্ৰেণীৰ একনায়কত্বৰ এতিয়া আৱশ্যক নোহোৱা হৈছে বুলিলে বুজিব নেলাগে যে ইয়াৰ অৰ্থ হ'ল আইন আৰু ৰাজহুৱা শৃঙ্খলা শিথিল হ'ব। বৰঞ্চ পাৰ্টিয়ে নাগৰিক স্বত্ব ৰক্ষা কৰিবৰ বাবে ৰাজহুৱা শৃঙ্খলা

আৰু আইনৰ ওপৰত অধিক গুৰুত্বহে আৰোপ কৰিব খুজিছে। ছোভিয়েতৰ নাগৰিকসকলৰ অধিকাৰ, স্বাধীনতা, সম্মান আৰু মৰ্য্যাদা— সমাজ আৰু ৰাষ্ট্ৰই দৃঢ়ভাবেই ৰক্ষা কৰিব। যিসকলে ভাবিছে যে আমাৰ দেশৰ ৰাজহুৱা শৃঙ্খলা আগতকৈ ঢিলা হ'ব, সেই সকলে ডাঙৰ ভুল কৰিছে। ৰাষ্ট্ৰৰ লগতে ৰাজহুৱা অনুষ্ঠানবোৰেও সমাজ বিৰোধী অপৰাধীবিলাকক দমন কৰাত আগতকৈ অধিক তৎপৰ হ'ব। ৰাজহুৱা সম্পত্তিক যিবিলাকে অপহৰণ কৰে, যিবিলাকে মিছা গণ্ডগোলৰ সৃষ্টি কৰে সেইবিলাকক কঠোৰভাবে দমন কৰা হ'ব। মাত্ৰ এতিয়াৰপৰা এই কামত শ্ৰমজীৱী জনসাধাৰণে নিজেই আৰু জনসাধাৰণৰ অনুষ্ঠানবিলাকে তৎপৰ হৈ দায়িত্ব গ্ৰহণ কৰিব।

কমৰেডসকল। আপোনালোকে জানেই, যোৱা কিবছৰত বিশেষকৈ পাৰ্টিৰ ২০তম কংগ্ৰেছৰ পিছৰপৰাই পাৰ্টি আৰু ৰাষ্ট্ৰৰ জীৱনত লেনিনৰ আদৰ্শবোৰ দাঙি ধৰিবলৈ মহান প্ৰচেষ্টা হাতত লোৱা হৈছে। আৰু ছোভিয়েতৰ গণতন্ত্ৰ আৰু বেছি প্ৰসাৰিত কৰা হৈছে। আমি অৱশ্যে আমাৰ ৰাজনৈতিক ব্যৱস্থাৰ আৰু উৎকৰ্ষ সাধন কৰাৰ কাম শেষ হৈছে বুলি ভবা নাই। আমি আমাৰ সমগ্ৰ জনসাধাৰণৰ অৱস্থাৰ উন্নতিৰ অৰ্থে আমি প্ৰতিটো কামকেই কৰিব লাগিব। শাসনৰ মাজলৈ আৰু বেছি জনসাধাৰণক টানি নিব লাগিব, যাতে এই জনসাধাৰণে ৰাষ্ট্ৰ-যন্ত্ৰক নিয়ন্ত্ৰন কৰিব পাৰে।

আৰম্ভণিতে **ক্ষমতাৰ প্ৰতিনিধিমূলক বাহনৰ ভূমিকাৰ** বিষয়ে কথা এষাৰ কব লাগিব। ছোভিয়েতৰ অৰ্থৰ পৰিসৰ আগতকৈ বাঢ়িব। ছোভিয়েতবিলাক বিস্তৃত অৰ্থত হ'ব "কাৰ্য্যকৰী সম্থা"। মাৰ্ক্স আৰু লেনিনে জনপ্ৰিয় ক্ষমতাৰ কথা বিশ্লেষণ কৰি কওঁতে ছোভিয়েতৰ এই ৰূপটোৰ কথাই ধৰি লৈছিল। ছোভিয়েতবিলাকে অৰ্থনৈতিক আৰু সামাজিক প্ৰচেষ্টাবোৰ পৰিচালনা কৰিব আৰু সেইবোৰৰ কাম সুকলমে

সমাধা কৰাৰ ব্যৱস্থা কৰিব। এতিয়া যিবিলাক কাম কাৰ্য্যকৰী বিভাগ আৰু চৰকাৰৰ কাৰণে নিৰ্দ্দিষ্ট কৰি ৰখা হৈছে সেই কামবোৰৰ প্ৰায়বিলাককেই ছোভিয়েতবিলাকে নিজে বা ছোভিয়েত বিলাকৰ কমিটিৰ হতুৱাই সমাধা কৰাব পাৰিব।

সাম্যবাদলৈ ৰূপান্তৰ হ'বৰ বাবে **ৰাষ্ট্ৰ যন্ত্ৰৰ আৰু অৰ্থনৈতিক যন্ত্ৰৰ উন্নতি সাধন কৰা** নিতান্ত প্ৰয়োজন। **এই বিলাকৰ উন্নতিৰ বাবে গণতান্ত্ৰিক নীতি আৰু সমাজ সেৱাৰ নীতিয়ে** স্থান পাব লাগিব। ছোভিয়েতবিলাক, অৰ্থনৈতিক আৰু অন্যান্য সংস্থাবোৰ আগতকৈয়ো সবল কৰিব লাগিব। এই বিলাক পৰিচালনা কৰোঁতে খৰছ যাতে কমে তালৈ লক্ষ্য ৰাখিব লাগিব। কিন্তু আগতকৈয়ো অধিক কৰ্মঠ হ'ব লাগিব। আৰু নাগৰিকসকলে কৰা অনুসন্ধান আৰু তেওঁলোকৰ অভাব অভিযোগ পূৰণ কৰিবলৈ সতৰ্ক হ'ব লাগিব আৰু এইবোৰ অতি শীঘ্ৰে সমাধান কৰিব পৰা হ'ব লাগিব। শাসনৰ এইবোৰ বাকীবোৰ কোনো আমি সোনকালে পুলিয়ে পোখাই উভালি পেলোৱাটো নিতান্ত দৰকাৰ হৈছে। ৰাইজৰ স্বাৰ্থৰ প্ৰতি আওকাণ, ৰঙাফিতাৰ মেৰ পাক ইত্যাদিবোৰ অকল ৰাজহুৱাভাবে সমালোচনা কৰিলেই এইবিলাক নিৰ্মূল নহয়। ইয়াৰ বাবে অভিযুক্ত-লোকক অনুশাসন আৰু আইনৰ জৰিয়তে দোষী সাব্যস্ত কৰিব লাগে। জনসাধাৰণৰ অভিযোগলৈ পিঠি দি যিবোৰ উচ্চপদস্থ কৰ্ম-চাৰীয়ে শ্ৰমজীৱী জনসাধাৰণৰ শত্ৰুতা আচৰণ কৰিছে সেইবিলাক কৰ্মচাৰীকো আইনৰ সহায়ত দণ্ড বিহিব লাগিব।

সমাজতন্ত্ৰবাদী গণতন্ত্ৰক আগবঢ়াই নিব লাগিলে **সামাজিক অনুষ্ঠানবোৰৰ ভূমিকাও উচ্চস্তৰলৈ তুলিব** লাগিব। ট্ৰেড-ইউনিয়ন, সাম্যবাদী যুৱক সংঘ (কমছ'মল), সমবায়বিলাক আৰু শিক্ষা সংস্কৃতি সম্পৰ্কীয় সংঘবিলাক আমাৰ দেশৰ সমাজতন্ত্ৰবাদী গণতন্ত্ৰৰ অবিচ্ছিন্ন অঙ্গ।

লেনিনে কৈছিলে যে ট্ৰেড-ইউনিয়নবিলাক হৈছে শাসনৰ, পৰিচালনাৰ আৰু সাম্যবাদৰ বিদ্যালয়। লেনিনে ট্ৰেডইউনিয়নৰ সম্পৰ্কত কৰা এই মৌলিক মূল্যাঙ্কণৰ বিশেষ সাৰৱত্তা সাম্যবাদলৈ ৰূপান্তৰৰ কাল-ছোৱাত দেখিবলৈ পোৱা যায়। ট্ৰেড-ইউনিয়নৰ যোগেদি শিল্প, ব্যবসায়, অফিছৰ শ্ৰমিকসকলে অৰ্থনৈতিক সমস্যাৰ ওপৰত অতুল প্ৰভাৱ বিস্তাৰ কৰে। আকৌ এই ট্ৰেড ইউনিয়নৰ যোগেদিয়েই তেওঁলোকে প্ৰতিষ্ঠানৰ কাম কাজৰ আৰু উৎপাদন নিয়ন্ত্ৰণ আদি কামত উন্নতি কৰাত সহায় কৰিব পাৰে। ইয়াৰ উপৰিও ট্ৰেড ইউনিয়নসমূহক আইন প্ৰণয়ন কৰাত উদ্যোগ লবলৈ দিয়াৰ ফলত ট্ৰেড ইউনিয়নৰ ভূমিকা আৰু বেছি বাঢ়িছে; ইয়াৰ ফলত যিবিলাক কাম আগেয়ে চৰকাৰী বিভাগে কৰিব লাগিছিল সেইবোৰ কাম এতিয়া ট্ৰেড ইউনিয়নবিলাকেই কৰিব লাগিব।

ছোভিয়েতৰ যুবকসকলৰ সংগ্ৰামশীল সংগঠন সাম্যবাদী যুবক সংঘৰ (কমছ'মল) সক্ৰিয়তাই আমাৰ সমাজ জীৱনত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব। কমৰেডসকল! ডেকাসকলেই এদিন আমাৰ স্থান অধিকাৰ কৰিব। তেওঁবিলাকেই আমাৰ দেশৰ ভবিষ্যত আশা ভৰসাৰ স্থল। আমাৰ আদৰ্শৰ কাৰণে দুৰ্জ্জয় প্ৰাচীৰ ভেদ কৰি আগ বাঢ়িবলৈ তেওঁলোকো এটা সক্ৰিয় আৰু সৃজনশীল শক্তি। আমি দৈনন্দিন জীৱনত তেওঁলোকক পুত্ৰবৎ পালন কৰিব লাগিব—যাতে তেওঁলোকৰ শিক্ষা সম্পূৰ্ণ হয়।

আমাৰ দেশৰ শাসন শ্ৰমজীৱী মানুহৰ বাবে। আকৌ এই শাসন শ্ৰমজীৱী মানুহৰেই শাসন। কাকো বাদ নিদিয়াকৈ দেশৰ সকলো নাগৰিকক সমাজৰ শাসনত অংশ গ্ৰহণ কৰিবলৈ টানি আনিবৰ বাবে আমি নিজেই যত্নপৰ হ'ব লাগিব।

এই কাম আমি কেনেকৈ কৰিব খুজিছো?

প্ৰথমতে, ধীৰে ধীৰে প্ৰতিজন শ্ৰমজীৱী পুৰুষ মহিলাৰ আৰ্থিক আৰু সাংস্কৃতিক অৱস্থাৰ উন্নতি সাধন কৰা হ'ব।

দ্বিতীয়তে, প্ৰতিনিধিত্বৰ ব্যৱস্থা অবিৰতভাৱে সংশোধন কৰি থকা হ'ব আৰু ছোভিয়েতৰ নিৰ্ব্বাচন সংক্ৰান্ত মূলনীতিবোৰ ক্ৰমে উন্নত কৰা হ'ব।

তৃতীয়তে, সাম্যবাদী নিৰ্মাণ-পদ্ধতি আৰু ছোভিয়েতৰ আইন বিলাকৰ খচৰা আগতীয়াকৈ প্ৰকাশ কৰা হ'ব, যাতে এইবোৰৰ মূলনীতিৰ সম্পৰ্কে গোটেই দেশৰে জনসাধাৰণে আলোচনা কৰিব পাৰে। এইটো এটা নিয়মীয়া অভ্যাসত পৰিণত হ'ব।

চতুৰ্থতে, ক্ষমতা আৰু শাসনৰ ওপৰত জনসাধাৰণৰ নিয়ন্ত্ৰণ সকলোপিনে সম্প্ৰসাৰিত কৰা হ'ব। এই নিয়ন্ত্ৰণৰ সম্প্ৰসাৰণ যাতে ফলদায়ক হয় তালৈকো লক্ষ্য ৰখা হ'ব।

পঞ্চমতে, শাসনৰ কেন্দ্ৰবোৰত প্ৰণালীবদ্ধভাৱে নতুন মানুহ সুমুৱাই থকা হ'ব। চৰকাৰী যন্ত্ৰ আৰু ৰাজহুৱা অনুষ্ঠানৰ মুখ্য কৰ্মকৰ্ত্তাসকলক নিৰ্ব্বাচন কৰোঁতে এই নীতিৰ লগত সঙ্গতি ৰখা হ'ব। এই মুখ্য কৰ্মকৰ্ত্তা-সকল ৰাইজৰ ওচৰত নিজৰ কামৰ বাবে দায়ী হ'ব। আৰু লাহে লাহে এই নীতিক সকলো উচ্চপদস্থ চৰকাৰী চাকৰী, ৰাজহুৱা আৰু সাংস্কৃতিক অনুষ্ঠানৰ বিষয়ববীয়াসকলৰ ক্ষেত্ৰতো প্ৰয়োগ কৰা হ'ব।

আমাৰ আদৰ্শৰ শত্ৰুবিলাকে চিঞৰ-বাখৰ কৰি ক'বই লাগিছে যে, পুঁজিবাদেই হল স্বাধীন-বিশ্ব ; আমাৰ সমাজতন্ত্ৰবাদী গণতন্ত্ৰক সকলোপিনৰ-পৰাই হেয় কৰিবলৈ সিহঁতে সদায় চেষ্টা কৰে। পৃথিৱীৰ আটাইতকৈ উত্তম গণতন্ত্ৰ সমাজতন্ত্ৰবাদী গণতন্ত্ৰৰ সত্যতা কোনেও লুকুৱাই ৰাখিব নোৱাৰে। মুঠতে এইটো অপৰাজেয় সত্য কথা যে সমাজতন্ত্ৰবাদী জগত-খনে ধীৰে ধীৰে গণতন্ত্ৰক উন্নত কৰিছে আৰু পৰিবৰ্দ্ধন কৰিছে। এই কাম সমাজতন্ত্ৰৰ মূলনীতিৰ লগত সঙ্গতি ৰাখিয়েই কৰা হৈছে। আনপিনেদি পুঁজিবাদী জগতত গণতন্ত্ৰৰ কি অৱস্থা হৈছে? গণতন্ত্ৰৰ বিকাশ পুঁজিবাদী জগতত সীমাবদ্ধ হোৱা সত্ত্বেও যিখিনি গণতন্ত্ৰৰ পৰিসৰ আছিল তাকো ক্ৰমে সংকুচিত কৰি গণতন্ত্ৰক খৰ্ব্ব কৰাহে হৈছে।

আজি মাত্ৰ এমুঠি মানুহৰ এটা দলৰ হাতত সাম্ৰাজ্যবাদী দেশবিলাকৰ ক্ষমতা কেন্দ্ৰীভূত হৈছে। এমুঠি মাত্ৰ একচেটীয়া পুঁজিপতিৰ হাতত বিপুল ক্ষমতা আজিৰ দৰে আন কোনো কালতেই কেন্দ্ৰীভূত হোৱা নাছিল। আমেৰিকাৰ কথাই ধৰক। আমেৰিকাবাসী সকলে নিজেই আইজেনহাৱাৰৰ শাসনক বৃহৎ পুঁজিপতিৰ শাসন বুলি অভিহিত কৰিছে। এই কথা বাস্তৱিকতে সঁচা। শাসকসকলৰ সৰহভাগেই হয় নিজে কোটীপতি নহ'লে আগেয়ে ডাঙৰ ডাঙৰ কোম্পানীৰ সৰহীয়া দৰমহাৰ চাকৰিয়াল আছিল। সাম্ৰাজ্যবাদী দেশবোৰৰ চৰকাৰত ব্যক্তিৰ সলনি হয়, এজন কোটীপতি বা তেওঁৰ অনুচৰে আন এজনৰ স্থান অধিকাৰ কৰে। কিন্তু তেওঁলোকৰ সকলোৱেই একচেটীয়া পুঁজিপতিৰ স্বাৰ্থহে পূৰণ কৰে। বৃটিছ চৰকাৰৰ ১৯ জনীয়া মন্ত্ৰীসভাৰ ১৫ জনেই একচেটীয়া পুঁজিপতিৰ লগত জড়িত। পশ্চিম জাৰ্মানীৰ এডেনোৱাৰ চৰকাৰৰ ১৮ জন মন্ত্ৰীৰ ১২ জন মন্ত্ৰীয়েই হ'ল ডাঙৰ ডাঙৰ কোম্পানীৰ প্ৰতিনিধি।

বুৰ্জোৱা তত্ত্ববাগীশসকলে পুঁজিবাদী সমাজৰ সমতাৰ কথা কয়। তেওঁলোকে কি সমতাৰ কথা বুজাব খুজিছে? পুঁজিবাদী দেশবিলাকৰ সামাজিক গাঁথনিলৈ মন কৰকচোন। এইবোৰ সামাজিক বৈষম্যৰ যেনিবা একো একোটা দুৰ্জ্জয় পিৰামিডহে। ইযাৰ মুধত বহি আছে এমুঠিমান শিল্পপতি আৰু কোটীপতি। পূৰ্বণি ৰোমান সাম্ৰাজ্যৰ সম্ভ্ৰান্ত জমিদাৰ আদিৰ নিচিনাকৈ তেওঁলোকে বিলাসত মজি থাকে। তেওঁলোকৰ ভোগৰ সীমা নাই। কিন্তু আন হাতেদি পিৰামিডৰ তলত থকা লাখ লাখ জনতাই খাবলৈ নেপাই হাঁহাকাৰ কৰিব লগা হয়। তেওঁবিলাকৰ-পৰা সকলোবিলাক অধিকাৰো বলেৰে কাঢ়ি অনা হয়। আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ শতকৰা এজন পুঁজিপতিয়ে আন ৬০ জন সাধাৰণ মানুহক নিয়ন্ত্ৰণ কৰে। আকৌ ব্ৰিটেনৰ জাতীয় আয়ৰ আধাখিনি ভোগ কৰে জনসাধাৰণৰ মাত্ৰ এক শতাংশ ধনীয়ে।

এতিয়া পুঁজিপতি দেশবিলাকৰ নির্ব্বাচন-পদ্ধতিলৈ মন কৰক। একচেটীয়া পুঁজিপতিবিলাকৰ স্বাৰ্থৰ কাৰণে সঘনাই নির্ব্বাচন-পদ্ধতি সলাই থকা হয়। যাতে পুঁজিপতিৰ স্বাৰ্থৰ বিৰুদ্ধে নির্ব্বাচক জনসাধাৰণে কোনো মতামত প্রকাশ কৰিব নোৱাৰে—তালৈ চোকা লক্ষ্য ৰাখি এই নির্ব্বাচন পদ্ধতি সংশোধন কৰা হয়। ইয়াৰ বঢ়িয়া উদাহৰণ হ'ল ফ্রান্সৰ নির্ব্বাচন পদ্ধতি। ফ্রান্সৰ যোৱা নির্ব্বাচনত কমিউনিস্ট পাৰ্টিয়ে ভোট পাইছিল ৩,৮৮২,২০৪ টা; কিন্তু পাৰ্টিয়ে জাতীয় পৰিষদত মাত্র ১০ খন আসনহে পালে। আনপিনে আকৌ প্রতিক্রিয়াশীল দলটোৱে (U N.R) ভোট পাইছিল ৩,৬০৩,৯৫৮টা, কিন্তু আসন পালে ১৮৮খন। দেখাদেখিকৈ কমিউনিষ্ট পাৰ্টিযে সৰহ ভোট পাযো নিচেই কম আসন পালে। ইনো একচেটীযা পুঁজিবাদৰ পোনপটীযা একনাযকত্ব নহয়—কি? যদি জনসাধাৰণৰ ইচ্ছাক কৰা উপহাস এয়া নহয় তেন্তে আন কি হ'ব পাৰে? ভোটদাতাসকলৰ সংখ্যাত একমাত্র শ্রমজীৱীসকলেই সংখ্যা-গৰিষ্ঠ। কিন্তু তেওঁলোকে পাৰ্লামেণ্টত প্রতিনিধিত্ব কৰিবলৈ পাইছেনে? আমেৰিকাৰ যুক্তৰাষ্ট্ৰত ৫ কোটী কাৰখানা আৰু অফিচৰ শ্রমিক আৰু কৃষিজীৱী আছে। ইয়াৰ ভিতৰত এজনো শ্রমিক বা কৃষক যুক্তৰাষ্ট্ৰৰ কংগ্রেছৰ সভ্য হ'ব পাৰিছে বুলি কানোবাই বুকুত হাত দি ক'ব পাৰিবনে?

একচেটীযা পুঁজিপতিসকলৰ হাতত জনসাধাৰণক বিভ্রান্ত কৰিবলৈ বাতৰিকাকত, ৰেডিঅ' টেলিভিচন আদি সকলো শক্তিশালী বাহন আছে। এইবিলাকৰ সহাযত তেওঁলোকৰ চেতনা জাগি উঠাত বাধা দিয়া হয়। তেওঁলোকৰ ইচ্ছা আকাঙ্খাক জোৰ কৰি দমাই ৰখা হয। উদাহৰণ স্বৰূপে লাখপতি হাৰ্স্টে নিয়ন্ত্রন কৰা বাতৰি কাকতে কাৰ স্বাৰ্থ পূৰণ কৰে? এই কাকতখনে মাত্র এটা স্বাৰ্থ পূৰণ কৰে—যাক একচেটীয়া পুঁজিপতি সম্রাটসকলৰ স্বাৰ্থ বুলিব পাৰি।

জনসাধাৰণক দমাই ৰাখিবৰ বাবে পুঁজিবাদীবিলাকে পুলিচ আৰু সৈন্যবাহিনীক ঘনাই ঘনাই নিয়োগ কৰে। যোৱা দহ বছৰৰ ভিতৰত পুঁজিবাদী দেশবিলাকত কিমান জনসাধাৰণৰ তেজেৰে নৈ বৈছে এবাৰ ভাবি চাওক। বুর্জোৱা গণতন্ত্ৰৰ ইতিহাসত পুলিচৰ লাঠি আৰু গুলিয়েই প্ৰধান বিষয় হৈ পৰিছে।

এয়া স্বাধীন-বিশ্বৰ পৰিচয়। যিখন সমাজত লেশমাত্ৰও স্বাধীনতা নাই, গণতন্ত্ৰৰ নাম-গন্ধও নাই, যিখন সমাজত আছে সামাজিক আৰু জাতীয় শোষণ আৰু বৈষম্য, য'ত আছে মানুহে মানুহৰ ওপৰত কৰা শোষণ য'ত মানুহৰ মর্য্যাদা আৰু সম্মানক অৱমাননা কৰা হৈছে— সেইখনেই পুঁজিবাদী গণতন্ত্ৰৰ জগৎ।

আজিৰ সমসাময়িক জগতৰ গণতন্ত্ৰৰ দুটা নিজস্ব বৈশিষ্ট্য থকা সমান্তৰাল ধাৰা দেখিবলৈ পোৱা গৈছে। সমাজতান্ত্রিক দেশবিলাকত গণতন্ত্র পূর্ণ-বিকশিত হৈছে। আনহাতেদি পুঁজিবাদী দেশৰ আগৰে সংকুচিত গণতন্ত্ৰৰ আৰু বেছি সংকোচন হৈছে। **ই হ'ল আজিৰ বিশ্বৰ ৰাজনৈতিক বিকাশৰ দুটা পৰস্পৰ-বিৰোধী ধাৰা।** আমি পাৰোঁমানে চেষ্টা কৰিছো আমাৰ সমাজক আৰু গণতন্ত্ৰক বিশুদ্ধ কৰিবলৈ ; যাতে আমাৰ গণতন্ত্র আৰু সমাজতান্ত্রিক জীৱনৰ পথ সকলো মানুহৰ বাবে আদর্শ হ'ব পাৰে। আমি এই প্ৰচেষ্টা ভবিষ্যতেও চলাই যাম।

৩। জাতিবিলাকৰ মাজত চুবুৰীয়া-সম্পৰ্কৰ উন্নতি আৰু জনসাধাৰণৰ মাজত বন্ধুত্বৰ ভাব দৃঢ়ীকৰণ

খছৰা কৰ্মসূচীত **ছোভিয়েত গণৰাষ্ট্ৰৰ অর্থনৈতিক আৰু সাংস্কৃতিক অগ্ৰগতিৰ বাবে এটা পথ দেখুৱাই দিয়া হৈছে। এই কৰ্ম্মসূচীয়ে জাতিবিলাকৰ মাজত সাম্যবাদৰ পূর্ণ নির্ম্মাণ কার্য্যৰ অগ্ৰগতিৰ লগে লগে আৰু বেছি বন্ধুত্বৰ ভাৱ জগাই তুলিব।**

সমাজতন্ত্রৰ অধীনত, দুটা পৰস্পৰ সম্বন্ধ থকা প্রগতিশীল ভাব জাতীয় প্রশ্ন সমাধানৰ ক্ষেত্রত দেখিবলৈ পোৱা যায়। প্রথমতে, প্রত্যেকটো জাতিৰেই দ্রুত সৰ্ব্বাঙ্গীণ বিকাশ সাধন কৰা হৈছে। ইউনিয়ন আৰু স্বায়ত্ব শাসিত সাধাৰণতন্ত্রসমূহৰ অধিকাৰ বাঢ়িছে। দ্বিতীয়তে,—সমাজতন্ত্র-বাদী জাতিবিলাক আন্তর্জাতিক শ্রমিক ঐক্যৰ পতাকাৰ তলত সমবেত হৈছেহি। ইয়াৰ ফলত পৰস্পৰে পৰস্পৰক প্রভাৱান্বিত কৰিছে আৰু ঐশ্বৰ্য্যশালী হোৱাত পৰস্পৰে সহায় কৰিছে। ছোভিয়েত ইউনিয়নৰ সাম্যবাদৰ পূর্ণ-নির্ম্মাণ-কাৰ্য্যই জাতিসমূহৰ মাজত থকা সম্পর্ক আৰু উন্নত স্তৰলৈ লৈ যাব। জাতিসমূহৰ মাজত বুজাবুজি আৰু সহযোগৰ ভাব বৰ্ত্তি থকা কথাটো সঠিক অর্থনৈতিক কর্ম্মনীতিৰ ওপৰত নির্ভৰ কৰে। খচৰা কর্ম্মসূচীত ইউনিয়নৰ প্রজাতন্ত্রসমূহৰ অর্থনীতিয়ে যাতে বিপুলভাৱে উন্নতি কৰিব পাৰে, প্রতিখন প্রজাতন্ত্রই যাতে নিজ নিজ শিল্পৰ বিশেষত্ব থকা দেশ হ'ব পাৰে তাক দাবি ধৰিছে। প্রতিখন দেশৰ অর্থনীতিয়ে সমগ্র ছোভিয়েত ইউনিয়নৰ এটামাত্র অখণ্ড অর্থনৈতিক ব্যৱস্থাৰ অংশ হিছাপে উন্নতি কৰিব লাগিব। প্রজাতন্ত্রবিলাকে সাম্যবাদ-নির্ম্মাণৰ বাবে যিমান বেছি বৰঙণি যোগাব সিমানেই ছোভিয়েতৰ জাতিবিলাকৰ মাজত থকা সম্পর্ক আৰু বেছি সুদৃঢ় হৈ যাব। ছোভিয়েতৰ প্রতিখন প্রজাতন্ত্রৰ আর্থিক উন্নতিৰ বাবে ছোভিয়েতৰ সকলো জনসাধাৰণেই বন্ধুভাৱে সহযোগ কৰিছে আৰু পৰস্পৰে পৰস্পৰক সহায় কৰিছে। ইয়াৰ ফলতেইহে ছোভিয়েত প্রজাতন্ত্রবিলাকে উন্নতি কৰিব পাৰিছে। কাজাখস্তানত থকা পতিত মাটিৰ কথাই ধৰক। কাজাখস্তান প্রজাতন্ত্রই অকলে এই দুৰ্জ্জয় কাম সমাধা কৰিব কেতিয়াও নোৱাৰিলেহেঁতেন। ৰুছীয়া, বাইল'ৰুছীয়া, ইউক্রেন আৰু অন্যান্য সাধাৰণতন্ত্রৰ বহুতো মানুহে এই পতিত মাটি খেতিৰ উপযোগী কৰাত সহায় কৰিলেগৈ। আমাৰ শিল্প আৰু নির্ম্মাণ আঁচনি-বিলাকলৈ মন কৰক। এই বিলাকত ছোভিয়েত ইউনিয়নৰ সকলো

জাতিৰে মানুহক বন্ধুভাৱে সহযোগ কৰা দেখা গৈছে। এই কৰ্মীসকলে সমাদৰ পাইছে সাম্যবাদৰ বিজয়ৰ কাৰণে তেওঁলোকে বিখিনি কৰিছে তা[illegible]—তেওঁলোকৰ গাৰ বৰণ বা কোনো ভাষাৰ বাবে নহয়। প্রায়বিলাক সাধাৰণতন্ত্রৰ বাসিন্দা ক্রমে বহুতো জাতিৰ হবলৈ ধৰিছে। প্রতিখন প্রজাতন্ত্রই অভিজ্ঞ লোকসকলক বিনিময় কৰিছে। এইবিলাকে আমাৰ দেশৰ জনসাধাৰণৰ লগত আইন দেশৰ জনসাধাৰণৰ আন্তৰ্জাতিক ঐক্য সুদৃঢ় কৰাত সহায় কৰিছে।

ছোভিয়েত ইউনিয়নৰ সমাজবাদী জাতিসমূহৰ উন্নতিৰ বাবে জাতীয় চৰকাৰী সংগঠনবিলাকৰ গাঁথনি উন্নত কৰা হৈছে। এইকামেও জাতি-সমূহৰ উন্নতিত সহায় কৰিছে। এই সম্পৰ্কত উত্তৰ হোৱা সকলোবোৰ অভাৱ অভিযোগ পূৰণত পাৰ্টি সজাগ হৈ আছে; ছোভিয়েত সাধাৰণতন্ত্রৰ ইউনিয়ন আৰু স্বায়ত্তশাসনৰ মূলনীতিয়ে দিয়া সকলোবোৰ সম্ভাৱনাৰ সৎ ব্যৱহাৰ কৰিব লাগিব। এনেকি আজিও আঞ্চলিক আন্তঃ-সাধাৰণতান্ত্রিক অনুষ্ঠান কিছুমান গঢ়ি তোলা জৰুৰী কাম হৈ পৰিছে। এই কাম সাম্য-বাদী নিৰ্মাণৰ আঁচনি বিভিন্ন সাধাৰণতন্ত্রসমূহত সমন্বয় সাধন কৰি প্রচেষ্টা হাতত ল'বৰ বাবেই দৰকাৰ হৈছে।

আমাৰ জাতিবিলাকৰ মাজত সাংস্কৃতিক আৰু আদৰ্শগত বিকাশৰ বাবেও ওচৰ সম্পৰ্ক বঢ়োৱা উচিত। আত্মিক মান বিনিময় ইতিমধ্যেই উন্নত পৰ্য্যায়ত চলিব লাগিছে। এটা জাতিৰ সাংস্কৃতিক সাফল্য আন এটা জাতিয়ে লাভ কৰিবলৈ সক্ষম হৈছে। ইয়াৰ বাবেই ছোভিয়েতৰ জনসাধাৰণৰ মাজত পাৰস্পৰিক সাংস্কৃতিক সম্পদ চহকী কৰাৰ পথ মুকলি হৈছে। ভবিষ্যতৰ এটা মাত্র সাম্যবাদী সমাজৰ সংস্কৃতি ৰচনাৰ আন্তৰ্জাতিক ভেটি এইদৰেই সবল কৰি গঁথা হৈছে।

জাতীয় সংস্কৃতি ম্লান হৈ নেযায়। বৰঞ্চ ই উন্নতহে হ'ব। অৱশ্যে সাম্যবাদী সমাজ নিৰ্ম্মাণৰ লগত সঙ্গতি নথকা সাংস্কৃতিক সমলবোৰ মৰহি

যাবই। তাৰ ঠাই ল'ব নতুন সংস্কৃতিয়ে। সাহিত্য আৰু কলাৰ ক্ষেত্ৰত কি জাতীয়তাৰ ভাৱ দেখা যায় সি স্বাভাৱিকেই। কিন্তু প্ৰায়ে আমি এই বিলাকত পুৰণিকলীয়া এলান্ধুহে দেখিবলৈ পাইছো। উদাহৰণ স্বৰূপে স্থাপত্যবিত্যাত আমি অতীতৰ অন্ধকাৰ যুগৰ অপ্ৰচলিত পদ্ধতিহে দেখা পাইছো। যদিওবা আজিৰ যুগৰ মানুহৰ জীৱনধাৰণৰ পদ্ধতি আৰু অভাৱৰ লগত এই বিলাকৰ মিল নাই—তথাপিই বৰ্ত্তি থাকিব লাগিছে। যিবিলাক পদ্ধতিয়ে আমাৰ যুগৰ লগত সঙ্গতি ৰাখিব পাৰে মাত্ৰ সেইবোৰ পদ্ধতিৰহে ভৱিষ্যত উজ্জ্বল।

পাৰ্টিয়ে ছোভিয়েত ইউনিয়নৰ জনসাধাৰণৰ সকলোবোৰ ভাষাই অবাধ উন্নতি কৰাৰ পথ সদায় মুকলি কৰি ৰাখিব। বলেপে বেলেগ ভাষা ব্যৱহাৰ কৰাত বাধা নিষেধ আৰোপ, কোনো ভাষাক বিশেষ সুবিধা দিয়া, কোনোটো ভাষাক নিৰ্য্যাতন কৰা ইত্যাদিত, পাৰ্টিয়ে সদায় বিৰোধিতা কৰিব। প্ৰতিজন নাগৰিকে নিজৰ অভিৰুচি অনুসৰি যি কোনো ভাষাৰ জৰিয়তে লৰা-ছোৱালীৰ শিক্ষা দান কৰাৰ সুবিধা এতিয়াও ভোগ কৰিবলৈ পাইছে আৰু আগলৈকো পাব। জাতীয় ভাষাবিলাকে উন্নতি কৰাত আমি একো বাধা আৰোপ নকৰোঁ। কিন্তু জাতীয় ভাষাৰ উন্নতিয়ে সকলো-জাতিক ওচৰ চপাইহে আনিব লাগে, জাতীয় সীমাৰ চাপ পাৰ হৈ যাব কেতিয়াও নেলাগে।

এইটো লক্ষ্য কৰিব লগা কথা যে ৰুছ ভাষা নোকোৱা জনসাধাৰণে এতিয়া ৰুছ ভাষা শিকিবলৈ বেছি আগ্ৰহ কৰিছে। বাস্তৱিকতে ৰুছ ভাষাই ছোভিয়েত ইউনিয়নত এতিয়া দ্বিতীয় ভাষাৰ স্থান অধিকাৰ কৰিছে। ৰুছ ভাষাৰ জৰিয়তে জনসাধাৰণৰ ভাৱৰ সংযোগ ঘটিছে। ৰুচ ভাষাৰ সহায়ত আমাৰ দেশৰ জনসাধাৰণৰ আৰু বিশ্বৰ সাংস্কৃতিক সাফল্যবোৰ জনসাধাৰণে জানিব পৰা হৈছে। আমাৰ জাতিবিলাকৰ মাজত সহযোগিতাৰ ভাৱ কিদৰে বাঢ়িছে তাৰ এটা জলন্ত নিদৰ্শন হ'ল—ৰুছভাষা স্বেচ্ছাৰে শিকিবলৈ হোৱা আগ্ৰহ।

আমাৰ দেশৰ জাতিবিলাকৰ মাজত ক্রমে এটি সংহতি স্থাপিত হৈছে! এই জাতিসমূহৰ সামাজিক ঐক্য ক্রমে বৃদ্ধি হৈছে। পূর্ণ সাম্যবাদী নির্মান-কার্য্যৰ অগ্রগতিৰ লগে লগে জাতিসমূহৰ সম্পূর্ণ ঐক্য সাধন হ'ব। কিন্তু প্রধানতঃ সাম্যবাদী-সমাজ নির্মান হোৱাৰ পিছতো সকলো জাতি এক হৈ যাব বুলি কোৱাৰ এতিয়াও সময় হোৱা নাই। লেনিনে এই বিষয়ে আঙুলিয়াই দিছিল যে পৃথিৱীৰ সকলো দেশতে সমাজতন্ত্রই জয়লাভ কৰাৰ পিছতো ৰাষ্ট্র আৰু জাতিৰ মাজত থকা প্রভেদবোৰ বহুত দিনলৈকে বৰ্ত্তি থাকিব।

জাতীয় প্রভেদবোৰ মুচি পেলোৱাৰ বাবে দুঃখিত হোৱা বহুতো মানুহক আমি লগ পাইছো। তেওঁলোকক আমি এনে ধৰনেৰে উত্তৰ দিছো—কমিউনিষ্ট সকলে কেতিয়াও চিৰদিনৰ বাবে জাতীয় প্রভেদবোৰ সংৰক্ষণ কৰি ৰাখিবলৈ কেতিয়াও নিবিচাৰে। গণতান্ত্রিক পদ্ধতিত স্বেচ্ছাৰে জাতিবিলাকে সাম্যবাদ নির্মাণৰ মুখ্য উদ্দেশ্য সমুখত লৈ ঐক্যৰ সংহতি বঢ়াই তোলা আমি সমর্থন কৰো। ইয়াৰ বাবে জনসাধাৰণক শ্রমিক শ্রেণীৰ আন্তর্জাতিকতা আৰু ছোভিয়েত দেশপ্রেমৰ ভাৱ জগাই তোলাৰ শিক্ষা দিয়াটো আমি অপৰিহার্য্য বুলি ভাবোঁ। আৰু এই শিক্ষাৰ ওপৰত গুৰুত্ব দিওঁ। এনেকি জাতীয়তাবাদৰ শেহ চিনকণো আপোচহীন বলছেভিক দৃঢ়তাৰে ওফোৰাই দিব লাগিব।

ছোভিয়েত ইউনিয়নৰ জাতি সমূহৰ মাজত থকা বন্ধুতা আমাৰ এটা বিৰাট লাভ। ইয়াক আমি চকুৰ মণিৰ দৰেই ৰক্ষা কৰিব লাগিব।

৪। *সাম্যবাদী শিক্ষা আৰু ব্যক্তিৰ সৰ্ব্বাঙ্গীন বিকাশ*

কমৰেডসকল! জনসাধাৰণক সাম্যবাদী প্রেৰণাৰে শিক্ষা দিয়াটো সাম্যবাদী নির্ম্মাণ-কার্য্যৰ এটি গুৰুত্বপূর্ণ কথা।

শ্রমিকৰ উৎপাদিকা শক্তিৰ বিকাশসাধন, সাম্যবাদী সামাজিক

সম্পৰ্কৰ উন্নতি, সাম্যবাদী মানৱিক সম্পৰ্কৰ প্ৰয়োগ, ইত্যাদিবিলাক সমাজৰ সকলো মানুহৰ চেতনা আৰু সাংস্কৃতিক মানৰ অগ্ৰগতি নহলে কেতিয়াও সম্ভৱ নহয়। যিমানেই সমাজৰ মানুহৰ চেতনা উচ্চস্তৰলৈ যাব, সিমানেই তেওঁবিলাকৰ সৃষ্টিমূলক কাম-কাজ নিখুঁত আৰু সম্পূৰ্ণ হ'ব। আৰু সমাজৰ সকলো মানুহৰ চেতনা আৰু সাংস্কৃতিক স্তৰ উন্নত হ'লেহে আমাৰ সাম্যবাদী নিৰ্মাণৰ কৰ্মসূচী অতি দ্ৰুতভাৱে আৰু ভালকৈ বাস্তৱত ৰূপায়িত কৰিব পাৰিম।

নতুন মানুহ গঢ়ি তোলাৰ কথা কওঁতে আমাৰ মনলৈ বাৰু কোনবোৰ কামৰ কথা আহে ? সেইবোৰ হৈছে :

সাম্যবাদী বিশ্ব দৃষ্টিভঙ্গী সুসংহত কৰা : সাম্যবাদী আদৰ্শৰ ওপৰত অটল বিশ্বাস, ৰাজহুৱা কৰ্তব্যৰ প্ৰতি সচেতন দৃষ্টিভঙ্গী, সমাজবাদী আন্তৰ্জাতিক আৰু দেশপ্ৰেমিক ভাৱ, দেশৰ প্ৰতি আনুগত্য আৰু নিজৰ প্ৰাণ দিও দেশক ৰক্ষা কৰা ইত্যাদি।

শ্ৰমৰ জৰিয়তে শিক্ষা ; শ্ৰমৰ আৰু সামাজিক উৎপাদনৰ প্ৰতি সাম্যবাদী ভাৱ জগাই তোলা।

সাম্যবাদী নৈতিকতাৰ মুল কথাবোৰ সুসংহত কৰা ; স্বইচ্ছাৰে সাম্যবাদী মানৱিক সম্পৰ্কৰ নিয়মবোৰ পালন কৰা।

সাংস্কৃতিক বিকাশ ; বিজ্ঞানৰ মৌলিক সূত্ৰবোৰ আয়ত্ত কৰা, সাধাৰণ আৰু কাৰিকৰী শিক্ষা লাভ, সৌন্দৰ্য্যজ্ঞানৰ শিক্ষা আৰু শাৰীৰিক শিক্ষা ইত্যাদি।

সাম্যবাদেই মানুহক মহান কৰিছে। **সাম্যবাদেই হৈছে মানৱতা আৰু ব্যক্তিৰ পুৰ্ণ বিকশিত শতদল।**

নতুন সাম্যবাদী চৰিত্ৰৰ বৈশিষ্ট্যবিলাক সমাজৰ মানুহৰ গতি বিকশিত কৰিবলৈ বাওঁতে পাৰ্টিয়ে দুটা কথাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰিছে। সেয়া হৈছে সাম্যবাদী শিক্ষা আৰু আমাৰ যুৱকসকলৰ বিকাশ।

আমাৰ পাৰ্টি আৰু জনসাধাৰণে সমাজতন্ত্ৰৰ প্ৰচাৰ স্ৰষ্টা আৰু আমাৰ দেশৰ নিৰ্ভীক ৰক্ষকৰ জন্ম দিলে। এওঁলোকৰ কাৰণেই আমি অমৰ গৌৰৱ লাভ কৰিছিলো। আজি আমি দেশৰ মানুহক সাম্যবাদী জীৱনৰ বাবে প্ৰস্তুত কৰিছো। এই চাম সাম্যবাদীক শৈশৱৰপৰাই যত্ন লৈ তীখাৰ দৰে মজবুত কৰিব লাগিব। ভৱিষ্যতে আমি আমাৰ দেশত কাকোৱেই যাতে নৈতিকতাহীন হোৱা দেখিবলৈ নেপাওঁ; ত্ৰুটীপূৰ্ণ শিক্ষা পোৱা কোনো মানুহৰ উদাহৰণ যাতে পোৱা নেযায় তাৰ বাবে আমি আন্তৰিকতাৰেই লক্ষ্য ৰাখিব লাগিব। ছোভিয়েতৰ শিশুসকলক একো একোজোপা গুটিদিয়া গছপুলিৰ লগত তুলনা কৰক। বাঢ়ি অহা পুলিটিয়ে পোৱা সামান্য আঘাতৰ বাবেও সতৰ্ক হ'ব লাগিব আৰু সেই আঘাতৰ চিকিৎসা কৰিব লাগিব। কেতিয়াবা এই সকলো চেষ্টাও অথলে যাব পাৰে; তাৰ বাবে যত্নপৰ হোৱা দৰকাৰ। সেই একেষাৰ কথাই ছোভিয়েতৰ নতুনচাম মানুহৰ ক্ষেত্ৰতো খাটে।

এই নতুন মানুহ অকল পাৰ্টি, ছোভিয়েত ৰাষ্ট্ৰ, ট্ৰেড ইউনিয়ন, কমছ'মল আদিৰ প্ৰভাৱত পোৱা শিক্ষাৰ ওপৰতেই গঢ় নলয়; আৰু বহুতৰে প্ৰভাৱ এই শিশু-মনৰ ওপৰত পৰে। যেনে, সমাজত প্ৰচলিত জীৱনধাৰা, উৎপাদন পদ্ধতি, বিতৰণ পদ্ধতি, ৰাজহুৱা সেৱাসমূহ, সামাজিক আৰু ৰাজনৈতিক কাৰ্য্যকলাপ, আইন ব্যৱস্থা আৰু বিচাৰ-আদালত ইত্যাদি। আমি এই বিলাকৰ প্ৰায় বোৰকেই যেনে, আৰ্থিক, সামাজিক, ৰাজনৈতিক, আৰু আইন সংক্ৰান্ত উপকৰণবোৰক জনসাধাৰণৰ সাম্যবাদী চেতনা জগাই তোলাত আৰু পুঁজিবাদী মনোবিজ্ঞান আৰু নৈতিকতাৰ অৱশিষ্টখিনি বিলোপ কৰিবৰ বাবে নিয়োগ কৰিব লাগিব।

পুঁজিপতিবিলাকে ব্যক্তি-স্বাধীনতা ব্যক্তিগত সম্পত্তিৰ লগত জড়িত কৰি ৰাখে। কিন্তু পুঁজিবাদী দেশবিলাকৰ কোটী কোটী মানুহৰ সম্পত্তি বুলিবলৈ কুটা এগছো নাই। এইবিলাক মানুহৰ বাবে পুঁজিবাদী

সম্পত্তি কেতিয়াও স্বাধীনতাৰ সম্পদ নহয়—ব'ব নোৱাৰা গধুৰ বোজাহে। সৰু সৰু মালিকবিলাকৰ কাৰণে সম্পত্তিয়ে কেতিয়াও ব্যক্তিৰ বিকাশত সহায় নকৰে। বৰঞ্চ এই সম্পত্তিয়ে তেওঁলোকক একচেটীয়া পুঁজিবাদৰ লগত সাঙুৰি ৰখা ই এডাল শিকলিহে।

একমাত্ৰ পুঁজিপতি বিলাককহে ব্যক্তিগত সম্পত্তিয়ে আন মানুহক শোষণ কৰিবলৈ আৰু বিপুল অৰ্থ লাভ কৰিবলৈ পূৰ্ণ স্বাধীনতা দিয়ে। আমাৰ দেশৰ আৰু বিশ্বৰ সমগ্ৰ সমাজতান্ত্ৰিক সমাজব্যৱস্থাই লাভ কৰা বিপুল অভিজ্ঞতাৰপৰা প্ৰমাণিত হৈছে যে একমাত্ৰ সৰ্ব্ব-সাধাৰণৰ সম্পত্তিয়েহে মানুহক সকলো ধৰণৰ সামাজিক দুৰৱস্থাৰপৰা মুক্ত কৰি ব্যক্তিৰ সৰ্ব্বাঙ্গীণ আৰু মুক্ত-বিকাশৰ সুবিধা দিযে। ব্যক্তিগত সম্পত্তিয়ে এই সুবিধা কেতিয়াও দিব নোৱাৰে। আমাৰ জনসাধাৰণে সমবায় ব্যৱস্থা, বন্ধুত্ব আৰু ৰাজহুৱা কৰ্ত্তব্য সম্পাদনৰ প্ৰতি আনুগত্যৰ উচ্চ ভাৱ পোষণ কৰি আহিছে।

খছৰা কৰ্মসূচীত আমাৰ দেশৰ জনসাধাৰণৰ বৈজ্ঞানিক মনোবৃত্তি আৰু বেছি ব্যাপক কৰি গঢ়িবৰ বাবে গুৰুত্ব আৰোপ কৰিছে। আৰু এইটো সম্পূৰ্ণ স্বাভাৱিক। মূঠতে মানুহে কেতিয়াও ৰহস্য, কুসংস্কাৰ আৰু ভ্ৰান্ত ধাৰণাৰ বোজা কিছুমান মূৰত সুমুৱাই লৈ মানসিক উন্নতি সাধন কৰিব নোৱাৰে।

ইতিহাসত এই পোণ প্ৰথমবাৰৰ কাৰণে মাৰ্ক্সবাদ-লেনিনবাদৰ বৈজ্ঞানিক ভিত্তিৰ ওপৰত কোটী কোটী মানুহৰ বিশ্ব দৃষ্টিভঙ্গী স্থাপিত হৈছে। মাৰ্ক্সবাদ-লেনিনবাদ জনসাধাৰণৰ উচ্চস্তৰৰ জীৱনৰ বাবে আৰু সাম্যবাদৰ বিজয়ৰ বাবে কৰা সংগ্ৰামৰ আদৰ্শগত অস্ত্ৰত পৰিণত হৈছে। মাৰ্ক্সবাদ-লেনিনবাদে মানৱজাতিক শুদ্ধ, সঠিক ঐতিহাসিক কক্ষলৈ লৈ আহিছে। এই পথেদি আৰু আগ বাঢ়ি গ'লেই ভবিষ্যতৰ সাম্যবাদী সমাজ পোৱাগৈ যাব।

আমি বিপ্লৱী আৰু আন্তৰ্জাতিকতাবাদী ; আমি কেতিয়াও চকু কাণ মুদি প্ৰতিক্ৰিয়াশীল প্ৰচাৰলৈ আওকান কৰি থাকিব নোৱাৰোঁ। যোতয়া

পুঁজিবাদীবিলাকে জনসাধাৰণৰ চেতনা কলুষিত আৰু দুর্নীতিগ্রস্ত কৰি তোলে তেতিয়া আমি এলাহত হাত সাবটি বহি থাকিব নোৱাৰোঁ। যেতিয়া পুঁজিবাদীবিলাকে উগ্র সন্ত্রাসৰ সৃষ্টি কৰে, তেতিয়া আমি নিষ্ক্রিয় হ'ব নোৱাৰোঁ। সেই কাৰণেই পার্টিয়ে সাম্রাজ্যবাদী আদর্শৰ আচল ৰূপটো সদাই দাঙি ধৰি থাকিব।

সাম্যবাদৰ সক্রিয় সংগ্রাম আৰু জনকল্যাণৰ বাবে সাম্যবাদী চেতনাক সজাই লৈ সুসংহত কৰা হৈছে। প্রত্যেক মানুহৰ আচৰণত, প্রত্যেক সমবায়, প্রত্যেক সংগঠন আৰু অনুষ্ঠানৰ কাম-কাজত সাম্যবাদী কর্মধাৰাৰ লগত সাম্যবাদী ভাৱধাৰাৰ সু-সমন্বয় সাধন কৰিব লাগিব।

সৃজনশীল শ্রমেই হ'ল সাম্যবাদী শিক্ষা, ব্যক্তিৰ সর্বাঙ্গীন বিকাশৰ ভিত্তি। শ্রমকেই মানুহৰ অস্তিত্বৰ অৱলম্বন আৰু উন্নতিৰ উপায় হিচাপে সদায় গণ্য কৰি অহা হৈছে আৰু গণ্য কৰি থকা হব; পৃথিৱীৰ সকলো দেশৰ সকলো মানুহৰ ভাষাত সকলো সময়তে এই নীতি-বচন আধাৰ বিভিন্ন ৰূপত আছে—“যি কাম নকৰে, সি খাবলৈও নাপাব।”

কমিউনিষ্টবিলাকৰ লক্ষ্য জনসাধাৰণক শ্রমবিমুখ কৰাটো নহয়, কিন্তু শ্রমৰ শোষণৰপৰা মুক্ত কৰাটোহে আমাৰ লক্ষ্য। মানুহৰ শ্রম আৰু অস্তিত্ব আৰু মানুহৰ গাত থকা সকলো সদগুণ এই সাম্যাদী মূলনীতিৰ মাজতে সোমাই আছে—“সাধ্য অনুসৰি কাম আৰু প্রয়োজন অনুসৰি ভোগ।” সাম্যবাদী শিক্ষাৰ এটি অতি গুৰুত্বপূর্ণ উদ্দেশ্য আছে। সেইটো হল মানুহৰ মনত এনেকুৱা এটা ভাৱ দৃঢ় কৰি সুমুৱাই দিয়া যে শ্রমৰ অবিহনে জীয়াই থাকিব নোৱাৰে। যদি মানুহে নিজে জীয়াই থাকিবৰ বাবে একো সৃষ্টি কৰি নলয়, তেন্তে তেওঁ জীয়াই থকাটো অসম্ভৱ। ছোভিয়েতৰ মানুহে যিবোৰ ভাল কাম কৰিছে সেই সকলোবিলাক নিজৰ আৰু সমাজৰ কল্যাণৰ বাবেই কৰিছে। নিজৰ কাম বিবেচনাৰে কৰা, সকলো কাম নিয়াৰিকৈ আৰু সময়মতে কৰাৰ অর্থ হল আনে সকলোৰে কাৰণে

কৰা কামৰ প্ৰতি উৎসুক হোৱা। ইয়াত কৰোঁতাজনো গোমাই আছে। এই কথাটোতেই নতুন সমাজৰ মানুহৰ বন্ধুত্বপূৰ্ণ সহযোগিতা আৰু পৰস্পৰ সহায় কৰা কথাটো নিহিত আছে।

পুঁজিপতিবিলাকে শ্ৰমজীৱীসকলক শোষণ কৰে আৰু তেওঁলোকৰ ওপৰত নিৰ্য্যাতন চলায়। কিন্তু কমিউনিষ্টবিলাকে মুক্ত শ্ৰমৰ গৌৰৱ বৃদ্ধি কৰে আৰু মহান কৰি তোলে। মুক্ত শ্ৰমেই হৈছে মানুহৰ জীৱনৰ প্ৰাণকেন্দ্ৰ আৰু সমাজৰ সকলো মানুহৰ কল্যাণৰ আকৰ। আৰু এই মুক্ত শ্ৰমেই সামাজিক অগ্ৰগতি আৰু সুখ-সম্পদৰ প্ৰধান আহিলা।

খছৰা কৰ্মসূচীত **সাম্যবাদ নিৰ্মাণ কৰোঁতাসকলৰ কাৰণে নৈতিক বিধি**, নতুন সমাজৰ নৈতিক আদৰ্শ আৰু ইয়াৰ নৈতিক সূত্ৰবিলাক সন্নিৱিষ্ট কৰা আছে।

এশ বছৰতকৈয়ো বেছি দিন হ'ল; পুঁজিবাদী তত্ত্ববাগীশসকলে কমিউনিষ্টবিলাকৰ বিৰুদ্ধে নৈতিকতা নাশ কৰিছে বুলি অভিযোগ আনিছিল। কমিউনিষ্টে সমাজৰ নৈতিকতাৰ আধাৰ নষ্ট কৰিছে বুলি তেওঁলোকক দোষাৰোপ কৰিছিল। পুঁজিবাদীবিলাকে নিজৰ নৈতিকতা বিহীন আচৰণ বোৰ ঢাকি ৰাখিবৰ বাবে এই মিছা প্ৰচাৰৰ আশ্ৰয় লৈছিল। শোষক শ্ৰেণীৰ নৈতিকতাৰ ভিত্তি কি? এই বিলাক কথাৰপৰাই শোষক শ্ৰেণীৰ নৈতিকতাৰ পৰিচয় পাব পাৰি—"টকাই কি কৰিব নোৱাৰে?" "মানুহক ঠগিবা, নহলে সিহঁতে তোমাক ঠগিব।" "টকাৰ কোনো গোন্ধ নাই" আৰু "মানুহৰ কাৰণে মানুহ হ'ল বাঘ"।

আমি বাস্তৱিকতেই এনেকুৱা নিষ্ঠুৰ আৰু সংকীৰ্ণ পটন্তৰবোৰ ধূলিসাৎ কৰি দিছো। এইবিলাকৰ বিপৰীতে আমি সামূহিক আৰু মানবিক নীতিসমূহ দাঙি ধৰিছো। তলৰ ধুনীয়া ধুনীয়া কথাবোৰেই তাৰ নিদৰ্শন—"ব্যক্তিৰ কাৰণেই সমাজ আৰু সমাজৰ কাৰণেই ব্যক্তি"; "মানুহ মানুহৰ বন্ধু, লগৰীয়া আৰু ভাই-ককাই।"

ছোভিয়েতৰ সকলো মানুহৰ ভিতৰতে এই নতুন নৈতিকতা নিহিত কৰোৱাটো আমাৰ কাম। অতীতৰ কুপ্ৰথাবোৰ দূৰ কৰিবৰ কাৰণে এতিয়াও বহুতো কাম কৰিবলৈ আছে। ৰাজহুৱা জীৱনৰ প্ৰগতিক চাৰিওফালে পুৰনি আৰু অৱনতিয়ে আগুৰি থৈছে। প্ৰগতিশীল সকলেই শেহত জয়লাভ কৰিব। কিন্তু পুৰণিৰ অৱশিষ্ট অংশই উন্নতিত বাধা দিয়ে। নতুন সজ উদাহৰণ বাঢ়িছে ; এয়ে আমাৰ শিক্ষাৰ ভেটি। কিন্তু আপোনালোকে জানেই সময়মতে উঘালি নিদিলে বনবোৰ বেগাই গজে। জনসাধাৰণক সচেতন কৰা আৰু তেওঁলোকৰ আচৰণ মাৰ্জিত কৰাটো আমাৰ অপৰিহাৰ্য্য কাম। কিন্তু দেখা যায় প্ৰায়বিলাক বেয়া কামেই আমাৰ বিভিন্ন অনুষ্ঠানৰ সভ্যবিলাকৰ দ্বাৰায় ঘটে। তেওঁবিলাক কোনোবা ট্ৰেড-ইউনিয়ন, কমছ'মল, সমবায় কৃষিপাম নাইবা সাংস্কৃতিক আৰু শিক্ষাসংঘ আদিৰ সভ্যও হব পাৰে, এনেকি পাৰ্টিৰো সভ্য হ'ব পাৰে। আমি তেওঁবিলাকৰ ওপৰত নৈতিক হেঁচা আৰু ৰাজহুৱা মতৰ কৰ্তৃত্ব প্ৰয়োগ কৰিব লাগিব। সমাজতন্ত্ৰবাদী মানৱিক সম্পৰ্কৰ নীতি আৰু আদৰ্শ উলঙ্ঘা কৰাসকলৰ বিৰুদ্ধে যথেষ্ট সক্ৰিয়তাৰে যুঁজ দিব লাগিব।

আমি সকলো মানুহৰে সামঞ্জস্যপূৰ্ণ বিকাশৰ বাবে যত্ন কৰিছো। একমাত্ৰ শ্ৰমিকশ্ৰেণীৰ বাহিৰে আন কোন শ্ৰেণীয়ে শ্ৰমজীৱী মানুহৰ সক্ষমতা আৰু অৱদান উন্নত কৰিব পাৰিছে? কমিউনিষ্ট পাৰ্টিৰ বাহিৰে আন কোনটো শাসক দলে সমগ্ৰ শ্ৰমজীৱী মানুহৰ ক্ষমতা আৰু দক্ষতাৰ বিকাশ সাধনত আত্মনিয়োগ কৰিছে ?

জনসাধাৰণৰ সাংস্কৃতিক অগ্ৰগতিৰ মাজতেই পাৰ্টিয়ে বিজয়ী সাম্যবাদী নিৰ্ম্মাণ-কাৰ্য্যৰ মৰ্ম্ম দেখা পাইছে। আমাৰ দেশে সাংস্কৃতিক বিপ্লৱৰ চৰম পৰ্য্যায়ত উপনীত হৈছেহি। এই সাংস্কৃতিক বিপ্লৱৰ মূল উদ্দেশ্য হ'ল সাম্যবাদৰ বাবে আৱশ্যক হোৱা আদৰ্শগত আৰু সাংস্কৃতিক ক্ষেত্ৰবিলাক গঢ়ি তোলা। এই পৰ্য্যায়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাম হ'ল

সকলো শ্ৰমিক আৰু কৃষকৰ সাংস্কৃতিক আৰু কাৰিকৰী জ্ঞানৰ মান বুদ্ধিজীৱীৰ স্তৰলৈ উন্নত কৰা ; যাতে মানসিক আৰু কায়িক শ্ৰমৰ অন্তৰ্নিহিত প্ৰভেদবোৰৰ মূল উচ্ছেদ কৰিব পাৰি—তাৰ কাৰণেই এই কামৰ তাৎপৰ্য বেছি।

অহা ২০ বছৰত, আমাৰ সমাজৰ বিৰাট অংশই যেই-সেই এটা মাধ্যমৰ জৰিয়তে সম্পূৰ্ণ মাধ্যমিক কাৰিকৰী বা উচ্চ শিক্ষা পোৱাৰ ব্যৱস্থা কৰা হৈছে। কামটো কঠিন কিন্তু কৰাটো সম্পূৰ্ণ সম্ভৱ। **সকলো স্কুলীয়া লৰাছোৱালীৰ বাবে অহা ১০ বছৰৰ ভিতৰত সাধাৰণ আৰু কাৰিকৰী মাধ্যমিক শিক্ষা (১১ বছৰীয়া)** প্ৰৱৰ্তন কৰা হ'ব। স্কুলৰ বিধান অনুসৰি, আঠ বছৰীয়া শিক্ষা সাং কৰাৰ পিছত লৰাছোৱালীবিলাকে হয় কোনো শিল্প প্ৰতিষ্ঠানত—নহয়, সমবায় কৃষিপামত কাম কৰিব লাগিব ; কাম কৰি থাকোঁতে পঢ়িও থাকিব লাগিব। তেতিয়াহে মাধ্যমিক শিক্ষা সম্পূৰ্ণ হ'ব। এইদৰেই শিশুসকলে উচ্চশিক্ষ লাভৰ পথত আৰু কাৰখানা বা সমবায় কৃষিপামৰ উচ্চ কাৰিকৰী কৌশল থকা কাম-কাজ আয়ত্ত কৰাৰ পথত আগ বাঢ়ি যায়।

অহা ১০ বছৰৰ ভিতৰত এতিয়া মাধ্যমিক শিক্ষা নোহোৱাকৈ জাতীয় অৰ্থনৈতিক প্ৰতিষ্ঠানত নিয়োগ হৈ থকা যুৱকসকলেও অন্ততঃ আঠ বছৰীয়া মাধ্যমিক শিক্ষা পোৱাটো নিতান্ত অপৰিহাৰ্য্য বিষয়। এইটো এটা গুৰুত্বপূৰ্ণ আৰু জৰুৰী কাম। এই কথা আমি সকলোৱেই মনত ৰখা উচিত যে, যোৱা মহাসমৰৰ সময়ত আমাৰ বহুতো লৰাছোৱালীয়ে মাধ্যমিক শিক্ষা লবলৈ নেপালে। আমাৰ দেশৰ এই তৰুণ নাগৰিকসকলৰ বাবে প্ৰাপ্য সুবিধা দিব লাগিব।

মানুহৰ সৰ্বাঙ্গীন আৰু ঐক্যবোধ থকা শিক্ষাদানত আমাৰ ছোভিয়েত স্কুলবিলাকে এটা গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। স্কুলীয়া লৰা-ছোৱালীক সাম্যবাদী আদৰ্শৰে শিক্ষিত কৰি তোলোতেঁ আমাৰ স্কুলবিলাকে শিশু-

বিলাকৰ গাত সজ গুণ আৰু সদ্‌অভ্যাসবোৰ জগাই তুলিব লাগিব ; নিজৰ ক্ষমতা অনুযায়ী যাতে শিশুবিলাক ভৱিষ্যতলৈ ফলদায়ক শ্ৰম কৰিবলৈ সক্ষম হয় তাৰ বাবে তেওঁলোকক প্ৰস্তুত কৰিব লাগিব ; সামাজিক সুযোগ সুবিধাবোৰৰ সজ্ঞানে সদ্‌ব্যৱহাৰ কৰি, অলপো বিচলিত নোহোৱাকৈ সাম্যবাদী নৈতিকতা আৰু মানৱিক সম্পৰ্কৰ নীতিসমূহ পালন কৰাৰ শিক্ষা শিশুবিলাকে স্কুলবিলাকত পাব লাগিব। ভবিষ্যতৰ উঠি অহা চাম শিশুৰ শিক্ষাদানৰ মহান দায়িত্ব স্কুলৰ শিক্ষক সকলৰ ওপৰত অৰ্পন কৰা হৈছে ; প্ৰকৃততে এই শিক্ষকসকলক আমাৰ যুৱক সকলৰ অভিজ্ঞ মানসিক উপদেষ্টা বুলি আখ্যা দিব পাৰি। শিক্ষকসকলৰ এই ভূমিকাটো সম্ভৱপৰ সকলোপিনে বৰ্দ্ধন কৰিব লাগে। শিক্ষকসকলৰ কাৰণে অধিক মনোযোগ আৰু তত্বাৱধান ল'ব লাগে।

পাৰ্টিয়ে ৰাজহুৱা শিক্ষানুষ্ঠানসমূহৰ আৰু উন্নতিৰ বাবে বেছি গুৰুত্ব আৰোপ কৰিছে। বোৰ্ডিং স্কুল, দৈনিক তত্বাৱধান লোৱা স্কুল, স্কুলীয়া শিক্ষাৰ আগতীয়া সময়ছোৱাৰ তত্বাৱধান লোৱা অনুষ্ঠান আদিৰ উন্নতিৰ বাবে পাৰ্টিয়ে অধিক গুৰুত্ব দিছে। ৰাজহুৱা শিক্ষা আৰু ঘৰুৱা শিক্ষা পৰস্পৰ বিৰোধী নহয়। শিশুৰ ওপৰত ঘৰুৱা শিক্ষাৰ প্ৰভাৱৰ লগত ৰাজহুৱা শিক্ষা এক সূত্ৰত গাঁথিবৰ প্ৰয়োজন হৈছে।

কিছুমান মানুহে কয় যে সাম্যবাদলৈ ৰূপান্তৰ হোৱাৰ ফলত পাৰিবাৰিক তাৎপৰ্য্য নাইকিয়া হ'ব ; সময়ৰ লগে লগে পৰিয়াল নাইকিয়া হ'ব ইত্যাদি। এইবোৰ কথা সম্পূৰ্ণ ভুল। আচলতে সাম্যবাদৰ অধীনত পৰিয়াল আৰু বেছি সবলহে হ'ব। আৰ্থিক অনাটনৰ বোজাৰপৰা মুক্ত হৈ পৰিয়ালৰ সম্পৰ্ক নিভাঁজ হ'ব আৰু স্থায়ী হ'ব।

সাৰ্ব্বজনীন মাধ্যমিক শিক্ষাৰ প্ৰসাৰণৰ সম্পৰ্কে পাৰ্টিয়ে সকলো প্ৰচেষ্টা কেন্দ্ৰীভূত কৰোঁতে **সকলো উচ্চ শিক্ষাৰ পথ সকলোৰে বাবে আৰু বেছিকৈ মুকলি কৰি ৰখাৰ** লক্ষ্যটোও পাৰ্টিয়ে দাঙি ধৰিছে। বৰ্ত্তমান

আমাৰ উচ্চ শিক্ষানুষ্ঠানসমূহত ২,৬০০,০০০ জন ছাত্ৰই শিক্ষা গ্ৰহণ কৰিছে। ১৯৮০ চনৰ ভিতৰত উচ্চ শিক্ষানুষ্ঠানত ভৰ্তিৰ সংখ্যা ৮০ লাখলৈ বৃদ্ধি কৰিবলৈ পাৰ্টিয়ে ঠিৰাং কৰিছে। অৰ্থাৎ এতিয়াতকৈ তিনিগুণ বাঢ়িব। দেশৰ সকলো অঞ্চলকে সামৰি ল'ব পৰাকৈ সাধ্য স্কুল আৰু লিখালিখি কৰি পঢ়া স্কুলৰ পৰিসৰ বঢ়োৱাত বিশেষ গুৰুত্ব আৰোপ কৰিব লগা হৈছে।

এতিয়াও নগৰৰ বাসিন্দাসকলতকৈ গাঁৱৰ বাসিন্দাসকলৰ সাংস্কৃতিক আৰু কাৰিকৰী মান যথেষ্ট পিছ পৰা হৈ আছে। নগৰ আৰু গাঁৱৰ প্ৰভেদ-বোৰ নাইকিয়া কৰিবৰ বাবে এইক্ষেত্ৰত গাঁৱৰ বাসিন্দাসকলৰ এই পিছপৰা অৱস্থাটোৰ সমাপ্তি ঘটাব লাগিব। সাংস্কৃতিক প্ৰতিষ্ঠানবিলাকে গাঁৱৰ বাসিন্দাসকলৰ সাংস্কৃতিক মান উন্নত কৰিবৰ বাবে আগতকৈ দুগুণ উৎসাহেৰে কাম কৰাৰ প্ৰয়োজন হৈছে।

অহা কেইবছৰত সংস্কৃতিৰ আহিলাবোৰ ব্যাপকভাৱে তৈয়াৰ কৰিবৰ বাবে অধিক ব্যৱস্থা হাতত লোৱাৰ দৰকাৰ হৈছে। তাৰ বাবে আৰু বেছি কাগজৰ কল খুলিব লাগিব; আৰু বেছি ছপাখানা প্ৰতিষ্ঠা কৰিব লাগিব; ৰেডিঅ' আৰু টেলিভিচনৰ কেন্দ্ৰ আৰু বেছি কৰিব লাগিব আৰু বেছি ৰঙ্গমঞ্চ পাতিব লাগিব। ফিল্ম ষ্টুডিঅ' আৰু চিনেমাৰ ক্লাব আৰু পুথিভঁৰালৰ সংখ্যা বঢ়াব লাগিব। এই কামৰ বাবে বিস্তৰ ধন ভাঙিব লাগিব। কিন্তু আমাৰ সমাজে যেতিয়া সাম্যবাদ নিৰ্মাণ কৰাৰ কাম হাতত লৈছে, তেনেস্থলত জনসাধাৰণৰ সাংস্কৃতিক মান উন্নত কৰিবৰ বাবে ধন ভাঙিবলৈ অকনো বিমুখ ন'হব।

আমাৰ যুগটো হৈছে বৈজ্ঞানিক আৰু কাৰিকৰী উন্নতি, সামাজিক আৰু ব্যক্তিৰ উন্নতিৰ যুগ: এই যুগত বিজ্ঞানৰ সকলো সাফল্যৰ সদ্‌ব্যৱহাৰ নকৰাকৈ আৰু পৰিকল্পিত আঁচনি নোহোৱাকৈ উন্নতিৰ পথত আগ বঢ়াৰ কথা ভাবিবই নোৱাৰি। লেনিনে এসময়ত কৈছিল—"বিজ্ঞানৰ লগত শ্ৰমিকশ্ৰেণী

আৰু যন্ত্রবিদ্যাৰ সমন্বয় সাধন হোৱাৰ ফলত কোনো প্ৰতিক্রিয়াশীল শক্তিয়েই তিষ্ঠি থাকিব নোৱাৰিব।"*

এই ভবিষ্যৎ বাণী জীৱন্ত সত্যত পৰিণত হৈছে। আমি শোষক শ্রেণীৰ কুশক্তিক সম্পূর্ণ পৰাস্ত কৰি নির্ম্মূল কৰিলো। আমি চিৰকালৰ বাবে সকলো-ধৰণৰ অর্থনৈতিক আৰু মানসিক শোষণ পুলিয়ে পোখাই উভালি পেলালো। এতিয়া আমি আমাৰ সকলো চেষ্টা থুপ খুৱাইছো গ্রহবিলাকৰ ওপৰত কৰা মানুহৰ নির্ভৰশীলতাৰ ওৰ পেলাবৰ কাৰণে; যাতে সইবোৰ মানুহৰ ইচ্ছাৰ অধীন হয় তাৰ বাবে আমি প্ৰচেষ্টা হাতত লৈছো। এই প্ৰচেষ্টাত আগ বাঢ়ি যোৱাৰ লগে লগে মানুহ পূর্ণ স্বাধীনতাৰ পথলৈ আগ বাঢ়ি যাব।

আমাৰ দেশৰ অভাৱবোৰ পূৰণ কৰিবৰ বাবে বিজ্ঞানক নিয়োজিত কৰা হৈছে। জাতীয় অর্থনীতিৰ গধুৰ সমস্যাবোৰ সক্রিয় আৰু কার্য্যকৰী অস্ত্র হিছাপে সমাধান কৰিবলৈ বিজ্ঞানক লগোৱা হৈছে আৰু বিজ্ঞানক লগোৱা হৈছে আমাৰ দেশৰ উৎপাদিকা শক্তিৰ বিকাশ সাধন কৰিবৰ বাবে। অৱশেষত, তাপ-পাৰমাণবিক প্ৰতিক্রিয়া নিয়ন্ত্রণ কৰি আণবিক শক্তিৰ অক্ষয় ভঁৰাল যাতে শান্তিপূর্ণ উদ্দেশ্যত কামত লগাব পাৰি তাৰ বাবে বিজ্ঞানে পথ উলিয়াব লাগিব। বিজ্ঞানে জলবায়ু আৰু বতৰ নিয়ন্ত্রণ কৰিব পাৰিব লাগিব। ব্যাধি নিবাৰন কৰি মানুহৰ আয়ুস বঢ়াব পাৰিব লাগিব। জীৱদেহৰ গুৰুত্বপূর্ণ প্ৰক্রিয়াবোৰ নিয়ন্ত্রণ কৰিব লাগিব; আৱশ্যকীয় গুণ-বিশিষ্ট অসংখ্য কৃত্রিম বস্তুৰ উদ্ভাৱন কৰিব লাগিব, মহাকাশ জয় কৰি গোটেই বিশ্বব্রহ্মাণ্ডতে নির্ভৰযোগ্য যাতায়তৰ পথ তৈয়াৰ কৰিব লাগিব। বিজ্ঞান আৰু যন্ত্রবিদ্যাৰ সমগ্র বিশ্ব ইতিহাসৰ গোটেই যুগটোত এই কামেই যুগান্তৰৰ সৃষ্টি কৰিব। এই কামে মানুহক অফুৰন্ত শক্তিৰ ভঁৰালৰ দুৱাৰ মুকলি কৰি দিব আৰু মানুহক প্ৰকৃততে প্ৰকৃতিৰ গৰাকী কৰি তুলিব।

* ভি. আই. লেনিন "সংগৃহীত গ্রন্থাৱলী" ৪র্থ ৰুছ সংস্কৰণ; খণ্ড ৩০, পৃষ্ঠা ৩১৬।

মানৱ জাতিয়ে সাম্যবাদৰ ঐতিহাসিক পথেদি আগ বাঢ়ি যাওঁতে অন্যান্য সমাজ বিজ্ঞানবোৰ পৰিসৰ বাঢ়িব। পুঁজিবাদী প্ৰক্ৰিয়াসমূহৰ বিলোপৰ ওপৰত কৰা অনুসন্ধান বৃদ্ধি হ'ব. পৰিকল্পিত সামাজিক উন্নতিৰ পৰিচালনা বিজ্ঞানৰ বিশাল পৰিসৰৰ ভিত্তিত ৰচিত হ'ব। অৰ্থনৈতিক আৰু সাংস্কৃতিক উন্নতি, মানুহৰ বস্তুবাদী বিশ্ব-দৃষ্টিভঙ্গীৰ গঢ় দিয়া, সাম্যবাদী সমাজৰ বাবে মানুহক শিক্ষা দিয়া, পুঁজিবাদী আদৰ্শৰ বিৰুদ্ধে সংগ্ৰাম চলোৱা এই সকলোবিলাকতে সামাজিক বিজ্ঞানসমূহে চৰম উৎকৰ্ষ সাধন কৰিব। যাতে মানৱ-জ্ঞানৰ সকলো ক্ষেত্ৰই বিকশিত হয় তালৈ পাৰ্টিয়ে লক্ষ্য ৰাখিব।

ছোভিয়েত বৈজ্ঞানিকসকলৰ বাবে অতি সন্মানজনক আৰু দেশপ্ৰেমিক কৰ্ত্তব্য হ'ল ছোভিয়েত বিজ্ঞানে জ্ঞানৰ ক্ষেত্ৰত যি শীৰ্ষস্থান অধিকাৰ কৰিছে তাক অটুট ৰখা আৰু ছোভিয়েত বিজ্ঞানে বিশ্বৰ বিজ্ঞানক সকলোবোৰ মৌলিক ক্ষেত্ৰতে কৰা নেতৃত্বৰ ভূমিকা নিশ্চিত কৰি তোলা।

নতুন মানুহক গঢ় দিবলৈ **সাহিত্য আৰু কলায়ো** বিৰাট ভূমিকা গ্ৰহণ কৰিব। সাম্যবাদী ভাৱধাৰাক আৰু পৰম্পৰাগত মানৱতাক প্ৰতিফলিত কৰি শিল্প আৰু কলাই ছোভিয়েতৰ মানুহৰ মাজত—নতুন জগৎ গঢ়োঁতাৰ গাত থাকিব লগা গুণবোৰৰ সমাৱেশ কৰিব লাগিব। আৰু মানুহৰ সৌন্দৰ্য্যবোধ আৰু নৈতিকতাৰ উন্নয়নৰ বাবে সাহিত্য আৰু কলাই বৰঙণি যোগাব লাগিব। সাহিত্য আৰু কলাসেৱীসকলক সেইকাৰণে তেওঁলোকৰ নিজ নিজ বিষয়ত নতুন আৰু সাহসী আংগিক ৰচনা কৰিবৰ বাবে পাৰ্টিয়ে আহ্বান জনাইছে। **অবৃত্তিশীল কলাই** জনপ্ৰিয় কলাকাৰৰ সৃষ্টি কৰিছে আৰু এই কলাৰ প্ৰসাৰ হৈছে। তথাপি বৃত্তিশীল কলাৰ আৱশ্যকতা নোহোৱা কৰা নাই। বৃত্তিশীল কলাকাৰৰ দল আৰু বিশিষ্ট শিল্পীসকলৰ কলা-সাধনাই ভবিষ্যতলৈকো অবৃত্তিশীল কলাকাৰসকলৰ প্ৰেৰণাৰ স্থল হৈ থাকিব।

অবৃত্তিশীল কলাৰ কালৰূপৰা চাবলৈ গ'লে, ইয়েই বৃত্তিশীল সাহিত্য-কলাৰ উন্নতি আৰু সমৃদ্ধিৰ অফুৰন্ত ভাণ্ডাৰ হৈ থাকিব।

মানুহৰ সাংস্কৃতিক উন্নতিত সমাজবাদী আৰু সাম্যবাদী সংস্কৃতি নতুন আৰু উচ্চতৰৰ সংস্কৃতি। সাম্যবাদী সংস্কৃতিৰ শিখৰত আৰোহণ কৰিবৰ কাৰণে লগা সকলোবোৰ আৱশ্যকীয় সমলেই আমাৰ হাতত আছে।

॥ পাঁচ ॥

সাম্যবাদ আৰু মানব জাতিৰ প্ৰগতি

কমৰেডসকল, আমাৰ পার্টিৰ কার্য্যসূচী কার্য্যত পৰিণত হ'লে বিশ্বৰ ইতিহাসত ই এক অতি গভীৰ প্ৰভাৱ বিস্তাৰ কৰিব।

সাম্যবাদ গঢ়ি উঠা কালত ইয়াৰ আদর্শৰ ক্ষমতাই গোটেই বিশ্বৰ কোটী কোটী শ্ৰমজীৱী মানুহক মাৰ্ক্সবাদ-লেনিনবাদৰ পতাকাৰ প্ৰতি আকর্ষণ কৰিব। সাম্যবাদ গঢ়ি তোলাৰ, প্ৰথম আৰু প্ৰধান কাম হৈছে উৎপাদনৰ আহিলাবিলাক দ্ৰুত গতিত বিকাশ কৰা, মানুহৰ সাংস্কৃতিক আৰু জীৱন-যাপনৰ মান উচ্চ পর্য্যায়লৈ উন্নীত কৰা আৰু এনেকুৱা অৱস্থাৰ সৃষ্টি কৰা—য'ত মানুহে শান্তি আৰু সুখেৰে জীৱন কটাব পাৰে। সমগ্ৰ সামাজিক বিকাশে লেনিনৰ দূৰদর্শিতাকে প্ৰমাণ কৰি দেখুৱাই দিয়ে যে অর্থনৈতিক গঠনৰ দ্বাৰায় হে বিজয়ী সমাজবাদী দেশসমূহে বিশ্ববিপ্লৱ বিকাশ কৰাত মূল প্ৰভাৱ সাধন কৰিব। সমাজবাদ আৰু পুঁজিবাদৰ মাজত শান্তিপূর্ণ অর্থনৈতিক প্ৰতিযোগিতাই প্ৰতিদ্বন্দ্বিতাৰ প্ৰধান ক্ষেত্ৰ হব।

এই প্ৰতিযোগিতাৰ ফলাফল ছোভিয়েত যুক্তৰাষ্ট্ৰ আৰু আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ মাজত হোৱা প্ৰতিযোগিতাই বহুল পৰিমাণে নির্দ্ধাৰণ কৰিব।

অহা দশকৰ ভিতৰত আমাৰ দেশক বিশ্বৰ অগ্ৰগামী শিল্প-প্ৰধান শক্তিলৈ ৰূপান্তৰিত কৰা আৰু আমেৰিকাৰ যুক্তৰাষ্ট্ৰতকৈ মূঠ শিল্পোৎপাদন আৰু জনসাধাৰণৰ জনমূৰি উৎপাদনৰ ক্ষেত্ৰত প্ৰাধান্য লাভ কৰাৰ কাম পার্টিয়ে হাতত লৈছে। প্ৰায় একে সময়তে, ছোভিয়েত যুক্তৰাষ্ট্ৰৰ জনমূৰি কৃষি উৎপাদনৰ

হাৰ আমেৰিকাৰ যুক্তৰাষ্ট্ৰতকৈ শতকৰা ৫০ ভাগ বৃদ্ধি পাব আৰু আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ জাতীয় আয়ৰ সমপৰ্য্যায়লৈ উন্নীত হব।

কিন্তু ই আমাৰ প্ৰথম লক্ষ্য হে। আমি ইয়াতে নৰওঁ। **দ্বিতীয় দশকত, ১৯৮০ চনৰ ভিতৰত আমাৰ দেশে জনমুৰি শিল্পোৎপাদন আৰু কৃষি উৎপাদনত আমেৰিকাৰ যুক্তৰাষ্ট্ৰক বহুত পাছত পেলাই থৈ যাব।**

অকল ছোভিয়েত যুক্তৰাষ্ট্ৰই নহয়, বিশ্ব সমাজতান্ত্ৰিক ব্যৱস্থাৰ সকলবোৰ দেশৰেই অৰ্থনীতি পুঁজিবাদী অৰ্থনীতিতকৈ বহুত দ্ৰুতগতিত বিকাশ হব ধৰিছে। যুদ্ধৰ আগৰ হাৰৰ লগত তুলনামূলকভাৱে সমাজবাদী ব্যৱস্থাৰ দেশসমূহৰ শিল্পজাত উৎপাদন প্ৰায় সাতগুণ বৃদ্ধি পাইছে। আন-হাতে পুঁজিবাদী দেশসমূহৰ বৃদ্ধিৰ হাৰ আঢৈ গুণতকৈ কম। অৰ্থনীতিবিদ-সকলৰ প্ৰাথমিক হিছাপত দেখা যায়, ১৯৮০ চনৰ ভিতৰত পৃথিৱীৰ শিল্পোৎপাদনৰ দুই-তৃতীয়াংশই হব বিশ্ব-সমাজতান্ত্ৰিক ব্যৱস্থাত।

কিছুমানৰ মতে সংখ্যাৰ হিছাপ ৰব নীৰস। কিন্তু যি সংখ্যাই আমাৰ ব্যৱস্থাৰ বিকাশ প্ৰতিফলিত কৰে, সেই সংখ্যাৰ উদ্ধৃতি দিয়াটো আনন্দদায়ক আৰু মই ভাবো শুনিবলৈকো সুৱলা। ডেকা কালত এটা গান গোৱা মোৰ মনত পৰে "সাম্যবাদৰ পাৰঘাটলৈ আমাৰ ভাপগাড়ী চলে খৰকৈ।" আজি আমি আৰু সমগ্ৰ সাম্যবাদী ব্যৱস্থা দ্ৰুতগতিত যাব ধৰিছো—শক্তিশালী বিদ্যুৎযানত—ভাপ গাড়ীত নহয়। ইয়াত কোনো সংশয় নাই যে আমাৰ সমাজবাদা 'এক্সপ্ৰেছে' পুঁজিবাদী ৰেল গাড়ীক চেৰ পেলাই আগবাঢ়ি যাব। পুঁজিবাদৰ শক্তিও নাই আৰু টানি নিয়াৰ ক্ষমতাও নাই।

আমাৰ দেশত সাম্যবাদ গঢ়ি তোলাটো সমগ্ৰ সমাজবাদী দেশসমূহত সাম্যবাদী সমাজ গঢ়াৰ এক অবিচ্ছেদ্য অংশ। ইতিহাসৰ একেই যুগতে সমাজবাদী বিশ্বব্যৱস্থাৰ সফল বিকাশে সমাজবাদী দেশসমূহ প্ৰায় একে সময়তে সাম্যবাদলৈ ৰূপান্তৰিত হোৱাৰ সম্ভাৱনা আনি দিছে। পুঁজি-

বাদী বিশ্ব-ব্যৱস্থা এক অসামঞ্জস্য অৰ্থনৈতিক আৰু ৰাজনৈতিক বিকাশৰ নিয়মাধীন। এই কাৰণে দেশসমূহৰ মাজত বিৰোধ গভীৰ হয় আৰু প্ৰতিদ্বন্দ্বিতা বাঢ়ি যায়। সমাজবাদী বিশ্ব-ব্যৱস্থা পোনপটীয়াভাৱে ইয়াৰ বিপৰীত নিয়ম অনুযায়ী বিকশিত হব ধৰিছে। সমাজবাদী ব্যৱস্থাত প্ৰত্যেক দেশৰ অৰ্থনীতি দৃঢ় আৰু পৰিকল্পিতভাৱে বৃদ্ধি পাবলৈ ধৰিছে। পুঁজিবাদৰ তলত অৰ্থনৈতিকভাবে অনগ্ৰসৰ দেশসমূহৰ খৰকৈ বিকাশ হবলৈ ধৰিছে আৰু সকলোবোৰ দেশৰ বিকাশৰ সাধাৰণ স্তৰ প্ৰায় একেই।

যিবোৰ দেশ সিহঁতৰ বিশেষ ঐতিহাসিক বিকাশৰ কাৰণে অনগ্ৰসৰ আছিল, সেই দেশবোৰ সমাজবাদী বিশ্ব-ব্যৱস্থাৰ পৰিবেশত অতি কম সময়ৰ ভিতৰতে অগ্ৰগামী সমাজবাদী দেশসমূহৰ প্ৰায় সমান স্তৰ পাইছেহি। সমাজবাদী দেশসমূহৰ সকলোৰকমৰ সহায় আৰু সহযোগিতাৰ বাবে ধন্যবাদ। এইবোৰ দেশৰ উৎপাদনৰ শক্তিসমূহৰ বিকাশৰ মান এতিয়াও ইয়াৰ সমান নহয়। এইবোৰ বাস্তব কাৰণ। ইয়াৰ ফলত সমগ্ৰ সমাজবাদী দেশ এই নতুন সমাজৰ উচ্চতৰ পৰ্য্যায়ত "ভৰি দিয়াৰ কোনো নিৰ্দ্দিষ্ট সময়" নাই।

আৱশ্যকীয় অৱস্থা উদ্ভৱ হোৱাৰ লগে লগে এই দেশসমূহত পূৰ্ণোদ্যমে সাম্যবাদী সমাজ গঢ়ি উঠাটো স্বাভাৱিক। সমগ্ৰ সমাজবাদী ব্যৱস্থাৰ স্বাৰ্থৰ অনুসৰিয়েই ই হৈছে। ই মানুহৰ সাধাৰণ অগ্ৰগতিৰ প্ৰক্ৰিয়া সাম্যবাদৰ পথে ত্বৰান্বিত কৰিব। সাম্যবাদৰ বিজয় হোৱা দেশসমূহে অন্যান্য সমাজবাদী দেশবিলাকক অধিক পৰিমাণে সমৰ্থন আৰু সাহায্য দিয়াৰ অধিক অনুকূল অৱস্থাৰ সৃষ্টি কৰিব।

মাৰ্ক্সবাদী-লেনিনবাদীসকল এই বিষয়ে সম্পূৰ্ণ এক মত যে সমাজবাদী দেশসমূহৰ মূল-স্বাৰ্থৰ বাবে তেওঁলোক সৰ্বাধিকভাৱে সংঘবদ্ধ হব লাগিব। বিশ্ব সমাজবাদী দেশসমূহৰপৰা আঁতৰি, বিচ্ছিন্নভাৱে সমাজবাদ গঠন কৰা, সমাজবাদী-সমাজ বিকাশৰ বাস্তৱ নিয়মৰ পৰিপন্থী। এই পথ অনিষ্টকাৰক। এই পথে গলে সাম্ৰাজ্যবাদী দেশবিলাকৰ ঐক্যবদ্ধ আক্ৰমণৰ সম্মুখত

সমাজবাদী শক্তিসমূহ দুৰ্বল হৈ যাব পাৰে, ই জাতীয়তাবাদী প্ৰবণতাক উৎসাহ দিয়ে আৰু সৰ্ব্ব শেষত ইয়াৰ ফলত সমাজবাদৰপৰা পোৱা লাভবোৰ হেৰুৱাব লগীয়া হবগেও পাৰে।

জাতীয়তাবাদে যি সাজকে পিন্ধি ভেশছন নকৰক লাগিলে, সমাজতান্ত্ৰিক দেশ সমূহক গোপনে ধ্বংস কৰিবৰ কাৰণে আন্তৰ্জাতিক প্ৰতিক্ৰিয়াশীল শক্তিৰ হাতত ই এপাত মাৰাত্মক ৰাজনৈতিক আৰু ভাবাদৰ্শগত অস্ত্ৰ।

খছৰা কৰ্মসূচীত আছে "কমিউনিষ্টসকলে শ্ৰমজীৱী মানুহক আন্তৰ্জাতিকতাবাদ আৰু সমাজবাদী দেশপ্ৰেমৰ ভাবত উদ্বুদ্ধ কৰি তোলা আৰু সকলোপৰণৰ জাতীয়তাবাদ আৰু উগ্ৰ জাতীয়তাবাদৰ প্ৰতি অসহিষ্ণু কৰি তোলাটো তেওঁলোকৰ মুখ্য কৰ্ত্তব্য বুলি ভাবে। জাতীযতাবাদে সমাজতান্ত্ৰিক পৰিয়ালৰ সাধাৰণ স্বাৰ্থ ক্ষুণ্ণ কৰে—আৰু আটাইতকৈ বেছি ক্ষুণ্ণ কৰে সেইবোৰ দেশৰ জনসাধাৰণৰ স্বাৰ্থ য'ত এই জাতীযতাবাদৰ খলি থাকে। কাৰণ, সমাজতান্ত্ৰিক পৰিয়ালৰপৰা এঘৰীয়া হৈ থাকিলে সেই দেশৰ উন্নতি ব্যাহত হয, সমাজতান্ত্ৰিক ব্যৱস্থাৰ সুযোগ সুবিধাবোৰৰপৰা সেই দেশ বঞ্চিত হয আৰু সাম্ৰাজ্যবাদী শক্তিসমূহে নিজৰ স্বাৰ্থ সিদ্ধি কৰিবলৈ জাতীযতাবাদী প্ৰৱণতাৰ আটাইতকৈ বেছি সুযোগ লবলৈ উৎসাহ পায়।"

ইউৰোপ আৰু এছিযাৰ সমাজবাদী দেশসমূহৰ ভ্ৰাতৃসবলৰ প্ৰতি ছোভিয়েতবাসীৰ অত্যন্ত বন্ধুত্বপূৰ্ণ হৃদ্যতা আছে। তেওঁলোকৰ কৃতকাৰ্য্যতাত ছোভিয়েতবাসী উল্লসিত হয় আৰু তেওঁলোকৰ বিজযত গৌৰৱ বোধ কৰে। ছোভিয়েতবাসীয়ে তেওঁলোকৰ নতুন জীবন গঢ়ি তোলাত সাহায্য কৰি আহিছে আৰু আগলৈও কৰি থাকিব। সকলো সমযতে সমাজবাদী দেশসমূহৰ মানুহে—'ব্যক্তিৰ কাৰণেই সকলো আৰু সকলোৰে কাৰণেই ব্যক্তি' —এই নীতি মানি চলে। সমাজবাদী দেশসমূহে যি লাভ কৰিছে তাৰ বিৰুদ্ধে যদি কোনোৱে হাত দাঙে তেন্তে তাক সমাজবাদ আৰু সাম্যবাদ গঢ়ি তোলা কোটী কোটী মানুহে প্ৰত্যাঘাত কৰি পিছ হোঁহকাই দিব।

যুগোশ্লাভিয়া সম্পৰ্কেতো কেন্দ্ৰীয় কমিটিৰ প্ৰতিবেদনত কোৱা হৈছে যে, যুগোশ্লাভিয়াৰ “লীগ্ অৱ কমিউনিষ্ট” নেতৃত্বৰ সংস্কাৰবাদী কাৰ্য্যৰ বিৰুদ্ধে আমি সংগ্ৰাম কৰি আহিছো আৰু কৰি থাকিম। লগে লগে ৰাজ্যিক ভিত্তিত যিমান দূৰ সম্ভৱ যুগোশ্লাভিয়াৰ লগত সম্পৰ্কৰ বিকাশ আৰু সংহতিৰ কাৰণে আমি থিয় দি আহিছো আৰু দি থাকিমো। শান্তিৰ সংগ্ৰামৰ ক্ষেত্ৰত আমাৰ আৰু যুগোশ্লাভিয়াৰ মাজত বহুল পৰিমানে মিল আছে। ছোভিয়েত যুক্তৰাষ্ট্ৰই সাম্ৰাজ্যবাদী যুদ্ধলিপ্সু বিলাকৰ বিৰুদ্ধে আৰু বিভিন্ন জাতিৰ মাজত শান্তি আৰু বন্ধুত্বৰ সম্পৰ্ক গঢ়ি তোলাৰ পক্ষে সংগ্ৰাম কৰা সকলো শক্তিৰ মাজতে সৌহাৰ্দ্দ্যৰ পুনৰ প্ৰতিষ্ঠা কৰিবলৈ আৰু সিবোৰক সংহত কৰিবলৈ চেষ্টা কৰি আহিছে।

কমৰেডসকল, ছোভিয়েত যুক্তৰাষ্ট্ৰৰ কমিউনিস্ট পাৰ্টিৰ খচৰা কৰ্মসূচীয়ে আজিৰ যুগত যে সাম্যবাদ অজেয় শক্তিত পৰিণত হৈছে এই অনস্বীকাৰ্য্য কথাটোৰ সত্যতা প্ৰতিপন্ন কৰিছে। বৰ্তমান পৃথিৱীৰ ৮৭ খন দেশত কমিউনিষ্ট পাৰ্টি আছে আৰু ইয়াৰ সমষ্ঠি সদস্য সংখ্যা ৪ কোটি। অসংখ্য মানুহ কমিউনিষ্টসকলৰ লগত থাকে, তেওঁলোকৰ মতবাদত অংশ গ্ৰহণ কৰে আৰু তেওঁলোকৰ নীতি সমৰ্থন কৰে। সাম্যবাদ গভীৰভাৱে শিপাইছে আৰু প্ৰচণ্ডভাৱে বৃদ্ধি পাব ধৰিছে। সাম্যবাদৰ পতাকাৰ তলত মানৱজাতিৰ এক তৃতীয়াংশই নতুন জীৱন গঢ়ি তুলিছে। অসমাজবাদী দেশসমূহৰ শ্ৰমিকশ্ৰেণীয়ে পুঁজিবাদৰ ভেটিত কুঠাৰাঘাত কৰিছে।

পৃথিৱীখন এটা বৈপ্লৱিক-যুগৰ মাজেৰে গৈ আছে।

সমাজতান্ত্ৰিক বিপ্লৱ, সাম্ৰাজ্যবাদ-বিৰোধী জাতীয় মুক্তি-বিপ্লৱ, নৱ-গণতান্ত্ৰিক বিপ্লৱ, ব্যাপক কৃষক আন্দোলন, ফেছিস্ট আৰু অন্যান্য স্বৈৰতান্ত্ৰিক ব্যৱস্থা উচ্ছেদৰ গণ-আন্দোলন, আৰু জাতীয় উৎপীড়নৰ বিৰুদ্ধে সাধাৰণ গণতান্ত্ৰিক আন্দোলন— এইসংকলোবোৰে এক পৃথিৱী-জোৰা বৈপ্লৱিক প্ৰক্ৰিয়াত

মিলিত হৈ পুঁজিতন্ত্ৰৰ ভেঁটি খানি তাক খহাই নিবলৈ ধৰিছে।

খহৰা কৰ্মসূচীয়ে বিপ্লৱৰ শান্তিপূৰ্ণ আৰু অ-শান্তিপূৰ্ণ বিকাশৰ পথৰ বিষয়ে কৈছে। আগৰ দৰেই এই ক্ষেত্ৰতো ১৯৫৭ চনৰ ঘোষণা আৰু ১৯৬০ চনৰ বিবৃতিত আন্তৰ্জাতিক সাম্যবাদী আন্দোলনে সামূহিকভাৱে নিৰ্দ্ধাৰণ কৰা নীতিৰ প্ৰতি আমাৰ পাৰ্টিয়ে দৃঢ়ভাৱে সমৰ্থন জনায়।

প্ৰধানতঃ, সমাজবাদী ব্যৱস্থাৰ শক্তিসমূহৰ সংহতি আৰু প্ৰভাৱ বৃদ্ধিৰ ফলত বৰ্ত্তমান যুগত বিশ্বৰ বৈপ্লৱিক আন্দোলনৰ বিকাশ হোৱাত অনুকূল আন্তৰ্জ্জাতিক অৱস্থাৰ সৃষ্টি হৈছে। সমাজবাদৰ আদৰ্শই মানুহৰ মনত এক শক্তিশালী প্ৰভাৱ বিস্তাৰ কৰিছে, তেওঁলোকক নতুন ব্যৱস্থা গঠন কৰিবলৈ সক্ৰিয়ভাৱে সংগ্ৰামী কৰি তুলিছে। বিশ্ব-প্ৰতিক্ৰিয়াশীল শক্তিয়ে প্ৰতিবিপ্লৱ আমদানী কৰাৰ বিৰুদ্ধে সংগ্ৰামৰত বিপ্লৱী জনতাই সমাজবাদী দেশসমূহৰ সমৰ্থনৰ ওপৰত আস্থা ৰাখিব পাৰে। নতুন সমাজ-ব্যৱস্থা গঠনত তেওঁলোকে সমাজবাদী দেশসমূহৰপৰা সকলোপ্ৰকাৰৰ সহায় পাব।

বৰ্ত্তমান যুগত সমাজবাদলৈ ৰূপান্তৰিত হোৱাৰ কাৰণে নতুন দেশসমূহৰ আভ্যন্তৰীণ অৱস্থাও অধিক অনুকূল হৈছে। এই অৱস্থাসমূহৰ ভিতৰত হৈছে, এহাতে পুঁজিবাদৰ সাধাৰণ দুৰ্ব্বলতা আৰু ইয়াৰ গভীৰ অন্তৰ্দ্বন্দ্ব আৰু আনহাতে শ্ৰমিকশ্ৰেণীৰ সংখ্যা, সংগঠন আৰু সংহতি বৃদ্ধি, সমাজত শ্ৰমিকশ্ৰেণীৰ প্ৰভাৱ বিস্তাৰ আৰু লগে লগে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে, একচেতিয়া পুঁজিবাদৰ এদনীয়া বাৰুৰ বিৰুদ্ধে হোৱা সংগ্ৰামত বাস্তবভাৱে আকৃষ্ট হোৱা শ্ৰমিক শ্ৰেণীৰ মিত্ৰসকলৰ সংখ্যা বৃদ্ধি, আৰু বিশ্বৰ প্ৰায় সকলোবোৰ দেশতে কমিউনিষ্ট পাৰ্টি গঠন আৰু ইয়াৰ সংহতি।

এইখিনিতে আন এটা ঘটনাই বৈপ্লৱিক শক্তিসমূহৰ কাৰণে জটিল

সমস্যাৰ সৃষ্টি কৰিছে। এই ঘটনা মনত ৰখা উচিত। যুদ্ধোত্তৰ কালৰ পৰা একচেটিয়া বুৰ্জোৱাসকলে এক নতুন ধৰণৰ প্ৰতিক্ৰিয়াশীল “পলিসি-মিছিৰালি” পাতিছে। কেৱল সমাজবাদী দেশসমূহৰ বিৰুদ্ধেই নহয় বিপ্লৱী শ্ৰমিক শ্ৰেণী আৰু জাতীয় মুক্তি আন্দোলনবিলাকৰ বিৰুদ্ধেও সামৰিক জোটবোৰে মূৰ দাঙি উঠিছে, হিংসাত্মক আৰু উৎপীড়নমূলক যন্ত্ৰবোৰক ইন্ধন যোগাইছে। একে সময়তে শ্ৰমিক শ্ৰেণীক বিভেদ কৰাৰ আৰু ট্ৰেড ইউনিয়ন আন্দোলনসমূহত ঘূণ ধৰোৱাৰ নতুন আৰু পৰিশোধিত পদ্ধতি গ্ৰহণ কৰিছে। সেই একে উদ্দেশ্য লৈয়েই তেওঁলোকে চোছিয়েল ডেমক্ৰেচিৰ আৰু ট্ৰেড ইউনিয়নসমূহৰ প্ৰতিক্ৰিয়াশীল নেতৃবৰ্গক অতিমাত্ৰাই ব্যৱহাৰ কৰে। সিহঁতে উন্মাদৰ দৰে কমিউনিষ্ট বিৰোধী আন্দোলন চলাইছে আৰু সিহঁতৰ এই ক'লা পতাকাৰ তলত শ্ৰমজীৱী জনসাধাৰণৰ শত্ৰুসমূহক সমবেত কৰিছে।

একচেটিয়া পুঁজিপতিবোৰে সিহঁতৰ শাসন চলাই নিবৰ বাবে অতিশয় ৰক্তাক্ত উপায় অৱলম্বন কৰাৰ সম্ভাৱনালৈ অওকান কৰিব নোৱাৰি। আজিৰ অৱস্থাই লেনিনৰ এষাৰ কথাৰ সত্যতা বেচিকৈ প্ৰতিপন্ন কৰে। কথাষাৰ হ'ল : শ্ৰমিক শ্ৰেণী “সামাজিক কৰ্মধাৰাৰ সকলো ৰূপ বা দিশৰ গৰাকী হব লাগিব”। “অতি দ্ৰুত গতিত আৰু অপ্ৰত্যাশিতভাৱে এটা ৰূপৰ ঠাইত আন এটা ৰূপ প্ৰতিষ্ঠা কৰিবৰ বাবে”* সাজু হৈ থাকিব লাগিব।

আজিৰ যুগত জনপ্ৰিয় গণতান্ত্ৰিক বিপ্লৱ, জাতীয় মুক্তি বিপ্লৱ আৰু সমাজতান্ত্ৰিক বিপ্লৱৰ কৰ্তব্য হৈছে পাৰস্পৰিকভাৱে ঘনিষ্ঠ হৈ ওতঃপ্ৰোতভাৱে জড়িত হৈ পৰা। সমাজ বিকাশৰ স্বাভাৱিক গতিয়ে এই বিপ্লৱবোৰক মুখ্যভাৱে প্ৰধান শত্ৰু সাম্ৰাজ্যবাদী, একচেতিয়া পুঁজিবাদীশ্ৰেণীৰ বিৰুদ্ধে আগ বঢ়াই লৈ গৈছে।

* ভি. আই. লেনিনৰ গ্ৰন্থাৱলী, ৪ৰ্থ ৰুছ সংস্কৰণ, ৩১তম খণ্ড, ৭৬ পিঠি (ইং)।

বিশ্ব মুক্তি আন্দোলন কোন বাটেৰে আগুৱাই যাব? এইবাৰ কথা প্ৰায়ে সোধা হয়।

অধিক উন্নত পুঁজিবাদী দেশবিলাকত সমাজবাদলৈ ৰূপান্তৰিত হোৱাৰ অৱস্থা পূৰ্ণমাত্ৰাই পুৰঠ হৈ উঠিছে। জাতীয় মুক্তি বিপ্লৱ আৰু সাম্ৰাজ্যবাদ বিৰোধী বিপ্লৱ সম্পূৰ্ণ হোৱাৰ পিছত এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ অতি অনগ্ৰসৰ দেশবিলাকে সমাজবাদলৈ ৰূপান্তৰিত হোৱাৰ কাম সমাধা কৰিব। বিকাশৰ স্তৰ-নিৰ্বিশেষে যি কোনো দেশেই আজি সমাজবাদলৈ যোৱা পথলৈ উত্তীৰ্ণ হব পাৰে।

আটাইকেইখন মহাদেশতে বিশ্ববিপ্লৱৰ প্ৰক্ৰিয়া ব্যাপকভাৱে বিয়পি পৰিছে। এটা সময় আছিল যেতিয়া বিশ্বৰ প্ৰথম সমাজবাদী দেশখনক সামৰিক উপায়েৰে ধ্বংস কৰিব নোৱাৰি সাম্ৰাজ্যবাদীবিলাকে ইয়াক **নিৰোধন-বেষ্টন** দি পৃথিবীৰ বাকী অংশৰপৰা আঁতৰাই ৰাখিবলৈ যত্ন কৰিছিল। ইউৰোপ আৰু এছিয়াৰ জনতাৰ বিপ্লৱী কৰ্মধাৰাই সমাজবাদৰ সীমা এলবাৰপৰা দক্ষিণ চীন সাগৰলৈকে বিস্তাৰ কৰিছে। বৈপ্লৱিক ভাৱধাৰাক এই সীমাৰ ভিতৰত আৱদ্ধ ৰাখিবৰ বাবে সাম্ৰাজ্যবাদীবিলাকে যথাসম্ভৱ সকলো চেষ্টা কৰিছে। কিন্তু মুক্তিৰ ভাৱাদৰ্শক বাধা দিবলৈ পৰ্বত নাইবা মহাসাগৰ কাৰোৰেই শক্তি নাই। কিউবাৰ বিজয়ী বিপ্লৱে এই কথা স্পষ্টভাৱে প্ৰমাণ কৰিলে।

কিউবাৰ স্বাধীনতা-প্ৰেমী জনতাই, জনতাৰ সম্ৰাজ্যবাদ বিৰোধী বিপ্লৱৰ পতাকা দাঙি ধৰিছে আৰু বিজাতীয় লুণ্ঠনকাৰী আৰু সিহঁতৰ পদলেহী বিলাকৰ পৰা দেশক মুক্ত কৰিছে। বিপ্লৱৰ পতাকাৰ তলত শ্ৰমিক, কৃষক, বুদ্ধিজীৱী আৰু নগৰৰ মধ্যম স্তৰৰ জনতাৰ সমাৱেশ হৈছিল। ই কিউবা বিপ্লৱৰ এক প্ৰধান শক্তি আৰু সামাজিক প্ৰগতিৰ পথেদি বিকাশৰ নিশ্চয়তা আছিল। বহু দূৰত, সাগৰৰ মাজৰ, ক্ষুদ্ৰ দ্বীপ কিউবা মুক্তিৰ এটি উজ্জ্বল আলোক স্তম্ভ হৈ থিয় দিছে—লাতিন আমেৰিকাৰ সকলো জাতিক দেখুৱাইছে প্ৰগতিৰ পথ।

কিউবা ছোভিয়েত যুক্তৰাষ্ট্ৰৰপৰা বহু নিলগত থাকিলেও ওচৰ। আমাৰ হৃদয় তোমালোকৰ মাজত, কিউবাৰ বীৰ-বীৰাঙ্গনাসকল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ সাম্ৰাজ্যবাদীবোৰৰ বিৰুদ্ধে যুঁজি তোমালোকে তোমালোকৰ স্বাধীনতা আৰু মুক্তি ৰক্ষা কৰি আছা; তোমালোকে তোমালোকৰ ৰণ-ধ্বজাত অঙ্কিত কৰিছা—সমাজতন্ত্ৰৰ লক্ষ্য। ভ্ৰাতৃ-প্ৰতিম কিউবাৰ জনসাধাৰণে কৰা ন্যায় প্ৰতিষ্ঠাৰ পৱিত্ৰ সংগ্ৰামত আমাৰ জনসাধাৰণে বৰঙণি যোগাইছে আৰু ভবিষ্যতলৈও যোগাই থাকিব।

সমাজতান্ত্ৰিক ব্যৱস্থা যিমানেই শক্তিশালী হব, পুঁজিবাদতকৈ ইয়াৰ শ্ৰেষ্ঠতা যিমানেই প্ৰকাশ পাব; সমগ্ৰ বিশ্বতেই সমাজতান্ত্ৰিক আৰু গণতান্ত্ৰিক শক্তিসমূহ যিমানেই বৃদ্ধি পাব, সিমানেই বিকাশৰ বিভিন্ন স্তৰত থকা দেশবিলাকে ক্ৰমান্বয়ে বিপ্লৱৰ পথত ভৰি দিব আৰু সমাজবাদী ব্যৱস্থাত যোগ দিব—ঠিক যেনেকৈ সৰুসৰু নিজৰাৰ পানী মিলি প্ৰবল নদীক প্ৰবলতৰ কৰে।

শ্ৰমিকশ্ৰেণীৰ বৈপ্লবিক আন্দোলন ভৱিষ্যতে নানা সুবিধাবাদী মতবাদৰ সম্মুখীন হব। ই তেওঁলোকৰ শক্তিসমূহৰ সংহতি আৰু লক্ষ্যৰ সফলতাত উপনীত হোৱাত বাধা দিব। ধনতন্ত্ৰবাদ জীয়াই থকালৈকে এই ধৰণৰ নানা মতবাদ বিভিন্ন ৰূপত প্ৰকাশ পাব। সেই কাৰণে খচৰা কাৰ্য্যসূচীত ছোচিয়েল ডেমোক্ৰেচীবাদ, সংশোধনবাদ, মতান্ধতা আৰু সংকীৰ্ণতাৰ বিৰুদ্ধে সুদৃঢ় সংগ্ৰাম চলাই যোৱাৰ উল্লেখ কৰা হৈছে। ছোভিয়েত কমিউনিষ্ট পাৰ্টিয়ে সমগ্ৰ বিশ্বৰ শ্ৰমিকশ্ৰেণী আৰু শ্ৰমজীৱী জনতাৰ প্ৰতি তাৰ আন্তৰ্জাতিক কৰ্তব্য পালন কৰি যাব। সকলো দেশৰ কমিউনিষ্টসকলৰ মাজত ঐক্য আৰু সংহতি সুদৃঢ় কৰাৰ কাৰণে কাম কৰি যাব।

কমৰেডসকল, সাম্যবাদী গঠন কাৰ্য্যৰ সাফল্য এছিয়া, আফ্ৰিকা, আৰু লেটিন আমেৰিকাৰ জাতিসমূহৰ ভাগ্য নিয়ন্ত্ৰণত বিশেষ তাৎপৰ্য্য-পূৰ্ণ হব। সুদীৰ্ঘ আৰু মৰ্মান্তিক নিৰ্য্যাতনৰ পাছত এই মহাদেশবিলাকৰ

জাতিবিলাকে নিজৰ ইতিহাস নিজে ৰচনা কৰিবলৈ মূৰ দাঙি উঠিছে। তেওঁলোকে তেওঁলোকৰ অৰ্থনীতি আৰু সংস্কৃতিৰ মান দ্ৰুতভাৱে বৃদ্ধি কৰাৰ পথৰ সন্ধান কৰিছে।

ঔপনিবেশিক শাসনৰ ওৰ পেলাবৰ বাবে জাতীয় মুক্তি আন্দোলনে শেষ স্তৰত ভৰি দিছে। নতুনকৈ মুক্তি লাভ কৰা জাতিবিলাক স্বাধীনতা সুদৃঢ় কৰা, অৰ্থনৈতিক অনগ্ৰসৰতা দূৰ কৰা আৰু সাম্ৰাজ্যবাদৰ ওপৰত নিৰ্ভৰ কৰি থকা সকলো প্ৰকাৰ ব্যৱস্থাক ধ্বংস কৰাৰ কৰ্ত্তব্যত ব্যস্ত।

এই পথ সহজ নহয়। জাতীয় মুক্তি আন্দোলনৰ সন্মুখ-যুদ্ধত সাম্ৰাজ্যবাদ পৰাজিত হৈছে। কিন্তু তথাপিও সিঁহতে অস্ত্ৰ সম্বৰণ কৰা নাই। ইয়াৰ পদ্ধতি বেছি পৰিশোধিতহে হৈছে। অনগ্ৰসৰ দেশবিলাকত একচেতিয়া পুঁজিবাদীবোৰে সিঁহতৰ শাসন আৰু শোষণ জীয়াই ৰাখিবলৈ আৰু সুদৃঢ় কৰিবলৈ সুদূৰ প্ৰসাৰী পন্থা গ্ৰহণ কৰিছে। সাহায্য দিয়াৰ নামত এই পন্থাবিলাকৰ প্ৰকৃত সাৰমৰ্ম লুকুৱাই ৰাখিছে। এই বিষয়ত আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ সাম্ৰাজ্যবাদীবিলাক আটাইৰে আগত।

অৱশ্যে সাম্ৰাজ্যবাদী শক্তিসমূহে অনগ্ৰসৰ দেশসমূহলৈ নিঃস্বাৰ্থ সাহায্য দিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে। একচেতিয়া পুঁজিপতিয়ে নিজৰ অতি-মুনাফা কেতিয়াও এৰি দিব নোৱাৰে। সিহঁতৰ উদ্দেশ্য সদায়েই যি আছিল আজিও সিয়েই আছে—সিহঁতৰ উদ্দেশ্য হ'ল পিছপৰা দেশবোৰক কৃষিপ্ৰধান বহতীয়া আৰু কেঁচামালৰ যোগান দিওঁতা হিছাপে ৰখা আৰু তাৰ জন-সাধাৰণক শোষণ কৰা। কিন্তু সাম্ৰাজ্যবাদীবিলাকে এই "সাহায্য"ৰ নামত ঢোল কোবাইছে, অথচ এই সাহায্য অকপট সাহায্য নহয় - ই বাধ্য হৈ দিয়া সাহায্য। সাম্ৰাজ্যবাদে পৃথিৱী সম্পূৰ্ণ নিয়ন্ত্ৰণ কৰি থকা অৱস্থাত এই ধনী-দলৰ পিছপৰা দেশসমূহৰ কোনো ধৰণৰ সাহায্য দিবলৈ মনত নেখেলাছে।

ছোভিয়েত ইউনিয়ন আৰু পৃথিৱীৰ সমাজবাদী ব্যৱস্থাই সাম্ৰাজ্যবাদী শক্তিসমূহৰ যন্ত্ৰপাতি দিয়া, ঋণ দিয়া আৰু কাৰিকৰী শিক্ষা দিয়াৰ একচেতিয়া

অধিকাৰ ভাঙি দিয়াৰ লগে লগে অৱস্থাৰ পৰিবৰ্ত্তন ঘটিল। কব পাৰি যে সাম্রাজ্যবাদী শক্তিসমূহে তেতিয়া নিজৰ কৌশল সলাবলৈ বাধ্য হ'ল আৰু পিছপৰা দেশসমূহক অৰ্থনৈতিক "সাহায্য" দিয়াৰ কথা কবলৈ ধৰিলে। তেওঁলোকে আশা কৰিছিল যে এমুঠি ডলাৰ দিলেই এই দেশবোৰে স্তুতি-বাক্য শুনাব আৰু কৃতজ্ঞতা প্ৰকাশ কৰিব।

তাৰ সলনি আমেৰিকাৰ সাম্রাজ্যবাদে শাওপাতহে পাইছে। কিয়? কাৰণ আচলতে আমেৰিকাই পিছপৰা দেশসমূহৰপৰা শোষণ কৰি নিয়া ধনৰ এটা নগণ্য অংশহে সাহায্য হিছাপে দিছে।

দৰাচলতে ১৯৪৬ আৰু ১৯৫৯ চনৰ ভিতৰত আমেৰিকাই সকলো পিছপৰা দেশক দিয়া প্ৰতিটো ডলাৰৰ কাৰণে ২.৫ ডলাৰ লাভ পাইছে। ছোভিয়েত অৰ্থনীতিবিদসকলে হিছাপ কৰি পাইছে যে আমেৰিকা আৰু অন্যান্য পছিমীয়া শক্তিসমূহে পিছপৰা দেশবোৰৰ পৰা বছৰি ২০,০০০ নিযুত ডলাৰ শোষণ কৰি নিছে। যদি এইটো সাহায্য হয় তেন্তে ডকাইতিনো বুলিম কাক? মানুহে ডকাইতক অন্ততঃ ধন্যবাদ নিদিয়ে; শাওহে দিয়ে।

একচেটিয়া পুঁজিবাদে পিছপৰাদেশ বোৰক সাম্রাজ্যবাদৰ বহতীয়া কৰি পুঁজিবাদা অৰ্থনৈতিক ব্যৱস্থাত এক অসমান অৱস্থাত ৰাখিব খোজে। এইটো অৱশ্যে বৃথা চেষ্টা। পিছপৰা দেশবোৰৰ জনসাধাৰণে সাম্রাজ্যবাদৰ লগত সাঙোৰ খাই থাকিব নোখোজে। তেওঁলোকে সমাজতন্ত্ৰই প্ৰতিষ্ঠা কৰা উদাহৰণ দেখিবলৈ পাইছে। এতিয়া আৰু মানুহে কিতাপৰপৰা সমাজবাদক বিচাৰ নকৰে, মূলতঃ কৰে ইয়াৰ প্ৰকৃত ফলাফলৰপৰাহে। মানুহে দেখিবলৈ পাইছে যে ছোভিয়েত শক্তিয়ে যুগ যুগ ধৰি পিছপৰি থকা অৱস্থা আঁতৰাই পৃথিৱীৰ এক বৃহৎ শক্তিত পৰিণত হবলৈ শ বছৰ লোৱা নাই— এজন মানুহৰ জীৱনকালৰ ভিতৰতে কৰিব পাৰিছে।

আগৰ ঔপনিবেশিক দেশসমূহে লাভ কৰা ৰাজনৈতিক স্বাধীনতাই তেওঁলোকৰ অৰ্থনৈতিক বিকাশত সহায় কৰিছে। উৎপাদন বিকাশৰ

গতি উচ্চতৰৰ হৈছে। ২য় মহাযুদ্ধৰ আগতে এই দেশবোৰৰ গড় হিচাপে বাৰ্ষিক বিকাশ শতকৰা এভাগ আছিল কিন্তু যোৱা কেইবছৰত সি শতকৰা ৪ ভাগলৈ উঠিছে। ইয়াৰ বহুতো দেশত এটা ৰাষ্ট্ৰীয় খণ্ড তৈয়াৰ কৰা হৈছে আৰু জাতীয় শিল্প গঢ়ি উঠিছে।

কিন্তু এয়া প্ৰথম খোজহে। ঔপনিবেশিকতাৰ ফল এতিয়াও গভীৰ ভাৱে অনুভৱ কৰা হৈছে। মূল অৰ্থনৈতিক সমস্যাবিলাকৰ এতিয়াও সমাধান হোৱা নাই। আনফালেদি বৃহৎ ধনী শ্ৰেণী আৰু সামন্তবাদী জমিদাৰ সকলে—যিসকলে নিজৰ ভাগ্য বিদেশী পুঁজিৰ লগত সাঙুৰি দিছে—তেওঁলোকে এই পিছপৰা দেশসমূহক পৃথিৱীৰ পুঁজিবাদী ব্যৱস্থাৰ ভিতৰত ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰিছে। যিবিলাক লক্ষ্যৰ কাৰণে জনসাধাৰণে ঔপনিবেশিক শক্তিৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল, সেইবিলাক সাম্ৰাজ্যবাদ আৰু তাৰ বহতীয়াবিলাকে দেখুৱা পথেদি লাভ কৰাৰ আশা নাই।

তেন্তে পথ কি? ইতিহাসে ইয়াৰ এটা পৰিষ্কাৰ উত্তৰ দিছে। ইয়াৰ পথ বিচাৰিব লাগিব অনা-পুঁজিবাদী বিকাশৰ ভিতৰেদি। যিবিলাকে এই পথত কি লাভ হব জানিব খোজে তেওঁলোকে অক্টোবৰ বিপ্লৱৰ পিছত পুঁজিবাদী কাঁইটীয়া পথ ত্যাগ কৰি আগ বাঢ়ি যোৱা ছোভিয়েত মধ্য এচিয়াৰ সাধাৰণতন্ত্ৰসমূহ আৰু আমাৰ দেশৰ অন্যান্য অঞ্চললৈ চকু দিয়া উচিত।

কোনো এখন দেশে হঠাৎ অনা-পুঁজিবাদী বিকাশৰ পথত ভৰি দিবহঁে নোৱাৰে। শ্ৰমিক শ্ৰেণী আৰু অন্যান্য শ্ৰমজীৱী জনসাধাৰণৰ প্ৰত্যক্ষ সংগ্ৰাম, ব্যাপক জাতীয় ফ্ৰন্টত সকলো গণতান্ত্ৰিক আৰু দেশপ্ৰেমিক শক্তিৰ ঐক্যইহে মাথোন এনে এটা পথেদি জনসাধাৰণক আগ বঢ়াই নিব পাৰে।

বাস্তৱ অৱস্থাক গভীৰভাৱে লক্ষ্য কৰি মাৰ্ক্সবাদী তত্ত্বগত চিন্তাই এনে এটা পথ উলিয়াইছে, যি পথত দেশৰ সমস্ত সুস্থ শক্তিক সকলোতকৈ

বেছি সফলতাৰে সৈতে ঐক্যবদ্ধ কৰিব পাৰি। সেই পথৰ ৰূপ হৈছে জাতীয় গণতন্ত্ৰ। কোনো এটা বিশেষ শ্ৰেণীৰ নহয়—ব্যাপক জনসাধাৰণৰ স্বাৰ্থক প্ৰতিফলিত কৰা এনে এখন ৰাষ্ট্ৰই জাতীয় মুক্তিৰ কাৰণে সাম্ৰাজ্যবাদ বিৰোধী বিপ্লৱ সমাধা কৰিব লাগিব।

যিবিলাক দেশে জাতীয় স্বাধীনতা লাভ কৰিছে তাৰ জনসাধাৰণৰ ভাগ্য ভাল। তেওঁলোকে এনে এটা সময়ত স্বাধীন বিকাশৰ পথত আগবাঢ়িছে—যেতিয়া সাম্ৰাজ্যবাদী শক্তিয়ে ইতিহাসৰ ধাৰা নিয়ন্ত্ৰণ কৰাৰ ক্ষমতা হেৰুৱাবলৈ ধৰিছে আৰু আনহাতেদি সমাজবাদৰ শক্তি আৰু প্ৰভাৱ বাঢ়িবলৈ ধৰিছে। এনে অৱস্থাত অৰ্থনৈতিক আৰু সামাজিক বিকশৰ সমস্যাসমূহ সমাধান কৰাটো তেওঁলোকৰ কাৰণে যথেষ্ট সহজ হব।

ছোভিয়েত ইউনিয়নৰ আন যি কোনো সমাজতান্ত্ৰিক দেশৰ দৰেই নতুনকৈ স্বাধীনতা পোৱা দেশসমূহৰ ভিতৰুৱা সমস্যাত হস্তক্ষেপ কৰা নাইবা তেওঁলোকৰ ওপৰত সমাজতন্ত্ৰ জাপি দিয়াৰ কোনো ইচ্ছা নাই। আগেয়ে কাহানিও সমাজতন্ত্ৰ ৰপ্তানি কৰিব পৰা হোৱা নাছিল, এতিয়াও নোৱাৰে আৰু আগলৈয়ো নোৱাৰিব। কিন্তু সেই বিলাক দেশত ঔপনিবেশিকতাও জাপি দিব নোৱাৰিব আৰু প্ৰতি-বিপ্লৱো ৰপ্তানি কৰা নচলিব।

ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিয়ে ভাবে যে ইয়াৰ আন্তৰ্জাতিক নীতিৰ এটা মূল কথা হল ঔপনিবেশিক দাসত্ব দলিয়াই পেলোৱা জনসাধাৰণৰ লগত মৈত্ৰী। যিবিলাক জাতিয়ে জাতীয় স্বাধীনতা লাভ কৰিবলৈ আৰু তাক শক্তিশালী কৰিবলৈ সংগ্ৰাম কৰিছে, ঔপনিবেশিক ব্যবস্থাক নিশ্চিহ্ন কৰিবলৈ চেষ্টা কৰিছে তেওঁলোকক সহায় কৰাটো আমাৰ পাৰ্টিয়ে আন্তৰ্জাতিকতাবাদী কৰ্ত্তব্য বুলি ভাবে।

কমৰেডসকল, আমাৰ বিৰাট পৰিকল্পনা কাৰ্য্যত পৰিণত হ'লে ই সাম্যবাদৰ ঐতিহাসিক দায়িত্ব পালনত গুৰুত্বপূৰ্ণ সহায়ক হব। সেই

দায়িত্ব হল পৃথিৱীৰপৰা যুদ্ধ নাইকিয়া কৰা আৰু পৃথিৱীত স্থায়ী শান্তি প্ৰতিষ্ঠা কৰা।

ইতিহাসৰ অভিজ্ঞতাই দেখুৱাইছে যে যুদ্ধ সাম্ৰাজ্যবাদৰ লগৰীয়া বস্তু যেনেকৈ সাম্ৰাজ্যবাদৰ বিৰোধিতা আৰু শান্তি প্ৰতিষ্ঠাৰ নীতি সমাজ-তন্ত্ৰৰ লগে লগে থাকে। ইতিহাসৰ বুকুত চিয়াঁহীৰে নহয়, কোটী কোটী মানুহৰ বুকুৰ তেজেৰে লিখি থৈ যোৱা ঘটনাৰ কথা মানুহে পাহৰিব নোৱাৰে। ১৮৯৮ খ্ৰীষ্টাব্দত আমেৰিকাই সাম্ৰাজ্যবাদী যুগৰ প্ৰথম যুদ্ধখন আৰম্ভ কৰাৰ দিনৰপৰাই সাম্ৰাজ্যবাদে জনসাধাৰণৰ ওপৰত বহুতো লানি লগা "স্থানীয় যুদ্ধ" জাপি দিছে আৰু দুবাৰকৈ মানৱ জাতিক পৃথিৱীজোৰা ধ্বংসলীলাৰ মাজত পেলাইছে। তদুপৰি দ্বিতীয় মহাযুদ্ধই জুই জ্বলোৱা চহৰ নগৰ উমি উমি জ্বলি থাকোঁতেই, আত্মীয়-স্বজনক হেৰুওৱা লাখ লাখ মানুহৰ অন্তৰৰ শোক মাৰ নৌযাওঁতেই, আমেৰিকান সাম্ৰাজ্য-বাদে আকৌ তৃতীয় মহাযুদ্ধ এখন লগোৱাৰ চেষ্টা কৰিছে।

সাম্ৰাজ্যবাদী শিৱিৰত বিশেষকৈ সকলোৰে ওপৰত আমেৰিকা যুক্তৰাষ্ট্ৰত কিছুমান মানুহে কিছু কাৰ্যকলাপ চলাই আছে। সিহঁতে জুৱাৰীৰ দৰে আচৰণ কৰে। সিহঁতে লগাব খোজা যুদ্ধখনে মানৱজাতিক কি দুৰ্যোগৰ ভিতৰত পেলাব তাক তেওঁলোকে চিন্তা নকৰে। আণৱিক শক্তিৰ আৰু ৰকেট অস্ত্ৰশস্ত্ৰৰ ব্যৱহাৰে সকলো মহাদেশকে ব্যাপক নৰহত্যা আৰু বিষয়বস্তুৰ ধ্বংসলীলাৰ ক্ষেত্ৰত পৰিণত কৰিব। আণৱিক যুদ্ধত দূৰত্বৰ কোনো মূল্য নাথাকিব আৰু সমগ্ৰ পশ্চিম গোলাৰ্দ্ধ এক হত্যা আৰু ধ্বংস লীলাভূমিত পৰিণত হব। আমাৰ যুগত যুদ্ধ আন্তৰ্জাতিক বিৰোধ সমাধানৰ উপায় হবতো নোৱাৰেই আৰু হবও নালাগে।

এটা কথা উঠিব পাৰে : যুদ্ধৰ বিপদ আছে বুলি স্বীকাৰ কৰা আৰু সমাজৰপৰা যুদ্ধ নাইকিয়া কৰিবলৈ চেষ্টা কৰাৰ ভিতৰত কিবা বিৰোধ আছেনে নাই। কমৰেডসকল, ইয়াৰ ভিতৰত কোনো বিৰোধ নাই।

আন্তর্জাতিক ক্ষেত্রত কাৰ্যকলাপ চলাই থকা বিভিন্ন শক্তিসমূহৰ গভীৰ আৰু ব্যাপক বিশ্লেষণৰ ওপৰত ভিত্তি কৰিয়েই আমাৰ পাৰ্টিয়ে বিশ্বাস কৰে যে আজিৰ জনসাধাৰণৰ কাৰণে এখন যুদ্ধ বন্ধ কৰাৰ সকলো সম্ভাৱনা আছে। এই পৰীক্ষাই এটা সিদ্ধান্ততে উপনীত কৰায় যে পৃথিৱীৰ ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামৰিক শক্তিসমূহৰ ভাৰসাম্য শান্তি শিবিৰৰ অনুকূলে।

এই শক্তি বৃদ্ধিৰ কাৰণ কি? প্ৰাথমিকভাৱে তাৰ কাৰণ হল:

প্ৰথমতে, বৰ্তমানৰ সকলোতকৈ শক্তিশালী দেশ ছোভিয়েত ইউনিয়নে সমস্ত শক্তি দি শান্তি ৰক্ষা আৰু সংহত কৰাৰ কাৰণে চেষ্টা কৰিছে। নিজৰ শক্তিবৃদ্ধিৰ লগে লগে বৃহৎ সাম্ৰাজ্যবাদী শক্তিৰ আক্ৰমণাত্মক চেষ্টা বাঢে আৰু ফলস্বৰূপে যুদ্ধৰ বিপদো বেছি হয়; আনহাতেদি পৃথিৱীৰ প্ৰথম সমাজবাদী ৰাষ্ট্ৰৰো শক্তি বঢ়াৰ লগে লগে ই যুদ্ধৰ বিৰুদ্ধে কাৰ্য্যকৰী নিশ্চয়তাৰ সৃষ্টি কৰিছে আৰু কৰি আছে, আৰু যুদ্ধ ৰোধ কৰাৰ সম্ভাৱনাও বেছি কৰিছে। যি দিনাৰপৰা ছোভিয়েত ইউনিয়নে বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ নিচিনা গুৰুত্বপূৰ্ণ ক্ষেত্রত প্ৰথম স্থান লাভ কৰিলে আৰু সেই শক্তি শান্তিৰ কাৰণে সংগ্ৰামত নিয়োগ কৰিলে সেই দিনাৰপৰা পৃথিৱীৰ নিৰাপত্তা ৰক্ষা কৰাৰ সম্ভাৱনা বহুত গুণে বাঢ়িল।

দ্বিতীয়তে, ছোভিয়েত ইউনিয়নৰ লগতে আন এটা বিৰাট শক্তি সাম্ৰাজ্যবাদী আক্ৰমণৰ বিৰুদ্ধে থিয় দিছে। সেইটো হল সমাজতান্ত্ৰিক ব্যৱস্থাৰ সকলো দেশ। সাম্ৰাজ্যবাদী ব্যৱস্থাৰ তলত বিভিন্ন দেশৰ মৈত্ৰী সদায়েই এখন নতুন যুদ্ধৰ কাৰণে হয় কিন্তু আন হাতেদি সমাজতান্ত্ৰিক দেশসমূহে সকলো শক্তি গোট খুৱাইছে শান্তি আৰু সামাজিক অগ্ৰগতিৰ কাৰণে।

তৃতীয়তে, আন্তর্জাতিক ক্ষেত্রত আৰু এটা নতুন শক্তিৰ আবিৰ্ভাৱ হৈছে—সেইটো হল এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ নতুনকৈ স্বাধীন হোৱা দেশসমূহ। এই দেশবোৰৰ স্বাৰ্থ হল জাতীয় পুনৰগঠনৰ

কাৰণে পৃথিৱীত শান্তি ৰক্ষা কৰা। এই বিলাকৰ সৰহ-সংখ্যকেই শান্তিৰ নীতি দাঙি ধৰিছে। এই দেশবিলাকৰ জনসাধাৰণৰ মূল স্বাৰ্থ সমাজ-তান্ত্রিক দেশৰ জনসাধাৰণৰ স্বাৰ্থৰ লগত একে হোৱাটো শান্তিৰ কাৰণে তেওঁলোকৰ চেষ্টাক ঐক্যবদ্ধ কৰাৰ বাস্তৱ ভিত্তি। মানৱজাতিৰ দুই তৃতীয়াংশৰ ইচ্ছা আৰু শক্তিক প্রকাশ কৰা এই শক্তিশালী শিবিৰে সাম্রাজ্য-বাদী আক্রমণকাৰীবোৰক ওফৰাই দিব পাৰে।

চতুৰ্থতে, পুঁজিবাদী দেশসমূহৰ ৰাজনৈতিক ভূমিকাও বিৰাট পৰিমাণে বাঢ়িছে। আণৱিক যুদ্ধৰ বিপদৰ সম্মুখত ইতিহাসত আগতে নোহোৱা এক সম্মিলিত মৰ্চ্চা গঢ়ি উঠিবলৈ ধৰিছে। এই মৰ্চ্চা হল মানৱজাতিক যুদ্ধৰ বিপদৰপৰা চিৰকালৰ কাৰণে ৰক্ষা কৰিবলৈ এক উদ্দেশ্যত বান্ধ খোৱা বিভিন্ন ধৰণৰ গণ আন্দোলনৰ সম্মিলিত মৰ্চ্চা। মানৱ জাতিৰ ভাগ্য নিৰ্ণয়ৰ কাৰণে নিজৰ দায়িত্ব সম্পৰ্কে বেছি পৰিমাণে সতক হোৱা আন্তৰ্জাতিক শ্রমিকশ্রেণী হল এই মৰ্চ্চাৰ বৃহৎ সংগঠনকাৰী শক্তি। পৃথিৱীৰ বিভিন্ন দেশৰ লাখ লাখ কমিউনিষ্টৰ বজ্রমুঠিয়ে শান্তিৰ পতাকা তুলি ধৰিছে।

আমাৰ সময়ৰ এইবিলাক মূল শক্তিয়েই যুদ্ধক বাধা দি আছে। সেই শক্তিবিলাক আজি সচাঁকৈয়ে অসংখ্য। ভৱিষ্যতে সেই বিলাক আৰু শক্তিশালী হব। সমাজতান্ত্রিক দেশসমূহত নিজৰ অৰ্থনৈতিক পৰিকল্পনা-বিলাকৰ সফলতা সেই শক্তিৰ সংহতিৰ কাৰণে গুৰুত্বপূৰ্ণ হব। আমাৰ কাৰ্যসূচীত দিয়া পৰিকল্পনাৰ সফলতাই শান্তিৰক্ষাকাৰীসকলৰ বাস্তৱ ভিত্তি আৰু শক্তিশালী কৰিব।

মানৱ জাতিয়ে যুদ্ধ বন্ধ কৰিব পাৰে আৰু কৰিব লাগিব। শান্তিকামী শক্তিসমূহৰ অতি সক্রিয় আৰু দৃঢ় সংগ্রামৰ দ্বাৰাহে সেই কাম কৰিব পৰা হব। **সাম্রাজ্যবাদী বিলাকক সময় থাকোঁতেই জব্দ কৰা, সিহঁতক মাৰাত্মক অস্ত্রশস্ত্র ব্যৱহাৰ কৰিবলৈ সুবিধা নিদিয়া, যুদ্ধ বন্ধ কৰা**

আৰু তাক জ্বলি উঠিবলৈ নিদিয়া—এইবিলাকেই হল গুৰুত্বপূৰ্ণ কথা।

লেনিন আৰু আমাৰ পাৰ্টিয়ে কৰা মহৎ কাম হল বৰ্তমান সময়ৰ একমাত্ৰ শুদ্ধ বৈদেশিক নীতিটো দাঙি ধৰা আৰু তাক কাৰ্য্যকৰী কৰা। পৃথিৱীত দুটা সমাজব্যৱস্থা চলি থকা সময়ত সেই নীতি হ'ল পৃথক্ সমাজ-ব্যৱস্থাসম্পন্ন বিভিন্ন দেশৰ মাজত শান্তিপূৰ্ণ সহ-অৱস্থান। আমাৰ পাৰ্টিয়ে সেই নীতিকে চলাই আছে। শান্তিপূৰ্ণ সহ-অৱস্থানৰ নীতিয়ে কোটী কোটী মানুহৰ অন্তৰ জয় কৰিছে। ধনিক শ্ৰেণীৰ ভিতৰতো যিসকলে স্থিৰ মস্তিষ্কেৰে চিন্তা কৰিব পাৰে, তেওঁলোকে এই নীতিৰ কাৰ্য্যকৰী শক্তি আৰু ভূমিকা স্বীকাৰ কৰে।

অস্ত্ৰশস্ত্ৰৰ প্ৰতিযোগিতা জনসাধাৰণৰ মূৰৰ ওপৰত ভয়ানক তৰোৱাল এখনৰ দৰে ওলমি থকা হলেও বিভিন্ন দেশৰ মাজৰ সম্পৰ্ক আচল স্থিৰতা আহিব পাৰে। অৰ্থাৎ সাধাৰণভাৱে সম্পূৰ্ণ অস্ত্ৰশস্ত্ৰ বিলোপ হলেহে সেইটো হব পাৰে। একমাত্ৰ সাধাৰণ অস্ত্ৰহ্ৰাসৰ ভিত্তিতহে প্ৰকৃত নিৰ্ভৰযোগ্য আন্তৰ্জাতিক নিৰাপত্তা গঢ়ি উঠিব পাৰে, সামৰিক শক্তিৰ ভিত্তিত সি কৈ উঠা সম্ভৱ নহয়। এই ঐতিহাসিক কাৰ্য্য সমাপন নোহোৱালৈকে আমাৰ পাৰ্টি আৰু ছোভিয়েত চৰকাৰ আৰু আমাৰ সমগ্ৰ জনসাধাৰণ অস্ত্ৰহ্ৰাসৰ কাৰণে সংগ্ৰাম কৰিবলৈ আৰু তাৰ পথ বিচাৰি থাকিবৰ কাৰণে দৃঢ়প্ৰতিজ্ঞ।

সাম্ৰাজ্যবাদীবিলাকে "যুদ্ধৰ পৰাত থিয় দিয়া" নীতিকেই আন্তৰ্জাতিক সম্পৰ্কৰ স্থায়ী ভিত্তি কৰিব খোজে। আমি স্থায়ী শান্তি আৰু মানুহৰ সাধাৰণ নিৰাপত্তাক আন্তৰ্জাতিক সম্পৰ্কৰ স্থায়ী ভিত্তি কৰিব বিচাৰো। সাম্ৰাজ্য-বাদৰ ৰাজনীতি হল এমুঠি একচেটিয়া পুঁজিপতিৰ স্বাৰ্থপৰ নীতিৰেই প্ৰকাশ। সমাজবাদৰ ৰাজনীতি সমগ্ৰ মানৱজাতিৰ স্বাৰ্থৰ অভিব্যক্তি। সেই কাৰণেই আমি বিশ্বাস কৰোঁ যে সমাজতান্ত্ৰিক বৈদেশিক নীতিৰ

কেন্দ্ৰীয় মূল উপাদান—শান্তিপূৰ্ণ সহ-অৱস্থানৰ পতাকাৰ তলত' মানৱজাতিৰ উন্নতি আৰু প্ৰকৃত শান্তি বিচৰা সকলো মানুহ সমবেত হ'বহি।

আমাৰ নতুন কৰ্মসূচী গ্ৰহণ কৰোঁতে, আমাৰ মহান পাৰ্টিয়ে সমগ্ৰ মানৱজাতিৰ প্ৰতি আনুষ্ঠানিকভাৱে ঘোষণা কৰিছে' যে [illegible]কল যুদ্ধ বন্ধ কৰাটোৱেই নহয়—চিৰকালৰ কাৰণে যুদ্ধৰ সম্ভাৱনাকেই নাইকিয়া কৰাটোকে বৈদেশিক নীতিৰ মূল ভিত্তি [illegible]পেই গ্ৰহণ কৰিছে, আৰু সেই উদ্দেশ্য আমাৰ জীৱন-কালতে [illegible] কৰিব লাগিব।

আমাৰ শান্তিৰ নীতি হ'ল নিয়মাৱদ্ধ, স্পষ্ট আৰু সমাজবাদী নীতি। আমি শান্তিৰক্ষা কৰিব খুজিছোঁ এই কাৰণে নহয় যে আমি দুৰ্ব্বল। চালুকীয়া আৰু সাম্ৰাজ্যবাদৰ লগত তুলনা কৰিব নোৱাৰা ধৰণে সামৰিক আৰু অৰ্থনৈতিকভাৱে দুৰ্ব্বল সমাজতান্ত্ৰিক ৰাষ্ট্ৰখনক চাৰিওফালৰপৰা সাম্ৰাজ্যবাদী বাঘবোৰে ঘেৰি ধৰোঁতেও আমি শত্ৰুক মৰিমুৰ কৰি শান্তি প্ৰতিষ্ঠা কৰিব পাৰিছিলোঁ।

২য় মহাযুদ্ধত হিটলাৰৰ যুদ্ধযন্ত্ৰক পৰাস্ত কৰিবলৈ ছোভিয়তে ইউনিয়নে মূল বৰগুলি যোগাইছিল আৰু মানৱজাতিক ফেছিস্ট দাসত্বৰপৰা ৰক্ষা কৰিছিল। আজি যেতিয়া ছোভিয়েত ইউনিয়নে বিৰাট শক্তি সঞ্চয় কৰিছে, শক্তিশালী সমাজতান্ত্ৰিক ৰাষ্ট্ৰগোষ্ঠী ইয়াৰ লগত খোজ মিলাই আগ বাঢ়িছে আৰু যেতিয়া পৃথিৱীৰ কোটী কোটী মানুহে আমাক সমৰ্থন কৰিছে, সেই সময়ত সাম্ৰাজ্যবাদী মাতালবিলাকে যদি জনসাধাৰণৰ সমাজতান্ত্ৰিক লাভৰ ওপৰত আক্ৰমণ কৰিবলৈ সাহস কৰে তেতিয়া সিহঁতৰ ভাগ্য কি হ'ব তাত কিবা সন্দেহ আছেনে? এনেকুৱা অৱস্থাত যুদ্ধ লগোৱা মানে জনবিৰোধী সাম্ৰাজ্যবাদী ব্যৱস্থা লুপ্ত হোৱা।

আমাৰ এই আত্মবিশ্বাসৰ মানে এই নহয় যে আমি সাম্ৰাজ্যবাদৰ শক্তি কণামাত্ৰও কমকৈ দেখিছোঁ। আমি জানো যে সাম্ৰাজ্যবাদ আজিও

শক্তিশালী। সাম্রাজ্যবাদে আৰু এবাৰ নতুন যুদ্ধ লগোৱাৰ সম্ভাৱনা বাদ দিব নোৱাৰি। ইতিহাসৰ গতি ৰোধ কৰিবৰ কাৰণে সাম্রাজ্যবাদী পাগলবিলাকে এতিয়াও জুইত জাপ দিব পাৰে। এনেকুৱা অৱস্থাত আমাৰ সন্মুখত এটামাত্র বাট মুকলি হৈ আছে—আমি আমাৰ শক্তি বঢ়াব লাগিব, অত্যন্ত শক্তিশালী অস্ত্র-শস্ত্রসমূহ তৈয়াৰ কৰিব লাগিব আৰু যি কোনো মুহূর্ত্তত আক্রমণকাৰীক ওফৰাই পঠিয়াবলৈ সাজু থাকিব লাগিব। আমি বহুতবাৰ ঘোষণা কৰিছো আৰু এতিয়াও কৰোঁ যে আমি আমাৰ সৈন্যবাহিনী ভাঙি দিবলৈ আৰু আণৱিক আৰু ৰকেট অস্ত্রসমূহ মহাসাগৰত নিমজ্জিত কৰি দিবলৈ সাজু আছো, অৱশ্যে সেইটো সম্ভৱ হব কঠোৰ আন্তর্জ্জাতিক নিয়ন্ত্রণাধীনত সাধাৰণ আৰু সম্পূর্ণ নিৰস্ত্রীকৰণ হলেহে। সাম্রাজ্যবাদীবিলাক এই সম্পর্কে একমত নোহোৱালৈকে আমি চাব লাগিব যাতে আমাৰ সৈন্যবাহিনীৰ হাতত দেশৰক্ষাৰ অর্থে আধুনিকতম ব্যৱস্থাসমূহ থাকে—আণৱিক আৰু ৰকেট অস্ত্র আৰু অন্যান্য সামৰিকভাবে আৱশ্যক বস্তু ঠিকভাৱে ৰাখিব লাগিব। ছোভিয়েত জনসাধাৰণৰ প্রধান কর্ত্তব্য হল ছোভিয়েত ইউনিয়নৰ প্রতিৰক্ষা ব্যৱস্থা শক্তিশালী কৰা আৰু ছোভিয়েত সৈন্যবাহিনীৰ শক্তি বঢ়োৱা।

কমিউনিষ্টসকল সাহসেৰে ইতিহাসৰ সন্মুখীন হব লাগিব, ই তেওঁলোকৰ অপৰিহার্য্য কর্ত্তব্য। যেতিয়ালৈকে যুদ্ধৰ সম্ভাৱনা আছে, যেতিয়ালৈকে এই পৃথিৱীৰ সাম্রাজ্যবাদী-হাবি তেজাপয়া বাঘেৰে ভৰি আছে—তেতিয়া-লৈকে আমি আমাৰ জনসাধাৰণ আৰু যুৱকসকলক দেশপ্রেমৰ আদর্শত আৰু নিজৰ শক্তি আনকি জীৱনো আহুতি দি মাতৃভূমি ৰক্ষা কৰিবলৈ শিক্ষা দিব লাগিব। আমাৰ উদ্দেশ্য মহান আৰু সেই উদ্দেশ্যক ৰক্ষা কৰিবলৈ ছোভিয়েতৰ জনসাধাৰণে সমস্ত ত্যাগ কৰিব। সাম্রাজ্যবাদীসকলে আমাক যদি যুদ্ধলৈ আহ্বান কৰে তেন্তে আমি অকনো কেৰোঘেচো নকৰাকৈ সেই আহ্বান গ্রহণ কৰিম। অকল সেয়ে নহয়, সমগ্র

সাম্যবাদী ত্রুশ্চভ আৰু সাহসেৰে নৈতে শত্রুৰ ওপৰত মাৰাত্মক আঘাত হানিম।

কমৰেডসকল, আমাৰ কৰ্ম্মসূচীত থকা সকলোবোৰ কথাই ইয়াকে প্রমাণ কৰে যে সাম্যবাদে শান্তিৰ কাত সহায় কৰে আৰু সমাজ-জীৱনৰ পৰা যুদ্ধ নাইকিয়া কৰাৰ অৱস্থাৰ সৃষ্টি কৰে। এইটো সকলোৱে জানে যে যিসকলে অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্রত আৰু মানুহৰ জীৱনধাৰণৰ মানদণ্ড উন্নত কৰিবৰ কাৰণে আগতে কেতিয়াও নোহোৱা ইমান বিৰাট কাম হাতত লৈছে, তেওঁলোকে কেতিয়াও যুদ্ধ বিচাৰিব নোৱাৰে। সাম্যবাদ গঠনৰ কৰ্ম্মসূচীৰ লগে লগে শান্তি আৰু আন্তর্জাতিক নিৰাপত্তা সংহত কৰাৰো কৰ্ম্মসূচী।

॥ ছয় ॥

খছৰা কাৰ্য্যসূচীৰ বিষয়ে আলোচনাৰ ফলাফল

কমৰেডসকল, এই খছৰা কাৰ্য্যসূচী প্ৰকাশ হোৱা দিনৰপৰাই ছোভিয়েত ইউনিয়নৰ ৰাজনৈতিক জীৱনৰ ই কেন্দ্ৰ হৈ পৰিছে। তদুপৰি ইয়াত থকা মতসমূহ আমাৰ দেশৰ সীমা পাৰ হৈ বহুদূৰ বিয়পি পৰিছে আৰু ই সকলো দেশ আৰু মহাদেশত থকা কোটী কোটী জনসাধাৰণৰ অন্তৰৰ অকুণ্ঠ সমৰ্থন লাভ কৰিছে।

খছৰা কাৰ্য্যসূচীৰ আলোচনাই পাৰ্টি আৰু জনসাধাৰণৰ মাজত থকা ছিঙিব নোৱাৰা সম্পক আৰু ছোভিয়েত সমাজৰ গণতান্ত্ৰিক চৰিত্ৰ পৰিষ্কাৰভাৱে দেখুৱাই দিছে। ছোভিয়েত সমাজ এনে এখন সমাজ যত মানুহ নিজেই নিজ-ভাগ্যৰ গৰাকী।

প্ৰথমতে মোক এই খছৰা কাৰ্য্যসূচীৰ পাৰ্টি আৰু দেশৰ ভিতৰত হোৱা আলোচনাৰ ফল সম্পৰ্কে কবলৈ দিয়ক, তাৰ পিছত ই গোটেই পৃথিৱীত কেনেদৰে সমাদৰ পাইছে সেই সম্পৰ্কে চমুকৈ কম।

১। পাৰ্টি আৰু জনসাধাৰণৰ দ্বাৰা এই খছৰা কাৰ্য্যসূচী সৰ্ব্বসম্মতিক্ৰমে সমৰ্থন। খছৰাৰ ওপৰত সংশোধনী আৰু পৰিশিষ্ট

খছৰা কাৰ্য্যসূচীৰ বিষয়ে আলোচনাই আনকি আমাৰ পাৰ্টি আৰু ছোভিয়েত ৰাষ্ট্ৰতো আগেয়ে নোহোৱা আকাৰ ধাৰণ কৰিছিল। এইটো

অতি স্বাভাৱিক ; কাৰণ এই কাৰ্য্যসূচীৰ লক্ষ্য আৰু তাত ব্যাখ্যা কৰা কৰ্ত্তব্যসমূহ আমাৰ প্ৰত্যেকৰ লগতে জড়িত আৰু ই প্ৰত্যেককে উদ্বুদ্ধ কৰে। পাৰ্টিৰ সকলো প্ৰাথমিক সংগঠন, জিলা, নগৰ, আঞ্চলিক আৰু ৰাজ্যিক সন্মিলনত আৰু ইউনিয়ন ৰিপাব্লিকসমূহৰ কমিউনিষ্ট পাৰ্টি কংগ্ৰেছত এই খছৰা কাৰ্য্যসূচীৰ সকলো কথা খৰচি মাৰি আলোচনা কৰা হৈছে। ৯০ লাখতকৈ অধিক কমিউনিষ্টে অৰ্থাৎ সমগ্ৰ পাৰ্টিয়ে এই আলোচনাত অংশ গ্ৰহণ কৰিছে। কাৰখানা, সমবায় কৃষিপাম, অফিছ সামৰিক আৰু নৌবাহিনীৰ কেন্দ্ৰসমূহ, ট্ৰেড ইউনিয়ন, যুৱ সংঘ আদিত হোৱা [illegible] লাখতকৈয়ো অধিক সভাত এই খছৰা কাৰ্য্যসূচী আলোচিত হৈছে। প্ৰায় ৭ কোটি ৩০ লাখ মানুহ এই সভাবোৰত উপস্থিত আছিল। পাৰ্টিৰ সভা, সন্মিলন, ইউনিয়ন ৰিপাব্লিকসমূহৰ পাৰ্টি কংগ্ৰেছ আৰু মেহনতী মানুহৰ এই সভাবোৰত ৪৬ লাখতকৈয়ো অধিক মানুহে খছৰা কাৰ্য্যসূচীৰ ওপৰত নিজৰ বক্তব্য দাঙি ধৰিছিল।

ইয়াৰ উপৰিও পাৰ্টিৰ কেন্দ্ৰীয় কমিটি, স্থানীয় পাৰ্টি সংগঠন, বাতৰি কাকতৰ সম্পাদকীয় দপ্তৰ আৰু আলোচনী, অনাতাঁৰ আৰু টেলিভিছন কেন্দ্ৰসমূহে ৩ লাখতকৈ বেছি চিঠি আৰু প্ৰবন্ধ পাইছে।

অৱশ্যে সংখ্যাবোৰৰপৰা আচলতে কিমান মানুহে অংশ গ্ৰহণ কৰিছিল বুজা নাযায়। এই আলোচনা আমাৰ দেশৰ গোটেই আদৰ্শগত জীৱনত বিয়পি পৰিছে আৰু ইয়াক বিভিন্ন ধৰণে কাৰখানাৰ কৰ্মচাৰীৰ সভাত, ৰাষ্ট্ৰীয় আৰু সমবায় কৃষিপামত, অফিছ, অনুষ্ঠান, বিদ্যালয় আৰু ঘৰুৱা কামকাজ আৰু কথা বতৰাৰ ভিতৰত ইয়াক আলোচনা কৰা হৈছে। ক'লে অত্যুক্তি কৰা নহয় যে, এই খছৰা কাৰ্য্যসূচী দেশৰ সমগ্ৰ জনসাধাৰণে আলোচনা কৰিছে আৰু নিজৰ কৰ্মসূচী, নিজৰ জীৱনৰ লক্ষ্য হিছাপে গ্ৰহণ কৰিছে।

এই কংগ্ৰেছে এষাৰ কথা দৃঢ়ভাৱে কোৱাৰ যুক্তি আছে যে এই খছৰা

কাৰ্য্যসূচী সকলো কমিউনিষ্টে আৰু সমগ্ৰ ছোভিয়েত জনসাধাৰণে সৰ্ব্বসম্মতিক্ৰমে গ্ৰহণ কৰিছে। কাৰ্যসূচীৰ ধাৰণাসমূহ আৰু তাত দিয়া আৰ্চনিবিলাক ছোভিয়েত জনসাধাৰণে অকলে মনেৰে নহয়—অন্তৰেৰে সৈতেও গ্ৰহণ কৰিছে। পাৰ্টিৰ সভ্য আৰু পাৰ্টি সভ্য নোহোৱা লোকৰ চিঠি আৰু বক্তৃতাসমূহ মহান ভাৱ আৰু অনুভৱেৰে ভৰা। চিঠি বিলাকত (যাৰ বহুতেই ইমান উদ্দীপনা আৰু আবেগেৰে ভৰা যে সেইবিলাকক কবিতা বুলিব পাৰি) এই কাৰ্য্যসূচীক সমস্ত অন্তৰেৰে স্বাগত জনাইছে আৰু তাক কাৰ্য্যকৰী কৰাৰ কাৰণে দৃঢ় মনোভাৱ প্ৰকাশ কৰিছে। পানীত সূৰ্য্যৰ কিৰণ প্ৰতিফলিত হোৱাৰ দৰেই এই চিঠিবিলাকত জনসাধাৰণৰ চিন্তা আৰু অনুভৱ প্ৰতিফলিত হৈছে।

খচৰা কাৰ্যসূচীৰ ওপৰত আলোচনা একেবাৰে বিষয়বস্তুৰ ওপৰত আছিল আৰু উচ্চ আদৰ্শগত স্তৰত চলোৱা হৈছিল। ই লাখ লাখ কমিউনিষ্ট বাহিনী আৰু সমগ্ৰ ছোভিয়েত জনসাধাৰণৰ ৰাজনৈতিক পৰিপক্কতাৰ আৰু এটা নিদৰ্শন। এইটো সচাকৈয়ে আনন্দদায়ক যে ছোভিয়েতৰ জনসাধাৰণে গভীৰ তত্ত্বমূলক আৰু ব্যৱহাৰিক জ্ঞানেৰে সাম্যবাদী সমাজ গঢ়ি তোলাৰ বৃহৎ, নতুন আৰু জটিল সমস্যাবিলাক সমাধান কৰিবৰ চেষ্টা কৰিছে।

খচৰা কাৰ্য্যসূচীয়ে ছোভিয়েত জনসাধাৰণৰ আদৰ্শগত পৰিসৰ বহলাইছে ; তেওঁলোকে তেওঁলোকৰ মহৎ লক্ষ্য আৰু সমাধান কৰিব লগীয়া সমস্যাসমূহ এতিয়া বেছি পৰিষ্কাৰভাৱে দেখিছে। এই কংগ্ৰেছৰ সম্মানাৰ্থে হোৱা দেশজোৰা সমাজবাদী প্ৰতিযোগিতাত এই কাৰ্যসূচীয়ে বিৰাট সৃজনী শক্তি যোগাইছে। এইটোৱে প্ৰমাণ কৰিছে যে কাৰ্য্যক্ষেত্ৰত পাৰ্টি আৰু জনসাধাৰণে এই কাৰ্য্যসূচী গ্ৰহণ কৰিছে আৰু তাক কাৰ্য্যকৰী কৰিবৰ কাৰণে ইতিমধ্যে কামত লাগিছে।

কমৰেডসকল, খচৰা কাৰ্যসূচীৰ ওপৰত অহা অসংখ্য সংশোধনীয়ে সমস্যাসমূহৰ সৰ্ব্বোত্তম সমাধানৰ কাৰণে সৃজনশীল চেষ্টাকেই দেখুৱাইছে।

এইবিলাকে ছোভিয়েত জনসাধাৰণৰ সাম্যবাদী সমাজ গঢ়ি তুলিবৰ কাৰণে আৰু যিমান পাৰি সিমান দক্ষতাৰে আগ বঢ়াৰ কাৰণে থকা গভীৰ আগ্ৰহৰ কথা দেখুৱাইছে।

এই সমস্ত প্ৰস্তাৱ কেন্দ্ৰীয় কমিটীয়ে খৰচি মাৰি পৰীক্ষা কৰি চাইছে। মই প্ৰথমতে যিবিলাক প্ৰস্তাৱ কেন্দ্ৰীয় কমিটিয়ে গ্ৰহণযোগ্য বুলি ভাৱে সেইবিলাকৰ সম্পৰ্কে ক'ম। তাৰ ভিতৰত অতি উল্লেখযোগ্যবিলাক মই আলোচনা কৰিম।

১। কাৰ্য্যসূচীৰ ভিতৰত দ্ৰুত কাৰিকৰী অগ্ৰগতিৰ ওপৰত আৰু উৎপাদন শক্তিৰ পূৰ্ণ আৰু যুক্তিসঙ্গত ব্যৱহাৰৰ ওপৰত জোৰ দিয়াৰ প্ৰস্তাৱ কেন্দ্ৰীয় কমিটিয়ে গ্ৰহণ কৰিছে।

২। কেন্দ্ৰীয় কমিটিয়ে মত প্ৰকাশ কৰে যে পুঁজিৰ লগ্নী বেছি ফলপ্ৰসূ কৰিবৰ কাৰণে, ছেদেলিভেদেলি কৰি পুঁজি খটোৱা বন্ধ কৰা আৰু তাক গুৰুত্বপূৰ্ণ ক্ষেত্ৰত কেন্দ্ৰীভূত কৰাৰ সম্পৰ্কে কাৰ্য্যসূচীৰ ভিতৰত বিশেষ উল্লেখ কৰাৰ প্ৰস্তাৱটো যুক্তিসঙ্গত।

নতুন কাৰখানাসমূহৰ ঘৰসজা আৰু সেইবিলাকৰ কাৰণে আহিলা পাতিৰ যোগান ধৰাৰ ভিতৰত সঙ্গতি নোহোৱাৰ কথা আলোচনা প্ৰসঙ্গত যুক্তিসঙ্গতভাৱেই আঙুলিয়াই দিয়া হৈছে। এই বিসঙ্গতিৰ কাৰণে আমি সচাঁকৈয়ে ক্ষতিগ্ৰস্ত হব লগীয়া হৈছে। উদাহৰণস্বৰূপে ১৯৬১ চনৰ ১ জানুৱাৰী তাৰিখে আমাৰ লাখ লাখ বৰ্গমিটাৰ কালিৰ কাৰখানা-ঘৰ আছিল। এই বিলাকত সম্পূৰ্ণৰূপে আহিলা-পাতি যোগান ধৰিব পৰা নহৈছিল ; আনহাতে কোটী কোটী টকাৰ আহিলা-পাতি তৈয়াৰ হৈ আছিল। এই বিলাকৰ কাৰণে আৱশ্যকীয় ঘৰ সজা হোৱা নাছিল। আমাৰ দেশৰ আহিলা পাতি গঢ়ি তুলিবৰ কাৰণে কেন্দ্ৰীয় কমিটি আৰু চৰকাৰে ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। এই গুৰুত্বপূৰ্ণ ক্ষেত্ৰত কঠোৰ শৃঙ্খলাৰ প্ৰৱৰ্ত্তন অতি প্ৰয়োজনীয়।

৩। কিছুমান পার্টি সভা আৰু সম্মিলনত প্ৰস্তাৱ দিয়া হৈছে যে ছোভিয়েতৰ ইউৰোপীয় অংশৰ মাজত পৃথিৱীৰ বৃহত্তম লো খনি কুৰ্স্ক্ মেগনেটিক এনমেলিক ভিত্তি কৰি লো আৰু তীখাৰ কেন্দ্ৰ এটা গঢ়ি তুলিবৰ কাৰণে কাৰ্য্যসূচীত ব্যৱস্থা কৰিব লাগে। এই প্ৰস্তাৱ আঁচনিসমূহৰ লগত খাপখোৱা। মই আগতেই কৈছো যে কুৰি বছৰ শেষ হোৱাৰ লগে লগে ছাইবেৰিয়াত তৃতীয় ধাতু শিল্পৰ কেন্দ্ৰ আৰু দুটা লো আৰু তীখা কাৰখানা গঢ়ি তুলিবলৈ আঁচনি লৈছো; আমাৰ মত হৈছে কোন ঠাইত সেই দুটা হব কাৰ্য্যসূচীত কৈ দিয়াটো ভাল হব। তেতিয়াহলে লো আৰু তীখা শিল্পৰ পার্টি সংগঠন, পৰিকল্পনা সমিতি আৰু কৰ্মকৰ্ত্তাসকলে আঁচনি কাৰ্য্যকৰী কৰিবৰ কাৰণে বেছি দায়িত্ব বহন কৰিব।

৪। এই সম্পৰ্কত অহা অসংখ্য প্ৰস্তাৱলৈ চাই কেন্দ্ৰীয় কমিটিয়ে ভাবে যে প্ৰাকৃতিক সম্পদ ৰক্ষা কৰা আৰু তাৰ যথোপযুক্ত ব্যৱহাৰ সম্পৰ্কে কাৰ্য্য-সূচীৰ আৱশ্যকীয় অংশত বিশেষভাৱে উল্লেখ কৰা উচিত। বন, জল, মৎস্য আৰু আন আন প্ৰাকৃতিক সম্পদবিলাক আমাৰ বৃহৎ জাতীয় সম্পদ। সাম্যবাদৰ ফালে আগ বাঢ়ি যাওঁতে প্ৰকৃতিয়ে দিয়া সম্পদবিলাক আমি ৰক্ষা কৰিব লাগিব, আমি আমাৰ সম্পদবিলাক যুক্তিসঙ্গতভাৱে ব্যৱহাৰ কৰিব লাগিব, নদী, বন আৰু সামুদ্ৰিক সম্পদবিলাক ৰক্ষা কৰিব আৰু বঢ়াব লাগিব।

৫। সামাজতান্ত্ৰিক শ্ৰম-বীৰ কমৰেড নেকতভ্ আৰু কৃষিত কাম কৰা বহুতো মানুহে ন্যায়সঙ্গতভাৱেই প্ৰস্তাৱ কৰিছে যে, কৃষিপামৰ আহিলা-পাতিবিলাক ভালকৈ ৰখাৰ প্ৰয়োজনীয়তা সম্পৰ্কে কাৰ্য্যসূচীত বিশেষভাৱে উল্লেখ কৰিব লাগে। বহুতো কৃষিপামত ট্ৰেক্টৰ আৰু অন্যান্য যন্ত্ৰপাতিৰ দক্ষতা বৰ তল খাপৰ হোৱাটো আমি সহিবলৈ টান পাওঁ। তাতোকৈ গুৰুতৰ কথা যে ভালকৈ নৰখাৰ ফলত সেইবিলাক অকালতে নষ্ট হৈ যায়। যন্ত্ৰপাতিৰ প্ৰতি অৱহেলাই আৰু কেতিয়াবা কেতিয়াবা নিষ্ঠুৰ

মনোভাৱে কৃষি উৎপাদনত ব্যাঘাত জন্মাইছে। ই জাতীয় সম্পত্তি নষ্ট কৰাৰ বাহিৰে আন একো নহয়।

কমিউনিষ্ট পাৰ্টিসমূহৰ কেন্দ্ৰীয় কমিটি আৰু ইউনিয়ন ৰিপাব্লিক (সাধাৰণতন্ত্ৰ)-সমূহৰ মন্ত্ৰীমণ্ডলীয়ে ট্ৰেক্টৰ আৰু অন্যান্য যন্ত্ৰপাতিৰ দীৰ্ঘজীৱন লাভৰ কাৰণে আৰু ভালকৈ ৰখাৰ কাৰণে অনতিপলমে অৰ্থনৈতিক, সাংগঠনিক আৰু কাৰিকৰী ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

৬। গোটেই দেশতে আৰু বেছি পৰিমাণে শিশু-ভৱনসমূহ গঢ়ি তোলাৰ নিচিনা এটা গুৰুত্বপূৰ্ণ কামত লগা সময় কমোৱাৰ কাৰণে জনসাধাৰণৰপৰা, বিশেষকৈ মহিলা সকলৰপৰা বহুত প্ৰস্তাব আহিছে। খচৰা কাৰ্য্যসূচীত কিণ্ডাৰগাৰ্টেন আৰু নাৰ্ছাৰিসমূহ দ্বিতীয় দশকত এই ধৰণে বঢ়োৱাৰ ব্যৱস্থা কৰা হৈছে যাতে ইচ্ছা কৰা প্ৰত্যেক পৰিয়ালেই নিজৰ লৰা ছোৱালী তাত ৰাখিব পাৰিব। কাৰ্য্যসূচী আলোচনা প্ৰসঙ্গত প্ৰকাশিত হোৱা ইচ্ছাসমূহলৈ লক্ষ্য ৰাখি কেন্দ্ৰীয় কমিটিয়ে ভাৱে যে সেইবিলাক পূৰণ কৰা উচিত আৰু, নাৰ্ছাৰি আৰু কিণ্ডাৰগাৰ্টেনৰ দাবী অহা কেইবছৰ মানৰ ভিতৰতে পূৰণ কৰিবৰ কাৰণে যথাসম্ভৱ সকলো কৰিব।

সৰহীয়া লৰাছোৱালীৰ মাকসকলক, তেওঁলোকৰ নিজৰ অনুৰোধতে, কম সময় কাম কৰিবলৈ দিব লাগে আৰু তেওঁলোকৰ দৰ্মহাও সেইমতে ঠিক কৰিব লাগে বুলি বহুতো প্ৰস্তাৱ আহিছে। কেন্দ্ৰীয় কমিটিয়ে ভাৱে যে এই প্ৰস্তাৱটো আমাৰ চৰকাৰী আৰু ট্ৰেড ইউনিয়ন সংস্থাসমূহক দিব লাগে, যাতে সিসকলে প্ৰস্তাৱটো পৰীক্ষা কৰি প্ৰয়োজনীয় নিয়ম বান্ধি দিব পাৰে।

বহুতো মানুহে পাৰ্টি মিটিং, ৰাজহুৱা সভা আৰু কেন্দ্ৰীয় কমিটিলৈ অহা চিঠিৰ যোগে পৰামৰ্শ দিছে যে থকাঘৰৰ সমস্যা সমাধান কৰিবলৈ খৰতকীয়া ব্যৱস্থা লব লাগে। এই বিষয়ত অহা অসংখ্য পৰামৰ্শলৈ লক্ষ্য ৰাখি কেন্দ্ৰীয় কমিটিয়ে এইটো কাৰ্য্যসূচীত উল্লেখ কৰা প্ৰয়োজন বুলি ভাবে যে

এতিয়া যিবিলাক পৰিয়ালে নিম্নস্তৰৰ নাইবা ঠায়ে নোজোৰা ঘৰত থাকিব লগীয়া হৈছে সেই সকলো পৰিয়ালেই প্ৰথম দহবছৰ শেষ হোৱাৰ লগে লগে নতুন ঘৰ পাব।

৭। আলোচনা কালত আমাৰ সামাজিক জীৱনৰ প্ৰত্যেক বিষয়তে পৰামৰ্শ আহিছে, সেইবিলাকে আমাৰ অৰ্থনৈতিক, সাংস্কৃতিক সংগঠনসমূহৰ পূৰ্ণ বিকাশৰ কাৰণে গভীৰ আগ্ৰহ প্ৰকাশ কৰিছে। এই পৰামৰ্শবোৰৰ অধিকাংশই দেশৰ শিল্প, কৃষি, পৰিকল্পনা আৰু তাৰ পৰিচালনা আদিৰ অগ্ৰগতি আৰু চৰকাৰী আৰু অৰ্থনৈতিক যন্ত্ৰৰ উন্নতি আৰু তাৰ খৰচ কমোৱা-বিষয়ক নিৰ্দিষ্ট প্ৰশ্নৰ লগত জড়িত। এই পৰামৰ্শৰ অধিকাংশই বিভিন্ন সমস্যা সম্পৰ্কে গৱেষণা বঢ়োৱাৰ বিষয়ে আৰু সকলোতকৈ ওপৰত শেহতীয়া বৈজ্ঞানিক আৱিষ্কাৰসমূহ কৃষি, শিল্প, যানবাহন আৰু যোগাযোগ ব্যৱস্থাত প্ৰয়োগ কৰা সম্পৰ্কে দিয়া প্ৰস্তাৱ। আগ বঢ়োৱা প্ৰস্তাৱ সমূহৰ অধিকাংশই হল আদৰ্শগত কাম কাজ, সাম্যবাদী নৈতিকতা, শিক্ষা, সংস্কৃতি আদিৰ উন্নতি আৰু শোষণ, ধনৰ লোভ আৰু অন্যান্য ব্যক্তিগত সম্পত্তিৰ মনোভাৱ ৰোধ কৰিবৰ কাৰণে লবলগীয়া ব্যৱস্থা সম্পৰ্কে দিয়া। নগৰ পৰিকল্পনা, বিশেষকৈ ঘৰ সজা আৰু, চহৰ আৰু নগৰৰ উন্নতি সম্পৰ্কে বহুতো মূল্যবান পৰামৰ্শ আহিছে।

আন আন সমস্যাৰ বিষয়েও বহুত পৰামৰ্শ আহিছে। এই সমস্যাবোৰৰ সমাধানৰ কাৰণে মূলনীতি খচৰা কাৰ্য্যসূচীত পৰিষ্কাৰকৈ দিয়া আছে। অৱশ্যে বহুতো প্ৰস্তাৱত বাণিজ্যিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক উন্নতিৰ বিষয়ে আৰু ৰাজনৈতিক আৰু আদৰ্শগত শিক্ষা সম্পৰ্কে গুৰুত্বপূৰ্ণ প্ৰশ্ন কিছুমান দাঙি ধৰা হৈছে। সেইবিলাক গভীৰভাৱে চিন্তা কৰি চোৱা প্ৰয়োজন। এই প্ৰস্তাৱসমূহলৈ লক্ষ্য ৰাখিয়েই খচৰা কাৰ্য্যসূচীখন সংশোধন কৰি শেষ কাৰ্য্যসূচী লিখা হৈছে। কেন্দ্ৰীয় কমিটিয়ে এই প্ৰস্তাৱ-সমূহ মনোযোগেৰে পৰীক্ষা কৰি চাইছে আৰু সেইবিলাকৰ সম্পৰ্কে

কাৰ্য্যকৰী ব্যৱস্থা লবলৈ প্ৰয়োজনীয় পাৰ্টি, ৰাজ্যিক আৰু আন্যান্য অনুষ্ঠানক পৰামৰ্শ দিব।

স্থানীয় পাৰ্টি, চৰকাৰী অৰ্থনৈতিক আৰু ট্ৰেড ইউনিয়ন সংগঠনসমূহ সম্পৰ্কে পাৰ্টি সভ্য আৰু অন্যান্য জনসাধাৰণে বহুতো সমালোচনা আৰু পৰামৰ্শ আগ বঢ়াইছে। উৎপাদনৰ ক্ষেত্ৰত, বাণিজ্য আৰু ৰাজহুৱা সৰবৰাহৰ ক্ষেত্ৰত, ঘৰ সজা আৰু থকা ঘৰ ভালকৈ ৰখা আদি বিষয়ত বহুতো ত্ৰুটিবিচ্যুতি আঙুলিয়াই দিয়া হৈছে। আমোলাতান্ত্ৰিক নীতি, ৰঙাফিটাৰ মেৰ আৰু বহুতো বিষয়াই চৰকাৰী ক্ষমতাৰ অপব্যৱহাৰ কৰা আদিৰ বহুতো কথাৰ মুখা খুলি দিয়া হৈছে। এই সমালোচনা আৰু পৰামৰ্শবোৰ ভালকৈ পৰীক্ষা কৰি চাবৰ কাৰণে, দেখুৱাই দিয়া দোষ-বিলাক আতঁৰাবলৈ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে আৰু সেই ব্যৱস্থাসমূহ সম্পৰ্কে পাৰ্টিৰ বৰ্দ্ধিত সভা, সম্মিলন আৰু কংগ্ৰেছসমূহত ৰিপৰ্ট কৰিবৰ কাৰণে আঞ্চলিক আৰু ৰাজ্যিক পাৰ্টি কমিটি আৰু ইউনিয়ন সাধাৰণতন্ত্ৰসমূহৰ কেন্দ্ৰীয় কমিটিবোৰক এই কংগ্ৰেছে নিৰ্দ্দেশ দিয়া উচিত।

আৰু কিছুমান প্ৰস্তাৱ আছে। অৱশ্যে ইয়াৰ সংখ্যা বৰ কম। এই প্ৰস্তাৱবিলাকৰ প্ৰস্তাৱকাৰীসকলৰ সাম্যবাদ গঢ়ি তোলাৰ সমস্যাবিলাক সমাধান সম্পৰ্কে অৱাস্তৱ দৃষ্টিভঙ্গী আছে। উদাহৰণ-স্বৰূপে কিছুমান কমৰেডে প্ৰস্তাৱ কৰিছে যে অহা দহবছৰৰ ভিতৰত, আনকি পাঁচবছৰৰ ভিতৰতে. কুমিপামকে আদি কৰি সমগ্ৰ দেশত বৈছ্যুতিককৰণৰ প্ৰস্তাৱ কাৰ্য্যসূচীত থাকিব লাগে। আৰু প্ৰস্তাৱ আহিছে যে এনেকুৱা আন আন "গুৰুত্বপূৰ্ণ' অথচ অৰ্থনৈতিকভাৱে অৱাস্তৱ ব্যৱস্থা কাৰ্য্যসূচীত থাকিব লাগে। আমি এই কমৰেডসকলৰ মনৰ কথা বুজিব পাৰিছো কিন্তু তেওঁ-লোকৰ লগত আমি একমত হব নোৱাৰোঁ। আমি যি কাম সমাধা কৰিব নোৱাৰোঁ, তাক কাৰ্য্যসূচীত গ্ৰহণ কৰা উচিত নহয়। সেইবিলাক কৰিম বুলি প্ৰতিশ্ৰুতি দিলে কাৰ্য্যসূচীখনৰহে দুৰ্ণাম হব।

আৰু এবিধ প্ৰস্তাৱ আছিছে। এই প্ৰস্তাৱবিলাকৰ প্ৰস্তাৱকাৰীসকলৰ জীৱনৰ অগ্ৰগতি সম্পৰ্কে দৃষ্টিভঙ্গী মোৰ মনেৰে পাণ্ডিত্যপূৰ্ণ; কিন্তু সৃজনশীল নহয়। উদাহৰণ-স্বৰূপে কিছুমান কমৰেডে মত প্ৰকাশ কৰিছে যে সাম্য-বাদৰ চূড়ান্ত জয়লাভ পৰ্য্যন্ত সৰ্ব্বহাৰাৰ একনায়কত্ব ৰাখিব লাগে। এই কমৰেডসকলে আমাৰ দেশত গঢ়ি উঠা অৱস্থাৰ কথা নাভাবে; তেওঁলোকে ঘ'ৰে ত'ৰেপৰা দিয়া উদ্ধৃতিৰ ওপৰত ভিত্তি কৰে আৰু মাৰ্ক্স, এঙ্গেলছ আৰু লেনিনৰ তত্ত্বৰ মূল কথাটো পাহৰি যায় যে সৰ্ব্বহাৰাৰ একনায়কত্ব পুঁজিবাদৰপৰা সমাজবাদলৈ যোৱা সময়ৰ, সাম্যবাদৰ প্ৰথম পৰ্য্যায়ৰ ৰাষ্ট্ৰীয় ৰূপ।

তেওঁলোকে এই কথাটো নাভাবে যে আমাৰ সমাজতান্ত্ৰিক সমাজত এতিয়া শ্ৰমজীৱী শ্ৰেণীহে আছে যিবিলাকে সমাজতান্ত্ৰিক গঠনমূলক কামত অংশ গ্ৰহণ কৰিছে আৰু তেওঁলোকে সামাজিক, ৰাজনৈতিক আৰু আদৰ্শগতভাৱে একে। আমাৰ দেশত সমাজতন্ত্ৰৰ চূড়ান্ত জয়লাভৰ পিছত এটা শ্ৰেণীৰ একনায়কত্বৰ কোনো ভিত্তি নাই। আৰু সঁচাকৈয়ে কোন শ্ৰেণীৰ সম্পৰ্কত একনায়কত্ব হব পাৰে? তেনেকুৱা কোনো শ্ৰেণী নাই।

তদুপৰি এই কমৰেডসকলৰ মত হৈছে যে যিহেতু শ্ৰমিক আৰু কৃষক শ্ৰেণীৰ মৈত্ৰী হৈ গৈছে, গতিকে সৰ্ব্বহাৰাৰ একনায়কত্বও থাকিব লাগে। কিন্তু তেওঁলোকে এইটো কথা নুবুজে যে শ্ৰমিক আৰু কৃষকৰ মৈত্ৰীত সৰ্ব্বহাৰাৰ একনায়কত্বৰ প্ৰয়োজন হয় শোষণকাৰী শ্ৰেণীসমূহৰ বিৰুদ্ধে সংগ্ৰাম কৰিবলৈ, ক্ৰমিক সমাজতান্ত্ৰিক ব্যৱস্থালৈ পৰিবৰ্ত্তন কৰিবলৈ আৰু কৃষকসকলক পুণৰ শিক্ষিত কৰিবলৈ আৰু সমাজতন্ত্ৰ গঢ়ি তুলিবলৈ। এতিয়া এইবিলাক কাম যেতিয়া সমাপন হৈ গ'ল তেতিয়া সৰ্ব্বহাৰাৰ একনায়কত্ব নোহোৱাকৈয়ে সমগ্ৰ জনসাধাৰণৰ সমাজতান্ত্ৰিক ৰাষ্ট্ৰৰ তলত শ্ৰমিকশ্ৰেণী আৰু কৃষকৰ মৈত্ৰী গঢ়ি উঠিছে আৰু বেছি শক্তিশালী হৈছে।

এই কমৰেডসকলে সাম্যবাদলৈ ৰূপান্তৰৰ সময়ত সৰ্ব্বহাৰাৰ একনায়কত্বৰ

সাংগঠনিক, অৰ্থনৈতিক আৰু শিক্ষামূলক কামবিলাকৰ কথাও কৈছে। অৱশ্যে এই কামবিলাক সাম্যবাদৰ যুগতো থাকিব। এই কমৰেডসকলৰ যুক্তি হ'ল আমি যদি নিজৰ নীতিত অবিচলিত থাকিব খোজো তেতিয়া-হলে সাম্যবাদৰ অধীনতো সৰ্ব্বহাৰাৰ একনায়কত্ব থাকিব লাগিব। এই যুক্তি যে ভুল তাক সকলোৱে জানে। কাৰ্য্যসূচীত দেখুৱামতে সৰ্ব্বহাৰাৰ একনায়কত্ববাদী ৰাষ্ট্ৰ সমগ্ৰ জনসাধাৰণৰ ৰাষ্ট্ৰলৈ ৰূপান্তৰিত হোৱা নীতিটো বাস্তৱ অৱস্থাই প্ৰমাণ কৰিছে। এই ৰাষ্ট্ৰ বাস্তৱ অৱস্থাৰ সৃষ্টি। ই আমাৰ সমাজৰ ৰাজনৈতিক সংগঠনৰ নীতি। এই নীতিয়ে যে সামগ্ৰিকভাৱে গণতন্ত্ৰৰ বিকাশ কৰিব খোজে তাকেই প্ৰকাশ কৰিছে।

কিছুমান কমৰেডে সমবায় কৃষিপামৰ বেচা-কিনা বন্ধ কৰিব খোজে আৰু বেছি উৎসাহী কিছুমানে বেচাকিনা একেবাৰে বন্ধ কৰি পোনপটীয়া ভগাভগি কৰি লোৱাৰ কথা কয়। এইটো কোৱাৰ জানো প্ৰয়োজন আছে যে এই কমৰেডসকল বাস্তৱতকৈ বহুত আগবাঢ়ি গৈছে? বাণিজ্য থাকিবনে নেথাকে সেইটো কাৰোবাৰ ইচ্ছাৰ ওপৰত নাইবা আইনৰ ওপৰত নিৰ্ভৰ নকৰে। পোনপটীয়া ভগা-ভগিৰ ব্যৱস্থালৈ যাবলৈ হ'লে আমি তাৰ পণ্য আৰু কাৰিকৰী ভিত্তি তৈয়াৰ কৰিব লাগিব আৰু অজস্ৰ পৰিমাণে বস্তু তৈয়াৰ কৰিব লাগিব। যেতিয়ালৈকে সেই অৱস্থাৰ সৃষ্টি নহয়, তেতিয়ালৈকে আমি সম্পূৰ্ণ ছোভিয়েত বাণিজ্য কমাব নোৱাৰোঁ, বৰং তাক বঢ়াবহে লাগিব। সমবায় কৃষিপামৰ বাণিজ্যও বন্ধ কৰিব নোৱাৰো; কাৰণ ই জনসাধাৰণক খাদ্যবস্তু যোগোৱাত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিছে। সমবায় কৃষিপামৰ কৃষকসকলে উৎপাদনৰ এটা অংশ বিক্ৰী কৰে আৰু কিছুমান কমৰেডে ভবাৰ দৰে চৰকাৰৰ দ্বাৰা বজাৰ দৰ বান্ধি দিয়াটো সম্ভৱ নহয়। কৃষিপামৰ বজাৰ-দৰ কমাব লাগিব প্ৰথমতে বেছি পৰিমাণৰ কৃষি উৎপাদনৰ দ্বাৰা, চৰকাৰী ব্যৱস্থাৰ দ্বাৰা নহয়। চৰকাৰী ব্যৱস্থা লাভখোৰবিলাকৰ বিৰুদ্ধেহে কঠোৰভাৱে প্ৰয়োগ কৰিব লাগিব।

লগে লগে সমবায়সমূহৰ কাম কাজৰ উন্নতি কৰিব লাগিব। সেইবিলাকে কৃষকসকলক উদ্‌বৃত্ত উৎপাদন লাভৰ কাৰণে সহায় কৰিব লাগিব।

ছোভিয়েত-বাণিজ্যৰ নিৰৱচ্ছিন্ন সম্প্ৰসাৰণৰ গুৰুত্বলৈ চাই কেন্দ্ৰীয় কমিটিয়ে মত প্ৰকাশ কৰিছে যে বাণিজ্য আৰু সাম্যবাদ গঢ়া কালত তাৰ সম্প্ৰসাৰণ সম্পৰ্কে আলোচনা কাৰ্য্যসূচীত থকাটো ভাল হব।

আমাৰ পাৰ্টি বৈজ্ঞানিক সাম্যবাদৰ পাৰ্টি। গতিকে ই অৱস্থাৰ উন্তৱ আৰু তাৰ পৰিপক্কতাৰ লগে লগে সাম্যবাদ গঢ়াৰ সমস্যাসমূহ দাঙি ধৰে আৰু তাক সমাপন কৰে। ওপৰত মই উৎপাদন আৰু জীৱন ধাৰণৰ মান সম্পৰ্কে পাৰ্টিৰ নীতি বহলাই ব্যাখ্যা কৰিছো।

অৱশ্যে কিছুমান কমৰেডে পৰিকল্পনাৰ লক্ষ্যতকৈ বেছি আগ বাঢ়ি যাব খোজে আৰু অদূৰ ভৱিষ্যতত সকলোৰে প্ৰয়োজনীয় বস্তুৰ আৰু সাংস্কৃতিক চাহিদা আৰু ব্যাপক ভিত্তিত বিনামূল্যে পূৰণ কৰাৰ নীতি আগ বঢ়াই নিব খোজে। ইয়াৰ অৰ্থ হব শিক্ষা বা কামৰ ধৰণ বিচাৰ নকৰাকৈ সকলোৰে কাৰণে সমান দৰমহা। এনেকুৱা প্ৰস্তাৱ একেবাৰেই ভুল। এনেকুৱা এটা পথ লোৱাৰ ফল হব বোলে উৎপাদনৰ উৎসাহ বন্ধ কৰা আৰু সাম্যবাদ গঠনত বাধা দিয়া।

আমি সকলোৱেই জানো যে যোৱা কেইবছৰত কেন্দ্ৰীয় কমিটিৰ উদ্যোগত দৰ্মহা নিয়মীয়া কৰিবৰ কাৰণে যথেষ্ট কাম কৰা হৈছে। এই ব্যৱস্থাসমূহে বেছি উপাৰ্জন আৰু কিছুমান চাকৰিয়ালৰ দৰ্মহা যথেষ্ট পৰিমাণে কমাইছে। লগে লগে নিম্নতম দৰ্মহাৰ নিৰিখ বেছি কৰা হৈছে। আয়-কৰ উঠাই দিয়া ব্যৱস্থাই বিভিন্ন ধৰণৰ উপাৰ্জনৰ বৈষম্য কমোৱাত সহায় কৰিছে।

মুঠতে জনসাধাৰণৰ বিভিন্ন শ্ৰেণীৰ উপাৰ্জনৰ বৈষম্য কমোৱাৰ কাৰণে যথেষ্ট কাম কৰা হৈছে। খছৰা কাৰ্য্যসূচীত এইটো পৰিষ্কাৰভাবে কোৱা হৈছে যে পাৰ্টিয়ে এই নীতি ধাৰাবাহিক আৰু অবিচলিতভাৱে চলাই

যাব—যাতে প্ৰথম দহ বছৰৰ পিছত এনেকুৱা এটা সময় আহিব যেতিয়া কম দৰমহা পোৱা মানুহ দেশত নাথকিব আৰু সমগ্ৰ জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত হব।

দৰমহাৰ লগে লগে সামাজিক পুঁজি তীব্ৰ গতিত বাঢ়িব। ইয়াৰ ফলত আয়ৰ বৈষম্য নাইকিয়া হ'ব আৰু কম আৰু মজলীয়া দৰমহা পোৱা মানুহৰ জীৱন-ধাৰণৰ মান দ্ৰুত গতিত উন্নত হ'ব।

সকলোকে সমান কৰি পেলোৱাৰ (ইগালিটেৰিয়ান) সকলোধৰণৰ মনোভাৱেই উৎপাদন বঢ়োৱা আৰু জীৱনধাৰণৰ মানদণ্ড উন্নত কৰাৰ পৰিপন্থী। ই শ্ৰমজীৱী জনসাধাৰণক শ্ৰমৰ প্ৰতি সাম্যবাদী মনোভাৱত শিক্ষিত কৰাবো পৰিপন্থী।

"সি কাম নকৰে তেওঁ খাবলৈকো নাপায়" আৰু কাম অনুসৰি দৰমহা—এই নীতি কঠোৰভাৱে পালন কৰিব লাগিব। লগে লগে আমি সমাজ-বিৰোধী লোকসকলে সমাজক শোষন কৰা আৰু কাম নকৰাকৈ পৰৰ মূৰত খাই জীৱন যাপন কৰাৰ সকলো পথ বন্ধ কৰিব লাগিব। লাভখোৰ বা তেনেকুৱা মনোভাৱক ছোভিয়েত আইন আৰু জনমতৰ সমস্ত শক্তিৰে দমন কৰিব লাগিব।

আমি সকলো মানুহৰ জীৱনধাৰণৰ মান উন্নত হোৱাটো বিচাৰোঁ; কিন্তু লগে লগে কাৰোবাৰ হাতত অতি বেছি সম্পত্তি জমা হোৱাটোৰ বিৰোধিতা কৰোঁ; ই ব্যক্তিগত সম্পত্তি আহৰণৰ মনস্তত্ব এটাৰ সৃষ্টি কৰে।

আলোচনা প্ৰসঙ্গত সম্পাদকীয় প্ৰকৃতিৰ বহুতো সংশোধনীৰ প্ৰস্তাৱ কৰা হৈছে। কেন্দ্ৰীয় কমিটিয়ে সেই সংশোধনীবোৰ পৰীক্ষা কৰিছে। তাৰ কিছুমানে আঁচনিখন উন্নত কৰিছে। আপোনালোকৰ সন্মুখত থকা খচৰা কাৰ্য্যসূচীত এই সংশোধনীবোৰ সুমাই দিয়া হৈছে।

এইবিলাকেই হ'ল খচৰা কাৰ্য্যসূচীৰ প্ৰসঙ্গত তোলা মূল প্ৰশ্ন।

২। খছৰা কাৰ্য্যসূচীৰ বিষয়ে আন্তৰ্জ্জাতিক অভিমত

কমৰেডসকল, ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ খছৰা কাৰ্য্য-সূচীয়ে সঁচাকৈয়ে পৃথিৱীৰ প্ৰতি গুৰুত্বপূৰ্ণ দলিলৰ চৰিত্ৰ গ্ৰহণ কৰিছে আৰু ইতিমধ্যে পৃথিৱীৰ ৰাজনৈতিক বা-বতাহত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিছে। ই সমাজতান্ত্ৰিক দেশসমূহৰ জনসাধাৰণ, সাম্ৰাজ্যবাদী দেশবোৰৰ জনসাধাৰণ আৰু সন্মুক্ত আৰু সাম্ৰাজ্যবাদৰ তলত এতিয়াও নিষ্পেষিত উপনিবেশৰ জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিছে। ই পৃথিৱীৰ চুকে কোনে বিয়পি পৰিছে আৰু আনকি অতি প্ৰতিক্ৰিয়াশীল কাকত পত্ৰতো প্ৰকাশিত হৈছে। আমি ছোভিয়েতৰ কমিউনিষ্টসকলৰ কাৰণে এইটো অতি আনন্দৰ কথা যে মাৰ্ক্সবাদী-লেনিনবাদী বন্ধুত্বমূলক পাৰ্টিসমূহে, সকলো দেশৰ লাখ লাখ কমিউনিষ্টে খছৰা কাৰ্য্যসূচীক অতি উচ্চ প্ৰশংসা কৰিছে। আন্তৰ্জ্জাতিকতাবাদী হিচাপে আমি আনন্দ পাওঁ যেতিয়া আন আন দেশৰ কমিউনিষ্টসকলে কয় যে তেওঁলোকৰ কাৰ্য্যকলাপ আৰু সংগ্ৰামৰ কাৰণে এই কৰ্ম্মসূচীৰপৰা তেওঁলোকে অনুপ্ৰেৰণা লাভ কৰিছে আৰু আমাৰ অগ্ৰগতিয়ে তেওঁলোকৰ শক্তিক—পৃথিৱীৰ স্বাধীনতা, শান্তি আৰু সমাজতন্ত্ৰৰ শক্তিক বহুগুণে শক্তিশালী কৰিছে। আমাৰ আঁচনি আৰু লক্ষ্যক সমৰ্থন কৰাৰ কাৰণে বন্ধুপাৰ্টিসমূহলৈ, পৃথিৱীৰ কমিউনিষ্টসকলক মই ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ ২২তম কংগ্ৰেছৰ প্ৰতিনিধিসকলৰ হৈ, সকলো পাৰ্টি সভ্যৰ হৈ, আৰু সমস্ত ছোভিয়েত জনসাধাৰণৰ হৈ অন্তৰেৰে ধন্যবাদ জনাব খোজোঁ।

অন্য দেশসমূহত থকা আমাৰ পাঠকসকলক আমি প্ৰতিশ্ৰুতি দিওঁ যে সৰ্ব্বহাৰাৰ আন্তৰ্জ্জাতিকতাবাদৰ পতাকাবাহী আমাৰ লেনিনবাদী পাৰ্টিয়ে মানৱসমাজক এখন শান্তিপূৰ্ণ, সুখী আৰু সমৃদ্ধিশালী পৃথিৱীৰ অৰ্থাৎ সাম্যবাদী সমাজৰ বেহি ওচৰ চপাই আনিবলৈ সকলো শক্তিৰে চেষ্টা কৰিব।

প্ৰগতিশীল আৰু গণতান্ত্ৰিক মত-পোষণকাৰী সকলো লোকেই বুজিছে

যে আমাৰ কাৰ্য্যসূচীয়ে বৰ্ত্তমানৰ সকলো জৰুৰী সমস্যাৰ সমাধান দিছে আৰু বৰ্ত্তমানৰ সামাজিক বিকাশ আৰু প্ৰগতিশীল অগ্ৰগতিত এক বিৰাট ভূমিকা গ্ৰহণ কৰিব। ধনিকশ্ৰেণী আৰু তেওঁলোকৰ বাতৰিকাকত-বিলাকেও স্বীকাৰ কৰিব লগা হৈছে যে এই কাৰ্য্যসূচীৰ সফলতাই পৃথিৱীৰ পৰিস্থিতিত বিশেষ প্ৰভাৱ পেলাব।

কাৰ্য্যসূচী সম্পৰ্কে বিখ্যাত ধনিক আৰু সোঁপন্থী সমাজবাদী নেতা-সকলৰ উক্তিসমূহ পৰীক্ষা কৰি চালে আমি এনে কিছুমান সিদ্ধান্তত উপনীত হব পাৰিম—যিবিলাক নীতিগতভাৱে তাৎপৰ্য্যপূৰ্ণ।

এইটো প্ৰথমতেই কব লাগিব যে কাৰ্য্যসূচীৰ আদৰ্শক কেন্দ্ৰ কৰি, সাম্যবাদী আৰু বুৰ্জ্জোৱা এই দুই ভাৱাদৰ্শৰ প্ৰকৃত সংগ্ৰামে গা কৰি উঠিছে। আমি সাহসেৰে কব পাৰোঁ যে বিৰাট গঠনমূলক আঁচনিসমূহৰ সাম্যবাদী নীতিবিলাকে পৰিষ্কাৰভাৱে দেখুৱাই দিছে যে সেইবিলাক ধনিকশ্ৰেণীৰ ভাৱাদৰ্শতকৈ হিংসা আৰু ধ্বংসৰ ভাৱাদৰ্শতকৈ শ্ৰেষ্ঠ আৰু সেই ভাৱাদৰ্শৰ বিৰুদ্ধে যুঁজি নতুন নতুন জয়লাভ কৰিব লাগিছে।

প্ৰথম জয় হ'ল এই যে ধনিকশ্ৰেণীৰ আদৰ্শ প্ৰচাৰকাৰীবিলাকে স্বীকাৰ কৰিব লগা হৈছে যে সাম্যবাদ অৰ্থাৎ সমাজৰ এটা নতুন সামাজিক অৰ্থনৈতিক সংগঠন দিনে দিনে শক্তিশালী হব ধৰিছে। উনৈছ শতিকাত ধনিকশ্ৰেণীয়ে ঘোষণা কৰিছিল যে সাম্যবাদৰ ধাৰণা এটা কল্পনা মাথোন আৰু যিবিলাকে সেই আদৰ্শক আগবঢ়াই নিব খুজিছিল তেওঁলোকক অত্যাচাৰ আৰু দমন কৰা হৈছিল।

কুৰি শতিকাৰ প্ৰথম তিনি দশকত তেওঁলোকে আন্তৰ্জ্জাতিকভাৱে কেইবাটাও "কমিউনিষ্ট বিৰোধী" অভিযান চলাইছিল আৰু কেইবাখনো দেশত সাম্যবাদক একেবাৰে সমাধিস্থ কৰা হল বুলি ঘোষণা কৰিছিল। পঞ্চ মদশকত তেওঁলোকে গগুপ মাৰি কৈছিল যে সাম্যবাদ এটা "সমাধানাতীত সংকটত" ভুগিছে। কিন্তু কেইবছৰমান পাছত সাম্ৰাজ্যবাদী

প্ৰতিক্ৰিয়াশীলবিলাকে সাম্যবাদৰ বিৰাট অগ্ৰগতি, ইয়াৰ শক্তি আৰু পৃথিৱীৰ ইতিহাসত ইয়াৰ ক্ৰমবৰ্দ্ধমান তাৎপৰ্য্যৰ কথা বুজিবলৈ বাধ্য হ'ল।

বুৰ্জোৱা ধাৰণাৰ বিৱৰ্তনৰ অতি সুন্দৰ উদাহৰণ হল বৃটিছ ইকনমিষ্ট-ৰ নিচিনা গুৰুত্বপূৰ্ণ বুৰ্জোৱা কাকতে কৰা উক্তিসমূহ। আমাৰ পাৰ্টিয়ে যেতিয়া দ্বিতীয় পৰিকল্পনা গ্ৰহণ কৰিছিল তেতিয়া এই ইকনমিষ্ট কাকতে কৈছিল যে ইতিমধ্যে বলছেভিকবাদ অন্তিম অৱস্থাত উপনীত হৈছে। সেই একেখন কাকতেই আজি স্বীকাৰ কৰিবলৈ বাধ্য হৈছে যে এই কাৰ্য্যসূচী "সাম্প্ৰতিক ভাৱধাৰাৰ অভিক্ষেপ" আৰু "ঘোষণাপত্ৰত থকা প্ৰতিশ্ৰুতি-বিলাক মনেসজা ৰঙীণ কল্পনা যেন নালাগে।"

কমিউনিষ্টসকলে দেখুৱাই দিলে যে সেইবোৰ কথাচহকী নহয় আৰু তেওঁলোকে প্ৰতিশ্ৰুতি ৰক্ষা কৰে। তেওঁলোকে শত্ৰুবিলাককো তেওঁলোকৰ আঁচনিক সম্মান জনাবলৈ বাধ্য কৰিলে। সাম্যবাদ বৰ্তমান জীৱনত বাস্তৱভাৱে আৰু দেখাদেখিকৈ প্ৰৱেশ কৰিছে। ই সেই জীৱনত আগ-শাৰীত স্থান লৈছে আৰু ইয়াৰ বিজয়ী অগ্ৰগতিক বাধা দিবপৰা এনে কোনো শক্তি নাই।

পৃথিৱীৰ অভিমতসমূহ বিবেচনা কৰিলে আৰু এটা সিদ্ধান্তত উপনীত হব পাৰি। সাম্যবাদ আৰু শান্তি অবিভাজ্য—কৰ্মসূচীৰ এই মহান আদৰ্শই ধনিক দেশসমূহৰ জনসাধাৰণৰ মাজতো ব্যাপক বিস্তৃতি লাভ কৰিছে। আনকি ধনিক শ্ৰেণীৰো বহুতো মুখপাত্ৰই স্বীকাৰ কৰিব লগা হৈছে যে যিখন দেশে এনে এখন বিৰাট গঠনমূলক আঁচনি লৈছে সেইখন দেশে নিশ্চয় শান্তি বিচাৰে। আনকি সাম্ৰাজ্যবাদৰ দুৰ্গ আমেৰিকাতেই জনসাধাৰণে শান্তি আৰু মানৱতাৰ মহান চনদ, আমাৰ পাৰ্টিৰ কাৰ্য্যসূচীক "বেজাৰ, ঘাম আৰু তেজ" বহনকাৰী আমেৰিকাৰ সাম্ৰাজ্যবাদী যুদ্ধবাদী পৰিকল্পনাৰ লগত তুলনা কৰি আমাৰ কাৰ্য্যসূচীক স্বৰ্গ আৰু সাম্ৰাজ্যবাদী পৰিকল্পনাক নৰক-ৰূপে দেখুৱায়।

বহুত দিনৰেপৰা ছোভিয়েত বিৰোধী প্ৰচাৰ কৰি থকা অষ্ট্ৰেলিয়াৰ **'চিড্‌নী মর্ণিং হেৰাল্ড'** কাকতে স্বীকাৰ কৰিছে যে এনে এখন চমৎকাৰ আঁচনি লৈছে যেতিয়া ছোভিয়েত ইউনিয়নে নিশ্চয় শান্তি বিচাৰে।

পৃথিৱীৰ আন এটা অংশৰ—লেবাননৰ বুৰ্জোৱা কাকত **'আল নাহাৰে'** কৈছে যে, "যুদ্ধ বিচৰাসকলক এক মাৰাত্মক আঘাত দিয়া হৈছে। সকলোৱে এই কাৰ্য্যসূচীৰ তাৎপৰ্য্য বুজাৰ লগে লগে সকলোতে শান্তিৰ পতাকা উত্তোলিত হব।"

এই স্বীকাৰোক্তিবিলাকে আমাক কি কয়? সেইবিলাকে কয় যে কাৰ্য্যসূচীয়ে আক্ৰমণাত্মক শক্তিসমূহক, উদযান বোমাক আদৰ্শ কৰি লোৱাসকলক এক বিৰাট পৰাজয়ৰ সম্মুখীন কৰিছে।

কাৰ্যসূচীত থকা মহান ধাৰণাসমূহে বুৰ্জোৱা আৰু তাৰ বহতীয়াসকলৰ ধাৰণাক আৰু কমিউনিষ্ট বিৰোধী মিথ্যাক খণ্ড-বিখণ্ড কৰিছে। সাম্য-বাদৰ প্ৰতি মানুহৰ আগ্ৰহ বাঢ়িছে আৰু সমৰ্থকৰ সংখ্যাও দিনে দিনে বৃদ্ধি পাইছে। নতুন কাৰ্য্যসূচীয়ে ক্ৰমবৰ্দ্ধমান সংখ্যাৰ জনসাধাৰণক বুজাই দিব যে অৰ্থনৈতিক, ৰাজনৈতিক আৰু নৈতিকভাৱে সাম্যবাদ ধনতন্ত্ৰতকৈ শ্ৰেষ্ঠ আৰু ভৱিষ্যত সাম্যবাদৰ ফলীযা।

বুৰ্জোৱা আৰু তেওঁলোকৰ হকে কওঁতাবিলাকে ভয় খোৱাৰ কাৰণ বুজিবলৈ টান নহয়। আমাৰ পাৰ্টিৰ কাৰ্য্যসূচীৰ বিৰুদ্ধে থিয় কৰিবলৈ তেওঁলোকৰ কি আছে? তেওঁলোকে ভৱিষ্যতৰ বিষয়ে একো কব নোৱাৰে; কুৰি বছৰৰ কথা বাদেই—তেওঁলোকে এবছৰৰ কাৰণেও পৰিকল্পনা কৰিব নোৱাৰে। ব্ৰহ্মদেশৰ লিখিকা দাউ আ মাই বটিয়াকৈ কৈছে "আমেৰিকাৰ যুক্তৰাষ্ট্ৰ গনতান্ত্ৰিক সমাজৰ ৰজা, সাম্যবাদৰ বিৰুদ্ধে যুদ্ধৰ প্ৰধান সেনাপতি। অন্ততঃ ঘৃণাৰ ফলতে যদি ইচ্ছা কৰেও তথাপি সেইখন দেশে ছোভিয়েত পৰিকল্পনাৰ লগত ফেৰ মাৰিব পৰা কোনো পৰিকল্পনা কৰিব নোৱাৰে। বৃটেনৰ ক্ষেত্ৰতো একে কথাই খাটে। বৃটেনে ছোভিয়েত

ইউনিয়নৰ পৰিকল্পনাৰ নিচিনা এখন পৰিকল্পনাও দাঙি ধৰিব নোৱাৰে।

এছিয়া, আফ্রিকা আৰু লেটিন আমেৰিকাৰ জনসাধাৰণৰ ওপৰত এই কাৰ্য্যসূচীৰ প্ৰভাৱ সম্পৰ্কে সাম্রাজ্যবাদী বুৰ্জোৱাবিলাক বিশেষ চিন্তিত হৈছে। চিনেটৰ বৈদেশিক পৰিক্ৰমা কমিটিৰ সদস্য এলবাৰ্ট গোৰেই এই কাৰ্য্যসূচী সম্পৰ্কে সাৱধান কৰি দিছে। তেওঁ কৈছে যে এই কাৰ্য্যসূচীৰ প্ৰতি অনগ্ৰসৰ দেশসমূহৰ আগ্ৰহ কমকৈ দেখা উচিত নহয়।

ধনতান্ত্রিক শোষণৰ তলত থকা জনসাধাৰণে সচাকৈয়ে এই কাৰ্য্যসূচীৰ ধাৰণাসমূহৰ প্ৰতি গভীৰ আগ্ৰহ দেখুৱাইছে। **দি টাইমছ অৱ ইণ্ডিয়া** কাকতে লিখেছে—"কমিউনিষ্ট-মেনিফেষ্টো প্ৰকাশ হোৱাৰ পিছৰপৰা ইমান প্ৰেৰণাদায়ক কোনো কমিউনিষ্ট দলিল ওলোৱা নাই। কাৰ্য্যসূচীৰ কাৰ্য্যকাৰিতা সম্পৰ্কেও কোনো সন্দেহ নাই। অন্ততঃ এছিয়া আৰু আফ্রিকাৰ জনসাধাৰণ ছোভিয়েতৰ অগ্ৰগতি দেখি ইমান মুগ্ধ যে তেওঁলোকৰ বিশ্বাস জন্মিছে—ছোভিয়েত ইউনিয়নে যি কয় তাকে কৰিব পাৰে।" ই আমাৰ কৰ্ম্মধৰা আৰু কাৰ্য্যসূচীৰ কাৰণে নিশ্চয় বেয়া প্ৰমাণপত্ৰ নহয়। সাম্রাজ্যবাদী প্ৰচাৰে ধনতন্ত্ৰৰ গুণ-গৰিমা দাঙি ধৰিবলৈ আৰু নতুনকৈ স্বাধীন হোৱা দেশসমূহক ধনতন্ত্ৰৰ বাহিৰে অন্যধৰণে আগবঢ়াৰ বিপদ দেখুৱাবলৈ নতুন নতুন কৌশল আৱিষ্কাৰ কৰিছে। যিমানেই তেওঁলোকে এইটো কৰে সিমানেই উপনিবেশবাদৰ সম্পূৰ্ণ নিশ্চিহ্ন কৰিবলৈ কৰা, আৰু সামাজিক অগ্ৰগতিৰ সংগ্ৰামত জনসাধাৰণক উদ্বুদ্ধ কৰা প্ৰগতিশীল নীতিৰ প্ৰতি তেওঁলোকৰ ভয় পৰিৱাৰ হৈ গৈছে। আমি কাৰো ওপৰত আমাৰ ধাৰণাবোৰ জাপি নিদিওঁ। যদি অৱশ্যে নতুনকৈ স্বাধীন হোৱা দেশসমূহৰ জনসাধাৰণে সমাজতন্ত্ৰৰ আদৰ্শ, প্ৰগতিৰ আদৰ্শ গ্ৰহণ কৰে তেন্তে আমি আমাৰ অভিজ্ঞতাৰ ভিত্তিত ইয়াকে ক'ম যে তেওঁলোকে সঠিক পথ লৈছে।

সাম্ৰাজ্যবাদী আদৰ্শৰ বহতীয়াবিলাকে সিহঁতৰ প্ৰভুসকলক এই মিছা যুক্তিৰে সান্ত্বনা দিব খুজিছে যে পশ্চিমীয়া দেশসমূহৰ জনসাধাৰণৰ সাম্যবাদৰ প্ৰতি কোনো আগ্ৰহ নাই। বৰ মিছা কথাবোৰ কৈছে, ভদ্ৰমহোদয় সকল!

যতেই শ্ৰমজীৱী জনসাধাৰণ আছে আৰু ধনতন্ত্ৰই শোষণ কৰিছে ত'তেই সাম্যবাদৰ নীতি সক্ৰিয় আৰু শক্তিশালী হৈ উঠিছে। তোমালোকৰ উচ্চ প্ৰশংসিত "সভ্যতাৰ" দেশসমূহত কোটি কোটি মানুহে কি ভাবিছে জানিব খোজে নে? ভৱিষ্যত সম্পৰ্কে সন্দিহান যি কোনো এজন শ্ৰমিকক, সৰ্বস্বান্ত এজন কৃষকক নাইবা এজন নিবনুৱাক সোধক, যি সকলে নিজৰ সতি সন্ততিৰ কাৰণে শান্তি আৰু সুখ বিচাৰে তেওঁলোকক সোধক। আপোনালোকে বুজিব যে আপোনালোকৰ দেশৰে কোটি কোটি জনসাধাৰণ সাম্যবাদৰ প্ৰতি আগ্ৰহশীল।

আৰ্থাৰ ষ্টোন নামৰ আমেৰিকাৰ এজন নিবনুৱাই প্ৰাভ্‌দালৈ লিখা চিঠিখন মই উদ্ধৃত কৰিব খোজোঁ। তেওঁ লিখিছে—পৃথিৱীৰ জনসাধাৰণৰ বিৰুদ্ধে ধনতান্ত্ৰিক হত্যাকাৰীবিলাকে দৈনন্দিন শ্ৰমিকসকলক কৰা হত্যাৰ বিৰুদ্ধে এই কাৰ্য্যসূচী আৰু তাৰ অৰ্থই এটা উত্তৰ দাঙি ধৰিছে। এই কাৰ্য্যসূচীয়ে সমগ্ৰ পৃথিৱীৰ নিষ্পেষিত জনসাধাৰণৰ প্ৰতি আশা আৰু উৎসাহ আনিছে।"

আৰ্থাৰ ষ্টোনে ছোভিয়েত জনসাধাৰণক আহ্বান জনাইছে—"মই মাত্ৰ ইয়াকে কৈ শেষ কৰিব পাৰোঁ যে ছোভিয়েতৰ জনসাধাৰণ, সোনকাল কৰক, এই কাম শেষ কৰিব লাগে, এই কাৰ্য্যসূচী যিমান সোনকালে পাৰে কাৰ্য্যকৰী কৰক আৰু তাৰ দ্বাৰা কোটি কোটি মানুহক ৰক্ষা কৰক, নহলে তেওঁলোকৰ শোষণত মৃত্যু হ'ব আৰু হতাশ হৈ সকলো আশা এৰি দিব।" এই চিঠিখন কলিজাৰ তেজ দি লিখা, ই ধনতান্ত্ৰিক দেশত থকা আমাৰ ভাতৃসকলৰ চিন্তা আৰু মনোভাৱৰ প্ৰকৃত প্ৰকাশ।

কাৰ্য্যসূচীৰ আদৰ্শ, সাম্যবাদৰ আদৰ্শ আমাৰ গোটেই পৃথিৱীতে বিয়পি

পৰিছে, কাৰণ সেই বিলাকত নিষ্পেষিত আৰু বঞ্চিত কোটি কোটি জনসাধাৰণে নিজৰ আশা আকাঙ্ক্ষাৰ প্ৰতীক দেখা পাইছে। ধনতন্ত্ৰৰ পূজাৰী সকলে এই অগ্ৰগতিৰ আদৰ্শৰূপৰা জনসাধাৰণক পুলিচৰ ঘেৰাও বা "লোহ আৱৰণৰ" দ্বাৰা আঁতৰাই ৰাখিব নোৱাৰে। সাম্যবাদ জনসাধাৰণৰ আশাৰ প্ৰতীক, তেওঁলোকৰ উজ্জ্বল ভৱিষ্যতৰ নিশ্চয়তা।

অৱশ্যে সাম্ৰাজ্যবাদী বুৰ্জোৱা সকলে তেওঁলোকৰ আদৰ্শগত পৰাজয় মানি লব নোখোজে। অৱশ্যে তাৰ যুক্তি আছে, কাৰণ সেইটো কৰা মানে তেওঁলোকৰ ৰাজনৈতিক আত্মহত্যা। ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ খচৰা কাৰ্য্যসূচীৰ তাৎপৰ্য্য আৰু জনসাধাৰণৰ ওপৰত তাৰ প্ৰভাৱ কমাই দেখুৱাবৰ কাৰণে তেওঁলোকে সকলো চেষ্টা কৰিছে।

ধনতান্ত্ৰিক সমাজৰ নেতাসকলে আমাৰ কাৰ্য্যসূচীৰ বিৰুদ্ধে তেওঁলোকৰ কিছু আঁচনি, ধনতন্ত্ৰক ৰক্ষা কৰাৰ আঁচনি দাঙি ধৰবলৈ বৃথা চেষ্টা কৰিছে। কিন্তু ধনতন্ত্ৰক পুনৰুজ্জীৱিত কৰাৰ কিমান আঁচনিৰ কথা আমি পাইছো বা শুনিছো। কিন্তু ধনতন্ত্ৰ কাৰো কথালৈ ভ্ৰূক্ষেপ নকৰি মৰিবলৈ আৰম্ভ কৰিছে। সেইটোৰো অৱশ্যে যুক্তি আছে, কাৰণ মৰিব ধৰা এটা ব্যৱস্থাক কোনো উপায়ে ৰক্ষা কৰিব নোৱাৰি। এনেকুৱা ব্যৱস্থাত জনসাধাৰণক উদ্বুদ্ধ কৰিব পৰা নীতিও নাথাকে আৰু থাকিব নোৱাৰে। বুৰ্জোৱাৰ আদৰ্শৰ সংকট সম্পৰ্কে একেবাৰে **নিউইয়ৰ্ক পষ্টৰ** নিচিনা কাকতেই খণ্ডাব নোৱাৰা প্ৰমাণ দিছে। সেই কাকতে কৈছে—"বহুবছৰ ধৰি আমেৰিকাৰ কিছুমান নেতাই "জাতীয় উদ্দেশ্য"ৰ ধাৰণা লৈ বেছ মূৰ ঘমাই আহিছে; কিন্তু ইয়াৰ ফল যি লাভ কৰিছে সি অন্তঃসাৰশূন্য বুলিয়েই কব পাৰি।

এইটো এতিয়া পৰিষ্কাৰ যে ধনতন্ত্ৰৰ নিজৰ কোনো কাৰ্য্যসূচী নাই আৰু আমাৰ কাৰ্য্যসূচীক সমালোচনা কৰাৰ যুক্তিও নাই। এই সংকটৰ সন্মুখীন হৈ ধনতান্ত্ৰিক ব্যৱস্থাৰ সমৰ্থকসকলে এক শুকান মৰুভূমিত

সাম্যবাদ বিৰোধী কাঁড় বিচাৰি ফুৰিছে। তেওঁলোকে অপপ্ৰচাৰ, গালি-শপনি আৰু ৰহনসনা উদ্ধৃতিৰ বিহকাঁড়ৰ বাহিৰে আন একো বিচাৰি নাপালে। সেই কাৰণেই কমিউনিষ্ট বিৰোধী শিবিৰত দেখা গৈছে চূড়ান্ত বিমূঢ়তা, ক্লীব-ঘৃণা আৰু শোচনীয় সংশয়বাদ।

"এই কাৰ্য্যসূচী কামত খটাব নোৱাৰি" এই বুলি বুৰ্জ্জোৱা সমালোচক-বোৰে একেটা সুৰতে চিঞৰ ধৰিছে—যেন কোনোবাই হুকুমহে দিছে তেনেকৈ চিঞৰিবলৈ। ছোভিয়েতৰ প্ৰথম পঞ্চবাৰ্ষিক পৰিকল্পনাৰ সময়ৰপৰা সদায় ব্যৱহাৰ কৰা শব্দবোৰ আকৌ প্ৰতিক্ৰীয়াশীল বাতৰি কাকতসমূহত ওলাইছে, যেনে—"ইউটপিয়া" "মৰীচিকা" "ভ্ৰান্তধাৰণা"।

আমাৰ কাৰ্য্যসূচীৰ বিৰোধিতা কৰাসকলৰ হাতত বাৰু কিছুমান হিচাপ-পত্ৰ বা তথ্য-পাতি আছেনে কি? একোৱেই নাই। আমাৰ কাৰ্য্যসূচীত থকা প্ৰতিটো কথাকে তথ্যেৰে প্ৰমাণ কৰা হৈছে। তেওঁলোকৰ চিঞৰ-বাখৰৰ বাহিৰে একো নাই; আমাৰ প্ৰতিটো হিচাপকে প্ৰমাণ কৰা হৈছে। ভূতে হৰিধ্বনিলৈ ভয় কৰাৰ দৰে তেওঁলোকেও সংখ্যা দেখিলে উচপ খাই উঠে। আমি ইতিহাসৰ গতিৰ সঠিক বৈজ্ঞানিক বিশ্লেষণ দিছো। তেওঁলোকৰ বেজৰ মন্ত্ৰৰ বাহিৰে, ফলহীন ভৱিষ্যদ্বাণীৰ বাহিৰে একো নাই। ইয়াৰ প্ৰতি তেওঁলোকে ইমান আগ্ৰহ দেখুৱায় যে তেওঁলোকে কেনেকৈ স্পষ্ট সংঘৰ্ষৰ গৰাহত পৰিছে সেইটো পাহৰি যায় আৰু নিজৰ গল্পবোৰ একেলগে গাঁথি পেলাব নোৱাৰে। তদুপৰি তেওঁলোকে নিজৰ ভিতৰতে খুচিয়াখুচি লগাই দিয়ে।

এদল সমালোচকে চিঞৰি চিঞৰি কৈছে যে এই কাৰ্য্যসূচী কাৰ্য্যকৰী কৰিব নোৱাৰি, আনদলে চিঞৰিছে "এইটো এটা ৰণ-আহ্বান। নিজক ৰক্ষা কৰা যদি শক্তি আছে।" ফৰাচী কাকত "ফিগাৰোৰ" মতে এই কাৰ্য্যসূচী "আকাশত পতা চাং", অষ্ট্ৰিয়ান বাতৰি কাকত **ডা ক্লেইনি ভোকছবাটৃ**-এ পছিমীয়া শক্তিসমূহক আহ্বান জনাইছে "ক্ৰেমলিনে তৈয়াৰ

কৰা এই বিৰাট পৰিকল্পনাক কেৱল আকাশত চাং পতা বুলি ভাবিলে ভুল হ'ব ; কাৰণ এই লক্ষ্যসমূহ সচাঁকৈয়ে পশ্চিমীয়া শক্তিসমূহৰ প্ৰতি ৰণ-আহ্বান।" এইটো পাৰিলে সচাঁকৈ বুজিব লগীয়া কথা। ইয়াত সমালোচক সকলে এনে এখন হাবিত বাট হেৰুৱাইছে—য'ত তিনিজোপা সৰল গছো নাই—দুজোপাহে আছে। আমাৰ কাৰ্য্যসূচীৰ সমালোচকসকলৰ সদায় আওৰাই থকা দ্বিতীয় কথা হল সেই আওপুৰণি উৰ্ব্বল যোৱা কথাষাৰ—সাম্যবাদৰ তলত ব্যক্তি স্বাধীনতা নাই। অষ্ট্ৰিয়ান ছোছিয়েল ডেমক্ৰেটিক কাকত "আৰবিটাৰ জেইটুঙ্"-এ সেই মূল্যহীন কথাষাৰকে সমৰ্থন কৰিছে। সেই কাকতখনে কৈছে "আমি বিশ্বাস কৰোঁ যে পৰ'হলৈ ছোভিয়েতৰ এজন নাগৰিকে এখন টিকট বিনামূল্যে পাব; কিন্তু আমি এইটো বিশ্বাস নকৰোঁ যে তেওঁ য'লৈ যাব খোজে তালৈ যাবলৈ সুবিধা পাব পাৰে।"

কোনোবাই যদি এজন ছোভিয়েত নাগৰিকক সুধিব লগা হয় যে তেওঁ য'লৈকে ইচ্ছা ত'ল'ক যাব পাৰেনে তেন্তে সেই নাগৰিকে প্ৰশ্নকৰ্ত্তাজনৰ ফালে চাই ভাবিব—মানুহটোৰ মগজৰ কিবা গণ্ডগোল আছে নে কি? নে পগলা ফাটেকৰপৰা পলাই আহিছে? ছোভিয়েতৰ জনসাধাৰণে য'লৈকে ইচ্ছা তালৈকে যায়। কিন্তু যদি সেই একেটা প্ৰশ্নকে দক্ষিণৰ ৰাজ্যসমূহ ভ্ৰমন কৰি জেললৈ যোৱা সকল "স্বাধীনতা বিচাৰি" ৰোৱা আমেৰিকাবাসীক সোধা হয়, তেন্তে তেওঁলোকে কি উত্তৰ দিব?

বুৰ্জোৱা প্ৰচাৰৰ আন এটা ধাৰাও কম হাস্যস্কৰ নহয়। তেওঁলোকে ঘোষণা কৰে যে ছোভিয়েত জনসাধাৰণে সাম্যবাদৰ তলত সৃষ্টি কৰিব খোজা অৱস্থা আমেৰিকা আৰু আন কেইখনমান ধনতান্ত্ৰিক দেশত্তে এতিয়াই আছে।

ইয়াতকৈ বেছি তথ্যৰ বিকৃতি আৰু ধনতান্ত্ৰিক দেশৰ শ্ৰমজীৱী জনসাধাৰণৰ জীৱনৰ ভুল ব্যাখ্যা কল্পনা কৰাও টান। ভাবি চাওক,

আমেৰিকাৰ বাতৰি-কাকতে স্বীকাৰ কৰে যে "নিবনুৱাৰ সংখ্যা আজিও জাতীয় গ্লানি হৈ আছে", লাখ লাখ মানুহ প্ৰকৃততে অনাহাৰে আছে। তথাপি আমেৰিকাৰ জীৱনধাৰণৰ "সুখ" উপভোগ কৰা সেই লাখ লাখ মানুহক পতান ধান দি ভাবিবৰ চেষ্টা কৰা হৈছে যে তেওঁলোকৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰা হৈছে।

প্ৰতিবছৰেই আমেৰিকাৰ বাতৰি কাকতে খবৰ দিয়ে যে তাত ডাক্তৰী চিকিৎসা ভয়ানক ব্যয়সাধ্য হৈ পৰিছে আৰু এতিয়া তেওঁলোকে আমাৰ বিশ্বাস জন্মাব খোজে যে আমেৰিকাতো চিকিৎসা বিনামূলীয়া হৈছে। কালি তেওঁলোকৰ বাতৰি কাকতে কৈছিল যে ঘৰ ভাৰাই বহুত পৰিয়ালক ধ্বংসৰ মুখলৈ ঠেলি দিছে আৰু আজি বেতনভোগী লিখকসকলে লিখিছে যে আমেৰিকাত ঘৰৰ প্ৰায় ভাৰা নাই। সেই ভবিষ্যতৰ সমালোচকসকল নিজৰ মিথ্যাবাদিতাত বিষমভাৱে সাঙোৰ খাই পৰিছে।

ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কৰ্মসূচীয়ে সদায়েই শান্তিপূৰ্ণ সহ-অৱস্থান আৰু শান্তিপূৰ্ণ প্ৰতিযোগিতাৰ নীতি গ্ৰহণ কৰি আহিছে। আমি দেখিছো যে শান্তিপূৰ্ণ সহ-অৱস্থানৰ আহ্বানে শান্তি নিবিচৰাবিলাকক ভয় খুৱায়। কিছুমান ধনিক কাকত ইমান দূৰলৈ গৈছে যে সিহঁতে কয়, শান্তিপূৰ্ণ সহ-অৱস্থান "বিশ্ববিপ্লৱৰ অস্ত্ৰ"। ধনতান্ত্ৰিক বিশ্বৰ নেতৃস্থানীয় কাকত **নিউইয়ৰ্ক টাইমছে** আমাৰ কৰ্মসূচীত মতামত দি কৈছে যে ই মুক্ত পৃথিৱীৰ বিৰুদ্ধে নতুন যুদ্ধ ঘোষণা—সামৰিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু প্ৰচাৰ যুদ্ধৰ ঘোষণা।

ই বলিয়াৰ প্ৰলাপ, ভদ্ৰমহোদয় সকল। আপোনালোকৰ স্নায়ুৰ বিকাৰ ঘটিছে। কৰ্মসূচীৰ কোন ঠাইত ধনতান্ত্ৰিক পৃথিৱীৰ ওপৰত যুদ্ধ ঘোষণা কৰাৰ নিচিনা কথা দেখিছে? কোনটো ধাৰা বা কোনটো প্ৰস্তাৱৰ আপুনি এই কথা কৰলৈ বল পালে? তাত এনে কোনো কথা নাই বা থাকিব নোৱাৰে। যদি **নিউইয়ৰ্ক টাইমছে** পুৰণি কথাকে দোহাৰি আছে

তেন্তে সি এইটোকে বুজাব যে তেওঁলোকে শান্তি আৰু সহ-অৱস্থানলৈ ভয় কৰে ; কাৰণ তেওঁলোকে বুজিছে যে শান্তিপূৰ্ণ প্ৰতিযোগিতাত ধনতন্ত্ৰই সমাজতন্ত্ৰক বলে নোৱাৰে। সাম্ৰাজ্যবাদী শক্তিসমূহে যুদ্ধ লগাবলৈ সকলো ফালেদি সচেষ্ট হৈ আছে আৰু ইয়াৰ ফলত এটা কথা বাৰে বাৰে ওলাই আহিছে যে তেওঁলোকৰ পৰিকল্পনা জনসাধাৰণৰ মূল স্বাৰ্থৰ পৰিপন্থী। প্ৰগতি-বিৰোধী আৰু প্ৰতিক্ৰিয়াশীলবিলাকে আমাৰ কৰ্মসূচীক আক্ৰমণ কৰাত আমি অলপো বিচলিত হোৱা নাই। আমি তেওঁলোকে প্ৰশংসা কৰিলেহে বিচলিত হলোহেঁতেন। যদি প্ৰগতিবিৰোধীসকলে আমাৰ কৰ্ম্মসূচীক আক্ৰমণ কৰিছে তেন্তে বুজিব লাগিব—আমাৰ কৰ্ম্মসূচী সঠিক। আমি বিশ্বাসেৰে সৈতে আমাৰ নিজৰ পথ. সাম্যবাদৰ পথ লৈছো ; কাৰণ আমি নিশ্চিত যে সোনকালে হওক বা পলমকৈ হওক সমগ্ৰ মানৱ জাতিয়ে সেই পথ লব লাগিব।

॥ সাত ॥

পৰিপূৰ্ণ সাম্যবাদ গঠনৰ কালছোৱাত পাৰ্টিৰ ভূমিকা

কমৰেডসকল, নতুন কৰ্মসূচীৰ বিশালতাই আমাৰ লেনিনবাদী পাৰ্টিৰ বিশালতাৰ কথাই কয়। সাম্যবাদৰ মহান আদৰ্শসমূহৰ ৰূপ দিয়াৰ ভিতৰেদি আমাৰ পাৰ্টিয়ে সমাজৰ বৈপ্লৱিক পৰিবৰ্ত্তনৰ নেতা হিছাপে নিজৰ ভূমিকা সফলতাৰে পালন কৰিছে। **শ্ৰমিকশ্ৰেণীৰ পাৰ্টি হিছাপে গঢ়ি উঠা আমাৰ মাৰ্ক্সবাদী-লেনিনবাদী পাৰ্টি সমগ্ৰ জনসাধাৰণৰ পাৰ্টিত পৰিণত হৈছে।** ই একে স্বাৰ্থ আৰু চিন্তাৰ দ্বাৰা বান্ধ খোৱা ছোভিয়েত জনসাধাৰণৰ অখণ্ড ঐক্য আৰু শক্তিকে দেখুৱাইছে। সৌভাগ্যই-দুৰ্ভাগ্যই, জয়ৰ কালত বা দুখৰ দিনত **পাৰ্টি সদায় জনসাধাৰণৰ লগত আৰু জনসাধাৰণ সদায় পাৰ্টিৰ লগত আছে।** কমিউনিষ্ট পাৰ্টি হৈছে সেই শক্তি যি ইতিহাসৰ গতিৰ নতুন স্তৰত দেখা দিয়া কৰ্ত্তব্যসমূহ সমাপন কৰিবলৈ জনসাধাৰণৰ ইচ্ছা, প্ৰচেষ্টা আৰু শক্তিক ঐক্যবদ্ধ কৰে।

আজি যেতিয়া আমাৰ দেশত বিৰাট সম্পদ আছে, উন্নত বিজ্ঞান আৰু কাৰিকৰী ব্যৱস্থা আছে, যেতিয়া জনসাধাৰণৰ উদ্যম অত্যন্ত প্ৰবল তেতিয়া আমাৰ অগ্ৰগতিৰ বেগ মূলতঃ নিৰ্ভৰ কৰিব আমাৰ ৰাজনৈতিক নীতি গোটেই দেশত আৰু স্থানীয়ভাৱে শুদ্ধকৈ খটুৱাৰ ওপৰত, সকলো চৰকাৰী আৰু ৰাজহুৱা সংগঠনৰ সঠিক আৰু কাৰ্য্যকৰী কামকাজৰ ওপৰত, আৰু সেইবিলাকৰ সমাজতান্ত্ৰিক ব্যৱস্থাৰ সকলো সুবিধা ঠিক—

ভাৱে ব্যৱহাৰ কৰাৰ ওপৰত। সেই কাৰণেই সাম্যবাদ গঠনৰ সময়ত পাৰ্টিৰ পৰিচালক আৰু সাংগঠনিক ভূমিকা বঢ়োৱা প্ৰয়োজন।

কি কি মূল নীতিত কমিউনিষ্ট পাৰ্টি এই সময়ত আগ বঢ়িব। আমি বিশ্বাস কৰোঁ যে সেই নীতিবিলাক হব—উচ্চতম ৰাজনৈতিক আৰু সামাজিক সংগঠন হিচাপে কমিউনিষ্ট পাৰ্টিৰ ভূমিকা আৰু বৃদ্ধি কৰা, সাম্যবাদ গঠনৰ সকলো দিশতে ইয়াৰ প্ৰভাৱ বঢ়োৱা।

পাৰ্টি আৰু জনসাধাৰণৰ মাজত ঐক্য শক্তিশালী কৰা, পাৰ্টি আৰু পাৰ্টিৰ বাহিৰত থকা জনসাধাৰণৰ মাজত যোগাযোগ বঢ়োৱা, বহু সংখ্যক শ্ৰমজীৱী জনসাধাৰণক পাৰ্টিৰ সভ্য হোৱা গুৰলৈ তোলা।

পাৰ্টিৰ আভ্যন্তৰীণ গণতন্ত্ৰ আৰু সম্প্ৰসাৰিত কৰা, পাৰ্টি-সভ্য নামটোৰ তাৎপৰ্য্য বঢ়োৱা, পাৰ্টি সভ্য সকলৰ কাৰ্য্যকলাপ আৰু আগভাগ লব পৰা ক্ষমতা বঢ়োৱা আৰু পাৰ্টিৰ ভিতৰত ঐক্য আৰু সংহতি বৃদ্ধি কৰা।

এটা কথাত জোৰ দিয়া প্ৰয়োজন যে পৰিপূৰ্ণ সাম্যবাদ গঠনৰ কাল-ছোৱাৰ লগত খাপ খুৱাই লবৰ কাৰণে পাৰ্টিৰ কাৰ্য্যকলাপ আৰু সাংগঠনিক নেতৃত্বই এক নতুন উচ্চতৰ পৰ্য্যায় লাভ কৰিব লাগিব। নতুন কাৰ্য্যসূচী গ্ৰহণ এটা বিৰাট ঐতিহাসিক ঘটনা। কিন্তু এইটো প্ৰথম খোজহে। মূল কথা হৈছে কৰ্ম্মসূচী কাৰ্য্যকৰী কৰা। কৰ্ম্মসূচীত উল্লেখ কৰা গধুৰ কৰ্ত্তব্যই সমগ্ৰ পাৰ্টি আৰু পাৰ্টি সংগঠনসমূহৰপৰা বহুতো আশা কৰে।

নতুন কৰ্ম্মসূচীৰ ভিত্তিত এই কংগ্ৰেছে ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ যি বিধিসমূহ গ্ৰহণ কৰিব সি পৰিপূৰ্ণ সাম্যবাদ গঠনৰ অৱস্থা আৰু কৰ্ত্তব্যৰ লগত খাপখুৱাই পাৰ্টিৰ সাংগঠনিক নীতি তৈয়াৰ কৰিব।

কেনেকৈ পাৰ্টিৰ নিৰ্ব্বাচিত কমিটিসমূহ গঠিত হব সেইটো এটা বিশেষ গুৰুত্বপূৰ্ণ প্ৰশ্ন। খচৰা কৰ্ম্মসূচীয়ে এটা নতুন নিয়ম ঠিক কৰিছে যাৰ ফলত **নিৰ্ব্বাচিত নেতৃস্থানীয় পাৰ্টি কমিটিসমূহত নিয়মিত-**

ভাৱে নতুন নতুন মানুহে স্থান পাব। আমি ভাবোঁ যে চৰকাৰী আৰু ৰাজহুৱা নিৰ্ব্বাচিত সংগঠনসমূহতো এই নীতি প্রয়োগ কৰা ভাল হব।

এই নতুন ব্যৱস্থালৈ পৰিবৰ্ত্তন আমাৰ গণতন্ত্ৰৰ বিকাশত এক ডাঙৰ পদক্ষেপ হব। এই নীতি চোভিয়েত সমাজৰ ৰাজনৈতিক সংগঠনৰ নতুন অৱস্থাৰ লগত খাপ খোৱা, কাৰণ, চৰকাৰ সমগ্র জনসাধাৰণৰ চৰকাৰ হৈছে আৰু পাৰ্টি সমগ্র জনসাধাৰণৰ ইচ্ছা আৰু স্বাৰ্থৰ মুখপাত্র হৈছে। এই সময়ৰ এটা বিশেষ লক্ষ্য কৰিব লগা লক্ষণ হ'ল পাৰ্টিৰ সভ্য সংখ্যা আৰু ৰাজনৈতিক শক্তিৰ অগ্রগতি; কৰ্ম্মীৰ সংখ্যা বৃদ্ধি আৰু জনসাধাৰণৰ অভূতপূৰ্ব্ব উচ্চ ৰাজনৈতিক আৰু সাংস্কৃতিক স্তৰ।

পাৰ্টিৰ যেতিয়া জন্ম হৈছিল, তেতিয়া ই মুষ্টিমেয় আগৰণুৱা শ্রমিক আৰু বুদ্ধিজীৱীৰ ভিতৰত সীমাবদ্ধ আছিল। ইতিহাসৰ ধাৰা জানিবৰ কাৰণে থকা তেওঁলোকৰ আগ্রহেই তেওঁলোকক মাক্সবাদৰ ফালে আকৰ্ষণ কৰিছিল। এই মুষ্টিমেয় লোকসকলে সমাজত থকা অন্তৰ্দ্বন্দ্বৰ মাজত এটা বৈপ্লৱিক পথৰ সন্ধান কৰিছিল। সাম্যবাদৰ প্রতি একান্ত অনুগত এই বৃত্তিশীল বিপ্লৱীসকলেই লেনিনবাদী পাৰ্টিৰ নেতৃস্থানীয় কেন্দ্র আছিল। ই শ্ৰমিক শ্ৰেণীক সংগঠিত আৰু ৰাজনৈতিকভাৱে শিক্ষিত কৰিছিল, অতীতৰ শোষণ ব্যৱস্থাত আঘাত হানিবলৈ তেওঁলোকক নেতৃত্ব কৰিছিল আৰু সমাজতন্ত্ৰৰ বিজয় লাভ কৰিছিল। জন্মৰ দিনৰ পৰাই আমাৰ পাৰ্টিৰ শক্তি নিহিত আছিল আদৰ্শগত অখণ্ডতা, সভ্যসকলৰ সংহতি আৰু শৃঙ্খলা, জনসাধাৰণৰ লগত ইয়াৰ নিবিৰ সম্পৰ্ক আৰু শ্রমিকশ্রেণী আৰু মেহনতকাৰী কৃষকে ইয়াৰ প্রতি দেখুওৱা সমৰ্থনত।

অক্টোবৰ বিপ্লৱৰ জয়ৰ কাৰণে হোৱা সংগ্রামত, গৃহযুদ্ধৰ জুইত, সমাজতান্ত্রিক গঠনমূলক কামত, দেশপ্রেমিক মহাযুদ্ধৰ বিপদ কালত, যুদ্ধোত্তৰ যুগত আমাৰ পাৰ্টিৰ শক্তি বহুগুণে বাঢ়িছে, সভ্য সংখ্যা বাঢ়িছে আৰু ইয়াৰ কৰ্ম্মীসকল তীখাৰ দৰে কঠিন হৈ পৰিছে। পাৰ্টিৰ

বাহিৰৰ জনসাধাৰণে (যাৰ বহুতৰেই মনোভাৱ কমিউনিষ্টৰ নিচিনা) কমিউনিষ্টৰ লগত কান্ধত কান্ধ মিলাই সক্ৰিয়ভাৱে সাম্যবাদ গঢ়ি তুলিছে।

বিপ্লৱৰ প্ৰথম ছোৱাত আমাৰ নেতৃস্থানীয় কৰ্মী অতি কম আছিল, কিন্তু এতিয়া নতুন নতুন কৰ্মীক নেতৃত্ব লবলৈ দিয়াৰ অফুৰন্ত সম্ভাৱনা আমাৰ আগত। এনেকুৱা এটা ব্যৱস্থা কৰা প্ৰয়োজন যি নেতৃস্থানীয় পদলৈ নিৰ্ব্বাচিত হোৱা মানুহে নতুন শক্তিক বাধা দি ৰাখিবলৈ নিদিব, বৰং তেওঁলোকক পাৰ্টি, চৰকাৰ, ট্ৰেড্ইউনিয়ন আৰু অন্যান্য সংগঠনৰ নেতৃস্থানীয় পদত নিজৰ ক্ষমতা আৰু জ্ঞান খটুৱাবলৈ সহায় কৰিব —পাৰ্টি আৰু দেশৰ নেতৃত্ব লোৱাত সহায় কৰিব। আমাৰ বহুতো কাৰ্য্যক্ষম, শিক্ষিত ব্যক্তি আছে। তেওঁলোকৰ অভাৱ মাত্ৰ অভিজ্ঞতাৰ আৰু ঠিক এইখিনিতেই আমাৰ নেতৃস্থানীয় কৰ্মবৃন্দসকলে নতুন কৰ্মী গঢ়ি তোলাত সহায় ক'ৰব লাগে।

প্ৰতি জীৱন্ত প্ৰাণীয়েই কিছুমান জীৱ কোষৰ সমষ্টি আৰু এই জীৱকোষবিলাক সদায় নতুন নতুন হৈ থাকে—কিছুমান মৰি যায় আৰু কিছুমানে জন্মলাভ কৰে। পাৰ্টি আৰু সমাজো একেটা প্ৰক্ৰিয়াৰে অধীন, জীৱনৰ একেটা নিয়মৰে বশৱৰ্তী। এই স্বাভাৱিক নিয়ম বন্ধ বা তাৰ পৰিবৰ্তন কৰিলে পাৰ্টি আৰু সমাজ দেহৰ বিকাশ হানি হব। বেকতে নকলেও এই কথাটো আটায়ে জানে যে আমাৰ ভিতৰত এনে কিছুমান কমৰেড আছে যিবিলাকক তেওঁলোকৰ সময়ত সমৰ্থন কৰা হৈছিল আৰু নেতৃত্বৰ পদলৈ নিৰ্বাচিত কৰা হৈছিল আৰু তেওঁলোক সেই পদত বহুতো বছৰ ধৰি আছে। এই সময়ত তেওঁলোকৰ বহুতেই সৃজনীশীল কামৰ ক্ষমতা হেৰুৱাইছে, নতুনত্বৰ ধাৰণা হেৰুৱাইছে আৰু তেওঁলোক বাধা হৈ পৰিছে। আগতে নিৰ্ব্বাচিত হৈছিল বুলিয়েই তেওঁলোকক সেই পদত ৰখাটো ভুল হব। এবাৰ নেতৃস্থানীয় কমিটিলৈ নিৰ্ব্বাচিত হোৱা একেখিনি মানুহৰ ওপৰত আমি সদায়েই নিৰ্ভৰ কৰি থাকিব নালাগে। সেইটো আমাৰ নীতি নহয়।

স্বাভাৱিকতে যদি এবাৰৰ মিয়াদ শেষ হোৱাৰ পিছত কোনো কমৰেড পুনৰ নিৰ্বাচিত নহয় তেন্তে সি বিভেদৰ কাৰণ হব নালাগিব। যদি কোনো কমিউনিষ্টে তেঁওক দিয়া পদত ভাল কাম দেখুৱাইছে তেন্তে সকলো গৌৰৱ তেওঁৰ।

আমাৰ কৰ্ত্তব্য হৈছে যিবিলাক নতুন কমৰেডে নিজকে কৰ্মক্ষম বুলি প্ৰমাণ কৰিছে তেওঁলোকক পাৰ্টি আৰু চৰকাৰৰ নেতৃত্বলৈ লৈ অহা। মাৰ্ক্সবাদ-লেনিনবাদৰ নীতি আৰু কেবাপুৰুষৰ বিপ্লৱ আৰু সমাজতন্ত্ৰ গঠনৰ অভিজ্ঞতাৰ দ্বাৰা পৰিচালিত এই নতুন শক্তিসমূহে অভিজ্ঞ কমৰেড-সকলৰ সহযোগত আমাৰ দেশৰ শক্তি বঢ়াব আৰু ইয়াৰ অৰ্থনীতি, বিজ্ঞান কাৰিকৰীবিদ্যা আৰু সংস্কৃতিক আগ বঢ়াই নিব।

আমি যদি মনত ৰাখো যে বিভিন্ন শাখাত ভাগ ভাগ কৰা ব্যৱস্থাত আমাৰ পাৰ্টিৰ হাজাৰ হাজাৰ নিৰ্বাচিত প্ৰাথমিক আৰু নেতৃস্থানীয় কমিটি আছে, চৰকাৰ আৰু গণসংগঠনসমূহৰ বহুত নিৰ্ব্বাচিত কমিটি আছে, তেন্তে দেখিবলৈ পাম যে নিৰ্ব্বাচনৰ পিচতে লাখ লাখ নতুন কৰ্মী নেতৃস্থানীয় কামলৈ আহিব।

সদায়েই নতুন কৰ্মী অনা, যোগ্যতা প্ৰমাণ কৰা কৰ্মীৰ পদোন্নতি কৰা, আমাৰ পাৰ্টি আৰু চৰকাৰৰ সামূহিক মিলনক্ষেত্ৰত নতুন আৰু অভিজ্ঞ কমৰেডৰ সংযোগ ঘটোৱাটোৱেই হ'ল মাৰ্ক্সবাদী লেনিনবাদী পাৰ্টিৰ অগ্ৰগতিৰ নিয়ম। এই বিষয়ত পাৰ্টিয়ে, বিশেষকৈ, ষ্টেলিনৰ ব্যক্তিপূজাৰ শিক্ষাৰ ভিত্তিত আগ বাঢ়িছে। মই এই বিষয়ৰ ওপৰত বহুতবাৰ আৰু বিশেষকৈ বৰ্ত্তমান কংগ্ৰেছত উত্থাপিত কেন্দ্ৰীয় কমিটিৰ প্ৰতিবেদনত কৈছো।

খচৰা কৰ্ম্মসূচী আৰু নিয়মাৱলী—পাৰ্টিৰ এই মূল দলিল কেইখনে এনে কিছুমান প্ৰস্তাৱ আনিছে যিবিলাকে ব্যক্তিপূজাৰ পুনৰুত্থানৰ বিৰুদ্ধে নিশ্চয়তা দিছে আৰু তাৰ বিৰুদ্ধে নিশ্চিত বাধাৰ সৃষ্টি কৰিছে। আমি

কংগ্ৰেছৰ মঞ্চৰপৰা ঘোষণা কৰিছো যে ভৱিষ্যতৰ সকলো সময়ৰ কাৰণে ব্যক্তি পূজাত বাধা দিবলৈ পাৰ্টিয়ে আৱশ্যকীয় সকলো ব্যৱস্থা লব লাগিব।

নিৰ্ব্বাচিত কমিটিসমূহলৈ নিয়মিতভাৱে নতুন লোক অনাটো পাৰ্টি, চৰকাৰ আৰু ৰাজহুৱা জীৱনৰ অন্তৰ্নিহিত নীতি হব লাগিব। আৰু বেছিকৈ সামূহিক নেতৃত্বৰ নীতি কামত খটুৱাত ই নতুন সুবিধা দিব।

কমিউনিষ্টসকলৰ আৰু সমগ্ৰ জনসাধাৰণৰ সামূহিক চিন্তা আৰু অভিজ্ঞতাৰ ওপৰত পাৰ্টি নিৰ্ভৰ কৰে। গণসংগঠনসমূহে, ছোভিয়েত জনসাধাৰণে কামত আগভাগ লবলৈ কৰা প্ৰত্যেকটো চেষ্টাকে সকলো ধৰণৰ উৎসাহ দিয়ে। প্ৰতিটো ভাল নতুন কথা, ভাল ধাৰণা, প্ৰতিটো মূল্যবান প্ৰস্তাৱকে গভীৰভাৱে বিচাৰ কৰা, সমৰ্থন কৰা আৰু উপলব্ধি কৰা প্ৰয়োজন।

কিন্তু আমাৰ এনেকুৱা বিষয়া আছে যি জনসাধাৰণৰ আগ্ৰহৰ প্ৰতি অৱজ্ঞা প্ৰকাশ কৰি আওকাণ কৰি চলে। তেওঁলোকে নিজে যি ভাবে বা কয় সেইটোৱেই হ'ল তেওঁলোকৰ কাৰণে একমাত্ৰ প্ৰয়োজনীয় কথা। এইটো কমিউনিষ্টৰ নীতি নহয়, আমোলাতান্ত্ৰিক নীতিহে। সকলো পাৰ্টি সংগঠন আৰু নেতৃস্থানীয় কৰ্মীৰ কৰ্তব্য হ'ল প্ৰতিজন নাগৰিকৰ ক্ষমতা আৰু বুদ্ধি সাধ্যমতে গঠনত লগোৱা।

নিৰ্ব্বাচিত কমিটি গঠনৰ প্ৰস্তাৱিত ব্যৱস্থাই সমালোচনা আৰু আত্মসমালোচনাত নতুনভাৱে সহায় কৰিব, যিবিলাক ক্ষেত্ৰত মানুহে ওপৰৱালাৰ ইচ্ছামতে কাম কৰিবলৈ বাধ্য হয় তাক বাধা দিব, স্বজন-তোষণ আৰু পৰস্পৰৰ দোষ লুকাই ৰখাটো নাইকিয়া কৰিব। নতুন সভ্য লোৱা ব্যৱস্থাই নিৰ্ব্বাচিত সংগঠনসমূহৰ পৰা এনে মানুহ নাইকিয়া কৰিব যি সেই সংগঠনৰ আৰু জনসাধাৰণৰ সামূহিক ইচ্ছা আৰু মতামতলৈ কাণ দিব নোখোজে আৰু যি পাৰ্টি আৰু জনসাধাৰণৰ প্ৰতি দায়িত্ব হেৰুৱাই পেলাইছে। এতিয়াৰপৰা নিৰ্ব্বাচিত সংগঠনসমূহে নতুন মানুহ

লব লাগিব; সেই বিলাকত নিজৰ যোগ্যতা প্ৰমাণ কৰিব পৰা আৰু কমিউনিজমৰ প্ৰতি আনুগত্য থকা মানুহ সুমাব লাগিব।

আমাৰ কামৰ স্বাৰ্থত নতুন আৰু পুৰণি কৰ্মীৰ ঠিক সমন্বয় ঘটোৱা আৰু বিশেষকৈ উচ্চ কমিটিবিলাকত নেতৃত্বৰ ধাৰাবাহিকতা ৰক্ষা কৰা প্ৰয়োজন। এই ধাৰাবাহিকতা ৰক্ষা নকৰাকৈ সঠিক দেশীয় আৰু বৈদেশিক নীতি চলোৱা আৰু অৰ্থনৈতিক আৰু সাংস্কৃতিক অগ্ৰগতিত সফল নেতৃত দিয়া টান হব।

নেতৃত্বৰ ধাৰাবাহিকতা হ'ল—মূল লেনিনবাদী নীতিসমূহৰ এটা। লেনিনে আমাক শিকাইছে "ই দৰাচলতে সেই নামৰ যোগ্যতা থকা পাৰ্টি-সংগঠন আৰু পাৰ্টি নেতৃত্বৰ কৰ্ত্তব্যসমূহৰ এটা, ই হল এটা শ্ৰেণীৰ জন-সাধাৰণৰ সকলো চিন্তাশীল লোকৰ দীঘলীয়া, নেৰানেপেৰা, বিভিন্ন সামূহিক প্ৰচেষ্টাৰ মাজেদি জ্ঞান আৰু অভিজ্ঞতা গঢ়ি তোলা আৰু, জ্ঞান আৰু অভিজ্ঞতাৰ উপৰিও জটিল ৰাজনৈতিক সমস্যাসমূহ সমাধানৰ কাৰণে প্ৰয়োজনীয় এটা ৰাজনৈতিক সহজাত বৃত্তি গঢ়ি তোলা।"*

পাৰ্টিৰ কৰ্মী আৰু নেতাসকলৰ সম্মান পাৰ্টিৰ এটা ডাঙৰ সম্পত্তি। যদিও আমি ব্যক্তিপূজাৰ নীতি ত্যাগ কৰিছো, আমি কোনো ধৰণেই পাৰ্টিৰ নেতাসকলৰ শিক্ষা আৰু তেওঁলোকৰ সম্মান বঢ়োৱাৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰোঁ। মূল কথাটো হ'ল যোগ্যতাৰ ভিত্তিত পাৰ্টি-সভ্যসকলৰ ভিতৰৰপৰা পাৰ্টিনেতা উলিয়াব লাগে— তেওঁলোকৰ ৰাজনৈতিক আৰু ব্যৱসায়িক বুদ্ধি বিচাৰ কৰিব লাগে, কমিউনিষ্ট আৰু জনসাধাৰণৰ লগত তেওঁলোকৰ নিবিৰ যোগাযোগ থাকিব লাগে। এই ধৰনেই লেনিনৰ সময়ত পাৰ্টি-নেতা তৈয়াৰ কৰা হৈছিল। সেই ধৰণেই এতিয়াও কৰিব লাগে।

আমি পাৰ্টি জীৱনৰ লেনিনবাদী মানদণ্ড বজাই ৰাখিব লাগে আৰু তাক বঢ়াব লাগে, সামূহিক নেতৃত্বৰ নীতি মানি চলিব

* ভি. আই. লেনিন-গ্ৰন্থাৱলী ৪ৰ্থ ৰুছ সংস্কৰণ, পৃঃ ৫০, ৩১তম খণ্ড।

লাগে, পাৰ্টিৰ নেতৃস্থানীয় কমিটি আৰু তাৰ বিষয়ববীয়াসকলৰ ওপৰত পাৰ্টিসভ্যসকলৰ তদাৰক ৰাখিব লাগে, তেওঁলোকৰ কামকাজ আৰু নেতৃত্ব গ্ৰহণৰ ক্ষমতা, পাৰ্টিৰ নীতি তৈয়াৰ কৰা আৰু কামত খটুৱাত তেওঁলোকৰ প্ৰকৃত গঠনমূলক ভূমিকা-গ্ৰহণ কৰাৰ লাগে, সমালোচনা আৰু আত্মসমালোচনা কৰাৰ লাগে।

যদি এটা পাৰ্টিয়ে সদায় ভৱিষ্যতলৈ চকু ৰাখে, যদি ই সদায় জনসাধাৰণলৈ লক্ষ্য ৰাখে আৰু জনসাধাৰণৰ বুদ্ধিৰপৰা সমল গোটাই নিজৰ অভিজ্ঞতা চহকী আৰু সম্প্ৰসাৰিত কৰে তেন্তে ই সকলো বিপদ অতিক্ৰম কৰি যাব পাৰে। লেনিনে জন্ম দিয়া আৰু লালন-পালন কৰা আমাৰ পাৰ্টি ঠিক তেনে পাৰ্টি।

সেই কাৰণে কমৰেডসকল, আহক আমি আমাৰ অমৰ নেতা আৰু শিক্ষকৰ উপদেশ সদায় পৱিত্ৰভাৱে স্মৰণ কৰোঁ আৰু তাক অধিকভাৱে উপলব্ধি কৰোঁ। তেতিয়া আমি আৰু বেছি সফলকাম হব পাৰিমহক।

আমাৰ অগ্ৰগতিৰ এই নতুন যুগত ছোভিয়েতসমূহ, অৰ্থনৈতিক সংগঠন, ট্ৰেডইউনিয়ন, যুৱসংঘ, সমবায় আৰু অন্যান্য গণসংগঠনৰ পাৰ্টিনেতৃত্ব উন্নত কৰা বিশেষ প্ৰয়োজন। এইটো জনসাধাৰণৰ সংগঠন বঢ়োৱা আৰু তেওঁলোকৰ সৃজনশীল ক্ষমতা সমাৱেশ কৰাৰ কাৰণে প্ৰয়োজনীয় সৰ্ত্ত। সাম্যবাদ গঠনৰ সকলো ধৰণৰ দায়িত্ব লৈয়ো পাৰ্টিয়ে কিন্তু চৰকাৰী সংগঠনসমূহ আৰু গণ-সংগঠনসমূহৰ কাম নিজে আত্মসাৎ কৰা উচিত নহয়। গণ-সংগঠনত পাৰ্টিনেতৃত্বৰ মূল দায়িত্ব হল সাম্যবাদ গঠনত তেওঁলোকৰ শক্তি সমাৱেশ কৰা; তেওঁলোকৰ নেতৃস্থানীয় কমিটিসমূহৰ অৱস্থা উন্নত কৰা; কৰ্মীসকলক উদগণি দিয়া, শিক্ষা দিয়া আৰু ঠিকমতে কাম দিয়া।

বৰ্ত্তমান অৱস্থাত পাৰ্টি সভ্যসকলৰ দায়িত্ব আৰু ভূমিকা বৰ বেছি। কমিউনিষ্ট নাম লোৱাটো সন্মানৰ কথা। আগতকৈ বেছিকৈ আজি কমিউনিষ্টসকলে পাৰ্টিৰ নীতি কাৰ্য্যকৰী কৰাৰ সংগ্ৰামত অগ্ৰগামী বাহিনীত

স্থান ল[illegible] জনসাধাৰণৰ প্ৰতি অনুগত সেৱা আৰু সামাজিক আৰু নিজৰ জীৱনত সাম্যবাদী নৈতিক-নীতি মানি চলি আদৰ্শস্থানীয় হৈ উঠা উচিত, যাতে তেওঁ সাম্যবাদী সম্পৰ্কক আগ বঢ়াই নিয়া আৰু শক্তিশালী কৰাত বৰঙণি দিব পাৰে।

পাৰ্টিৰ অপৰাজেয় শক্তিৰ মূল হ'ল ইয়াৰ অচল-অটল আদৰ্শগত আৰু সাংগঠনিক সংহতি। লেনিনবাদী পাৰ্টিৰ লগত খাপনোখোৱা বিভেদমূলক কাৰ্য্যকলাপ, উপদলীয় কাম আদি সকলো চক্ৰান্তৰ বিৰুদ্ধে পাৰ্টিয়ে সাংগঠনিক নিশ্চয়তা দিয়ে।

নতুন কৰ্ম্মী অনা, ব্যক্তিপূজা বন্ধ কৰা, পাৰ্টিৰ আভ্যন্তৰীণ গণতন্ত্ৰ বঢ়োৱা আদি খচৰা কৰ্ম্মসূচীত থকা ব্যৱস্থাসমূহ সচাঁকৈয়ে বৈপ্লৱিক ব্যৱস্থা। পাৰ্টিৰ সাধাৰণ পৰিকল্পনা, সমাজবাদৰ কাৰণে সংগ্ৰামত ইয়াৰ নীতি আৰু কৌশলৰ লগত এইবিলাক ওতঃপ্ৰোতভাৱে জড়িত।

এই ব্যৱস্থাবিলাক কাৰ্য্যকৰী হলে আৰু ব্যাপক ভিত্তিত সাম্যবাদৰ প্ৰতি অনুগত কৰ্ম্মী গঢ়ি তোলা সম্ভৱ হব; পাৰ্টি সংগঠন আৰু গোটেই জনসাধাৰণৰ কাৰ্য্যকলাপ বঢ়োৱা সম্ভৱ হব। ইয়াৰ মানে হ'ল অৰ্থনৈতিক অগ্ৰগতি. সাংস্কৃতিক অগ্ৰগতি, আৰু সাম্যবাদ গঠনৰ কাম, আৰু বেছি, সফলতাৰে আগ বাঢ়িব।

কমৰেডসকল, পৰিপূৰ্ণ সাম্যবাদ গঠনৰ পৰিকল্পনা তৈয়াৰ কৰাটোৱে পাৰ্টি আৰু কেন্দ্ৰীয় কমিটিৰ বিৰাট আদৰ্শগত শক্তিকে দেখুৱাইছে। এই কৰ্ম্মসূচীৰ দ্বাৰা সৰ্চ্চম হৈ আমি ছোভিয়েত কমিউনিষ্টসকলে অনুভৱ কৰিছো যে আমি নতুন উচ্চস্তৰলৈ উঠিছো আৰু আমাৰ চকুৰ আগত সাম্যবাদী ভৱিষ্যতটো বেছি ফটফটীয়া হৈ পৰিছে।

কিহে আমাক শক্তি দিছে? প্ৰথমতেই মাৰ্ক্সবাদ-লেনিনবাদে—ই আমাৰ বিজয়ী আৰু নিয়ত ক্ৰমবৰ্দ্ধমান আদৰ্শ। সমাজতান্ত্ৰিক আৰু সাম্যবাদী গঠনৰ প্ৰক্ৰিয়া হ'ল—লগে লগে কোটি কোটি জনসাধাৰণৰ

বাস্তৱ অভিজ্ঞতাৰ দ্বাৰা মাৰ্ক্সবাদ লেনিনবাদক চহকী কৰাৰ প্ৰক্ৰিয়া। নতুন কৰ্মসূচী হল সেইমত লবলগীয়া তত্ত্বগত আৰু ৰাজনৈতিক দলিল। ইয়াত সাম্যবাদ সম্পৰ্কে মাৰ্ক্সবাদ লেনিনবাদৰ মূল সূত্ৰবিলাক আৰু এই সূত্ৰবিলাক সমাজতান্ত্ৰিক আৰু সাম্যবাদা গঠনকাৰ্য্যত ব্যৱহাৰ কৰোঁতে লাভ কৰা অভিজ্ঞতাৰ নতুন সিদ্ধান্তবিলাক সন্নিবিষ্ট কৰা হৈছে।

আমি নতুন পথত আগ বাঢ়িছো। সাম্যবাদী গঠনকাৰ্য্যত দেখা দিয়া বিভিন্ন সমস্যাক আমি বিশ্লেষণ কৰিব লাগিব, যাতে বাস্তৱভাৱে তত্ত্বগত নীতি সৃষ্টি কৰিব পাৰো। যেনেকৈ সূৰ্য্যৰ ৰশ্মি নহলে কোনো জীৱই ডাঙৰ হব নোৱাৰে সেইদৰে মাৰ্ক্সবাদা লেনিনবাদী বিজ্ঞানৰ পোহৰ নপৰেলি সাম্যবাদী গঠন কাৰ্য্য সম্পূৰ্ণ কৰিব নোৱাৰি। আমাৰ পাৰ্টিৰ কৰ্তব্য হ'ল ধাৰাবাহিক ভাৱে মাৰ্ক্সবাদ লেনিনবাদৰ তত্ত্বক সমৃদ্ধিশালী কৰা। এই তত্ত্ব হল এটা নিৰ্ভৰযোগ্য দিক্ নিৰ্ণয় যন্ত্ৰ; ই সাম্যবাদৰ বিজয়ৰ পথ দেখুৱাই দিব।

* * *

কমৰেডসকল, ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২২তম কংগ্ৰেছৰ প্ৰতিনিধি হিছাপে আমাৰ কাৰণে সন্মানৰ কথা হল যে আমি এই সাম্যবাদ গঠনৰ নতুন কাৰ্য্যসূচী আলোচনা আৰু গ্ৰহণ কৰিবলৈ পাইছো। এই কৰ্মসূচী কাৰ্য্যকৰী হলে মানৱ জাতিৰ ইতিহাসত উজ্জলতম যুগ এটাত ভৰি দিব।

বহু শতিকা ধৰি মানৱ-সমাজে এখন শোষণহীন সামাজিক আৰু জাতিগত নিৰ্য্যাতন নোহোৱা সমাজৰ সপোন দেখি আহিছে—যি খন সমাজত তেজৰাঙলী যুদ্ধৰ চাবুকে জনসাধাৰণক চুব নোৱাৰে। জনসাধাৰণৰ স্বাৰ্থৰ কাৰণে সংগ্ৰামত বহুতেই বাৰৰ দৰে মৃত্যু বৰণ কৰিলে। কিন্তু মানুহৰ সুখৰ সপোন, সপোন হৈয়ে থাকিল আৰু তেওঁলোকৰ ভাগ্যত পালে দুখ আৰু চকুলো। মাৰ্ক্সবাদ-লেনিনবাদৰ মহত্ত্ব হল যে ই শ্ৰমজীৱী

জনসাধাৰণক নিজৰ আকাংক্ষা সফল কৰাৰ বাস্তৱ পথ দেখুৱাই দিলে। আমাৰ পাৰ্টিৰ সাম্যবাদৰ প্ৰথম স্তৰ সমাজতন্ত্ৰক বাস্তৱত ৰূপায়িত কৰাৰ আৰু ছোভিয়েত জনসাধাৰণক উচ্চ স্তৰৰ সাম্যবাদলৈ নেতৃত্ব দিয়াৰ সৌভাগ্য হৈছে।

মুক্তিৰ পোহৰ দেখুৱাই সমাজতন্ত্ৰ আৰু সাম্যবাদৰ পতাকা দাঙি ধৰি আমাৰ পাৰ্টিয়ে কুৰি শতিকাক এটা বিপ্লৱী-শতিকা, মানুহৰ ভাগ্যৰ বিৰাট পৰিবৰ্তনৰ শতিকা হিচাবে গৌৰৱান্বিত কৰি তুলিলে। সকলো দেশৰে জনসাধাৰণক নিজৰ লগতে আগ বঢ়াই লৈ যোৱা বিৰাট কমিউনিষ্ট বাহিনীৰ বীৰত্বপূৰ্ণ সংগ্ৰামে ইতিহাসৰ গতিক খৰ কৰিলে আৰু মানৱ জাতিৰ মহান আকাংক্ষাৰ সফলতাৰ দিন ওচৰ চপাই আনিছে। কিন্তু, ছোভিয়েত ইউনিয়নত যি দিনা সাম্যবাদ গঢ়ি উঠিব, সিদিনা ইতিহাসৰ গতি আৰু কিমান দ্ৰুতবেগী হব।

সাম্যবাদী নীতি দীঘল দীঘল খোজ দি আগ বাঢ়ি যাবলৈ ধৰিছে। সাম্যবাদৰ পতাকাবাহী মাৰ্ক্সবাদী-লেনিনবাদী পাৰ্টিসমূহে দেখুৱাই দিছে যে সেইবিলাক বিপ্লৱীৰ পাৰ্টি, নতুন ধাৰণাৰ পাৰ্টি আৰু জনসাধাৰণৰ সুখৰ ৰূপ দিওঁতা। সকলো দেশৰে প্ৰগতিশীল সকলে সাম্যবাদ বুলিলে অতি শ্ৰেষ্ঠ, অতি উজ্জ্বল নীতিসমূহকেই বুজে। সাম্যবাদৰ শক্তি বিৰাট। জীৱনৰ সত্য, ইতিহাসৰ সত্য সাম্যবাদৰ ফালে।

সাম্যবাদৰ বিজয় সদায়েই লেনিনবাদী পাৰ্টিৰ অতি আপোন আৰু মূল লক্ষ্য আছিল। সাম্যবাদৰ এই সপোন আজি বাস্তৱত পৰিণত হব ধৰিছে। কমৰেডসকল, আমাৰ সতি-সন্ততিবোৰেই নহয়, আমিও, বৰ্তমান ছোভিয়েত জনসাধাৰণো সাম্যবাদৰ যুগত বাস কৰিম। এই কথাই প্ৰতিজন ছোভিয়েত নাগৰিকক উৎসাহিত কৰে আৰু অসীম উৎসাহেৰে সৈতে জীযাই থাকিবলৈ আৰু কাম কৰিবলৈ প্ৰেৰণা দিয়ে।

এই কৰ্মসূচীয়ে প্ৰত্যেকেই কি ধৰণে সাম্যবাদৰ গঠন-কাৰ্য্যত নিজৰ

অংশ লব লাগিব তাক দেখুৱাই দিছে। সাম্যবাদৰ কাৰণে কেনেকৈ কাম কৰিব লাগিব, কেনেকৈ শিক্ষা লাভ কৰিব লাগিব আৰু সাম্যবাদৰ যুগত বাস কৰিবলৈ কি ধৰণে প্রস্তুত হব লাগিব তাক দেখুৱাই দিছে।

সেই কাৰণে কমৰেডসকল, আমাৰ দেশৰ বুকুলৈ সাম্যবাদৰ নতুন সূৰ্য্য উদয় হোৱাৰ অভিনৱ দিনটো সোনকালে আনিবৰ কাৰণে আমাৰ সকলো চেষ্টা, সকলো শক্তি প্রয়োগ কৰোঁহক আহক।

লেনিনৰ ধ্বজাই সমাজতন্ত্ৰৰ বিজয়ৰ কাৰণে সংগ্রাম কৰিবলৈ আমাক উৎসাহিত কৰিছিল। আৰু আমি জয় লাভ কৰিলো।

আমাৰ দেশৰ ঐতিহাসিক অগ্রগতিৰ নতুন স্তৰত—সাম্যবাদ গঠনত লেনিনৰ ধ্বজাই আমাক উৎসাহিত কৰিছে।

মাৰ্ক্সবাদ-লেনিনবাদৰ ধ্বজাৰ তলত কমিউনিষ্ট পাৰ্টিৰ নেতৃত্বত সাম্যবাদৰ বিজয়ৰ পথেৰে আগ বাঢ়ক।